সাউদৰ পুতেকে নাও মেলি যায়



হোমেন বৰগোহাঞি

ষ্টুডেন্টচ্ ষ্টʼৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১ · অসম

প্ৰকাশক :
শ্ৰীনৰেন্দ্ৰ চন্দ্ৰ দত্ত
ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী—৭৮১০০১

... of Library Services
No............
Date............
ASSAM, GOWAHATI

প্ৰচ্ছদ :
শ্ৰীপূৰ্ণেন্দু পত্ৰী

প্ৰথম প্ৰকাশ :
সাহিত্য সভা, ১৯৮৭

মূল্য—১৮·০০ টকা মাথোন

শ্ৰীতাপস কুমাৰ দলুই
২৮বি, অবিনাশ ঘোষ লেন
কলিকতা—৭০০০০৬

মোৰ যৌৱনৰ প্ৰিয়-বন্ধু

নৰকান্ত বৰুৱাৰ কৰকমলেষু

বাল্যকালত যিবোৰ চিন্তাই হৃদয়ক কৰ্তিত কৰে, যৌৱন, বাৰ্ধক্য, ৰোগ, শোক,—আনকি মৃত্যুৰ সময়তো সেইবোৰ চিন্তা নাথাকে। প্ৰকৃতপক্ষে শৈশৱদশা মৃত্যুতকৈয়ো কষ্টকৰ, সকলোৰে অৱজ্ঞাৰ বস্তু আৰু চাঞ্চল্যময়।

—যোগবাশিষ্ঠ ৰামায়ণ

সাউদৰ পুতেকে নাও মেলি যায়

প্ৰথম অধ্যায়

॥ ১ ॥

'বাপুকণ ! অ' বাপুকণ !'

গৰমৰ বন্ধৰ দুপৰীয়া। ভাত-পানী খাই উঠি ঘৰৰ ডাঙৰ মানুহ সকলোৱে জিৰণি লৈছে। বাপুকণৰ দেউতাকে এহাতে বিচনী আৰু আনহাতে এখন কিতাপ লৈ চ'ৰাঘৰৰ বিছনাত দীঘল দিছে। মাকে পিৰালীতে তামোলৰ বটাখন আগত লৈ তামোলৰ সেলেঙি লগাই ওচৰৰে কনপোনাৰ মাকৰ লগত বিয়নী-মেল পাতিছে আৰু দুবছৰীয়া পেট-মোচা জীয়েকজনীৰ ঘামচি ভাঙিছে। বাপুকণৰ বায়েকে খুব গৰম বুলি বিছনাত নুশুই এখন ডাঙৰ কলপাত কাটি আনি মাটিতে পাৰি লৈ শুই আছে। পোনাৰাম অৰ্থাৎ বাপুকণহঁতৰ ঘৰৰ গৰখীয়া ল'ৰাটোৱে গাঁৱৰ ল'ৰাকেইটা-মানক গোটাই আনি ভঁৰালৰ আগৰ এছলীয়া মুকলি ঘৰটোত টুৱেন্টি নাইনৰ খেলা পাতিছে।

আহাৰ মাহৰ ভৰ দুপৰীয়া। ৰ'দ নহয় যেন আকাশে জুইহে বৰষিছে। ৰ'দৰ তাপত গছ-বনবোৰ লেৰেলি জঁই পৰিছে। ক'তো জন-প্ৰাণী এটি দেখিবলৈ নাই। সকলোৱে নিজ নিজ ঘৰৰ চালৰ তলত আশ্ৰয় লৈছে। আনকি আলিবাটৰ সিপাৰৰ হোলাটোত চৰি থকা গৰু-গাই কেইটায়ো ঘাঁহ খাবলৈ এৰি বাঁহগছৰ ছাঁত আশ্ৰয় লৈছে। ক'তো কাৰো মাত এষাৰিও শুনিবলৈ নাই। মাজে মাজে কেৱল বাঁহগছৰ কেৰকেৰণি আৰু চোতালৰ চকোৰাৰ ওপৰত বহি থকা ঢোঁৰা-কাউৰী এটাৰ উদাস কা-কা মাতে সেই গহীন নীৰৱতা খন্তেকৰ কাৰণে ভাঙি দিছে।

এনেতে হঠাৎ সেই বিশাল নীৰৱতা ভাঙি দি কোনোবাই বাপুকণৰ কাণৰ কাষতে চিঞৰি উঠিল : 'বাপুকণ ! অ' বাপুকণ !'

বাপুকণ চক খাই উঠিল। ইফালে-সিফালে চাই সি এবাৰ দেখিলে—সি বহি থকা ঠাইৰ পৰা অলপ দূৰত বেৰখনৰ সিপাৰে হেবাঙ ; চোৰৰ দৰে অতি সন্তৰ্পণে ইফালে-সিফালে চাই সি নিজৰ মাতটো যিমান পাৰে চেপি বাপুকণক মাতিবলৈ যত্ন কৰিছে। হেবাঙক দেখামাত্রে বাপুকণে সোঁহাতৰ তৰ্জনী আঙুলিটো ওঠৰ ওপৰত ৰাখি এটা ইংগিত কৰিলে—অৰ্থাৎ 'চুপ'। তাৰ পিছত সি বেৰখনৰ ওচৰলৈ গৈ জলঙাইদি হেবাঙক ফুচফুচাই ক'লে : 'দেউতা এতিয়াও টোপনি যোৱা নাই। নাক বজাৰ শব্দ হোৱা নাই। তই আমাৰ গোহালিৰ চাঙৰ ওপৰত লুকাই থাকগৈ। দেউতা টোপনি গলেই মই যাম।'

হেবাঙে বিৰক্তিত মুখখন ক'লা কৰি হঠাৎ চোৰৰ দৰে বতাহত মিলি গ'ল।

হেবাঙৰ মুখখন এই মাত্রহে ক'লা পৰিল, কিন্তু বাপুকণৰ নিজৰ মুখখন যোৱা এঘণ্টাতকৈয়ো বেছি সময় ধৰি অসহ্য খঙত ক'লা পৰিয়েই আছে। নপৰিবৰই বা কিয় ? আহাৰ মাহৰ সেই ৰ'দে-খাওঁ খাওঁ ভৰ-দুপৰীয়া—যিসময়ত পৃথিৱীৰ সকলো জন-প্রাণীয়ে জিৰণি লৈছে, আনকি গছ-বিৰিখেও জিৰণি লৈছে—সেই সময়ত জিৰণি নাই কেৱল বাপুকণৰ। ৰাতিপুৱা দেউতাকে তাক দহটা অংক কৰিবলৈ লগাই দি কিবা কামত ক'ৰবালৈ ওলাই গৈছিল। কিন্তু দুটা মাত্র অংক কৰি শেষ কৰোঁতেই হেবাঙে আহি তাক নৈত সাঁতুৰিবলৈ যাবলৈ লগ ধৰিলে। নৈত সাঁতুৰিবলৈ পালে কোন মূৰ্খই ঘৰত অংক কৰি বহি থাকে ? তদুপৰি আটকীয়া গৰমৰ বন্ধটো যদি অংক কৰিয়েই শেষ কৰিব লগা হ'ল, তেন্তে স্কুল খোলা ৰখা হলেনো কি ক্ষতিটো হ'লহেতেন ?

গতিকে বাপুকণে ৰাতিপুৱা অংক নকৰি নৈত সাঁতুৰিবলৈ গ'ল। সেই অপৰাধৰ শাস্তি স্বৰূপেই দেউতাকে এতিয়া তাক হুকুম দিছে যে

ভুপৰীয়া ভাত খাই উঠিয়েই বাকী আঁঠটা অঙ্ক সি শেষ কৰিবই লাগিব। দেউতাকে শুই উঠি তাৰ অংক চাবলৈ পাব লাগিব।

পিৰালিত পাটি এখন পাৰি লৈ বাপুকণে যোৱা এঘণ্টা সময় ধৰি অতি সুকঠিন ত্ৰৈৰাশিকৰ অংক কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছে, কিন্তু ইমানপৰে এটা অংকও সি শেষ কৰিব পৰা নাই। পাৰিব কেনেকৈ? তাৰ মগজুত অংকৰ কোনো অস্তিত্বই নাই। গোটেই সময়খিনি সি দুফালৰ পৰা দুটা মাত শুনিবৰ কাৰণে দুয়োখন কাণ ঠিয় কৰি ৰৈ আছে: এখন কাণ দেউতাকৰ টোপনিৰ নাক-বজা শব্দ শুনিবৰ কাৰণে, আনখন কাণ হেবাঙৰ হাতত-সাৰে ভৰিত-সাৰে চোৰৰ নিচিনাকৈ অহা খোজৰ শব্দ শুনিবৰ কাৰণে।

ৰাতিপুৱা নৈত সাঁতুৰিবলৈ যাওঁতেই হেবাঙে তাক প্ৰস্তাব দিছিল— আজি দুপৰীয়া ঘৰৰ ডাঙৰ মানুহবোৰ শুই থকাৰ সুযোগতে সিহঁত দুয়ো কলি-আম খাবলৈ যাব। গাঁৱৰ নামঘৰৰ পিছফালৰ হলিবাৰীৰ আম গছ-জোপা এইবাৰ ডালভৰি ভৰি লাগিছে। আনকি সিহঁতৰ নিচিনা সৰু ল'ৰাইয়ো ফৰ্মুটি মাৰি পাৰিব পৰাকৈ চাপৰ ডালতে ঢেৰ আম লাগিছে। হেবাঙে ঘৰৰ পৰা কটাৰী আৰু নিমখ-জলকীয়া লৈ আহিব। কলপাতত কলি-আম চকলিয়াই নিমখ-জলকীয়া সানি দুয়ো গছৰ ছাঁত বহি আম খাব। আম খাবলৈ কেন্তু আৰু কানায়ো অহাৰ কথা আছে। তেতিয়াহলে আৰু বেছি মজা হ'ব। কানায়ে বান্দৰৰ দৰে গছ বগাব পাৰে। আম খাই শেষ কৰি সিহঁতে সৰ্বেশ্বৰহঁতৰ কঠীয়ানিৰ ক'লী-জামু জোপাৰ জামু খাবলৈ যাব। জামু গছজোপা বৰ ওখ। ঠাকুটি বা ফৰ্মুটি একোৰেই ওপৰৰ ওখ ডালৰ পৰা পকা জামুবোৰ পাৰিব নোৱাৰি। কানাই আহিলে হেপাহ পলুৱাই জামু খাব পৰা যাব।

দেউতাকৰ নাক বজাৰ শব্দ শুনিবলৈ বাপুকণে এখন কাণ থিয় কৰি ৰাখিছিল, আৰু লগে লগে সি মনৰ ভিতৰতে দেউতাকৰ বিৰুদ্ধে খণ্ডত গুজৰি-গুমৰি পাগল হৈ আছিল। দেউতা কি নিষ্ঠুৰ, কি নিষ্ঠুৰ! এই

সামান্য কথাটো বুজিবলৈ তেওঁৰ ক্ষমতা নাইনে যে যি সময়ত গছত শীতল ছাঁত বহি গাত জুৰ বতাহ লৈ সমনীয়াৰ লগত কেহেলি-কেন্দেলি কৰি নিমখ-জলকীয়া সানি কেঁচা আম খোৱাৰ স্বপ্নই তাক বিভোৰ কৰি ৰাখিছে, সেই সময়ত তাৰ মূৰত ত্ৰৈৰাশিকৰ অংক সোমাব পৰাটো কোনো-পধ্যেই সম্ভৱ নহয়? দেউতা কি উপজোতেই বুঢ়া হৈ উপজিছিল? তেওঁ কি কোনোদিন বাপুকণৰ নিচিনা এটা দহবছৰীয়া সৰু ল'ৰা নাছিল? গৰমৰ বন্ধত হাবিয়ে-বননিয়ে অনাই-বনাই আম-কঠাল-জামু-জৰাটেঙা বিচাৰি ফুৰাৰ নিচাই এদিনৰ কাৰণেও তেওঁক পাগল কৰিব পৰা নাছিল?

কথাবোৰ ভাবোতে ভাবোতে এটা সময়ত বাপুকণৰ নিজৰ মগজ-টোৱেই সঁচাকৈ পাগল হৈ গ'ল। এটা অংকও কৰি শেষ হোৱা নাই, এনেকে দেউতাকৰ হাতত শাস্তি অনিবাৰ্য। আনহাতে হেবাঙে মাতিবলৈ আহিলে সি আম খাবলৈ যাবই। তেতিয়াও শাস্তি অনিবাৰ্য। কোনো ফালেই ৰক্ষা নাই। তেন্তে উপায়?

একমাত্ৰ উপায়--কেনেবাকৈ দেউতাক যদি পৃথিৱীৰ পৰা সমূলি নোহোৱা হৈ গ'লহেঁতেন। কিন্তু সেইটো কেনেকৈ সম্ভৱ? বাপুকণে তাৰ দহবছৰীয়া মনটোৱেও বুজি পায় যে একমাত্ৰ মৰিলেহে মানুহ চিৰকালৰ কাৰণে পৃথিৱীৰ পৰা নোহোৱা হৈ যাব পাৰে। হেবাঙৰ দেউতাক কেতিয়াবাই মৰিল। নোমলৰ দেউতাকো মৰিল। হেবাঙ আৰু নোমলে সেই কাৰণে যেতিয়াই যি ইচ্ছা তাকে কৰি ঘূৰি ফুৰিব পাৰে। কোনেও সিহঁতক একো নকয়। আনকি যোৱা বছৰ হেবাঙে স্কুলো এৰি দিলে। মাকে তাক দুদিনমান বকাবকি কৰিছিল। কিন্তু মাকৰ কথা সি গ্ৰাহ্যই নকৰে। বাপুকণৰ দেউতাকো যদি মৰি যায়, তেন্তে সিও হেবাঙ আৰু নোমলৰ নিচিনাকৈ স্বাধীন হ'ব?

সেই স্বাধীনতাৰ কল্পনাত বাপুকণ কেইমুহূৰ্তমান তন্ময় হৈ ৰ'ল। এনেতে হঠাৎ এবাৰ তাৰ গোটেই গাটো জিকাৰ খাই উঠিল। সি ইমান পৰে কি কৰিছে? দেউতাকৰ মৰণ কামনা কৰিছে? হে ভগৱান! হে

ভগৱান! মোক ক্ষমা কৰা। মই খুব ডাঙৰ পাপ কথা ভাবিছো। সি ব্যাকুলভাৱে ঈশ্বৰক স্তুতি কৰিবলৈ ধৰিলে।

হঠাৎ অতীতৰ বহু স্মৃতি তাৰ মনলৈ আহিল। বছৰত মাত্ৰ এবাৰ কি দুবাৰ বাপুকণৰ দেউতাকে ঘৰ এৰি বাহিৰলৈ ফুৰিবলৈ যায়। কেতিয়াবা যোৰহাটৰ পেহীয়েকৰ ঘৰলৈ, কেতিয়াবা লখীমপুৰত কেৰাণী কাম কৰা ভায়েকৰ ঘৰলৈ। দেউতাক ঘৰ এৰি বাহিৰলৈ যোৱাটো বাপুকণহঁতৰ ঘৰত এটা ডাঙৰ ঘটনা। প্ৰায় এসপ্তাহৰ আগৰে পৰা তাৰ কাৰণে যা-যোগাৰ চলে। সেই এটা সপ্তাহ এটা গোপন আনন্দই বাপুকণৰ মনটোক চঞ্চল কৰি ৰাখে। সিয়ে মনে মনে কি ভাবি থাকে সেই কথা বাহিৰৰ পৰা তাক দেখি কোনেও একো অনুমান কৰিব নোৱাৰে; কিন্তু সি ভিতৰে ভিতৰে মছগুল হৈ থাকে নানা বিচিত্ৰ পৰিকল্পনাত। দেউতাক ঘৰত নথকা দিনকেইটাৰ দুৰ্লভ স্বাধীনতাৰ সুযোগত সি মনৰ কি কি হেপাহ পূৰাই লব, কেনেকৈ নোমলহঁতৰ লগত ৰামপুৰ চাপৰিৰ হাবিত চৰাই পোৱালী বিচাৰি যাব বা ইটামৰা পুখুৰীত বৰশি বাবলৈ যাব, বা আন একো নহলেও গাঁৱৰ চাৰিআলিত লগৰীয়া ল'ৰাৰ লগত আড্ডা মাৰি সাঁজ লাগি ভগাৰ পিছতহে ঘৰলৈ আহি প্ৰমাণ কৰিব যে সিও ইতিমধ্যে ডেকা হৈছে—এইবোৰ কথাকে মনৰ ভিতৰত পাগুলি পাগুলি সি এখন দিবা-স্বপ্নৰ জগতত বাস কৰে। সেই সাতটা দিন তাৰ মনত নাযায়-নুপুৰায় যেন লাগি থাকে। আনকি ৰাতি যেতিয়া বিছনাত দেউতাকে মৰমতে তাৰ গা-মূৰ পিহি সাধুকথা কৈ থাকে, তেতিয়াও সি ভাবি থাকে একেটা মাত্ৰ কথা: দেউতাক কেতিয়া যোৰ-হাটলৈ যাব? কেতিয়া সি স্বাধীন হ'ব?

অৱশেষত সেই দিনটো আহি পায়হি। দেউতাকে ঘৰৰ পৰা যাত্ৰা কৰি গাঁৱৰ আলি-কেকুৰিটোত অদৃশ্য হোৱালৈকে মাত্ৰ সি কোনোমতে ধৈৰ্য ধৰি অপেক্ষা কৰি থাকে; তাৰ পিছ মুহূৰ্তত সি দামুৰি পোৱালী এটাৰ দৰে দেও পাৰি একেটা জাপতে হেবাঙৰ ঘৰ পায়গৈ। তাৰ এই

স্বাধীনতা সমস্ত জগতে শুনাকৈ ঘোষণা কৰিব নোৱাৰালৈকে তাৰ যেন শান্তি নাই।

অভিনৱ আনন্দ আৰু উত্তেজনাৰ মাজেদি দিনটো পাৰ হৈ যায়। আজি তাৰ ইচ্ছাক পদে পদে বাধা দিবলৈ বা কথাই কথাই ধমক দিবলৈ ঘৰত দেউতাক নাছিল : আজি এটা গোপন ভয়ে পোকৰ দৰে তাৰ বুকুৰ মাজত বাঁহ বান্ধি থকা নাছিল। আজি সি যি খুচি তাকে কৰি ঘূৰি ফুৰিছিল। মাকে অৱশ্যে 'দেউতাৰ আহিলে কৈ দিম ৰ' বুলি মাজে মাজে ভয় দেখুৱাই আছিল; কিন্তু মাকৰ মুখৰ কথাহে সাৰ, কামত একো নাই। বাপুকণৰ আৰু এটা কথা ভাবি ভাল লাগি আছিল যে এনেকুৱা সুখ আৰু স্বাধীনতাৰ দিন আৰু কেইবাটাও আছে। কিন্তু গধূলি হৈ অহাৰ লগে লগে সি অনুভৱ কৰিবলৈ ধৰে যে তাৰ মনটো কেনেবা-কেনেবা কৰিছে। কাৰণটো সি বুজি নাপায়। ৰাতি ভাত খাবলৈ বহি সি অনুভৱ কৰে যে ঘৰখনত এটা বিৰাট শূন্যতা বিৰাজ কৰিছে। হঠাৎ সি কব নোৱাৰাকৈয়ে তাৰ চকু যায় দেউতাকে যিখিনি ঠাইত বহি ভাত খায় সেই ঠাইখিনিলৈ। আজি সেই ঠাইখিনি শূন্য। খন্তেকৰ কাৰণে ভাত গিলিবলৈ পাহৰি সি অন্যমনস্ক হৈ যায়। গোটেই পৃথিৱীখন তাৰ নিমাও-মাও যেন লাগি যায়। অলপ পিছত তাৰ কাৰণটো সি বুজি পায় : দেউতাকৰ চিৰ-পৰিচিত গলগলিয়া মাতটোৱে আজি পৃথিৱীখন বজনজনাই থকা নাই। হঠাৎ মাকক প্ৰশ্ন কৰে : 'আই, দেউতা কেতিয়া ঘূৰি আহিব ?'

দেউতাকৰ প্ৰতি খণ্ডত জ্বলি-পকি থকা বাপুকণৰ মনটো হঠাৎ মৰমত গলিবলৈ আৰম্ভ কৰিছিল, এনেতে দেউতাকৰ নাক-বজাৰ শব্দ আহি তাৰ কাণত পৰিল। হাতত-সাৰে ভৰিত-সাৰে সি গোহালিৰ ফালে খোজ ললে। মাকো ইতিমধ্যে শুবলৈ বুলি ভিতৰলৈ গৈছিল, গতিকে তাক কোনেও দেখা নাপালে।

॥ ২ ॥

গাঁৱৰ প্ৰায়বোৰ গোহালিতে চালৰ তলত গোটা বাঁহৰ এখন চাং থাকে। বাৰিষা কালত গৰুক খুৱাবৰ কাৰণে তাত ধানখেৰৰ মুঠা সাঁচি থোৱা হয়। বাপুকণহঁতে সিহঁতৰ গোহালিৰ চাংখন নানাধৰণৰ ধেমালী কৰিবৰ কাৰণে আৰু গৰমৰ দিনত চাৰিওফালৰ পৰা অহা জুৰ বতাহ গাত লৈ শুই থাকিবৰ কাৰণেও ব্যৱহাৰ কৰে। বাপুকণে হেবাঙক কেবাবাৰো মাতি মাতিও মাত নাপাই খুটা বগাই চাঙত উঠি দেখিলে—টোপনিত সি লালকাল গৈছে। তাৰ দুই কোৱাৰিয়েদি লেলাউটি বৈ আহিছে আৰু এটা ভোমোৰাই তাৰ মেলা মুখৰ চাৰিওফালে গুণগুণাই ঘূৰি ফুৰিছে।

কেইবাবাৰো জোকাৰি দিয়াতহে হেবাঙে সাৰ পালে। ফটা কামিজ চোলাটোৰ আগেৰে মুখৰ লেলাউটিখিনি মোহাৰি সি চাঙৰ পৰা জাপ মাৰি মাটিলৈ নামিল। বাপুকণ কিন্তু তেতিয়াও ননমা দেখি হেবাঙে খঙেৰে চিঞৰি উঠিল—'ঐ, নামি নাহ কিয়? বেছি দেৰি কৰিলে মই কিন্তু আম খাবলৈ যাব নোৱাৰিম। আবেলি মই শিলিখা-জানত খলহা চাবলৈ যাব লাগিব।'

আলিবাটটো আৰু হলিবাৰীৰ মাজত গাঁৱৰ হোলাটো। খৰালি তাত এটোপাও পানী নাথাকে। বাৰিষাৰ বানপানীয়ে পেলাই যোৱা পলসৰ ওপৰত গাঁৱৰ মানুহে তাত খৰালিৰ শাক-পাচলিৰ খেতি কৰে। কিন্তু বাৰিষা হোলাটোত একাঠুৰ পৰা ডিঙিলৈকে পানী হয়। এতিয়া অৱশ্যে পানী বহুত শুকাইছে, ঘনকান্তহঁতৰ ঘৰৰ আগেদি গলে পানী সৰু গাঁঠিমানহে হয়। বাপুকণহঁতে হাফপেণ্ট পানীত নিতিতাকৈ ৰাখিবৰ কাৰণে সেই কম পানীৰ বাটেদি যাবলৈকে ঠিক কৰিলে।

আলিবাটৰ পৰা নামি পানীত ভৰি দিয়েই দুয়ো 'উস' বুলি চিঞৰি উঠিল। আহাৰ মাহৰ জুই যেন ৰ'দত পানীখিনি প্ৰায় উতলা পানীৰ

দৰে হৈছে, ভৰি দিবই নোৱাৰি। তুয়ো প্ৰায় দৌৰিবলৈ ধৰিলে। অলপ দূৰ গৈয়েই হেবাঙে হঠাৎ পানীৰ সোঁ-মাজতে 'উস উস' বুলি অস্থিৰ হৈ জপিয়াবলৈ ধৰিলে। কেতিয়াবাই মৰি যোৱা শুকান লঠঙা এবা গছবোৰ পানীৰ মাজত ঠিয় হৈ আছে, তাৰ শুকান ডালবোৰত লোমালোমে কুঁজি বিছা। গৰম পানীৰ পৰা ৰক্ষা পৰিবলৈ দৌৰ মাৰোতে গাৰ জোকাৰণিত এবা গছবোৰৰ পৰা বিছাবোৰ থলথলকৈ হেবাঙৰ গাত সৰি পৰিল আৰু মুহূৰ্ততে তাৰ গোটেই গাটো দমলা-দমল বান্ধিবলৈ ধৰিলে। হেবাঙে যন্ত্ৰণাত চিৎকাৰ কৰি জপিয়াই উঠা দেখি বাপুকণে 'কি হ'ল' বুলি সুধিবলৈহে পালে। পিছ মুহূৰ্ততে সিও 'মৰিলো ঔ খালে ঔ' বুলি চিঞৰি বিম্বাশবদে ধপলিয়াবলৈ ধৰিলে।

দিক-বিদিক জ্ঞান হেৰুৱাই তুয়ো দৌৰিবলৈ ধৰিলে। অৱশেষত উতলা পানীৰ হোঁলাটো পাৰ হৈ সিহঁতে বাম মাটিত ভৰি দিলে। সিহঁত য'ত গৈ ভৰি দিলে সেইখন ঘনকাঠফুলৰ কঠীয়াতলি। হলিবাৰীৰ আমগছজোপা পাবলৈ আৰু কেনেকুৱা দুখন কঠীয়াতলি পাৰ হ'ব লাগিব। তলত আঁঠুলৈকে উতলা পানী, মূৰৰ ওপৰত জুই-বৰষা বেলি, গোটেই গাতে বিছা-শুঙৰ অসহ্য যন্ত্ৰণা—দুইটা ল'ৰাৰ গা যামত জোল যেন হৈছিল। কিন্তু ঘনকাঠফুলৰ কঠীয়াতলিৰ ঢাপটোৰ ওচৰত ঠিয় হোৱাৰ লগে লগে সিহঁতৰ গা জুৰপৰি গ'ল। ঢাপটোত ৰবাব টেঙা, চকলা টেঙা, বহঁত, অমৰা আৰু ক'লীজামু আদি নানা ফলৰ গছ; কাষতে কেইজোপামান বাঁহ গছ। বাৰিষা বতৰ পাই ঘন সেউজীয়া পাতে গছবোৰ ছাটি পেলাইছে। থেপাথেপিকৈ থকা অতবোৰ গছৰ ডাল-পাত ভেদ কৰি বেলিৰ পোহৰ মাটিত পৰা অসম্ভৱ। ইমানপৰে জুই যেন ৰ'দত উতলাপানীৰ হোলাটোৰেদি দৌৰি আহি থাকোতে বাপুকণ আৰু হেবাঙৰ গাত যেন জুই জ্বলিবলৈ ধৰিছিল; কিন্তু ঘন শীতল ছাই আৱৰি ৰখা সেই ঠাইখিনিত ভৰি দিয়াৰ লগে লগে সিহঁতে খেলাৰ শেষত গৰমত ঘামি-জামি মহঘুলি নৈৰ শীতল পানীত জপিয়াই পৰাৰ দৰে মধুৰ শান্তি অনুভৱ কৰিলে। বিছাৰ কামোৰৰ যন্ত্ৰণা সমূলি পাহৰি সিহঁতে

চকু মুদি দীঘল দীঘলকৈ উশাহ লৈ সর্ব-শৰীৰত সেই শীতল ছাঁৰ সুধা-স্পৰ্শ অনুভৱ কৰিবলৈ ধৰিলে। আঃ কি আৰাম! কি আৰাম! ৰ'দত খোজ কাঢ়ি বা লৰি-ঢাপৰি আহি গছৰ সুশীতল ছাঁত ঠিয় হবলৈ কি আৰাম! গৰমৰ দিনত আবেলি পৰত পথাৰত ৰবাব টেঙাৰ ফুটবল খেলি ঘৰ্মাক্ত হৈ গধূলি পৰত মহঘুলি নৈৰ বুকুত জপিয়াই পৰিবলৈ কি আৰাম! তৰা-ভৰা মুকলি আকাশৰ তলত চোতালত পাটি পাৰি শুই শুই আইৰ মুখত সাধুকথা শুনিবলৈ কি আৰাম! মধুৰ আৰামত তন্দ্ৰাচ্ছন্ন হৈ বাপুকণে আৰু বহুবিধ আৰামৰ বিষয়ে স্বপ্ন দেখিবলৈ আৰম্ভ কৰিছিল, এনেতে হেবাঙে মাত লগাই তাৰ স্বপ্নাবেশ ভাঙি দিলে — 'ঐ বাপুকণ, পৃথিৱীত গছ-গছনি নোহোৱা হ'লে বাৰু কি হ'লহেতেন কচোন।'

'কি হ'লহেতেন আৰু? আমি এনেকৈ ৰ'দত ঘামি-জামি আহি ছাঁ লবলৈ নাপালোহেতেন।'

কথাষাৰ বাপুকণে ধেমালীৰ চলেৰে ক'লে যদিও তাৰ মনৰ অৱস্থা কিন্তু আছিল সম্পূৰ্ণ বেলেগ। সি মেলেৰিয়া জ্বৰত পৰি থাকোতে মাকে ওচৰতে বহি তাৰ গায়ে-মুখে আলফুলকৈ হাত বুলাই থাকিলে সি মাকৰ প্ৰতি যেনেকৈ এটা গভীৰ মৰম-সনা কৃতজ্ঞতা অনুভৱ কৰে, ঠিক এই মুহূৰ্তত শীতল ছাঁ দিয়া গছবোৰৰ প্ৰতিও সি ঠিক তেনেকুৱা এটা কৃতজ্ঞতাই অনুভৱ কৰিছে। কিন্তু কেৱল এতিয়া বুলিয়েই নহয়, সকলো সময়তে সি গছবোধক কেৱল গছ বুলি নাভাবে; কোনো কোনোবোৰ গছ হেবাঙৰ নিচিনাকৈ তাৰ খেলৰ লগৰীয়া, কোনো কোনোবোৰ গছ তাৰ মাকৰ নিচিনাকৈ চেনেহৰ থুনুপাক, আৰু কোনো কোনোবোৰ গছ ....

হঠাতে তাৰ এটা কথা মনত পৰি গ'ল। মৃত্যু কি বস্তু সি আজি-কালি ভালকৈ বুজি পোৱা হৈছে। মৰাৰ পিছত পাপ-পূণ্য অনুশৰি কোনোবা মানুহ স্বৰ্গলৈ যায়, কোনোবা যায় নৰকলৈ; কিন্তু এটা কথা

ঠিক যে কোনো মানুহেই আকৌ ঘূৰি নাহে। বাপুকণে আজি-কালি প্ৰায়েই ভাবে—'মোৰ আই আৰু দেউতা যদি মৰি যায়, তেতিয়া মোৰ কি হ'ব?' জাৰৰ ৰাতি দেউতাকৰ বুকুৰ মাজত কুচি-মুচি শুই থাকি সি মাজে মাজে ভাবে—'দেউতা মৰি গ'লে মই কাৰ বুকুৰ মাজত এনেকৈ শুম?' গৰমৰ দিনত যেতিয়া মাকে বিচনীৰে বিচি বিচি, পিঠিৰ ঘামচি ভাঙি ভাঙি, আৰু করুণ সুৰলা মাতেৰে নাম-গুণ গাই গাই তাক আৰাম দিবলৈ চেষ্টা কৰে, বাপুকণে হঠাৎ একোবাৰ তাৰ অকণমানি বুকুখন মোচৰ খাই উঠা যেন অনুভৱ কৰে; আতংকিত হৈ সি নিজকে প্ৰশ্ন কৰে—'আই মৰি গলে কোনে এনেকৈ মোক মৰম কৰিব?' কিমান দিন কিমান ৰাতি যে সেই দহবছৰীয়া ল'ৰাটোৱে মাক-দেউতাকৰ মৃত্যুৰ কথা চিন্তা কৰি কৰি অকলে অকলে বিষাদত আৰু আতংকত আধামৰা হৈ থাকে, সেই কথা জানো মাক-দেউতাকে কল্পনা কৰিব পাৰে?

সি যি কি নহওক, ঠিক সেই মুহূৰ্তত বাপুকণৰ মনলৈ অন্য এটা চিন্তা আহিল। সি যেতিয়াই দেউতাকৰ মৃত্যুৰ কথা চিন্তা কৰে, তেতিয়াই তাৰ মনলৈ আহে সিহঁতৰ স্কুল কম্পাউণ্ডৰ এচুকত থকা বিৰাট বৰগছ জোপাৰ কথা। সেই বৰ গছজোপা আছিল অজস্ৰ লতা-গুল্ম, কীট-পতঙ্গ আৰু চৰাই-চিৰিকতিৰ আশ্ৰয়-স্থল। বৰগছজোপাৰ তলত বহি স্কুলৰ তলৰ শ্ৰেণীৰ ল'ৰাবোৰে নেওতা মুখস্থ কৰিছিল। ল'ৰাবোৰে যেতিয়া ফুলনিত কাম কৰে, তেতিয়া শিক্ষকসকলে বৰ গছজোপাৰ ছাঁত বহি বহি নানা গল্প কৰিছিল। বাপুকণৰ মনত এনে এটা ধাৰণা বদ্ধমূল হৈ গৈছিল যে পৃথিৱীৰ আৰম্ভণিৰ দিনৰে পৰা সেই বৰগছজোপা আছে আৰু চিৰকাল সি একেঠাইতে সগৰ্বে ঠিয় হৈ থাকিব। এদিন ৰাতি ডাঙৰ ধুমুহা হৈছিল। গাঁৱৰ প্ৰায় প্ৰতিঘৰ মানুহৰে বাৰীৰ কল-তামোল-অমিতা আদি গছবোৰ ধুমুহাত ভাগিল। সেইটো একো আচৰিত কথা নহয়। ধুমুহা হলে গছ ভাগেই। কিন্তু পিছদিনা বাপুকণে স্কুললৈ গৈ যিটো দৃশ্য দেখিলে, সি তাৰ মনত চিৰকালৰ কাৰণে এটা মচিব নোৱাৰা দাগ বহুৱালে। সেই বিশাল সুন্দৰ শক্তিমান বৰগছজোপা ধুমুহাত

ভূ-লুণ্ঠিত হৈ পৰি আছে, অজস্র শিপাৰে সৈতে তাৰ প্ৰকাণ্ড গুৰিটোৱে কৰুণ আৰু অসহায়ভাৱে আকাশৰ ফালে নিজকে ডাঙি ধৰিছে। অজস্র গছ-গছনিয়ে এতিয়াও চাৰিওফালে মূৰ তুলি ঠিয় দি আছে, কিন্তু এজোপা মাত্ৰ বৰগছ ধুমুহাত বাগৰি পৰাৰ লগে লগে সমস্ত আকাশ আৰু পৃথিৱী জুৰি যি বিপুল শূন্যতাৰ সৃষ্টি হ'ল তাক যেন আন একোৱেই পূৰাব নোৱাৰে।

বাপুকণে যেতিয়াই দেউতাকৰ মৃত্যুৰ কথা চিন্তা কৰে, তেতিয়াই ধুমুহাই মাটিত বগৰাই পেলোৱা সেই বিশাল বৰগছজোপাৰ ছবি তাৰ মনলৈ আহে।

হেবাঙে ক'লে—'ঐ বাপুকণ, ভাগৰ পলালনে? যাওঁ ব'ল।'

॥ ৩ ॥

বাপুকণ আৰু হেবাঙে গৈ হলিবাৰীৰ আম গছজোপাৰ তলত ভৰি দিছেগৈ মাত্ৰ, এনেতে গছজোপাৰ ওপৰৰ পৰা খৰ্‌খৰ্ কৰি কিবা এটা বস্তু নামি অহাৰ শব্দ শুনা গ'ল। খুব সম্ভৱ গছজোপাৰ শুকান ঠেঙুলি এটাত চৰাই এটা আহি পৰিছিলহি, ফলত ঠেঙুলিটো ভাগি সশব্দে তললৈ সৰি পৰিল আৰু চৰাইটোৱেও উচপ খাই উৰা মাৰিলে। কিন্তু শব্দটো শুনা মাত্ৰে বাপুকণ আৰু হেবাঙ দুয়ো ভীষণভাৱে চক খাই ইটোৱে সিটোক সাৱটি ধৰি ঠকঠককৈ কঁপিবলৈ ধৰিলে। সিহঁতৰ বুকুৱে ধান বনাৰ শব্দ দুয়ো স্পষ্টকৈ শুনিবলৈ পালে।

সিহঁতে এনেকৈ ভয় খোৱাৰ যথেষ্ট কাৰণ আছিল।

হলিবাৰীৰ এক প্ৰাচীন বুৰঞ্জী আছে। পুৰুষানুক্ৰমে চলি অহা কাহিনী অনুসৰি বহুবছৰৰ আগতে তাত বোলে হলিৰাম নামৰ এজন মানুহৰ ঘৰ-বাৰী আছিল। মানুহজন বৰ একা-চেকা বিধৰ আছিল। এবাৰ কিবা কথাত গাঁৱৰ ৰাইজৰ লগত তেওঁৰ খকা-খুন্দা লাগিল।

ৰাইজে কোনোপধ্যেই হলিৰামক সৈমান কৰিব নোৱাৰি তেওঁক এঘৰীয়া কৰিলে। বছৰৰ পিছত বছৰ বাগৰি গ'ল, কিন্তু হলিৰাম নিজৰ জেদত অচল-অটল হৈ থাকিল। কোনেও তেওঁৰ ঘৰত ভৰি দিবলৈ নাহে, তেৰোঁ কাৰো ঘৰলৈ নাযায়। এনেতে এবাৰ সেই অঞ্চলটোত হাইজা মহামাৰীয়ে দেখা দিলে। প্ৰায় প্ৰতিটো ঘৰতে এটা-দুটাকৈ মানুহ মৰিল। হলিৰামৰ পাঁচটা ল'ৰা-ছোৱালী আছিল, চৌব্বিশ ঘণ্টাৰ ভিতৰত অগা-পিছাকৈ আটাইকেইটা ল'ৰা-ছোৱালী হাইজাত মৰিল। হলিৰামে ইমানতো গাঁৱৰ ৰাইজৰ ওচৰত সেও নামানিলে বা কাকো খবৰ নিদিলে। তেওঁৰ নিজৰ বাৰীখনৰ এচুকত নিজে অকলে গাঁত খান্দি এটা এটাকৈ ল'ৰা-ছোৱালীকেইটা নি পুতি পেলালে। তাতে কেইদিন-মানৰ পিছত হলিৰামৰ ঘৈণীয়েকে বাৰীৰ পিছফালে বাহিৰ ফুৰিবলৈ গৈ এটা দৃশ্য দেখিলে। গাঁতকেইটা বোধহয় যথেষ্ট দকৈ খন্দা হোৱা নাছিল, কেইটামান শিয়ালে এটা নে দুটা মৰাশ খান্দি উলিয়াই তাতে ভোজ খাবলৈ বহিছে। হলিৰামৰ ঘৈণীয়েক আৰু ঘৰলৈ ঘূৰি নাহিল। গাৰ ৰিহাখনকে চিপজৰী কৰি গছ এজোপাৰ পৰা উলমি তেওঁ ঠাইতে আপোন-ঘাতী হ'ল। ঠিক সেইদিনাখনেই হলিৰামো তেওঁৰ ঘৰৰ পৰা নোহোৱা হ'ল। মানুহজন মৰিলেই নে দেশান্তৰী হ'ল কোনেও একো কব নোৱাৰিলে। বতাহত মিলি যোৱাৰ দৰে মানুহজন অদৃশ্য হৈ গ'ল।

ঘটনাটো জনাজনি হবলৈ বেছি সময় নালাগিল। গোটেই কথা বোৰ জনাৰ পাছত গাঁৱৰ মানুহে হাঁয় হাঁয় কৰিবলৈ ধৰিলে। মানুহঘৰৰ প্ৰতি ইমান নিমৰমিয়াল ব্যৱহাৰ কৰাৰ কাৰণে বহুতে অনুতাপো কৰিবলৈ ধৰিলে। কিন্তু দুদিনমানৰ ভিতৰতে সেই অনুতাপৰ ঠাই ললে ভয়ে। এদিন মাজৰাতি গাঁৱৰ কোনো কোনো মানুহে আচম্বিতে সাৰ পাই উঠি শুনিবলৈ পালে কোনোবা তিৰোতাই যেন বুকু ভাঙি ৰাউচি জুৰি কান্দিব ধৰিছে আৰু বতাহে সেই কান্দোনৰ শব্দ চাৰিওফালে ছড়িয়াই দিছে। কিলাকুটিত ভৰ দি মূৰ তুলি তেওঁলোকে কান্দোনৰ শব্দটো

কোনফালৰ পৰা আহিছে অনুমান কৰিবলৈ চেষ্টা কৰিলে। হয়, কোনো সন্দেহেই নাই যে কান্দোনটো আহিছে হলিৰামৰ বাৰীৰ ফালৰ পৰা। ৰাতিপুৱা হোৱাৰ লগে লগে খবৰটো বনজুইৰ দৰে চাৰিওফালে বিয়পি পৰিল। পিছদিনা ৰাতি গাঁৱৰ বেছিভাগ বয়সীয়া মানুহৰ গোটেই ৰাতি টোপনি নাহিল। কাণ ঠিয় কৰি সকলোৱে উজাগৰে থাকিল। মাজ-ৰাতিৰ অলপ সময়ৰ পিছতেই তেওঁলোক সকলোৱে শুনিবলৈ পালে সেই বুকু-ভঙা কান্দোন—পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈকে শুনাকৈ কোনোবাই যেন কাৰোবাক কাতৰভাৱে উকিয়াই মাতিছে - মাজৰাতিৰ নিস্তব্ধ পৃথিৱীত সেই করুণ কান্দোনৰ বাহিৰে আন একো শব্দ শুনিবলৈ নাই। মানুহবোৰে ভয়ত আধা-মৰা হৈ ঈশ্বৰৰ নাম লবলৈ ধৰিলে।

দিন যোৱাৰ লগে লগে আৰু কিছুমান নতুন ঘটনা ঘটিবলৈ ধৰিলে। এদিন হলিৰামৰ বাৰীত গৰু বিচাৰিবলৈ গৈ গাঁৱৰ এটা চেঙেলিয়া ল'ৰা বহুত ৰাতিলৈকে ঘূৰি নাহিল। ঘৰত হুৱা-তুৱা লাগিল। গাঁৱৰ কেবাটাও ডেকা ল'ৰাই হাতত জোৰ আৰু চুৰিয়াৰ খোচনাত মন্ত্ৰ-মৰা সৰিয়হ লৈ তাক বিচাৰি গ'ল। হলিৰামৰ তামোল-বাৰীত ল'ৰাটোক অচেতন অৱস্থাত পৰি থকা দেখা গ'ল। দাং-কোলা কৰি তাক ঘৰলৈ অনা হ'ল। জ্ঞান ঘূৰাই পোৱাৰ পিছত সি যিটো ঘটনা কৈ শুনালে সেইটো হ'ল এই ঃ সাঁজ ভাগি যোৱাৰ পিছতো সিহঁতৰ হালোৱা গৰু এটা ঘৰলৈ নহা দেখি পিছদিনা ৰাতিপুৱা হালখতি হোৱাৰ ভয়ত সি গৰু বিচাৰি গ'ল। বাটতে তাক কোনোবাই ক'লে যে অলপ আগতে সি কেইটামান গৰুক হলিৰামৰ বাৰীৰ ফালে যোৱা দেখিছিল। হলিৰামৰ বাৰীত সোমোৱাটো ভয়ৰ কথা বুলি জানিও হালখতি হোৱাৰ ভয়ত সি মৰণত শৰণ দি বাৰী-খনলৈ সোমাই গ'ল। শুক্লপক্ষৰ নৱমীৰ জোনাকত বাৰীখনৰ মুকলি ঠাইবোৰ পোহৰ হৈ আছিল। ল'ৰাটোৱে পাণ-তামোলৰ বাৰী আৰু তাৰ পিছফালৰ আম-কঠাল-লেটেকু-পনিয়লৰ বাৰী পাৰ হৈ পথাৰৰ গাত লাগি থকা মুকলি ঠাইডোখৰ পালেগৈ। অলপ দূৰৰ পৰা সি শুই থকা গৰুৰ নিচিনা কেইটামান আকৃতি দেখা যেন অনুভৱ কৰিলে। কিন্তু

ওচৰ পাই দেখিলে—ঘৰৰ চোতালখনৰ সমান মুকলি ঠাইডোখৰত গাখীৰ-যেন বগা জোনাকবোৰ উপচি পৰিছে আৰু গাখীৰৰ নিচিনা বগা মুখৰ তিৰোতা এজনী কাঠৰ পুতলা এটাৰ দৰে অকণো লৰচৰ নকৰাকৈ বহি আছে। মানুহজনীৰ সমুখত এটা ডাঙৰ পাচি। মানুহজনীৰ মুখত চকু পৰাৰ পিছত পিছমুহূৰ্ত্ততে পাচিটোলৈ ল'ৰাটোৰ চকু গ'ল। সি স্পষ্ট-ভাবে দেখা পালে—পোহাৰীৰ পাচিত অথালি-পথালিকৈ ডাঙৰ মাছ পৰি থকাৰ দৰে পাচিটোত পাঁচটা ল'ৰা-ছোৱালীৰ মৰাশ পৰি আছে। প্ৰকাণ্ড চিঞৰ এটা মাৰি তাৰ পৰা দৌৰি পলোৱাৰ ঠিক আগমুহূৰ্ত্তত ল'ৰাটোৱে বিজুলী-চমকৰ দৰে দেখা পালে গাখীৰৰ নিচিনা বগা মানুহজনীৰ মুখত গাখীৰৰ নিচিনা হাঁহি এটা ঢৌ খেলি গ'ল। তাৰ পিছত আৰু কি হ'ল সি কব নোৱাৰে।

গাঁৱৰ মানুহৰ জানিবলৈ বাকী নৰল যে সেই দুৰ্ভগীয়া তিৰোতাজনীৰ প্ৰেতাত্মাই বাৰীখনত আশ্ৰয় লৈছে। তেওঁ কাৰ ওপৰত কেতিয়া কি ভাবে প্ৰতিশোধ লয় ঠিক নাই। মানুহবোৰে বাৰীখনৰ ফালে যাবলৈ এৰি দিলে। গৰু বিচাৰি কেতিয়াবা যাব লগা হলেও কেবাটাও ডেকা ল'ৰাই লগ লাগি মন্ত্ৰ-পূত সৰিয়হ ছটিয়াই ছটিয়াইহে সেইফালে যায়। কালক্ৰমত ঘৰ-বাৰী আৰু ঢাপৰ বেৰা জহি-খহি শেষ হ'ল, ডাঠ হাবিয়ে গোটেই বাৰীখন গ্ৰাস কৰিলে। ফোলে গাঁৱৰো দুপুৰুষমান মানুহ মৰি শেষ হ'ল। দিন যোৱাৰ লগে লগে বহুতো ভয়ংকৰ ঘটনা কেৱল স্মৃতিত পৰিণত হ'ল, মানুহবো ভয় কমিবলৈ ধৰিলে, অৱশেষত মাটিৰ নাটনিত পৰা কোনো কোনো মানুহে হলিবাৰীৰ হাবি চাফা কৰি কঠীয়াতলিৰ কাৰণে মাটি মোকলাই ললে। হলিবামৰ বাৰীৰ চিন স্বৰূপে অৱশেষত ৰলগৈ বিৰাট আম গছজোপা।

গাঁৱৰ মানুহে এতিয়াও কেতিয়াবা ৰাতি হঠাৎ সাৰ পাই উঠি হলিবাৰীৰ পৰা তিৰোতাৰ বুকু-ভঙা কান্দোন ভাহি অহা শুনিবলৈ পায়। এতিয়াও মাজে মাজে গাঁৱৰ ডেকা ল'ৰাই সাঁজ ভগাৰ পিছত হলিবাৰীৰ আমগছৰ তলত গৰু বিচাৰিবলৈ গৈ গাখীৰৰ নিচিনা বগা জোনাকত

গাখীৰৰ নিচিনা বগা তিৰোতা এজনীয়ে সমুখৰ পাচি এটাত পাঁচটা ল'ৰা-ছোৱালীৰ মৰা-শ লৈ বহি থকা দেখিবলৈ পায়। কিন্তু যিহেতু গাঁৱৰ কোনো মানুহবে এতিয়ালৈকে একো অপকাৰ হোৱা নাই, সেই কাৰণে মানুহৰ ভয় আগতকৈ বহুখিনি কমিছে। তথাপি সৰু ল'ৰা-ছোৱালীয়ে দিনৰ ভাগত সেইফালে যাব লগা হলে হলিবাৰীৰ আম জোপাৰ ফালে ভয় ভয়কৈ চাই যায়; সাঁজ লগাৰ পিছত সিহঁতে সেই-ফালে কেতিয়াও মুখকে নকৰে। ডেকা বা বয়সীয়া মানুহে সাঁজ লগাৰ পিছত কিবা কামত সেইফালে যাব লগা হলে সুহুৰি মাৰি বা ডাঙৰ ডাঙৰকৈ কথা পাতি নিজৰ মনৰ ভয় গোপন কৰিবলৈ চেষ্টা কৰে।

কিন্তু আমৰ বতৰত সকলোবোৰ কথা অলপ বেলেগ হয়। গোটেই গাঁওখনৰ ভিতৰত বাজহুৱা আমগছ বুলিবলৈ কেৱল সেই জোপাই; তদুপৰি তাৰ ফলৰ সোৱাদৰো কোনো তুলনা নাই। আমৰ বতৰত যেতিয়া কলি আমৰ ভৰত প্ৰকাণ্ড গছ জোপাৰ ডালবোৰ দোঁ খাই পৰে, তেতিয়া ন-দহবছৰীয়া সৰু ল'ৰা-ছোৱালীবোৰেও ভূতৰ ভয় জয় কৰি হলিবাৰীৰ আম খাবলৈ আহে। কেঁচা আম খোৱাটো সিহঁতৰ জীৱনত এটা ডাঙৰ বছেৰেকীয়া উৎসৱ। পাঁচ-ছটা বা তাতোকৈ বেছি ল'ৰাই দল বান্ধি আম খাবলৈ আহে। আম খোৱাৰ আগতেও এটা আনন্দৰ উৎসৱ হয়। সেইটো হ'ল গছত উঠি বা ফৰ্মুটি মাৰি আম পৰাৰ প্ৰতিযোগিতা। সকলো ল'ৰাই গছত উঠিব নোৱাৰে। যি কেইটাই পাৰে, সিহঁতে বান্দৰৰ দৰে ডালে ডালে বগাই মাটিত ঠিয় হৈ থকা নিতান্তই মৰ্ত্যৰ জীৱ বাকী লগৰীয়া কেইটাক অবাক কৰি দি বিপুল আনন্দ লাভ কৰে। মাটিৰ পৰা ফৰ্মুটি মাৰি আম পৰা কেইটাৰ মাজতো আন এক ধৰণৰ প্ৰতিযোগীতা হয়ঃ কোনে কিমান ওখলৈকে ফৰ্মুটি মাৰিব পাৰিলে, কোনে কিমান আম সৰুৱাব পাৰিলে—ইত্যাদি। ইতিমধ্যে দুটামানে কলপাত কাটিবলৈ যায়। যথেষ্ট আম জমা হোৱাৰ পাছত বায়েক-ভনীয়েকহঁতৰ ফৰমাইচ মতে কিছু আম ঘৰলৈ নিবলৈ এৰুলীয়াকৈ থৈ বাকী আমবোৰ মুখীয়াল ল'ৰাকেইটাই কলপাতত কাটে,

নিমখ-জলকীয়া সানে, তাৰ পিছত ভোজ খাবলৈ বহাৰ নিচিনাকৈ শাৰী পাতি বহা ল'ৰাবোৰৰ আগে আগে কলপাতত আম ভাগ কৰি দিয়ে। ল'ৰি-ঢাপৰি আৰু আম পাৰি ঘৰ্মাক্ত হোৱা সিহঁতৰ দেহত হঠাৎ এজাক জুৰ বতাহ লাগেহি, গৰমৰ দিনত তৃষ্ণাৰ্ত জিভাত নিমখ-জলকীয়া সনা কেঁচা আমৰ সোৱাদ অমৃত যেন লাগে, আম গছৰ পাতৰ আঁৰৰ পৰা কুলিয়ে লেনীয়া কোমল মাতেৰে কু-উ কু-উকৈ মাতি ৰ'দে-পোৰা নিস্তব্ধ দুপৰীয়াটোক হঠাৎ উদাস কৰি তোলে······ল'ৰাকেইটাৰ দেহ-মন এটা অবৰ্ণনীয় সুখ আৰু আনন্দৰ অনুভূতিত শিহৰিত হৈ উঠে।

গাব কঁপনিটো কিছু মাৰ যোৱাৰ পিছত বাপুকণে হেবাঙৰ চকুলৈ চাই নীৰব দৃষ্টিৰে সুধিলে —'কি কৰিবি এতিয়া ?'

॥ ৪ ॥

বাপুকণৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মুখ মেলিও হেবাঙ হঠাৎ বৈ গ'ল। মুহূৰ্ততে তাৰ মুখত এনে অদ্ভুৎ ভাবান্তৰ ঘটিল যে বাপুকণো বিস্ময়ত হতভম্ব হ'ল। তাৰ মনত নিশ্চিত ধাৰণা হ'ল যে হলিবাৰীৰ বিখ্যাত ভূতটোৱে সঁচাকৈয়ে আম গছ জোপাৰ পৰা নামি সিহঁতৰ ফালে এখোজ এখোজকৈ আগবাঢ়ি আহিছে। ভূতটো দেখিয়েই হেবাঙৰ মুখত এনে আতংকৰ ভাব ফুটি উঠিছে। সি দ্বিতীয়বাৰৰ কাৰণে হেবাঙক জোৰকৈ সাৱতি ধৰি তাৰ দৃষ্টি অনুসৰণ কৰি ধীৰে ধীৰে মূৰটো ঘূৰাই পিছলৈ চালে। মুহূৰ্ততে তাৰ মুখেদি এটা অস্ফুট আৰ্তনাদ বাহিৰ হৈ আহিল। পিছ মুহূৰ্ততে সি দিক-বিদিক জ্ঞান হেৰুৱাই প্ৰাণ টাকি দৌৰিবলৈ ধৰিলে। ইমান পৰে স্বৰগ পৰা মানুহৰ দৰে ঠিয় হৈ থকা হেবাঙেও হঠাৎ চেতনা ঘূৰাই পোৱা মানুহৰ দৰে সচকিত হৈ বাপুকণৰ পিছে পিছে দৌৰিবলৈ ধৰিলে।

আচলতে যাক দেখি সিহঁত দুয়োৰে জীউ যোৱাৰ নিচিনা অৱস্থা

হ'ল, তেওঁ ভূত-প্রেত নাছিল। কিন্তু ঠিক সেই মুহূর্তত তেওঁ সিহঁতৰ কাৰণে আছিল ভূততকৈয়ো ভয়ংকৰ। তেওঁ আছিল বাপুকণৰ দেউতাক।

দুপৰীয়া ভাত-ঘুমটিৰ পৰা উঠিয়েই যেই দেউতাকে গম পালে যে যৰে কিতাপ ততে এৰি বাপুকণ উধাও, তেওঁ খঙত একোনাই হৈ উঠিল। যি ল'ৰাই গৰমৰ বন্ধত দুপৰীয়া কমপক্ষেও দহটা অংক নকৰে, সেই ল'ৰাৰ যে ভৱিষ্যত সমূলি অন্ধকাৰ সেই বিষয়ে তেওঁৰ মনত সমূলি সন্দেহ নাছিল। ল'ৰা এবাৰ শাসনৰ বাহিৰলৈ গলে তাক মানুহ কৰা টান। তেওঁ ঠিক কৰিলে যে বাপুকণ যলৈকে নাযাওক তাক বিচাৰি আনি অংককেইটা কৰাইহে এৰিব। আম-জামু-কঠালৰ বতৰত ল'ৰাই গৰমৰ বন্ধৰ দুপৰীয়া হুলিবাৰীৰ আমগছ কিংবা সৰ্বেশ্বৰহঁতৰ কঠীয়াতলিৰ ক'লী-জামুৰ তললৈ নগৈ আৰু আন কলৈ যাব পাৰে? বাপুকণক বিচাৰি তেওঁ ঠিক ঠাইতে গৈ হাজিৰ হ'ল। কিন্তু মুহূৰ্তৰ এটা সামান্য ভুলৰ কাৰণে তেওঁ বাপুকণক ধৰা পেলায়ো ধৰা পেলাব নোৱাৰিলে।

গোটেই বাটছোৱা তেওঁ খঙত এনেকৈ জ্বলি-পকি গৈছিল যে বাপুকণক ভালকৈ কেইটামান খকৰা-মুকুটি দিবলৈ নোপোৱালৈকে তেওঁৰ শান্তি নাছিল। বাটে-বাটে তেওঁ কল্পনা কৰি গৈছিল যে গাঁৱৰ এজাকমান বাঘৰ আগতেল খোৱা উদণ্ডীয়া ল'ৰাৰ লগত বাপুকণেও আম গছৰ ডালে ডালে বগাই থকা দৃশ্য তেওঁ দেখিবলৈ পাব। সেই দৃশ্যটো তেওঁৰ কেতিয়াও সহ্য নহ'ব। তেওঁৰ একেটি মাত্ৰ ল'ৰা, মাটিত থলেও পৰুৱাই খায়, মূৰত থলেও ওকণিয়ে খায়। গাঁৱৰ আন সকলো ল'ৰাকে তেওঁ উপদেশ আৰু উৎসাহ দিয়ে—ল'ৰাই গছত বগাব লাগে, বাৰিষাৰ দুকুল-ওপচা মহঘুলি নৈ সাতবাৰ সাঁতুৰি পাৰাপাৰ হ'ব লাগে, ঘৰৰ চালৰ পৰা জপিয়াই মাটিত পৰিব লাগে—তেতিয়াহে ল'ৰাৰ সাহপিত আৰু বল বৃদ্ধি হ'ব। কিন্তু বাপুকণক তেওঁ এইবোৰ একো কৰিবলৈ নিদিয়ে। জানোছা গছৰ পৰা পৰি তাৰ হাড়-মূৰ ভাগিব, নৈত সাঁতোৰোতে ডুবি মৰিব—এইবোৰ কাল্পনিক ভয়েই তেওঁক সদা-শংকিত কৰি ৰাখে। গতিকে বাটে-বাটে তেওঁ ভাবি গৈছিল যে বাপুকণক

আমগছত বগোৱা দেখিলে তেওঁ আজি তাক খুদাই নেৰে। কিন্তু হলিবাৰীৰ ঢাপৰ গছ-গছনিবোৰৰ হেণ্ডাৰ ফালি মুকলি কঠীয়াতলিখনত ভৰি দিয়েই তেওঁ যিটো দৃশ্য দেখিলে, মুহূৰ্ততে এটা সীমাহীন মমতাত তেওঁৰ অন্তৰখন পমি জোল হৈ গ'ল। শেওুনৰ নিচিনা কিবা এটা বস্তু বুকুৰ পৰা উজাই আহি তেওঁৰ ডিঙিটোত যেন সোপা মাৰি ধৰিলে। তেওঁ দেখিলে—বান্দৰৰ দৰে আমগছৰ ডালে ডালে বগাই উৎপাত কৰা বা খিকিন্দালি কৰি কলি-আম খোৱা দূৰৰ কথা, আহাৰ-মহীয়া ভৰ-দুপৰৰ ব'দে-পোৰা সেই নিস্তব্ধ প্ৰহৰত দুটি অকণমানি ল'ৰাই ভীষণ আতংকিত হৈ পৰস্পৰৰ মুখলৈ চাই ঠিয় হৈ আছে,— সিহঁতৰ চাৰিও-কাষে সমস্ত জগত জুৰি এক বিশাল নিৰ্জনতা। তেওঁ হঠাৎ থমকি ৰৈ দৃশ্যটো চাবলৈ আৰু কিহেনো ল'ৰা দুটাক ইমান আতংকিত কৰিছে সেই কথা অনুমান কৰিবলৈ চেষ্টা কৰিলে। ঠিক সেই মুহূৰ্ততে তেওঁক চক খুৱাই দি বাপুকণ আৰু হেবাঙে বাঘৰ আগত পৰা হৰিণৰ দৰে জাপ মাৰি প্ৰাণৰ কাতৰত দৌৰিবলৈ ধৰিলে।

বাপুকণৰ দেউতাকৰ বুকুৰ পৰা এটা দীঘল হুমুনিয়াহ বাহিৰ হৈ আহিল। কি ভাবোতে কি হৈ গ'ল। এনেয়ে আতংকত আধা-মৰা হৈ থকা ল'ৰাদুটাক এতিয়া আকৌ ভূতৰ ওপৰত দানহৰ দৰে তেওঁৰ ভয়েও পালে। বাৰু যি হ'ল হ'ল; বাপুকণ ঘৰলৈ ঘূৰি অহাৰ পিছত আজি তেওঁ তাক একো খং-ৰাগ নকৰে, আনকি আজি ৰাতি তেওঁ তাক স্কুলৰ পাঠ পঢ়িবলৈকো জোৰ নকৰে। আজি গধূলি মুকলি আকাশৰ তলত তৰাৰ পোহৰত চোতালত পাটিত বহি তেওঁ তাক মহাভাৰতৰ গল্প কৈ শুনাব। গৰমৰ দিনৰ মেঘ আৰু বৰষুণ নোহোৱা গধূলিবোৰত তেওঁ যেতিয়া হাতত বিচনী লৈ চোতালত পাটি পাৰি বহে, কেতিয়াবা তেওঁ নীৰৱে নানা কথা ভাবি-গুণি থাকে, কেতিয়াবা সুৰ লগাই কীৰ্ত্তন-দশমৰ পদ গাই থাকে, তেতিয়া হঠাৎ একোদিন বাপুকণে স্কুলৰ পঢ়া-শুনা এৰি ভিতৰৰ পৰা

ওলাই আহি তেওঁৰ ওচৰতে বহি লৈ আবদাৰ ধৰে : 'দেউতা, গৰমত ঘৰৰ ভিতৰত থাকিব নোৱাৰি। মই তোমাৰ ওচৰত ইয়াতে অলপ বহোনে ?' বাপুকণৰ দেউতাকে যদিও সাধাৰণতে কৰ্তব্যৰ পৰা চুলি এডালমান লৰ-চৰ কৰাও সহ্য নকৰে, কিন্তু বাপুকণে তেনেকৈ আবদাৰ ধৰা কোনো কোনো বিৰল মুহূৰ্তত তেওঁৰ মনটোও ভীষণ কুমলি যায়। নিজৰ কৰঙনটোকে গাৰু কৰি বাপুকণক শুৱাই লৈ তেওঁ তাক বিচি বিচি নানা গল্প কবলৈ ধৰে। কেতিয়াবা কিন্তু গল্পত বাপুকণৰ অকণো মন নবহে। দেউতাকৰ কোলাত মূৰ থৈ ওপৰলৈ মুখ কৰি শুই থাকোতে তাৰ চকুত পৰে ৰাতিৰ ৰহস্যময় বিশাল আকাশখন, অলেখ চাকিৰ দৰে আকাশ ভৰি থকা তৰাবোৰ, শুক্লপক্ষ হ'লে তিথি অনুসৰি বিচিত্ৰ আকাৰৰ জোনটো, কেতিয়াবা জোনৰ চাৰিওফালে মায়াময় মনোহৰ মৰল—বিৰাটৰ মুখামুখি হোৱা এনেবোৰ আশ্চৰ্য মুহূৰ্তত বাপুকণৰ অকণমানি মনটোত নানা আচৰিত প্ৰশ্নৰ উদয় হয়। দেউতাকে কৈ থকা ৰামায়ণ-মহাভাৰতৰ গল্পবোৰ সি হঠাৎ শুনিও নুশুনা হৈ যায়, নিজৰ ভাবত বিভোৰ হৈ পৰে, গল্পৰ সোঁ-মাজতে দেউতাকক আচৰিত কৰি দি হঠাৎ সি প্ৰশ্ন কৰে : 'দেউতা, আকাশখন বাৰু ক'ত শেষ হৈছে ?'

কৈ থকা গল্পটোৰ পৰা বাপুকণৰ প্ৰশ্নটোলৈ আহিবলৈ দেউতাকৰ কিছু সময় লাগে। কিছু পৰৰ মূৰত তেওঁ উত্তৰ দিয়ে : 'আকাশৰতো কোনো সীমা নাই।'

দেউতাকৰ উত্তৰটো বাপুকণে কিছু সময় চিন্তা কৰে, কিন্তু সি মুঠেই সন্তুষ্ট হ'ব নোৱাৰে। সি মনে মনে কল্পনা কৰে—অলেখ তৰাৰে ভৰি থকা এই আকাশখন বাৰু বহুত দূৰলৈকে বিয়পি আছে, কোটি কোটি মাইল দূৰলৈকে বিয়পি আছে ; কিন্তু তাৰ সিপাৰত ? তাৰো তাৰো সিপাৰত ? অনন্তৰ সিপাৰৰ অনন্তৰ কল্পনাই তাক এনেভাবে বিস্মিত আৰু আতংকিত কৰি তোলে যে সি খন্তেকৰ কাৰণে সেই অনন্তৰ মাজত হেৰাই যায়—ঠিক যেনেকৈ বিশাল বায়ু-মণ্ডলৰ মাজত চকুৰে নমনা

ধূলিকণা এটা হেৰাই যায়। দেউতাকে যিহকেই নকওক কিয়, তাৰ নিজৰ মনত নিশ্চিত ধাৰণা যে আকাশখন যিমানেই বিশাল নহওক কিয়—কৰবাত নহয় কৰবাত তাৰ অন্ত পৰিবই লাগিব। কিন্তু সেই সীমান্তৰ সিপাৰত কি আছে?……হঠাৎ তাৰ মূৰটো ঘূৰাই যায়।

অলপ সময় বৈ সি দেউতাকক আকৌ সোধে: 'দেউতা, স্কুলত ছাৰে আমাক কৈছে যে কোটি কোটি বছৰৰ আগতে আমাৰ এই বিশ্ব-ব্ৰহ্মাণ্ডখন সৃষ্টি হৈছিল। তাৰ মানে এনে এটা সময় আছিল যে শূন্যৰ বাহিৰে তেতিয়া আন একো নাছিল। পৃথিৱী-চন্দ্ৰ-সূৰ্য-নক্ষত্ৰ একো নথকা সেই শূন্যটো বাৰু কেনেকুৱা বস্তু আছিল?'

বাপুকণৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ দেউতাকৰ কীৰ্ত্তনৰ পদ এফাকি মনত পৰে। কিন্তু হঠাতে তেওঁ বুজি পায় যে কীৰ্ত্তনৰ পদে বাপুকণৰ কৌতূহল নিৰস্ত কৰিব নোৱাৰিব। তেওঁ সৰলভাৱে কয়: 'এইবোৰ কথা জানিবৰ কাৰণেইতো তোক স্কুললৈ পঠিয়াইছো। যেতিয়া ওপৰ শ্ৰেণীলৈ প্ৰমোশ্যন পাবি, তেতিয়া বহুত ডাঙৰ ডাঙৰ কিতাপ পঢ়িবলৈ পাবি। সেইবোৰ কিতাপত এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ জানিবলৈ পাবি। এতিয়া জতু-গৃহৰ পৰা পাণ্ডৱসকল কেনেকৈ ৰক্ষা পৰিল শুন……।'

দেউতাকে তেওঁৰ গল্প কৈ যায়, বাপুকণৰ কাণত তাৰ এটা শব্দও নোসোমায়। তাৰ মনটো উৰি যায় কোটি-অৰ্বুদ-মহাপদ্ম বছৰৰ আগলৈ —যেতিয়া গ্ৰহ-নক্ষত্ৰ-চন্দ্ৰ-সূৰ্য আৰু তাৰ অতি মৰমৰ এই চিৰ-সুন্দৰ পৃথিৱী একোৱেই নাছিল—আছিল মাত্ৰ অন্তহীন মহাশূন্য। কিন্তু এটা কথা সি কোনোমতেই বুজিব নোৱাৰে: যি কোনো বস্তুৰেই—বিশ্ব-ব্ৰহ্মাণ্ড বা মহাশূন্য যি কোনো বস্তুৰেই—এটা আদি নথকাকৈ থকাটো কেনেকৈ সম্ভৱ? যদি এই সকলো বস্তুৰে এটা আদি আছিল, তেন্তে সেই আদিৰ আগতে কি আছিল? তাৰো তাৰো আগতে? দেউতাকৰ কোলাত মূৰ থৈ শুই আকাশলৈ চাই চাই তাৰ মনটোৱে মহা-বিশ্বৰ সীমান্ত বিচাৰি ঢাপলি মেলে, অনাদি আৰু অনন্তৰ সিপাৰৰ ৰূপটো

কল্পনা কৰিবলৈ চেষ্টা কৰে। তাৰ জীৱনত পৰম আৰু চিৰন্তন বিস্ময়ৰ সেয়েই প্ৰথম অভিজ্ঞতা।

মহাভাৰতৰ গল্প শুনি শুনি মুগ্ধ হৈ পৰা আৰু সুদূৰ আকাশৰ তৰাৰ মাজত হেৰাই পৰা বাপুকণৰ নীৰৱ ভাব-গম্ভীৰ মুখখন দেউতাকৰ চকুৰ আগত ভাহি উঠিল। পুতেকৰ প্ৰতি অপাৰ মৰমে মুহূৰ্তৰ কাৰণে তেওঁৰ বুকুখন থৌকি-বাথৌ কৰি তুলিলে। বিষণ্ণ মনেৰে ক্লান্ত পদেৰে তেওঁ ঘৰলৈ খোজ ললে। বাঘৰ মুখত পৰা হৰিণে প্ৰাণৰ কাতৰত দিক-বিদিক জ্ঞান হেৰুৱাই যেনিতেনি ঢাপলি মেলাৰ দৰে ল'ৰাছুটানো কোনফালে থিতাতে অদৃশ্য হ'ল তাকে ভাবি তেওঁৰ বুকুখন হমহমাই উঠিল। আজি গধূলি তেওঁ বাপুকণক খুব মৰম কৰিব—কেৱল এই কথাটো ভাবিয়েই তেওঁৰ নিজকে সান্ত্বনা দিবলৈ চেষ্টা কৰিলে।

ইফালে কিন্তু বাপুকণৰ ঘৰলৈ ঘূৰি অহাৰ কোনো মতলবেই নাছিল, কাৰণ তাৰ মনত নিশ্চিত ধাৰণা হৈছিল যে ঘৰলৈ অহা মাত্ৰেই অবাধ্যতাৰ শাস্তি স্বৰূপে দেউতাকে আজি তাক নিশ্চয় ভালকৈ এপিটন দিব। দৌৰি দৌৰি বাপুকণ আৰু হেবাঙৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল আৰু মহঘুলি নৈৰ পাৰৰ এডোখৰ হাবিতলীয়া নিৰ্জন ঠাইত দুয়ো থমকি ৰ'ল। দীঘল দীঘলকৈ উশাহ লৈ দুয়ো দুয়োৰে চকুলৈ চাই নীৰৱে প্ৰশ্ন কৰিলে—'এতিয়া কি কৰা যায়?'

॥ ৫ ॥

হেবাঙে কিবা এবাৰ কবলৈ মুখ মেলিয়েই জিভাৰ আগত এটা লুণীয়া সোৱাদ অনুভৱ কৰিলে। তেতিয়াহে সি মন কৰিলে যে গোটেই মুখ-মণ্ডলৰ পৰা দৰদৰকৈ ওলোৱা ঘামে মুখখন মেলামাত্ৰে জিভাতো গৈ প্ৰৱেশ কৰিছে আৰু কপালৰ পৰা বাগৰি অহা ঘামবোৰে বাৰে বাৰে তাৰ দুইটা চকু ঢাকি ধৰিছে। বাপুকণৰ মুখলৈ চাই সি দেখিলে—তাৰো

সেই একেই অৱস্থা। একো নকৈ হেবাঙ নৈ লৈ নামি গ'ল আৰু একাঁঠু মান পানীত থিয় দি সি মুখ ধুবলৈ ধৰিলে। তাকে দেখি বাপুকণেও নৈ লৈ নামি গৈ মুখ ধুবলৈ ধৰিলে। পিয়াহত দুয়োৰে অণ্ঠ-কণ্ঠ শুকাই গৈছিল। হেবাঙে পৰম তৃপ্তিৰে সৈতে আঁজলিয়ে আঁজলিয়ে পানী খাবলৈ ধৰিলে। বাপুকণে দুই হাতৰ আঁজলি কৰি পানীখিনি মুখৰ ওচৰলৈ আনে আৰু কিবা এটা ভাবি আকৌ পেলাই দিয়ে। এনেকৈ সি কেইবাবাৰো কৰি থাকোতে কোনোবা এপাকত কাণ্ডটো হেবাঙৰ চকুত পৰিল। অলপ আচৰিত হৈ সি সুধিলে—'তোৰ পিয়াহ লগা নাই ?'

'খুব লাগিছে'—বাপুকণে উত্তৰ দিলে।

'তেন্তে পানী নাখাই তেনেকৈ ধেমালি কৰি আছ কিয় ?'

'পানীবোৰ ইমান লেতেৰা, খাবলৈ ঘিণ লাগিছে।'

খৰালিৰ দিনত মহঘুলি নৈৰ পানী ফটিক-ধাৰৰ নিচিনা স্বচ্ছ আৰু নিৰ্মল। কিন্তু আহাৰ-মহীয়া বাৰিষাৰ বতৰ। মহঘুলিৰ পানীৰ বৰণ আহু-চাউল ধোৱা পানীৰ নিচিনা ময়লা। তদুপৰি সেই পানীত নিশ্চয় মিহলি হৈ আছে মানুহৰ বিষ্ঠা—কাৰণ নৈৰ দুয়োপাৰৰ হাবিতলীয়া ঠাইবোৰেই হ'ল গাঁৱৰ মানুহৰ শৌচ কৰাৰ ঠাই, আৰু দুকূল প্লাবিত কৰা ভৰ-বাৰিষাৰ নৈয়ে সেই বিষ্ঠা কঢ়িয়াই ননাকৈ থকা নাই। বাপুকণহঁতে নিজৰ ঘৰৰ পকানাদৰ পানী খায়। সেই কাৰণে চাৰিওফালৰ গু-মূত আৰু আৱৰ্জনা কঢ়িয়াই অনা বাৰিষাৰ মহঘুলিৰ পানী খাবলৈ সি সংকোচ কৰিছে। হেবাঙে প্ৰথম কেইমুহূৰ্তমানৰ কাৰণে বাপুকণৰ কথাষাৰ বুজিবই নোৱাৰিলে। যেতিয়া পাৰিলে, তেতিয়া মুখখন বিদ্ৰূপত বিকৃত কৰি সি ধমক দি উঠিল—'থ থ, ইমান দেমাক নেদেখুৱাবি। নৈৰ লেতেৰা পানী খাবলৈ ঘিণ কৰ, সদায় পকানাদৰ পানী খাৱ, তথাপি দেখোন তোৰ বাৰটা মাহত তেৰটা বেমাৰ লাগিয়েই থাকে। আমি গোটেই বছৰ নৈৰ পানীকেই খাওঁ, তথাপি মোৰ কেতিয়াবা বেমাৰ হোৱা দেখিছ ?'

হেবাঙৰ কথা শুনি বাপুকণ লাজত অধোবদন হ'ল। তাৰ কথা

ইমান বেচি সঁচা যে উত্তৰত কৰলৈ বাপুকণৰ এষাৰো কথা নাই। সি যদিও পকানাদৰ বিশুদ্ধ পানী খায়, প্ৰায় প্ৰতিদিনে গাখীৰ-ঘিউ আৰু মাছ-মঙহ খায়, তথাপি গোটেই গাঁওখনৰ ভিতৰত আটাইতকৈ দুৰ্বল আৰু চেৰেলা ল'ৰা সিয়েই। গৰমৰ দিনৰ বেচিভাগ সময় গাত এশ তিনি-চাৰি ডিগ্ৰী মেলেৰিয়া জ্বৰ লৈ সি বিছনাতেই কটায়। হেবাঙৰ নিচিনাকৈ সি নাও বাব নোৱাৰে, গছত উঠিব নোৱাৰে, খন্তেক জিৰণি নোলোৱাকৈ ভৰ-বাৰিষাৰ মহঘুলি নৈ সাতুৰি সাৰিবাৰ পাৰাপাৰ হ'ব নোৱাৰে।······বাপুকণৰ সঁচাকৈয়ে ভীষণ পিয়াহ লাগিছিল। হেবাঙৰ নিৰ্মম বিদ্ৰূপে মুহূৰ্ততে তাৰ মনৰ পৰা ঘৃণা আৰু দ্বিধাৰ ভাব নোহোৱা কৰি পেলালে। পানীত নামিয়েই সি হেপাহ পলুৱাই চলুৱে চলুৱে পানী খাবলৈ ধৰিলে। পানী খাই যেতিয়া তাৰ দেহটো শাঁত পৰিল, পাৰলৈ উঠিবলৈ মন কৰি সি হেবাঙলৈ চালে। হেবাঙৰ কাণ্ড দেখি সি অবাক হ'ল। একাঁঠু পানীত ঠিয় হৈ হেবাঙে অপলাক মুগ্ধ দৃষ্টিৰে নৈৰ সোঁমাজলৈ চাই আছে, চাৰিওফালৰ জগতখনৰ অস্তিত্ব যেন সি সমূলি পাহৰিয়েই গৈছে। হেবাঙৰ দৃষ্টি অনুসৰণ কৰি বাপুকণেও নৈৰ সোঁমাজলৈ চালে আৰু ঠিক সেই মুহূৰ্ততে এটা শিহুৱে উশাহ লবলৈ মূৰ উলিয়াই পুনৰ বুৰ মাৰিলে। বাপুকণে চিঞৰি সুধিলে—'ঐ হেবাঙ, ইমানকৈ কি চাই আছ? নাযাব নেকি?'

বাপুকণৰ মাত শুনি হেবাঙে যেন এটা মধুৰ সপোনৰ পৰা হঠাৎ সাৰ পাই উঠিল। সি বাপুকণলৈ ঘূৰি চাই ক'লে—'সাতুৰিবলৈ মন গৈছে।'

'কিন্তু সলাবলৈ একো নাই, কেনেকৈ সাতুৰিবি?'—বাপুকণে প্ৰশ্ন কৰিলে।

হেবাঙে পাৰৰ ফালে খোজ লৈ ক'লে, 'এটা কাম কৰো আহ। দুয়ো চকু মুদি কাপোৰ খুলি তৎক্ষণাৎ পানীত জপিয়াই দিম। এবাৰ পানীত পৰাৰ পিছততো কাপোৰৰ কোনো দৰকাৰ নাই। পাৰত উঠিবৰ সময়ত আকৌ দুয়ো চকু মুদিম।'

হেবাঙৰ নিচিনাকৈ ভালকৈ সাতুৰিব নাজানে যদিও নৈখনে বাপুকণকো বৰকৈ টানিছিল। ঘামত জুকলি-জুপুৰি হোৱা শৰীৰত নৈৰ পানীৰ কোমল স্পৰ্শ, নগ্ন শৰীৰত সোঁতৰ আঘাত, নগ্ন শৰীৰত কলকল কৰি বৈ থকা পানীৰ আলিংগন—এইবোৰ কল্পনা কৰি সিও মনে মনে ভীষণ লুব্ধ হৈ উঠিছিল। কেৱল দেউতাকৰ হাতত আসন্ন শাস্তিৰ চিন্তাই তাৰ মনটো কিছু কোঙা কৰি ৰাখিছিল। কিন্তু হেবাঙৰ কথা শুনা মাত্ৰে সেই সকলোবোৰ চিন্তা মুহূৰ্ততে কৰবালৈ পলাই ফাট মাৰিলে। তত্থপুৰি সম্পূৰ্ণ নাঙঠ হৈ সাতুৰিবলৈ কেনে লাগিব—সেই কল্পনায়ো তাক ভীষণ উত্তেজিত কৰি তুলিলে। পাৰত উঠিয়েই চকু দুটা আধামুদা মাত্ৰ কৰি সি গাৰ কাপোৰ-কানি খহাই পেলালে আৰু হেবাঙক অনুসৰণ কৰি পানীত জপিয়াই পৰিল।

হেবাঙে সাতুৰি সাতুৰি নৈৰ সিপাৰ পালেগৈ, বাপুকণে অপেক্ষাকৃত নিৰাপদ ঠাইত খেলখেলাবলৈ আৰম্ভ কৰিলে। কিছু সময়ৰ পিছত সমস্ত জগত, সময়ৰ চেতনা, দেউতাকৰ শাস্তিৰ ভয়—এই সকলোবোৰ সিহঁতৰ চেতনাৰ পৰা বিলুপ্ত হ'ল। সিহঁতৰ নগ্ন সুকুমাৰ শৰীৰ দুটাত পানীৰ সোঁতে মৃদু মৃদু আঘাত কৰি এটা অবৰ্ণনীয় সুখাবেশৰ সৃষ্টি কৰিলে, আৰু দুৰন্ত শিশুৱে মাকক টানি-আজুৰি, কোলাত বাৰে বাৰে জপিয়াই পৰি, নাকে-মুখে চুমা খাই ধেমালি কৰাৰ দৰে সিহঁতেও মহঘুলি নৈৰ লগত বিচিত্ৰ মধুৰ খেলা আৰম্ভ কৰি দিলে।

॥ ৬ ॥

'এতিয়া কি কৰিবি ?'

নৈৰ পাৰত বহি সাতোৰৰ ভাগৰ মাৰি মাৰি হেবাঙে বাপুকণক প্ৰশ্ন কৰিলে। হেবাঙৰ নিজৰ কাৰণে একোৱেই চিন্তা নাই, তাৰ সমস্ত চিন্তা কেৱল বাপুকণক লৈ।

বেলি মাৰ যাবলৈ আৰু বেছি সময় নাছিল। অলপ আগলৈকে

সোণোৱালী হৈ থকা নৈৰ পানীবোৰ সিপাৰৰ ওখ ওখ চোমগছৰ ছাঁ পৰি ক'লা-চানেকিয়া হবলৈ আৰম্ভ কৰিছিল। হেবাঙে বাপুকণৰ নীৰৱ মুখখনৰ ফালে চাই দেখিলে—অলপ আগলৈকে মহঘুলিৰ লগত খেলা কৰাৰ আনন্দত উজ্জ্বল হৈ থকা বাপুকণৰ মুখখনো হঠাৎ ভয়ত বিবৰ্ণ হৈ উঠিছে। হেবাঙৰ প্ৰশ্নৰ একো উত্তৰ নিদি সি অসহায় কাতৰ দৃষ্টিৰে তাৰ ফালে চাই ৰ'ল।

বাপুকণৰ সমস্যাটো বুজা হেবাঙৰ কাৰণে অলপ টানেই হৈ পৰিছিল। মাত্ৰ এদিন যেনিবা ল'ৰাই ঢুপৰীয়া অংক নকৰি আম খাবলৈ গলেই,—সেইটোনো ইমান এটা ডাঙৰ জগৰৰ কথা হলনে? সি নিজে কেতিয়াবা ৰাতিপুৱাই ৰামপুৰ চাপৰিৰ হাবিত ভাটৌ পোৱালি বিচাৰিবলৈ গৈ সাঁজ লগাৰ পিছতহে ঘৰ সোমাইছি; কেতিয়াবা বাটতে সমনীয়া বন্ধুক লগ পাই মাকক নোকোৱাকৈয়ে দূৰণিৰ কোনোবা গাঁৱত বাতি ভাওনা চাবলৈ গৈ পিচদিনা ঢুপৰীয়াহে ঘৰলৈ ঘূৰি আহে। মাকে কপালৰ গাঠি খোপা কৰি এবাৰ মাত্ৰ তাৰ মুখলৈ চায়; যেতিয়া তেওঁ দেখে যে গাৰ কতো একো হানি-বিঘিনি নোহোৱাকৈ যেনে ল'ৰা তেনে ভাবেই ঘৰলৈ ঘূৰি আহিছে, তেতিয়া তেওঁৰ কপালৰ গাঠি আপোনা-আপুনি মুকলি হয়। নিজৰ কামলৈ আগবাঢ়ি তেওঁ কেৱল পুতেকক উদ্দেশ্য কৰি কয়—

'তোৰ ভাগৰ কৰ্কৰা ভাতখিনি বাহিৰৰ জুইশালৰ কাষতে ঢাকি থোৱা আছে, ঢেকীশালতে গৰৈ মাছ কেইটামান আছে, নিজে এটা পুৰি লৈ ভাত কেইটা খা।'

মাকৰ এনেকুৱা লাই পাই পাই ডাঙৰ হোৱা হেবাঙে কেনেকৈ বুজিব কি ভীষণ ভয়ে বাপুকণৰ বুকুখন খুলি খুলি খাব ধৰিছে।

বাপুকণক জেৰা কৰিবলৈ তাৰ মন গৈছিল। কিন্তু ভয়তে কেহেৰাজ-বটা যেন হোৱা তাৰ মুখখনলৈ চাই সেইটো কৰিবলৈ হেবাঙৰ সত নগ'ল। তাৰ পৰিবৰ্তে সি ক'লে—'হেৰ গধূলিয়েই হৈ আহিল, আৰু কিমান সময় ইয়াত এনেকৈ বহি থাকিবি? মই এটা বুদ্ধি দিওঁ শুন। তই মোৰ

লগত আমাৰ ঘৰলৈকে বল। মই আমাৰ আইক তহঁতৰ ঘৰলৈ পঠাই দিম আলেঙে আলেঙে খবৰবোৰ লৈ আহিবলৈ। যদি দেখো যে খবৰ বেয়া, তই আজি ৰাতিটো আমাৰ ঘৰতে শুই থাকিবি। কাইলৈ পুৱালৈ নিশ্চয় দেউতাৰৰ খং জামৰিব।'

আচলতে বাপুকণেও ইমান পৰে মনে মনে এনে এটা বুদ্ধিকেই পাঙি আছিল। কিন্তু মুখ ফুটাই কবলৈ লাজ লাগিছিল। কিন্তু যেই হেবাঙে কথাষাৰ ক'লে, বাপুকণ থিয় হৈ উঠিলেই। অথাই সাগৰত পাৰ নাপালেও অন্ততঃ খন্তেকৰ কাৰণে হলেও সি যেন আশ্ৰয় এটা পালে। যাবলৈ অস্থিৰ হৈ উঠি সি হেবাঙক ক'লে—'উঠ উঠ, সোনকালে ইয়াৰ পৰা যাওঁ। নহলে ঠিক নাই দেউতাই ইয়ালৈকে বিচাৰি আহিব পাৰে।'

পিছফালৰ বাঁহনিত শিয়ালে হোৱা দিবলৈ আৰম্ভ কৰাৰ সময়ত সিহঁত দুয়ো হেবাঙহঁতৰ ঘৰ পালেগৈ। হেবাঙৰ মাকে ওচৰৰ মানুহ ঘৰত চাকিটো জলাই লৈ নিজৰ ঘৰৰ চোতালত ভৰি দিছিলহে মাত্ৰ, এনেতে হেবাঙৰ লগত বাপুকণকো দেখি তেওঁ প্ৰায় চক খাই উঠিল। চাকিটোৰ পোহৰ বাপুকণৰ মুখত পেলাই তেওঁ ক'লে—'বাপুকণ, ঘৰলৈ নগৈ তুমি ইয়াত কি কৰিছা? আজি তোমালোকৰ ঘৰৰ পৰা পৰে পৰে মানুহ তোমাৰ খবৰ লবলৈ আহি এটা গোটা বাট সিজাইছে। তুমি এতিয়াই ঘৰলৈ যোৱা সোণটো। তোমাৰ চিন্তাত ঘৰ-ঘৰোৱাহঁৰ মুখ শুকাইছে।'

হেবাঙৰ মাকৰ কথা শুনি বাপুকণে কৰুণ দৃষ্টিৰে হেবাঙৰ মুখলৈ চালে। কিন্তু এন্ধাৰত হেবাঙৰ মুখখন দেখা নাপাই সিনো কি ভাবিছে বাপুকণে একো বুজিব নোৱাৰিলে। এনেতে হেবাঙে লৰালৰিকৈ মাকক ক'লে—'আই, বাপুকণ আজি আমাৰ ঘৰত থাকিব। তই ভিতৰলৈ আহ। মই কথাবোৰ বুজাই কম।' মাকৰ উত্তৰলৈ বাট নাচাই বাপুকণৰ হাতত ধৰি আনি হেবাঙ ভিতৰলৈ সোমাই গ'ল। অগত্যা মাকেও নিৰুপায় হৈ সিহঁতৰ পিছ ললে।

ঘৰৰ ভিতৰ সোমায়েই হেবাঙে ঠিয়ৈ ঠিয়ৈ মাকক কিবা এষাৰ কবলৈ মুখ মেলিব খুজিছিল মাত্ৰ, এনেতে বাহিৰৰ পৰা গল-খেকাৰি মাৰি বাপুকণৰ দেউতাকে মাত লগালে—'অ' আই হেবাঙৰ মাক, ঘৰত আছানে ?'

বাহিৰত বাপুকণৰ দেউতাকৰ মাত শুনা মাত্ৰেই একে সময়তে বাপুকণৰ মুখলৈ হেবাঙ আৰু মাকৰ চকু গ'ল। ক'লা কেৰাচিন তেলৰ চাকিত মলিন হালধীয়া পোহৰতো সিহঁত দুয়ো স্পষ্টকৈ দেখা পালে —হঠাৎ বাঘৰ আগত পৰা মানুহৰ দৰে তাৰ মুখখন ত্ৰাসত বিকৃত হৈ পৰিল আৰু পিছ মুহূৰ্ততে সি একেটা জাপতে তেওঁলোকৰ চকুৰ আগৰ পৰা অদৃশ্য হৈ গ'ল। আচলতে বাপুকণ য'ত ঠিয় হৈ আছিল ঠিক তাৰ সমুখতে আছিল হেবাঙৰ মাকৰ শোৱনি-কোঠাৰ মেল খাই থকা বাঁহৰ দুৱাৰখন। বাহিৰত দেউতাকৰ মাত শুনাৰ লগে লগেই সি একেটা জাপতে হেবাঙৰ মাকৰ শোৱনি-কোঠাত প্ৰৱেশ কৰিলে আৰু আন্ধাৰত ঠিয় হৈ কিংকৰ্তব্যবিমূঢ় হৈ কঁপিবলৈ ধৰিলে।

খন্তেক পিছতে বাহিৰৰ চোতালৰ পৰা দেউতাকহঁতৰ কথাবাৰ্তা আহি বাপুকণৰ কাণত পৰিল। হেবাঙৰ মাকে ডাঙৰকৈ ফুচফুচাই বাপুকণৰ দেউতাকক কবলৈ ধৰিছে—'দেউতা, আপোনাৰ ভৰিত ধৰিছো, বেচেৰা বোপাইকণটো ভয়তে একেবাৰে আধামৰা হৈছে ; তাক খং-ৰাগ, মাৰ-ধৰ একো নকৰিব দেউতা।'

'কোনে কৈছে তাক মাৰ-ধৰ কৰিম বুলি ?'

দেউতাকৰ মাতটো শুনি বাপুকণ অতি আচৰিত হ'ল, কাৰণ তেওঁৰ মাতত সঁচাকৈয়ে খং-ৰাগ একো নাই।

শান্ত মাতেৰে দেউতাকে কবলৈ ধৰিলে—'ফুকলীয়া ল'ৰা এটা দিনৰ দিনটো ঘৰলৈ নাহিলে মাক-বাপেকে তাক বিচাৰিবই। হেবাঙৰ মাক, সি ক'ত লুকাই আছে মোক কোৱাচোন, তাক মই লৈ যাওঁ। মই তাৰ স্বভাবটো জানো নহয়। হাতত পায়ো এৰি থৈ গলে আজি ৰাতি আৰু সি ঘৰলৈ নাযায়, ভাত-পানীও নাখায়।'

দেউতাকৰ শান্ত মাতটো শুনি যদিওবা বাপুকণৰ ভয় কিছু ভাগিছিল, সি লুকাই থকা ঠাইডোখৰৰ সন্তেদ বিচৰা শুনি আকৌ তাৰ মনলৈ গোটেইখিনি ভয় ঘূৰি আহিল। তাৰ মনত নিশ্চিত ধাৰণা হ'ল যে মাৰ-ধৰ নকৰো বুলি আশ্বাস দি দেউতাকে আচলতে তাক ধৰিবলৈ পাং পাতিছে; এবাৰ ধৰিব পাৰিলেই তাক ভালকৈয়ে এসেকা দিব। হঠাৎ তাৰ মনত এটা বুদ্ধি খেলালে। সি জানে যে তাৰ দেউতাকে বা আন যি কোনো বয়সীয়া মানুহে মাইকী মানুহ শোৱা বিছনাৰ তলত কেতিয়াও নোসোমায়। সি আন্ধাৰত হাত খেপিয়াই হেবাঙৰ মাকৰ বাঁহৰ চাংখন বিচাৰি উলিয়ালে আৰু তৎক্ষণাৎ চাঙৰ তললৈ সোমাই চুকৰ খুটা এটাত দুই হাতেৰে সাৱতি বহি পৰিল।

হেবাঙৰ মাক হাতত চাকিটো লৈ শোৱনি কোঠালৈ সোমাই আহিল। অলপ পৰ ইফালে-সিফালে চাই তেওঁ প্ৰায় চিঞৰি উঠিল—'অ হেবাঙ, হেবাঙ, বাপুকণ জানো আমাৰ শোৱা-কোঠাত সোমোৱা নাছিল? এতিয়া দেখোন ল'ৰাটো নাই। আকৌ কৰবালৈ পলাল-নেকি?'

এনেতে বাপুকণৰ দেউতাকো আহি শোৱনী-কোঠাটোৰ দুৱাৰ মুখত ভৰি দিছে। তেওঁ মাত লগালে—'নাই, সি কলৈকো পলোৱা নাই, মই তোমালোকৰ লগত চোতালত ঠিয় হৈ কথা পাতি থাকোতেও চকু-কাণ ঠিয় কৰি ৰাখিছিলো। তোমাৰ বিছনাৰ তলখন চোৱাচোন। সি নিজে কিবা দোষ কৰিলে আনে খং-ৰাগ নকৰিলেও মাক বা খুৰীয়েকহঁতৰ বিছনাৰ তলত সোমাই পলাই থকাৰ তাৰ এটা বদভ্যাস আছে।'

বাপুকণৰ দেউতাকৰ কথামতে হেবাঙৰ মাকে চাকিৰ পোহৰ পেলাই বিছনাৰ তলখন এবাৰ চায়েই কন্দনা-মুৱা মাতেৰে চিঞৰি উঠিল—'আই ঐ মোৰ সোণটো! ভয়তে ল'ৰাটো মাটিৰ লগত একেবাৰে মিলি গৈছে। দেউতা, আপোনালোক ডাঙৰ মানুহ হলেও মই ফটা মুখেৰে নকৈ নোৱাৰো—নিজৰ পেটৰ পো-জীয়ে মাক-বাপেকক এনেকৈ বাঘৰ দৰে

দেখাটো একো ভাল কথা নহয়। আপুনি আজি যাওক; পোনাটোক ময়ে যি কৰো কৰিম।'

কিছুসময় বাপুকণৰ দেউতাক মনে মনে থাকিল। সেই কেইটা মুহূৰ্তত বাপুকণৰো উশাহ-নিশাহ বন্ধ হৈ ৰল। এনেতে দেউতাকে খুব শান্ত মাতেৰে ক'লে—'হেবাওৰ মাক, কথা এটা কওঁ, বুজি পাবানে নাই নাজানো। মই মোৰ ল'ৰাৰ স্বভাৱ-চৰিত্ৰ ভালকৈ চিনি পাওঁ। উপজিবৰে পৰা মই তাৰ গাত কিজানি মাত্ৰ এবাৰহে হাত দিছিলো। বাপুকণে মোৰ হাতত মাৰ খোৱাৰ ভয়ত এনেকৈ পলাই ফুৰা নাই। আচলতে সি নিজে ভালকৈ বুজি পাইছে যে সি আজি এটা বেয়া কাম কৰিছে, অপৰাধ কৰিছে। কেঁচা আমৰ লোভত সি পঢ়া এৰি উঠি গ'ল হয়, কিন্তু সেই মুহূৰ্তৰ পৰাই তাৰ বিবেকে তাক এক মুহূৰ্তও দংশিবলৈ এৰা নাই। আচলতে সি মোৰ ভয়ত এনেকৈ পলাই থকা নাই, নিজৰ ভয়তেই পলাই ফুৰিছে। সি নিজেই নিজকে শাস্তি দিছে। আগতেও সি অনেকবাৰ এনেকুৱা কৰিছে। যিহওক, মই বাৰু যাওঁ। তুমি পাৰিলে বঢ়াই-বুজাই তাক ভাত দুটামান খুৱাবা। অৱশ্যে খুৱাব যে পাৰিবা তাৰ আশা বৰ কম।'

॥ ৭ ॥

বাপুকণৰ দেউতাক যোৱাৰ পিছত হেবাও আৰু তাৰ মাকে বাপুকণক বিছনাৰ তলৰ পৰা উলিয়াই আনিবলৈ খুব চেষ্টা কৰিলে। প্ৰথমে সিহঁতে তাক কাবৌ-কাকুতি কৰিবলৈ ধৰিলে, কিন্তু তাৰ দ্বাৰা একো ফল নহ'ল। তেতিয়া খন্তেকপৰ মাক-পুতেক দুয়ো পৰামৰ্শ কৰি দুয়ো বিছনাৰ তলত সোমাল আৰু বাপুকণক টানিবলৈ ধৰিলে। বাঁহৰ চাংখনৰ চুকৰ খুটাটোত বাপুকণে দুয়োখন হাতেৰে বজ্ৰলেপৰ দৰে সাৱটি ধৰি আছে— —ঠিক যেনেকৈ 'ইৰিকিটি মিৰিকিটি বাঁহৰ শলা' খেলিবৰ সময়ত গুৰি-কোমোৰাটোৱে খুটা এটাত জোৰকৈ সাৱটি থাকে। এহাল মানুহৰ

টনা আজোৰাত মাজে মাজে খুটাটোৰ পৰা বাপুকণৰ হাতছুখন এবাই যায় হয়, কিন্তু পিছমুহূৰ্ত্ততে দুগুণ জোৰেৰে সি খুটাটো আঁকোৱালি ধৰে। অৱশেষত হেবাঙৰ মাকে হাৰ মানিলে। 'উস, ফুকলিয়া ল'ৰাটোৰ গাত ইমান জোৰ, আমি মা-পো এহালে টানি তাক খুটাটোৰ পৰা এৰুৱাব নোৱাৰিলো। দেখাত চেৰেলা হ'লে কি হ'ব, সদায় ঘিউ-মৌ খোৱা ধনী মানুহৰ ল'ৰা, সেই কাৰণেই গাত ইমান জোৰ।'

চাং-তলৰ পৰা বাপুকণ ওলাই আহিব নোখোজাৰ কাৰণ হ'ল— ইতিমধ্যে তাৰ সমুখত এটা নতুন সমস্যাই দেখা দিছিল। গোটেই আবেলিটো ধৰি মাত্ৰ কেইমুহূৰ্ত্তমানৰ আগলৈকে তাৰ একমাত্ৰ সমস্যা আছিল দেউতাকৰ হাতত শাস্তিৰ ভয়। কিন্তু দেউতাকে অভয়-বাণী দি বিদায় লোৱাৰ লগে লগেই সেই সমস্যাৰ অন্ত পৰিল। পিছ মুহূৰ্ত্ততে তাৰ ঠাই ল'লে এটা নতুন সমস্যাই—প্ৰকাণ্ড লাজে। দেউতাকৰ ভয়ত সি হেবাঙৰ মাকৰ চাঙৰ তলত আশ্ৰয় ললে হয়, কিন্তু ঠিক সেই মুহূৰ্ত্তৰ পৰাই সি লাজত আধা-মৰা হবলৈ ধৰিলে। তাৰ মনত এনেভাব হবলৈ ধৰিলে যে হেবাঙ আৰু তাৰ মাকৰ আগত মুখ দেখুওৱাতকৈ মৰি যোৱা যেন বেছি ভাল। তাৰ মনত নিশ্চিত ধাৰণা হ'ল যে আৰু কোনো-কালেই সি হেবাঙৰ মুখৰ ফালে চকু তুলি চাব নোৱাৰিব। দুয়োটা কান-সমনীয়া বন্ধু হোৱা স্বত্বেও দুয়োৰে মাজত কিমান পাৰ্থক্য! হেবাঙ ইতিমধ্যেই ডাঙৰ মানুহৰ নিচিনা স্বাধীন হৈছে; সি নিজৰ ইচ্ছামতে যি খুচি তাকে কৰিব পাৰে, কথাই কথাই সি কাৰো ভয়ত আধা-মৰা হৈ থাকিবৰ প্ৰয়োজন নহয়। কিন্তু হেবাঙৰ তুলনাত সি এতিয়াও ইমান সৰু ল'ৰা হৈ আছে যে দেউতাকৰ ভয়ত সি হেবাঙৰ মাকৰ বিছনাৰ তলত আশ্ৰয় লব লগা হৈছে। সি আগতেও বহুতদিন ঘৰত মাকৰ বিছনাৰ তলত লুকাব লগা হৈছে, কিন্তু হেবাঙে সেই কথা কেতিয়াও জনা নাছিল। আজি তাৰ এনেকুৱাই দুৰ্ভাগ্য যে হেবাঙৰ ঘৰতেই সি চাং-তলত আশ্ৰয় লব লগা হোৱাৰ ফলত হেবাঙৰ আগত সি ধৰা পৰি গ'ল। ইয়াতকৈ ডাঙৰ লাজ আৰু অপমানৰ কথা কি হ'ব পাৰে সেইটো

তাৰ পক্ষে কল্পনা কৰাও অসম্ভৱ। যদিও এন্ধাৰ, তথাপি সি চকু দুটা জোৰকৈ মুদি থাকিল—যেন সমস্ত পৃথিৱীৰ পৰা নিজকে আঁৰ কৰিবলৈ সেইটোৱেই একমাত্ৰ উপায়।

ভাগ্য ভাল যে হেবাঙৰ মাকৰ চাং-তলত এতিয়াও ৰাতিৰ অন্ধকাৰ। সি মনে মনে ভাবিবলৈ ধৰিলে—অন্ততঃ ৰাতিটোৰ কাৰণে সি নিশ্চিন্ত। কিন্তু ৰাতিৰ শেষত যেতিয়া ৰাতিপুৱা আহিব, বেৰৰ জলঙাইদি কোমল সোণালী পোহৰবোৰ সোমাই আহি এন্ধাৰবোৰক খেদি পঠাব, তেতিয়া সি কি কৰিব? তদুপৰি তাৰ মাক-দেউতাকেও কাইলৈ তাক নিশ্চয় বিচাৰি আহিব। সি তেতিয়া কি কৰিব? কি কৰিব ভাবি ভাবি সি একো পাৰ নাপালে। জীৱনৰ বেছিভাগ ডাঙৰ ডাঙৰ সমস্যা তাৰ মাক-দেউতাকে সমাধান কৰি দিয়ে; সৰু-সুৰা দুই-চাৰিটা সমস্যা হেবাঙে সমাধান কৰি দিয়ে: কিন্তু তাৰ এই জীৱন-মৰণ সমস্যাটো সমাধান কৰি দিবলৈ এই বিশ্ব-ব্ৰহ্মাণ্ডত কোনো নাই। সি এনে এক বিপুল নিঃসঙ্গতা আৰু অসহায়তা অনুভৱ কৰিবলৈ ধৰিলে যে ভয়তে তাৰ উশাহ বন্ধ হবৰ উপক্ৰম হ'ল।

নিজৰ বুকুৰ ধপধপনি শব্দ শুনি শুনি বাপুকণে দুহাতেৰে খুটাটো জোৰকৈ সাৱটি আৰু চকু দুটা জোৰকৈ মুদি বহি থাকিল। অলপ দূৰত পাকঘৰত হেবাঙ আৰু মাকে সৰু মাতেৰে কিবাকিবি কথা পাতিছে; কিন্তু নিজৰ বুকুৰ ধপধপনিটো বাপুকণৰ কাণত ইমান ডাঙৰকৈ বাজিছিল যে সি হেবাঙহঁতৰ কথাৰ এটা অস্পষ্ট গুণগুণনিৰ বাহিৰে আন একো শুনা নাপালে। এনেতে হঠাৎ হেবাঙহঁতৰ ঘৰৰ পিছ-চোতালৰ বাঁহ-জোপাৰ তলতে একেলগে দুটা শিয়ালে হোৱা দি উঠিল—যেন ইটোৱে সিটোক ভেঙুচালিহে কৰিছে। শিয়ালৰ হোৱা শুনাৰ লগে লগে বাপুকণৰ মনোযোগ সেইফালে আকৃষ্ট হ'ল আৰু মুহূৰ্ততে তাৰ বুকুৰ ধপধপনিটো বন্ধ হৈ গ'ল।

যি কোনো টেঙা বস্তু দেখিলে বা টেঙা বস্তুৰ কথা মনত পৰিলেই বেছিভাগ মানুহৰে আপোনা-আপুনি জিভাৰ পানী ওলোৱাৰ দৰে শিয়ালৰ

হোৱা শুনিলেই বাপুকণৰ মনলৈ আহে সেই অবিস্মৰণীয় পঙক্তিকেইটি :
'এখুটুৰা মাংস লৈ পৰম হৰিষ হৈ কাক আহি পৰিল ডালত······।'
জ্ঞান হবৰ দিন ধৰি বাপুকণৰ ক্ষুদ্ৰ কিন্তু ৰহস্যময় জগতখনত শিয়ালে এক বিৰাট স্থান দখল কৰি আছে। গৰমৰ দিনত চোতালত পাটি পাৰি শুই বা বহি, জাৰৰ দিনত দপদপিয়া জুইৰ কাষত বহি, বুঢ়ীআইতাকে তাক বুকুৰ মাজত সুমুৱাই লৈ মূৰৰ চুলিত হাত বুলাই বুলাই যিবোৰ সাধুকথা কয়, সেইবোৰৰ বেচিভাগৰেই নায়কতো ধূৰ্ত নোম-টেঙৰ শিয়াল। ঈছপৰ উপকথা, হিতোপদেশ, পঞ্চতন্ত্ৰ—দেশ-বিদেশৰ যিমানবোৰ বিখ্যাত গল্পৰ কিতাপ সি পঢ়িছে, সেই সকলোবোৰতে শিয়ালৰ মহত্তালিয়েই আন সকলোতকৈ বেছি। সাধু-কথাৰ কিতাপত শিয়ালৰ লগত কথা পাতি পাতি বাপুকণৰ এনে এটা সজ হৈ গৈছে যে সাঁজ লগাৰ সময়ত পথাৰৰ মাঁজেদি বা দোকমোকালিৰ সময়ত পিছফালৰ বাৰীয়েদি ভিৰাই লৰ মৰা শিয়াল দেখিলেই চিঞৰি চিঞৰি শিয়ালৰ লগত দু-আষাৰ মান কথা পাতিবলৈ তাৰ মন যায়—ঠিক যেনেকৈ তাৰ কথা পাতিবলৈ মন যায় হেবাঙৰ লগত, ঘৰৰ হালোৱা মোহন ককাইৰ লগত আৰু গৰখীয়া বাহুবলীৰ লগত। সেয়েহে সাঁজ লগাৰ লগে লগে ঘৰৰ পিছফালৰ বাঁহনিখনত যেতিয়া জাক শিয়ালে একেলগে হোৱা দি উঠে, তেতিয়া বাপুকণে অনুভৱ কৰে যে সিহঁতে যেন তাৰ উদ্দেশ্যেই সিহঁতৰ নিজৰ ভাষাৰে কিবা কথা কৈছে। সেই কাৰণে সুবিধা পালেই সিও সিহঁতক উদ্দেশ্য কৰি হোৱা দি উঠে। আচৰিত কথা, সি যিমানবাৰ হোৱা দি উঠে, শিয়ালবোৰেও সমানে পাল্লা দি তাৰ উত্তৰত সিমানবাৰ হোৱা দিয়েই থাকে। বাপুকণে এটা মধুৰ আনন্দ অনুভৱ কৰে। শিয়ালবোৰৰ উদ্দেশ্যে সি যি কৰ খুজিছে সিহঁতে নিশ্চয় বুজি পাইছে।

শিয়ালৰ লগত বাপুকণৰ সম্বন্ধ অতি মধুৰ। কিন্তু কিছুদিনৰ আগতে সেই মধুৰ সম্বন্ধত এটা ডাঙৰ ফাঁট মেলিছে। হেবাঙৰ নানা বিধ পশু-পক্ষী পোহাৰ চখ। চৰাইৰ ভিতৰত চুতিয়া-শালিকা, মইনা, ভাটৌ,—জন্তুৰ ভিতৰত বান্দৰ আৰু কুকুৰেই প্ৰধান। মাজতে সি এবাৰ এটা

কমুৰা চৰাই আৰু ভালুকৰ পোৱালিও পুহিছিল। কমুৰা চৰাইটো পলাই গ'ল, ভালুকৰ পোৱালিটো মৰি থাকিল। হেবাওক দেখি বাপুকণৰো নানা পশু-পক্ষী পুহিবলৈ মন গলেও দেউতাকে খুব খং কৰে। খং কৰাৰ প্ৰথম কাৰণ হ'ল—পশু-পক্ষী পুহিলে সিহঁতৰ লগত বহুত সময় খৰচ কৰিব লাগে। দেউতাকে ইচ্ছা নকৰে যে বাপুকণে পঢ়া খতি কৰি বান্দৰ আৰু ভাটৌৰ আল্‌পৈচান ধৰাত ব্যস্ত থাকক। কিন্তু তাতোকৈ ডাঙৰ কথা—হাবিৰ মুকলিমুৰীয়া পশু-পক্ষীক বন্দী কৰি পোহনীয়া কৰাটো দেউতাকে মুঠেই পছন্দ নকৰে। দেউতাকে বাপুকণক কয় যে সঁজাত বন্দী হৈ থকা বনৰীয়া চৰাইবোৰ দেখিলেই তেওঁৰ চকুপানী ওলাব খোজে। এবাৰ বাপুকণে হেবাওৰ পৰা ভালুকৰ পোৱালিটো আনি পুহিবলৈ জিদ ধৰাত দেউতাকে ৰাতি শুবৰ সময়ত তাৰ মূৰত হাত বুলাই বুলাই বুজালে—'বাপুকণ, বনৰীয়া পশু-পক্ষী পোহাত মোৰ কিয় আপত্তি জাননে? তোৰ বয়স যেতিয়া দুবছৰ নে তিনিবছৰ, তেতিয়া মই এটা সপোন দেখিছিলো। সপোনত দেখিলো, ভালুকবোৰৰ মানুহৰ পোৱালি পোহাৰ বৰ চখ। ভালুক-ভালুকনীয়ে যেতিয়া চিকাৰলৈ বা খাদ্য বিচাৰিবলৈ ওলায়, তেতিয়া ঘৰত থকা ভালুকৰ পোৱালিবোৰে মানুহৰ পোৱালিৰ লগত খেলা কৰিবলৈ পালে সিহঁতক আন একোকে নালাগে। সেইকাৰণে ভালুকবোৰে সুবিধা পালেই মানুহৰ পোৱালি চুৰ কৰি পুহিবলৈ লৈ যায়। এদিন তোক মাৰে পিৰালিত বিছনা পাতি শুৱাই থৈ কিবা কামত গৈছিল। অলপ সময়ৰ পিছত ঘূৰি আহি দেখে, তই বিছনাত নাই। তৎক্ষণাৎ হুৱা-দুৱা লাগিল। এনেতে থুলুকিইঁতৰ ঘৰৰ পেহীয়েৰে কান্দি কান্দি আহি খবৰ দিলে যে এটা ভালুকে তোক কোলাত সাৱতি দৌৰি যোৱা তেওঁ নিজেই দেখিছে। সপোনত দেখিলো—ভালুকবোৰে জোৰকৈ তোক পোহনীয়া কৰি ৰাখিছে, আৰু তই আমালৈ মনত পেলাই দিনে-ৰাতিয়ে কান্দি কান্দি চকু উখহাইছ......।'

দেউতাকে এইখিনিলৈকে কয় মানেই বাপুকণে ভয় আৰু আতংকত

শিহৰিত হৈ দেউতাকৰ বুকুৰ মাজলৈ সোমাই আহি তেওঁক সাৱতি ধৰিলে। তাৰ বুকুৰ ধপধপনিটো দেউতাকে স্পষ্ট অনুভৱ কৰিলে। আৰু বেছি নকৈ তেওঁ সিমানতে ক্ষান্ত দিলে। ইফালে বাপুকণে গোটেই ৰাতি সপোন দেখিবলৈ ধৰিলে—কোন দুৰ্গম হাবিৰ মাজত ভালুকৰ সংসাৰত সি বন্দী হৈ আছে, ভালুকৰ পোৱালিজাকে তাক খুচি-বিন্ধি নচুৱাই-বগুৱাই ৰং চাইছে,—আৰু ইফালে মাকৰ চেনেহী মুখখন আৰু দেউতাকৰ বুকুৰ উমটোলৈ মনত পৰি পৰি তাৰ বুকুখন চকুপানীৰ এটা ডাঙৰ পুখুৰী হৈছে।

সেইদিনাৰ পৰা সি বনৰীয়া পশু-পক্ষী পোহাৰ ধান্দা চিৰকাললৈ বাদ দিলে।

অৱশ্যে কুকুৰৰ কথা সমূলি বেলেগ।

৮ ॥

গাওঁখনৰ প্ৰতিটো কুকুৰ, প্ৰতিজন মানুহ বা প্ৰতিজোপা গছৰ নিচিনাকৈ বাপুকণৰ চিনাকি। সিহঁত কোনো এঘৰ বিশেষ মানুহৰ পোহনীয়া কুকুৰ নহয়। সিহঁত আচলতে গোটেই গাওঁখনৰে উমৈহতীয়া আশ্ৰিত কুকুৰ। একোজাক কুকুৰে একোখন গাঁৱক আশ্ৰয় কৰে; অন্য কোনো গাঁৱৰ কুকুৰক সিহঁতে নিজৰ 'ৰাজ্যত' প্ৰবেশ কৰিবলৈ নিদিয়ে। কেৱল কুকুৰ কিয়, গাঁৱলৈ প্ৰথমবাৰৰ কাৰণে অহা অচিনাকি মানুহেও গাঁৱৰ এই স্বয়ম্ভু প্ৰহৰীদলৰ পৰা সহজে ৰক্ষা নাপায়। আলি-বাটত কুকুৰৰ ব্যস্ত লৰা ধপৰা আৰু ভুকভুকনি শুনিলেই বুজিব লাগিব যে হয় কোনোবা দূৰণিবটীয়া অচিনাকি মানুহ বা ভিন গাঁৱৰ কুকুৰ বাপুকণহঁতৰ গাঁৱৰ মাজেদি পাৰ হৈ গৈছে। অৱশ্যে ভতুৱা কুকুৰৰ ভুকভুকনিয়েই সাৰ। বাটৰুৱাজনে হাতখন ডাঙি দলি এটা মৰাৰ ভাও ধৰিলেই এই বীৰপুঙ্গৱসকলে ছুঠেঙৰ মাজত নেজ পকাই পলাই পত্ৰং দিয়ে।

গাঁৱৰ কুকুৰবোৰ কোনো এজন বিশেষ মানুহৰ আশ্ৰিত বা পালিত নহয় যদিও শোৱা ঠাইৰ কাৰণে কিন্তু সিহঁতে একোঘৰ মানুহ বাছি লয়। খাদ্যৰ সন্ধানত সিহঁতে প্ৰতিঘৰ মানুহৰ চুৱাপাতনিয়ে চুৱাপাতনিয়ে ঘূৰি ফুৰে; কিন্তু শুবৰ সময়ত সিহঁত সদায় নিজৰ নিৰ্দিষ্ট ঠাইলৈ ঘূৰি আহে। যেনে—'ভলুকাৰ' আশ্ৰয় হ'ল কমল দদাইহঁতৰ ভঁৰাল-ঘৰৰ তল; 'বামুণীৰ' আস্তানা হ'ল কেশৱ বাপুহঁতৰ ছাগলীঘৰৰ তল; গদাপাণিৰ সদৰ-কাৰ্যালয় হ'ল হেবাওহঁতৰ শোৱাঘৰৰ পিৰালিচুক—ইত্যাদি। দিনৰ দিনটো সিহঁতে নিজৰ 'ঘৰত' পেট পেলাই শুই থাকে; কিন্তু গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে দুপৰীয়া আৰু ৰাতি খোৱাৰ পিছত ঘৰৰ পিছফালে কাঁহি-বাতি ধুবলৈ যোৱাৰ লগে লগেই সিহঁতৰ কুম্ভকৰ্ণ-নিদ্ৰা ভঙ্গ হয়। বতাহে কঢ়িয়াই অনা পেলনীয়া ভাত-মাছৰ গোন্ধ নাকত লগাৰ লগে লগে সিহঁতে প্ৰায় একেটা জাপতে আহি চুৱাপাতনিত উপস্থিত হয়। এনেকৈ দুঘৰ কি তিনিঘৰ মানুহৰ চুৱাপাতনি ভ্ৰমণ কৰাৰ পিছতে একোটাহঁত কুকুৰৰ পেট গেৰগেৰিয়া হয়; তাৰ পিছত নিজৰ নিৰ্দিষ্ট ঠাইখনত গৈ শুই থকাৰ বাহিৰে সিহঁতৰ আৰু আন একো কাম নাথাকে। জাৰৰ দিনত সিহঁতে অৱশ্যে শুবৰ কাৰণেও আৰামৰ ঠাই বিচাৰি লয়। গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে কাপোৰ ধুবৰ কাৰণে খাৰ কৰিবলৈ ঘৰৰ পদুলি-মুখত ধানখেৰ পোৰে; কেইঘণ্টামানৰ মূৰত ছাইখিনি আনিবলৈ গৈ দেখে যে ভলুকা বা বামুণীয়ে ফুটছাইৰ ওপৰত ফস্তি মাৰি শুই আছে। জাৰৰ বতৰত ফুটছাইৰ উমে সিহঁতৰ গাত এনেকৈ নিচা লগাই দিয়ে যে মাৰধৰ কৰিও সিহঁতক তাৰ পৰা উঠোৱা টান হৈ পৰে।

গাঁৱৰ ভতুৱা কুকুৰজাক নিজৰ ভাগে নিজে থাকে, কোনেও সিহঁতলৈ নজৰ দিয়াৰ প্ৰয়োজন অনুভৱ নকৰে। কিন্তু কোনেও ক'তো ভুলতো চকু নিদিয়া গাঁৱৰ বনৰীয়া হাবি-বনবোৰ হঠাৎ এদিন নোহোৱা হৈ গলে যেনেকৈ মানুহবোৰে কিবা এটা খালি খালি অনুভৱ কৰিব, ভতুৱা কুকুৰৰ জাকটো হঠাৎ নোহোৱা হৈ গলেও গাঁৱৰ জীৱনৰ কোনোবা এখিনিত নিশ্চয় এটা বিৰাট শূন্যতাৰ সৃষ্টি হ'ব।

বাটেদি মানুহ এজন গৈ আছে। সমুখৰ ফালৰ পৰা কুকুৰ-খোজেৰে কুকুৰ এটা আহি আছে। কুকুৰটোৰ ওপৰত চকু পৰাৰ লগে লগেই মানুহজনে হয়তো অন্যমনস্কভাবে ক'লে—'অ, ভলুকা।' গাঁৱৰ কোনোবা এটা সৰু ল'ৰা গাৰ কাষেদি পাৰ হৈ গলেও তেওঁ হয়তো মনে মনে নিজকে ক'লেহেঁতেন—'অ, কণপোনা, দেওবৰৰ পুতেক।'

কাৰোবাৰ ঘৰত বিয়া বা সবাহ হলে গাঁৱৰ কুকুৰজাকৰো বিৰাট ভোজ হয়। চুৱাপাত পেলোৱা ঠাইত গোটেইজাক গোট খাই ঘণ্টাৰ পিছত ঘণ্টা ধৰি ভুকভুকাই কেঙকেঙাই কামোৰা-কামুৰি কৰি সিহঁতেও ভোজ খায়। ৰভাতলত নিমন্ত্ৰিত সকলৰ দৰেই চুৱাপাতনিত কুকুৰৰ জাকটোও যেন গাঁৱৰ উৎসৱৰ এটা অপৰিহাৰ্য অঙ্গ।

সাঁজৰ প্ৰথমটো তৰা আকাশত দেখা দিয়াৰ লগে লগে শিয়ালবোৰে যেই হোৱা দিবলৈ আৰম্ভ কৰে, গাঁৱৰ কুকুৰ জাকেও একেলগে সমস্বৰে ভুকিবলৈ আৰম্ভ কৰি দিয়ে। কেইমুহূৰ্তমানৰ কাৰণে শিয়ালৰ হোৱা আৰু কুকুৰৰ ভুকভুকনিৰ বাহিৰে যেন আন একো শব্দই শুনা নাযায়। মাত্ৰ এটা গধূলিৰ কাৰণেও যদি সেই শব্দ বন্ধ হৈ যায়, মানুহবোৰে হয়তো প্ৰশ্ন নকৰিব—'আজি কুকুৰবোৰে ভুকা নাই কিয়?' কিন্তু অচেতনভাবে প্ৰত্যেকেই হয়তো অনুভৱ কৰিব—'কি হ'ল? কিয় আজি মোৰ মনটো কেনেবা-কেনেবা লাগিছে?'

বাপুকণহঁতৰ ঘৰত কেবাবছৰো কুকুৰ নাছিল। সিহঁতৰ ঘৰত বাহ লোৱা কুকুৰ এটা এবাৰ বলিয়া হৈ ঘৰৰ গৰখীয়া ল'ৰা এটাক কামোৰাৰ পিছত বাপুকণৰ দেউতাকে তেওঁলোকৰ বাৰীৰ চাৰিধাপৰ ভিতৰত কুকুৰক স্থায়ীভাবে ঘৰ লবলৈ নিদিয়ে। শুই থকা কুকুৰ দেখিলেই তেওঁ মাৰি ধৰি খেদি দিয়ে। কিন্তু কেইমাহমানৰ আগতে হঠাৎ এদিন দেখা গ'ল যে দেখিবলৈ শুৱনী এজনী বগী মঙহাল কুকুৰে বাপুকণহঁতৰ ভঁৰাল-ঘৰৰ তলত একাদিক্ৰমে কেবাদিনো ধৰি শুবলৈ আৰম্ভ কৰিছে, কিন্তু বাপুকণৰ দেউতাকৰ সেইফালে কাণসাৰেই নাই। বুজা গ'ল যে কুকুৰৰ প্ৰতি বৈৰিতাৰ কথা তেওঁ সমূলি পাহৰি পেলাইছে।

এদিন হেবাঙ আহি কুকুৰজনী দেখাৰ লগে লগেই চিঞৰি চিঞৰি বাপুকণক মাতি আনি ক'লে—'ঐ দেখিছনে নাই—কুকুৰজনী গাভিনী হৈছে ?'

এই বুলি কৈ সি অতি লোভৰ চকুৰে শুই থকা কুকুৰজনীলৈ চাব ধৰিলে।

বাপুকণে কিন্তু কুকুৰজনী নাচাই পৰম কৌতূহলেৰে হেবাঙৰ মুখৰ ফালেহে চাব ধৰিলে। কুকুৰজনী গাভিনী হৈছে হয়, পিছে কি হ'ল ? গছৰ ওখ ডালত সেন্দুৰীয়া পকা আম দেখিলে বা নতুনকৈ পোৱালি জগা ভাটৌ চৰাইৰ বাহ দেখিলে হেবাঙে মুখখন যেনেকুৱা কৰে, এতিয়াও দেখোন কুকুৰজনী দেখিও সি ঠিক তেনেকুৱাই কৰিছে। ইয়াৰ নিশ্চয় কিবা গভীৰ অৰ্থ আছে। বেছি সময় কৌতূহল সামৰিব নোৱাৰি সি ব্যগ্ৰভাবে সুধিলে—'ঐ হেবাঙ, এনেকৈ কি চাইছ ? কুকুৰজনী গাভিনী হ'ল তোৰ কি হ'ল ?'

'আৰে ভোদা'—মুখত চৰমতম অৱজ্ঞা প্ৰকাশ কৰি হেবাঙে ক'লে, —'দেখা নাই কুকুৰজনী কিমান ধুনীয়া ? তাইৰ পোৱালিবোৰো খুব ধুনীয়া হ'ব। মই পোৱালি কেইটা নি পুহিম।'

মন্ত্ৰ মাৰি যেন হেবাঙে বাপুকণৰ জ্ঞান-চকু মুকলি কৰি দিলে। মুহূৰ্ত্ততে সি হেবাঙৰ পৰা মুখ ঘূৰাই কুকুৰজনীলৈ চালে। হয়তো— কুকুৰজনী ইমান ধুনীয়া, তাইৰ পোৱালিকেইটা ছাগে আৰু কিমান বেছি ধুনীয়া হ'ব! হেবাঙৰ প্ৰতি তাৰ কোনোদিনেই শ্ৰদ্ধাৰ অন্ত নাই, কিন্তু এই মুহূৰ্ত্ততে বাপুকণে তাৰ প্ৰতি আৰু অলপ শ্ৰদ্ধা বেছিকৈ অনুভৱ কৰিলে। হেবাঙে এদিন মাত্ৰ আহি কুকুৰজনীক দেখিয়েই আৱিষ্কাৰ কৰিলে যে তাই ধুনীয়া, তাই গাভিনী হৈছে, তাইৰ ধুনীয়া পোৱালিবোৰ পুহিবলৈ খুব ভাল হ'ব। কিন্তু সি বাপুকণে দিনৰ পিছত দিন নিজৰ ভঁৰাল-ঘৰৰ তলত শুই থকা কুকুৰজনীক দেখি থাকিও এইবোৰ একো এটা কথাই ভাবিবই পৰা নাছিল।

'কুকুৰজনীৰ কেইটা পোৱালি হ'ব বাৰু?' বাপুকণে হেবাঙক সুধিলে।

'কমেওতো চাৰিটামান হ'ব'—চকুৰে কুকুৰজনীক পৰীক্ষা কৰি হেবাঙে উত্তৰ দিলে।

তৎক্ষণাত বাপুকণৰ মুখখন উজ্জ্বল হৈ উঠিল। হেবাঙক খুচি কৰিবলৈ তাৰ আটাইতকৈ মিঠা মাতটো উলিয়াই বাপুকণে ক'লে—'ঐ হেবাঙ, তই বাৰু তিনিটাই লৈ যাবি; কিন্তু মোক এটা মাত্র পোৱালি পুহিবলৈ দিবি দেই।'

'হ'ব বাৰু দে'—হেবাঙে সম্রাটৰ দৰে বাপুকণৰ প্রাৰ্থনা মঞ্জুৰ কৰি দিলে।

বাপুকণৰ অকণমানি হৃদয়খন তাৰ অকণমানি বুকুখনৰ ভিতৰত উলাহত দামুৰি পোৱালি এটাৰ দৰে জপিয়াই উঠিল। সি হেবাঙক আকৌ সুধিলে—'পোৱালি কেতিয়া জগিব?'

হেবাঙে ডুখোজমান আগুৱাই কুকুৰজনীৰ ওচৰলৈ গৈ কিছুপৰ তাইক ভালকৈ নিৰীক্ষণ কৰিলে। তাৰ পিছত সি গহীনাই উত্তৰ দিলে—'আৰু এসপ্তাহ—খুব বেছি দহদিন—তাৰ ভিতৰতে পোৱালি জগিবই জগিব।'

সেইদিনাৰ পৰা কুকুৰজনীয়েই হৈ পৰিল বাপুকণৰ একমাত্র ধ্যান-জ্ঞান। খেলাধূলা, গল্পৰ কিতাপ, হাবিয়ে-বননিয়ে বিচিত্র বনৰীয়া ফলৰ অন্বেষণ—এই সকলোবোৰ প্রিয় কামৰ প্রতি সি সকলো আগ্রহ হেৰুৱাই পেলালে। কেৱল পৰে পৰে গৈ ভঁৰাল-তলত কুকুৰজনী চাই থাকে। সাধাৰণতে ৰাতিপুৱা তাক বিছনাৰ পৰা তুলিবলৈ মাকে এপৰমান যুঁজ কৰিব লাগে। কিন্তু সেই কেইদিন কোনেও একো নোকোৱাকৈয়ে সি বিছনাৰ পৰা উঠি হাতেৰে মোহাৰি মোহাৰি চকুৰ পৰা টোপনিৰ জড়িমা দূৰ কৰি ভঁৰাল-তল পায়গৈ। এনেকৈ এদিন গৈ সি ভঁৰালৰ ওচৰ নৌ পাওঁতেই হঠাৎ আনন্দৰ উত্তেজনাত বিকটভাবে চিঞৰি উঠিল, আৰু তাৰ চিঞৰ শুনি একে সময়তে মাক উধাতু খাই দৌৰি আহিল আৰু ওচৰৰ

জেওবাত পৰি থকা কাউৰী তিনিটা চক খাই উৰা মাৰি গ'ল। মাকে আতংকিত হৈ সুধিলে—'বাপুকণ, বাপুকণ, কি হ'ল তোৰ? চিঞৰিছ কিয়?'

আনন্দত বিকৃত হোৱা মাতেৰে বাপুকণে কুকুৰজনীৰ ফালে আঙুলি টোঁৱাই ক'লে—'আই চোৱাচোন……'—তাৰ পিছত আৰু সি একো ক'ব নোৱৰা হৈ পৰিল।

বাপুকণৰ মাকৰ মুখখনো মাতৃপ্ৰেমৰ আবেগত কোমল হৈ আহিল। বগী মৰম-লগা কুকুৰজনী প্ৰসৱৰ ক্লান্তিত অৱশ হৈ শুই আছে, আৰু চাৰিটা ফুটফুটীয়া বগা পোৱালিয়ে চুক্ চুক্ শব্দ কৰি তাইৰ পিয়াহ খাইছে।

অবৰ্ণনীয় উত্তেজনাৰ মাজেদি বাপুকণৰ দিনটো কোনোমতে পাৰ হ'ল। বেছিভাগ সময় গল কুকুৰ-পোৱালি পোহাৰ নানা সমস্যাৰ বিষয়ে হেবাঙৰ লগত সুদীৰ্ঘ আলোচনাত। ভবিষ্যতৰ নানা স্বপ্ন আৰু পৰিকল্পনাৰে তাৰ মূৰটো এনেকৈ ঠাহ খাই পৰিল যে ৰাতি সি ভালকৈ শুবই নোৱাৰিলে। দোকমোকালিৰ সময়ত সি বিছনাত চকু মেলি চাই দেখিলে—ঘৰটোৰ ভিতৰখন বেছ অন্ধকাৰ হৈ আছে, ৰাতিপুৱাবলৈ এতিয়াও বোধহয় বহুত সময় বাকী। তথাপি সি বিছনাৰ পৰা উঠিল। মাকে টোপনিতে প্ৰশ্ন কৰিলে—'কি অ' বাপুকণ, ৰাতি হৈ থাকোতেই উঠিছ কিয়?' সি ক'লে—'মূতিব লাগিছে।'

বাপুকণ বাহিৰলৈ ওলাই গ'ল। আকাশত তেতিয়াও দুই-এটা তৰা আছেই। তামোল গছৰ পাতৰ পৰা নিয়ৰৰ ডাঙৰ ডাঙৰ টোপালবোৰ সৰাৰ বাহিৰে আন শব্দ নাই। সি ভঁৰালৰ ফালে খোজ ললে। সি চোতালৰ সোঁ-মাজ পাইছেগৈ মাত্ৰ, এনেতে তাক চক খুৱাই কুকুৰৰ নিচিনা কিবা এটা জন্তু সাউৎ কৰে বাপুকণৰ গাৰ কাষেদি পাৰ হৈ গ'ল। এটা অজান আশংকাত বাপুকণৰ সৰ্বশৰীৰ কঁপি উঠিল। একেটা জাপতে কুকুৰ-জনীৰ ওচৰ পাই সি দেখে—তাৰ আশংকাই সঁচা। দুটা কুকুৰ

পোৱালিৰ ৰক্তাক্ত ছিন্ন-ভিন্ন দেহ মাকৰ গাৰ পৰা কেইহাতমান দূৰত পৰি আছে ; বাকী ছুটা নাই।

সেইদিনাৰ পৰা বাপুকণে আৰু শিয়ালক ক্ষমা কৰিব নোৱাৰা হ'ল।

॥ ৯ ॥

মানুহৰ মন খুব জটিল। আনকি বাপুকণৰ নিচিনা দহ বছৰীয়া সৰু ল'ৰা এটাৰ মনো। তাৰ অতি হেঁপাহৰ কুকুৰ পোৱালিকেইটাক খাই পেলাবৰ দিন ধৰি বাপুকণে শিয়ালক দেখিব নোৱৰা হ'ল সচাঁ, কিন্তু শিয়ালৰ মাতটো শুনিলেই খন্তেকৰ কাৰণে তাৰ মনৰ পৰা খং-ৰাগ নোহোৱা হৈ যায়, তাৰ আজন্মৰ বিচিত্ৰ কল্পনাৰ সঙ্গী শিয়ালটোৰ প্ৰতি এক অদ্ভুত মৰমেৰে তাৰ অকণমানি হৃদয়খনি ওপচি উঠে।

এসময়ত শিয়ালৰ হোৱা বন্ধ হ'ল। হঠাৎ গোটেই পৃথিৱীখন নিজান হৈ পৰিল। বাপুকণে কাণ ঠিয় কৰি শুনিবলৈ পালে—হেবাঙৰ মাকে পাকঘৰত বোধহয় ভাত ৰান্ধিছে, কাৰণ জুইৰ পট পট শব্দ আৰু ঘটি-বাটি হেতা-চৰুৰ বিচিত্ৰ টুং টাং শব্দ শুনিবলৈ পোৱা গৈছে। হেবাঙেও মাকৰ ওচৰত বহি মাতটো সৰু কৰি কিবা কথা পাতিছে। বাপুকণে খুব চেষ্টা কৰিও কথাবোৰ একো ধৰিব নোৱাৰিলে। কিন্তু তাৰ মনত কোনো সন্দেহ নাই যে সিহঁতে তাৰ বিষয়েই কথা পাতিছে। কি কথা পাতিছে সেইটোও সি জানে। কাৰণ সি নিজৰ ঘৰত মাকৰ বিছনাৰ তলত লুকাই থাকিলেও মাক আৰু বায়েকে একেবোৰ কথাকে পাতে : কি বুধি কৰি তাক ভাত খাবলৈ উলিয়াই অনা যায়।

আৰু অলপ সময়ৰ পিছতে হেবাঙহঁতৰ ভাত ৰন্ধা শেষ হ'ব। তাৰ পিছত মাক-পুতেক দুয়ো আহি তাক ভাত খাবলৈ কাবৌ-কাকুতি কৰিব। খুব সম্ভৱ টনা-আজোৰাও কৰিব। ঘৰত সদায় শেষ মুহূৰ্তত তাৰ ওপৰত বল প্ৰয়োগ কৰিব লগা হয়। কিন্তু ঘৰত যিমান জোৰ-জবৰদস্তি চলে ইয়াত সিমানখিনি নিশ্চয় নচলিব। কিন্তু হেবাঙহঁতে

তাক ভাত খাবলৈ টনা-আজোৰা কৰক বা নকৰক, এটা কথা ঠিক যে বাপুকণ আৰু মৰিলেও এই চাং-তলৰ পৰা ওলাই নাযায়। ইমানদিনে সি দেউতাকৰ শাস্তিৰ ভয়ত বা কিবা কথাত ঠেহ্-পেছ লাগিলে কেৱল নিজৰ ঘৰত মাকৰ বিছনাৰ তলতহে লুকাইছিল ; তাৰ জীৱনৰ এই একান্ত ব্যক্তিগত আৰু গোপনীয় দিশটো পৃথিৱীৰ আন কোনেও জনা নাছিল। এই কথাটো সি গোপন ৰাখিব খুজিছিল বিশেষকৈ হেবাঙৰ পৰা। গছত উঠা, নাও বোৱা, সাঁতোৰা আদি সকলো কথাতে তেনেই অকামিলা বুলি হেবাঙে সদায় তাক ঠাট্টা-মস্কৰা কৰি থাকে। দুয়ো প্ৰায় সমান বয়সৰ হোৱা স্বত্বেও হেবাঙে তাক ফুকলিয়া ল'ৰাৰ নিচিনাকৈ ব্যৱহাৰ কৰে। তেনেস্থলত বাপুকণে শাস্তিৰ ভয়ত মাকৰ বিছনাৰ তলত লুকাই থকা বুলি শুনিলে হেবাঙে তাক মানুহ বুলি গণ্য কৰিবলৈকে এৰিব। তদুপৰি সি যদি গাঁৱৰ আনবোৰ ল'ৰাৰ মাজত কথাটো প্ৰচাৰ কৰি দিয়ে, তেতিয়া হলেতো বাপুকণৰ পক্ষে মানুহৰ সমাজত মুখ উলিওৱাই টান হ'ব। কিন্তু সি ইমানদিনে যি ভয় কৰি আছিল সিয়েই হ'ল। তাৰ এনেকুৱাই দুৰ্কপাল যে অৱশেষত সি হেবাঙৰ মাকৰ চাং-তলতেই লুকাব লগীয়া হ'ল।

কিছুসময় গভীৰভাৱে চিন্তা কৰি বাপুকণে তাৰ কৰ্ত্তব্য ঠিক কৰিলে। আজিৰ এই ঘটনাৰ পিছত তাৰ পক্ষে আৰু মানুহৰ আগত —বিশেষকৈ হেবাঙৰ আগত—মুখ দেখুওৱাটো সম্ভৱ নহয়। গতিকে সি চাং-তল এৰি কলৈকো উঠি নাযায়। কোনোবাই টনাটনি কৰিবলৈ আহিলে সি গাৰ সমস্ত জোৰেৰ চাঙৰ বাঁহৰ খুটাটোত দুই হাতেৰে সাৱতি ধৰি থাকিব। হাত ছিগি গলেও সি খুটাটো এৰি নিদিয়ে। কথাষাৰ মনলৈ অহাৰ লগে লগে সি খুটাটো পৰীক্ষা কৰি চালে। তাৰ মনত বিশ্বাস হ'ল যে সি গাৰ জোৰেৰ খুটাটোত সাৱতি ধৰি থাকিলে তাক আৰু তাৰ পৰা টানি এক্‌ৰাই নিয়া বৰ সহজ কাম নহ'ব।

সিদ্ধান্তটো লোৱাৰ লগে লগে সি এটা ডাঙৰ সকাহ অনুভৱ কৰিলে। লগে লগে গোটেই দিনটোৰ বিচিত্ৰ ঘটনাৰ ভাগৰেও তাক হেঁচা মাৰি

ধৰিলে। দুয়োখন হাতেৰে খুটাটো সাৱতি ধৰি সি মাটিতে দীঘল দি শুই পৰিল। হাত-ভৰি মেলি দি আৰাম কৰাৰ ফলত তাৰ মগজুটোৱে চিন্তা কৰিবলৈ আৰু বেছি বল পালে।

কেৰাচিন তেলৰ চাকিৰ টিমটিমীয়া হালধীয়া পোহৰত গাঁৱলীয়া মানুহৰ ঘৰবোৰ এনেয়ে প্ৰায় আন্ধাৰ হৈ থাকে। তাতে হেবাঙৰ মাকৰ চাং-তলখন আৰু বেছি ঘিট্‌মিটীয়া আন্ধাৰ। বাপুকণে ভাবিবলৈ ধৰিলে —সৰু ল'ৰা-ছোৱালী মৰিলে যেতিয়া মাটিত গাঁত খান্দি পুতি থয়, তেতিয়া গাঁতৰ ভিতৰখনো ছাগৈ এনেকুৱাই আন্ধাৰ হয়। সেই মুহূৰ্তত তাৰ মনলৈ মৃত্যুৰ চিন্তা আহিল, কাৰণ তাৰ মনত নিশ্চিত ধাৰণা হৈছিল যে সি যদি চাং-তল এৰি ওলাই নাযায় তেন্তে নাখাই নাখাই সি তাতেই মৰিব। দেউতাকে এদিন তাক বঙ্গদেশৰ এজন দেশপ্ৰেমিক বিপ্লৱীৰ গল্প কৈছিল। তেওঁ বোলে পঞ্চাশ দিন নে ষাঠি দিন একো নোখোৱাকৈ থাকি মৃত্যু বৰণ কৰিছিল। ঠিক তেনেকৈয়ে নিজৰ মৃত্যুৰ কথা কল্পনা কৰি বাপুকণে হঠাৎ এটা মধুৰ উত্তেজনা অনুভৱ কৰিলে। চকুৰ পৰা গধুৰ কৰি নামি আহিব খোজা টোপনিৰ ভাবটো হঠাৎ নোহোৱা হৈ গ'ল। সিও তেনেকৈ মৰি গলে দেউতাকৰ ওপৰত কেনেকুৱা প্ৰতিশোধ লোৱা হ'ব সেই কথা কল্পনা কৰি কৰি তাৰ ভীষণ ভাল লাগিবলৈ ধৰিলে। সি স্পষ্টভাবে চকুৰ আগত দেখিবলৈ পালে—একোতেই বিচলিত নোহোৱা দেউতাক গম্ভীৰ হৈ পিৰালিৰ তেওঁৰ নিৰ্দিষ্ট চকীখনত বহি আছে যদিও তেওঁৰ শূন্য উদাস চকুদুটাইদি দুধাৰা গৰম চকুৰ পানী বৈ আহিছে; মাকে মজিয়াত বাগৰি বাগৰি কান্দি বাৰে বাৰে মূছকঁছ গৈছে; বায়েকে 'বাপুকণ, ঐ বাপুকণ, আজিৰ পৰা তোৰ লগত আৰু কেতিয়াও কাজিয়া নকৰো, তই ঘূৰি আহ, তই ঘূৰি আহ' বুলি চিঞৰি চিঞৰি পাগলী হৈছে। চকুৰ আগত গোটেই দৃশ্যটো দেখি বাপুকণে এনে এক গভীৰ তৃপ্তি অনুভৱ কৰিবলৈ ধৰিলে যে সি হেবাঙৰ মাকৰ চাং-তলৰ ঘোপমৰা আন্ধাৰত ভাপত সিজোৱাৰ নিচিনা গৰমত জেকা মাটিত বোন্দা মহৰ কামোৰ খাই পৰি থকাৰ কথাটো সমূলি পাহৰিয়ে গ'ল।

॥ ১০ ॥

কিন্তু বাপুকণৰ তৃপ্তিৰ ভাব বেছিপৰ স্থায়ী নহ'ল। হঠাৎ এবাৰ তাৰ মনলৈ ভাব আহিল যে সি যদি সঁচাকৈয়ে মৰি যায় তেন্তে তাৰ মৃত্যু-শোকত মাক-দেউতাকে বুকু ভাঙি কন্দাৰ দৃশ্য সি কেনেকৈ চাবলৈ পাব? আৰু তাকেই যদি চাবলৈ নাপায়, তেন্তে মৰাৰ ফলত তাৰ লাভটো কি হ'ব?

নিজে মৰি মাক-দেউতাকৰ ওপৰত প্ৰতিশোধ লোৱাৰ আনন্দৰ পৰিবৰ্তে মৃত্যুৰ আতংকই বাপুকণৰ মনটো হঠাতে গ্ৰাস কৰি ধৰিলে।

মাত্ৰ দুবছৰ নে তিনিবছৰ আগৰ কথা। সিহঁতৰ গাঁৱত ল'ৰা-ছোৱালীৰ তেজ-হাগনি বেমাৰে মহামাৰী হৈ দেখা দিছিল। বাপুকণহঁতৰো চাৰিওটা ভাই-ভনীকে তেজহাগনিয়ে ধৰিছিল। মাত্ৰ কালিহে যেন সি নৰিয়া-পাটিৰ পৰা উঠিছে এনে স্পষ্টভাবে গোটেই কথাবোৰ তাৰ মনত আছে। বেমাৰ আৰম্ভ হোৱাৰ দুদিন মানৰ ভিতৰতে সিহঁত আটাইকেইটা ল'ৰা-ছোৱালী ইমান বেছি দুৰ্বল হৈ পৰিল যে একমাত্ৰ বায়েকৰ বাহিৰে বাকী তিনিটাই নিজে বাহিৰলৈ গৈ শৌচ কৰিব নোৱৰা হৈ পৰিল। সিহঁত তিনিওটাই অৰ্ধচেতন অৱস্থাত বিছনাতে শৌচ কৰিছিল; মাক-দেউতাক দুয়ো মিলি বাৰে বাৰে শৌচ চফা কৰা স্বত্বেও ফেনাইল আৰু তেজ-হাগনিৰ গোন্ধ দুয়োটা মিলি এনে এক উৎকট অসহ্য দুৰ্গন্ধই কোঠাটোৰ বতাহ গধুৰ কৰি পেলাইছিল যে বাপুকণৰ মনত ভাব হৈছিল—এয়াই বোধহয় মৃত্যুৰ গোন্ধ। বেছিভাগ সময় অচেতন হৈ থাকি বাপুকণে কেতিয়াবা খন্তেকৰ কাৰণে চেতনা ঘূৰাই পায়, আৰু তেতিয়া সি চকুদুটা মেলি মাক-দেউতাকক চাবলৈ বিচাৰে। এদিন সি তেনেকৈ চেতনা পাই চকু দুটা মেলিয়েই দেখা পালে—সিহঁতৰ মাটিৰ বিছনাখনৰ দুফালে মাক আৰু দেউতাক দুয়ো বহি অচেতন হৈ শুই থকা ল'ৰাছোৱালী কেইটাৰ মুখৰ ফালে ব্যাকুল দৃষ্টিৰে চাই আছে। বাপুকণে এবাৰ দেউতাক আৰু

এবাৰ মাকৰ মুখৰ ফালে চাই আকৌ চকু দুটা মুদি দিলে। তাৰ অকণ-মানি বেমাৰী বুকুখনৰ পৰা এটা গভীৰ তৃপ্তিৰ দীৰ্ঘশ্বাস বাহিৰ হৈ আহিল। মুহূৰ্ত্তৰ ভিতৰতে তাৰ মনলৈ অনেক ভাব আহিল। প্ৰথম ভাব আহিল যে মাকদেউতাকৰ সেই ব্যাকুল দৃষ্টিয়ে সিহঁতক পহৰা দি থকা অৱস্থাত কোনো অপায়-অমঙ্গলে সিহঁতক কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে। সি এটা বিৰাট নিৰ্ভয় অনুভৱ কৰিলে। দ্বিতীয়তে সি অনুভৱ কৰিলে যে সি এইমাত্ৰ মাক-দেউতাকৰ চকুত যিটো বস্তু দেখিলে—কেৱল মৰম নহয়, তাতোকৈ হাজাৰ গুণে কিবা এটা বেছি,—আগতে কোনোদিনে নেদেখা কিবা এটা—সেইটো দেখি থাকিবলৈ পালে গোটেই জীৱন বেমাৰত পৰি থাকিবলৈকো তাৰ আপত্তি নাই। এটা অপূৰ্ব আনন্দ অনুভৱ কৰি কৰি সি আকৌ যন্ত্ৰণাৰ ৰাগীত অচেতন হৈ পৰিল।

হঠাৎ এটা বিকঁট কান্দোনৰ শব্দ শুনি বাপুকণ সাৰ পাই উঠিল। সেই একেদিনাই নে তাৰ পিছৰ দিনা সি কব নোৱাৰে - কাৰণ আধা-অন্ধকাৰ কোঠাটোত নৰিয়া-পাটিত পৰি থাকি থাকি সি সময়ৰ হিছাব হেৰুৱাই পেলাইছিল। থকমককৈ চকু দুটা মেলি সি দেখিলে—দেউতাক নাই ; কেৱল মাক তাৰ গাৰ কাষত শিলৰ মূৰ্তিৰ দৰে বহি আছে আৰু তেওঁ চকুৰ পৰা সৰসৰকৈ পানী ওলাব ধৰিছে। বাপুকণে চকু মেলাৰ লগে লগে মাকে তাক বুকুৰ মাজত সাৱতি ধৰি কন্দা কন্দা মাতেৰে ঘনে ঘনে ঈশ্বৰৰ নাম লবলৈ ধৰিলে। বাপুকণে দুৰ্বল মাতেৰে মাকক সুধিলে —'কি হৈছে ? তই কান্দিছ কিয় ?' মাকে একো উত্তৰ নিদি বেছি জোৰেৰে বাপুকণক সাৱতি ধৰি নীৰৱে কান্দিবলৈ ধৰিলে।

ইয়াৰ পিছৰ পৰা কিছু সময়ৰ মূৰে মূৰে বাপুকণে কান্দোনৰ শব্দ শুনিবলৈ পালে। কেতিয়াবা পূবৰ পৰা, কেতিয়াবা পশ্চিমৰ পৰা। কেতিয়াবা করুণভাবে ইনাই-বিনাই, কেতিয়াবা বুকু ভাঙি ভাঙি পাগলৰ দৰে। এনেদৰে কান্দোন শুনি শুনি এবাৰ বাপুকণৰ মনত অনুভৱ হ'ল যে গোটেই গাঁওখনেই যেন আন সকলো কাম-কাজ এৰি কেৱল কান্দিবলৈ লাগি গৈছে। মানুহবোৰে কিয় কান্দিছে মাক-দেউতাকক

সুধি সুধি বাপুকণে একো উত্তৰ নাপায়। বাপুকণে জীৱনত প্ৰথমবাৰৰ কাৰণে এটা আচৰিত ধৰণৰ বিষাদ অনুভৱ কৰিবলৈ ধৰিলে।

কিন্তু সেই বিষাদৰ পিছতেই সি যি কল্পনা কৰিব নোৱৰা আনন্দ অনুভৱ কৰিলে তাৰ জীৱনত তাৰো তুলনা নাই। লাহে লাহে সি আৰোগ্য হৈ আহিল আৰু এদিন আবেলি পৰত মাকে তাক নবিয়া পাটিৰ পৰা তুলি হাতত ধৰি ধৰি বাহিৰলৈ উলিয়াই আনিলে। পিৰালিত তাৰ কাৰণে চকী এখন পাৰি থোৱা আছিল। তাতে বহি সি সদ্যোজাত শিশুৰ দৰে চকু দুটা মেলি পৃথিৱীখনলৈ চাই পঠিয়ালে। প্ৰথমেই তাৰ চকু গ'ল হোলাটোৰ সিপাৰৰ বাঁহনি খনলৈ। ঘন সেউজীয়া বাঁহপাত বোৰৰ ওপৰত আবেলিৰ সোণালী ৰ'দ জলমলাব ধৰিছে। কি সুন্দৰ! বাপুকণে আপোন মনে ক'লে। ভঁৰালৰ আগৰ চালিখনৰ ওপৰত এজোপা কোমোৰা বগাইছে, তিনিটা কোমোৰা বুঢ়া হৈ বগা হ'ব ধৰিছে। কি সুন্দৰ! চোতালত কেইটামান শালিকা আৰু ঘন-চিৰিকা চৰায়ে জপিয়াই ফুৰিছে। কি সুন্দৰ! আলিবাটেদি মানুহ অহা-যোৱা কৰিছে; কোনোবা গৈছে উজনিলৈ, কোনোবা ভাটিলৈ। কি সুন্দৰ! বসু দদাইদেউহঁতৰ ঘৰৰ ঢাপত এজোপা জলকীয়া গছ পকা জলকীয়াৰ ভৰত দোঁ খাই পৰিছে আৰু মাৰ যাব খোজা বেলিটোৰ শেষ একাজলি ৰঙা পোহৰ ৰঙা জলকীয়াজোপাৰ মূৰত আছাৰ খাই পৰিছে। কি সুন্দৰ! কি সুন্দৰ! কি সুন্দৰ! আনন্দৰ বাগীত বাপুকণ পাগল হৈ পৰিল। মৃত্যুৰ ৰাজ্যৰ পৰা পৃথিৱীলৈ পুনৰ ঘূৰি আহিহে সি আৱিষ্কাৰ কৰিলে—এই পৃথিৱীখন কি অপৰূপ সুন্দৰ, ইয়াৰ প্ৰতিটো ধূলিকণা, প্ৰতিটো পোহৰ-কণা, প্ৰতিখিলা সৰাপাত, প্ৰতিটো পশু-পক্ষী, প্ৰতিটো মানুহ— সকলোৱেই কি আশ্চৰ্যভাৱে অসামান্যভাৱে সুন্দৰ। সীমাহীন প্ৰেম আৰু কৃতজ্ঞতাৰে বাপুকণে পূবৰ পৰা পশ্চিমলৈ, আকাশৰ পৰা পৃথিৱীলৈ, অস্তমিত সূৰ্যটোৰ পৰা ঘৰৰ ঢাপৰ জলকীয়া গছজোপালৈ ঘূৰি ঘূৰি চাবলৈ ধৰিলে আৰু এটা সময়ত তাৰ ৰোগক্লান্ত চকু দুটা আনন্দৰ চকুপানীৰে ওপচি পৰিল।

দুদিনমানৰ ভিতৰতে তাৰ বায়েক আৰু সৰু ভনীয়েক দুজনীও বিছনাৰ পৰা উঠিব পৰা হ'ল। তেতিয়াও বিছনাত পৰি থাকিল কেৱল তাৰ ঠিক পিছৰ ভনীজনী—মাখনী। তাৰ খেলাৰ লগৰী, তাৰ আটাইতকৈ মৰমৰ ভনীয়েক। বাপুকণে নৰিয়া-পাটি এৰি প্ৰথম পিৰালিলৈ ওলোৱাৰ তিনিদিনমানৰ ভিতৰতে পচুলিলৈকো ওলাব পৰা হ'ল আৰু সমনীয়া বন্ধুবোৰৰ পৰা তেতিয়াহে গম পালে যে যোৱা এসপ্তাহমানৰ ভিতৰতে গাঁওখনৰ দহটা ল'ৰা-ছোৱালী তেজহাগনিত মৰিল। সি নিজে বিছনাত পৰি থাকোতে পৰে পৰে কিয় শোকাকুল কান্দোনৰ ধ্বনি শুনিছিল সেই কথা বাপুকণে এতিয়াহে বুজি পালে। যি দহটা ল'ৰা-ছোৱালী মৰিল সিহঁত আটাইকেইটা তাতকৈ বয়সত কেবাবছৰে সৰু; সিহঁত কোনোটোৱেই তাৰ খেলাৰ লগৰীয়া নহয়। গতিকে সিহঁতৰ মৃত্যুৰ বেদনা সি ভালকৈ অনুভৱ কৰিব নোৱাৰিলে। কেৱল তাৰ মনলৈ ভাব আহিল যে সি নিজে ভাল হৈ উঠি-লৰি ফুৰিছে যদিও মাখনী এতিয়াও বেমাৰত আধামৰা হৈ বিছনাত পৰি আছে। মাখনী যদি আৰু কেতিয়াও ভাল নহয়? গাঁৱৰ যি দহটা ল'ৰা-ছোৱালী মৰি গ'ল সিহঁতৰ নিচিনাকৈ মাখনীও যদি মৰি যায়? পচুলি মুখৰ তৰুৱা কদমজোপাৰ তলত বাপুকণ ঠিয় হৈ আছিল। বতাহে ফুলৰ আৰু ঘৰমুৱা গৰুবোৰৰ গাৰ গোন্ধ একেলগে তাৰ নাকলৈ কঢ়িয়াই আনিছিল। দুয়োটা গোন্ধেই তাৰ খুব ভাল লাগিছিল। হোলাটোৰ সিপাৰৰ ডাঠ বাঁহনি দৰাৰ ঠিক মূৰৰ ওপৰতে অকলশৰীয়া ভোটাতৰাটো অচিন সুদূৰৰ নিমন্ত্ৰণৰ দৰে জ্বলজ্বলকৈ জ্বলি আছিল। তৰাটোৰ ফালে চাই চাই বাপুকণৰ মনটো হঠাৎ এক আনন্দময় বিষাদৰ অনুভূতিৰে ভৰি পৰিল। ঠিক তেনে সময়তে নামঘৰত গধূলিৰ ডবা বাজি উঠিছিল। বাপুকণৰ ভাব হৈছিল —পৃথিৱীখন খুব সুন্দৰ আৰু কৰুণ; এই পৃথিৱী এৰি কলৈকো যাবলৈ মন নাযায়; অথচ পৃথিৱীৰ বহু নিলগৰ পৰা কোনোবাই অদৃশ্য হাতবাউলি দি মাতি থাকে কাৰণেই পৃথিৱীৰ আকৰ্ষণ ইমান তীব্ৰ আৰু মোহময়। ঠিক সেইবোৰ কথা ভাবি থকাৰ

সময়তে বাপুকণৰ মনলৈ হঠাৎ ভাব আহিল—মাখনী যদি মৰি যায় ?

নিজৰ আৰোগ্যৰ আনন্দত বাপুকণ ইমান আত্মহাৰা হৈ আছিল যে প্ৰায় গোটেই আবেলিটো সি মাখনীৰ কথা পাহৰিয়েই আছিল। কিন্তু তাইৰ মৃত্যু-চিন্তা মনলৈ অহাৰ লগে লগে সি কোবাকুবিকৈ ঘৰলৈ খোজ ললে। চিধাই সি মাখনীৰ কোঠালৈ গ'ল। কিন্তু সেই মুহূৰ্ত্তত মাখনীৰ বাহিৰে কোঠাটোত আন কোনো নাছিল। ধূপ-ধূনা আৰু মিঠাতেলৰ চাকি জ্বলাই মাক বোধহয় সেইমাত্ৰ অলপ সময়ৰ কাৰণে বাহিৰলৈ ওলাই গৈছিল। মিঠাতেলৰ চাকিৰ কোমল আধা-অন্ধকাৰ পোহৰত ঠিয় হৈ বাপুকণে দেখিলে – তাৰ অতি মৰমৰ অকণমানি ভনীয়ে-কজনী হাড়ে-ছালে লাগি বিছনাত প্ৰায় মিলি গৈ স্তব্ধ হৈ পৰি আছে। কিমানদিন তাই নীল আকাশ, বেলিৰ পোহৰ, গছৰ ছাঁ, চৰাইৰ নাচোন, সাঁজৰ তৰা আৰু লগৰ লগৰীবোৰৰ ৰঙিয়াল মৰমিয়াল মুখবোৰ দেখা নাই! শোকে বাপুকণৰ ডিঙিত খুন্দা মাৰি ধৰিলে। মাখনীৰ গাৰ কাষতে বিছনাত বহি সি তাইৰ শুকাই খেৰ যেন হোৱা হাতখন বিচাৰি উলিয়াই মাত লগালে—'মাখনী, অ' মাখনী।'

এইদৰে কেবাবাৰো মতাৰ পিছত মাখনীয়ে নিদ্ৰা-জড়িত কণ্ঠেৰে এবাৰ মাত দিলে 'কোন ?'

'মই, ককাইদেউ'—কোনোমতে কান্দোন সামৰি বাপুকণে উত্তৰ দিলে।

'ককাইদেউ!'—মাখনীয়ে তাইৰ ৰোগ-জীৰ্ণ অকণমানি জীৱনটোৰ আটাইখিনি স্নেহ-সুধা আৰু ব্যাকুলতা ঢালি দি এবাৰ মাত্ৰ মাত লগালে —'ককাইদেউ।' তাৰ পিছত তাই বাপুকণৰ হাতখনত টানকৈ মুঠি মাৰি আকৌ টোপনি গ'ল।

বুকুৰ মাজত বিচিত্ৰ ভাবৰ হেন্দোলনি লৈ বাপুকণ স্তব্ধ হৈ বহি ৰ'ল। অলপ পিছতে মাক কোঠাটোলৈ সোমাই আহিল। বাপুকণৰ

ফালে চাই তেওঁ ক'লে—'মই এতিয়া মাখনীৰ ওচৰত থাকিম। বায়েৰ-হঁতক দেউতাৰে সাধুকথা কৈছে। তই তালৈ যা।'

বাপুকণে একো উত্তৰ নিদি একে ঠাইতে বহি ৰল।

পিছদিনা ৰাতিপুৱা কাবোবাৰ বুকুভঙা কান্দোনত বাপুকণে সাৰ পালে। অলপ পৰ কাণ ঠিয় কৰি সি বুজি পালে—মাকে কান্দিছে। বিছনাৰ পৰা একে জাপেষ্ট সি চোতাল পালেগৈ। চোতালত বহু দদাইদেউকে ধৰি গাঁৱৰ কেবাজনো মানুহ। তাৰে এজনে মাকৰ কোলাৰ পৰা মাখনীক আঁজুৰি নিবলৈ চেষ্টা কৰিছে আৰু মাকে গাৰ জোৰেৰে মাখনীক সাৱতি ধৰি কান্দি কান্দি বাধা দিছে। চোতালৰ সোঁ মাজতে মাটিত বাপুকণৰ দেউতাকে শিলৰ মূৰ্তিৰ দৰে বহি আছে।

মাখনী মৰিল! মাত্ৰ কালি গধূলি তাই বাপুকণৰ হাতত টানকৈ খামুচি ধৰি জীৱনৰ প্ৰতি কি প্ৰচণ্ড ভালপোৱা ঘোষণা কৰিছিল। সেই মাখনী মৰিল! তাই আৰু কোনোদিনে তাইৰ সেই কোমল মধুৰ মাতেৰে তাক নামাতিব—'ককাইদেউ!'

এবাৰ এটা পাৰ্কৰ মানুহজনে মাকৰ বুকুৰ পৰা মাখনীক টানি নিলে। মাক বহা ভাগেই চোতালত উবুৰি খাই পৰি মূৰ্ছা গ'ল। চোতালত গোট খোৱা তিৰোতাবোৰে কোনোবাই হাঁয়ে বিয়ে কৰি কান্দিবলৈ ধৰিলে, কোনোবাই তেল-পানী আনিবৰ কাৰণে ভিতৰলৈ দৌৰি গ'ল। বাপুকণৰ ফালে কাৰো দৃষ্টি নাই। বেদনাত দগ্ধ হোৱা দুই চকুৰে সি চাই থাকিবলৈ ধৰিলে—মাখনীৰ প্ৰাণহীন দেহটো কলপাত এখনেৰে মেৰিয়াই এজন মানুহ আলিবাটৰ ফালে আগবাঢ়িল; হাতত কোৰ-দা লৈ আৰু চাৰিজন মানুহে তেওঁৰ পিছ ললে। বাপুকণে বুজিলে—নৈৰ পাৰৰ মৰিশালীখনত কোনোবে গাঁত খান্দি মাখনীক পুতি থব। সি দৌৰ মাৰি ভিতৰলৈ সোমাই গ'ল আৰু বিছনাত জপিয়াই পৰি গাৰুত মুখ গুজি কান্দিবলৈ ধৰিলে। সি কল্পনা কৰিবলৈ ধৰিলে—এই মাত্ৰ মাখনীক গাঁতত সোমোৱাই দি মানুহবোৰে মাটি দিবলৈ আৰম্ভ কৰিছে।

প্ৰথম চপৰা মাটি মাখনীৰ গাত পৰাৰ লগে লগে বাপুকণে আৰ্তনাদ কৰি উঠিল—'মাটি নিদিবা, মাটি নিদিবা—তাই দুখ পাব।' যেতিয়া মাটি দি দি গাঁতটো সম্পূৰ্ণ পূৰ হ'ল, সি আকৌ আৰ্তনাদ কৰি উঠিল—'মাখনীয়ে উশাহ ল'ব কেনেকৈ?' মানুহবোৰে যেতিয়া নৈত গা ধুই ঘৰলৈ ঘূৰিল, বাপুকণে শেষবাৰৰ কাৰণে আৰ্তনাদ কৰি উঠিল—যি মাখনীয়ে কেতিয়াও ঘৰত অকলে শুই পোৱা নাই তাই আজিৰ পৰা নৈৰ পাৰৰ নিৰ্জন মৰিশালীত মাটিৰ তলত অকলে কেনেকৈ শুব? সাৰ পাই উঠিলেই তাইৰ খুব ভয় লাগিব, তাই নিশ্চয় আদৰুৱা মাতেৰে চিঞৰি উঠিব—'ককাইদেউ, অ' ককাইদেউ, মোক তোমালোকে ইয়াত কিয় অকলে এৰি থৈ গৈছা? মোৰ খুব ভয় লাগিছে······।'

No............
Date............
ASSAM, GUWAHATI

৪

দ্বিতীয় অধ্যায়

॥ ১ ॥

'বিক্রম ! অ' বিক্রম !'

গৰমৰ বন্ধৰ দুপৰীয়া। সাতদিনমান একে-লেথাৰিয়ে বৰষুণ দিয়াৰ পিছত সেইদিনা বাতিপুৱাৰ পৰা বৰষুণ দিবলৈ এৰিছে, কিন্তু আকাশখন মেঘে ওন্দোলাই আছে। যি কোনো মুহূৰ্ত্ততে আকৌ বৰষুণ আহিব পাৰে। দুপৰীয়া ভাত-পানী খাই উঠি বাপুকণহঁতৰ ঘৰৰ আটায়ে বিছনাত পৰি জিৰণি লৈছে। কেৱল বাপুকণে পুৰণি 'বাঁহী' আৰু 'আৱাহন' এজাপ লৈ চ'ৰাঘৰত বহি ইতিমধ্যে এশবাৰ মান পঢ়া গল্প আৰু কবিতা-বোৰকে আকৌ এবাৰ পঢ়িবলৈ লৈছে। মাত্ৰ এবছৰমানৰ আগতে সি দেউতাকৰ কিতাপৰ আলমাৰিত এখন নতুন জগত আৱিষ্কাৰ কৰিছে। তাৰ আগলৈকে কিতাপৰ আলমাৰিৰ চাবি দেউতাকে সদায় নিজৰ হাতত ৰাখিছিল। কাৰণ আলমাৰিটোত এজাপ পুৰণি আলোচনী আৰু কেইখনমান কিতাপৰ বাহিৰেও দেউতাকৰ কিছুমান মূল্যবান দলিল-পত্ৰ আছিল। দেউতাকে যেতিয়াই আলমাৰিটো খোলে তেতিয়াই বাপুকণ গৈ দেউতাকৰ ওচৰত ঠিয় হয় আৰু সতৃষ্ণ নয়নেৰে আলমাৰিৰ কিতাপ-বোৰলৈ চাই থাকে। কিতাপবোৰ পঢ়ি চাব খুজিলে দেউতাকে তাক কয়—'এইবোৰ ডাঙৰ মানুহে পঢ়া কিতাপ। তোৰ এতিয়াও এইবোৰ কিতাপ পঢ়িবৰ বয়স হোৱা নাই।' দেউতাকে যিমানেই তাক বাধা দিয়ে সিমানেই আলমাৰিটোৰ প্ৰতি বাপুকণৰ কৌতূহল অদম্য হৈ উঠে। জীৱনৰ যিবোৰ পৰম লোভনীয় বস্তু সি কেৱল ডাঙৰ হলেহে পোৱাৰ অধিকাৰ অৰ্জন কৰিব সেইবোৰৰ ভিতৰত দেউতাকৰ কিতাপৰ আলমাৰি-টোও এটা। প্ৰতীক্ষাৰ যন্ত্ৰণাত সি কেতিয়াবা পাগল হৈ উঠে। কিন্তু এদিন নিতান্ত অপ্ৰত্যাশিতভাৱে হঠাৎ সেই প্ৰতীক্ষাৰ অৱসান ঘটিল।

প্ৰায় এবছৰমানৰ আগৰ কথা। দেউতাকে এদিন তাক মাতি নি ক'লে 'হোঁ ল, আলমাৰিৰ চাবিটো এতিয়াৰ পৰা তয়েই ৰাখিবি। আজিৰ পৰা তোক আমাৰ ঘৰৰ লাইব্ৰেৰিয়ান পাতিলো। কিন্তু সাৱধান কিতাপ-পত্ৰবোৰ যদি নষ্ট কৰ বা পৰিপাটিকৈ নাৰাখ, তেন্তে কিন্তু চাবিটো মই আকৌ ঘুৰাই লম।'

দেউতাকৰনো হঠাৎ কিয় মনটো কুমলিল তাৰ কোনো কাৰণ বাপুকণে অনুমান কৰিব নোৱাৰিলে। অৱশ্যে সেইদিনা ৰাতিপুৱা সিহঁতৰ স্কুলৰ হেড পণ্ডিত বাপুকণহঁতৰ ঘৰলৈ অহাৰ সময়ত সি যদি ঘৰত থাকিলহেতেন তেন্তে এটা সম্ভাব্য কাৰণ সি হয়তো অনুমান কৰি ল'ব পাৰিলেহেতেন। সেইদিনা আছিল দেওবাৰ। ছুটীৰ দিন পাই বাপুকণে লগৰীয়াবোৰৰ লগত নৈত সাঁতুৰিবলৈ গৈছিল। সেই সময়তে স্কুলৰ হেড পণ্ডিত সিহঁতৰ ঘৰলৈ আহি বাপুকণৰ দেউতাকক ক'লে—'এটা ডাঙৰ বিপদত পৰি তোমাৰ ওচৰলৈ আহিছো গৈগে। বিপদটো কৰিছে তোমাৰ পুত্ৰই। আমাৰ স্কুলৰ লাইব্ৰেৰিত আঢ়ৈশমান কিতাপ আছে। তোমাৰ পুত্ৰই সেই গোটেই আঢ়ৈশ কিতাপ পঢ়ি শেষ কৰি এতিয়া সদায় মোৰ ওচৰত থেনথেনাব ধৰিছে—তাক বোলে আৰু কিতাপ লাগে। কিতাপ মই ক'ৰপৰা দিম? লাইব্ৰেৰিত থাকিলেহে দিম? সিদিনা তাক ক'লো—'চৰকাৰে লাইব্ৰেৰিৰ কিতাপ কিনিবলৈ নতুনকৈ টকা মঞ্জুৰ নকৰিলে মই গাঁঠিৰ ধন ভাঙি তোক কিতাপ কিনি দিব নোৱাৰো। ইপিনে চৰকাৰৰ নতুন মঞ্জুৰি আহে মানে তই এই স্কুলৰ পঢ়া শেষ কৰি হাইস্কুলবো কিজানি দুখাপমান বগাবিগৈ। এটা কাম নকৰ কিয়? তহঁতৰ ঘৰতে সৰু সুৰা এটা লাইব্ৰেৰি আছে। দেউতাৰক ক'লেই দেখোন তোক কিতাপ পঢ়িবলৈ দিব।' তেতিয়াহে সি মোক ক'লে যে তুমি বোলে সি ডাঙৰ নোহোৱালৈকে তাক সেই কিতাপবোৰ চুবলৈ নিদিওঁ বুলি কৈছা। পিছে তোমাৰ ল'ৰা তলে তলে কিমান ডাঙৰ হ'ল তোমাৰ বোধহয় খবৰেই নাই। আমাৰ স্কুলৰ শিক্ষকসকলে পঢ়িবলৈ টান পোৱা গুৰু-গম্ভীৰ কিতাপবোৰো তোমাৰ পুত্ৰই পঢ়ি শেষ কৰিলে। সি এনেয়ে

পঢ়িছেনে বুজিবাজিহে পঢ়িছে মই এদিন তাৰ পৰীক্ষা ললো। তোমাক আৰু কি কম গৈগে,—সেইদিনা তাৰ মুখত যিবোৰ কথা শুনিলো সেইবোৰ কথা মোৰ মগজেও আজিলৈকে ঢুকি পোৱা নাই। আজি ৰাতিপুৱাই দিবাকৰহঁতৰ ঘৰলৈ আহিছিলো গাখীৰ অলপ বিচাৰি। বাটৰ পৰা তোমাক দেখি ভাবিলো—এই ছলতে তোমাৰ ল'ৰাৰ কথাটোও তোমাক কৈ যাওঁ। ঘৰত যি যি কিতাপ-পত্ৰ আছে সকলো তাক পঢ়িবলৈ দিয়া। পাৰিলে ডাক-যোগে মগায়ো দুখনমান আনি দিয়া। সাধুকথা আৰু গল্প-উপন্যাসতকৈ কবিতা, প্ৰবন্ধ আৰু জীৱন-চৰিতৰ প্ৰতিহে তাৰ ধাপ বেছি। আগলৈ কি হয়গৈ ক'ব নোৱাৰো এথোনি, কিন্তু এতিয়া তাৰ লক্ষণবোৰ দেখি ভালেই লাগিছে।'

কিছুদিনৰ আগলৈকে দেওবাৰ বা অন্য বন্ধৰ দিনত দুপৰীয়া ভাত-পানী খাই উঠিয়েই হেবাঙক লগ পাবলৈ বাপুকণ ব্যাকুল হৈ পৰিছিল। হেবাঙৰ লগত নৈৰ সিপাৰৰ চাপৰিত নানা উত্তেজনাৰ খোৰাক বিচাৰি ঘূৰি ফুৰা কিংবা নিৰ্জন নৈ-ঘাটত বহি বহি হেবাঙৰ মুখৰ নানা গল্প শুনাটো আছিল বাপুকণৰ কাৰণে সুখৰ চৰম সীমা। কিন্তু দেউতাকৰ আলমাৰিৰ চাবিটো তাৰ হাতলৈ আহিবৰ দিন ধৰি সি হেবাঙৰ সঙ্গৰ প্ৰতি আগৰ নিচিনাকৈ আকৰ্ষণ অনুভৱ নকৰা হ'ল। এদিন হেবাঙৰ লগত চাপৰিৰ ইকৰা-খাগৰিৰ অৰণ্যৰ মাজত ঘূৰি ফুৰোতে বুকুৰ মাজত হাহাকাৰ তোলা বতাহৰ হো-হোৱনি শুনি সি যি ধৰণৰ আবেগ অনুভৱ কৰিছিল, এতিয়া সি তাতকৈ বেলেগ ধৰণৰ আৰু বেছি শক্তিশালী আবেগ অনুভৱ কৰা হ'ল পুৰণি আলোচনীৰ পাতৰ কবিতাবোৰ পঢ়ি। এদিন হেবাঙৰ লগত হাবিত কেটেলা পছু খেদি ফুৰোতে সি যি ধৰণৰ তীব্ৰ ৰোমাঞ্চ অনুভৱ কৰিছিল, এতিয়া সি তাতকৈ হাজাৰগুণে বেছি তীব্ৰ ৰোমাঞ্চ অনুভৱ কৰা হ'ল গল্প-উপন্যাসৰ মাজত মানুহৰ ভাগ্য অন্বেষণ কৰি। এসময়ত হেবাঙৰ সঁচা-মিছা নানাবিধৰ গল্পই তাৰ মনত নাৰীৰ প্ৰতি যি ধৰণৰ কৌতূহল জগাই তুলিছিল বা নিজৰ ভবিষ্যতটো যেনে

ধৰণে কল্পনা কৰিবলৈ তাক শিকাইছিল, এতিয়া দেউতাকৰ আলমাৰি কিতাপ আৰু আলোচনীবোৰে তাৰ মনত জগাই তুলিলে তাতোকৈ লক্ষ গুণে বেছি ৰহস্যময়ী এক নাৰীৰ কল্পনা, লক্ষগুণে বেছি সুন্দৰ এক ভবিষ্যতৰ লোভ। জীৱনৰ এনে এক নতুন ৰূপ ধীৰে ধীৰে তাৰ চকুৰ আগত উন্মোচিত হ'বলৈ ধৰিলে যে সি তাৰ পৰা চকু ঘূৰাই আন কোনোফালে চাব নোৱৰা হ'ল।

হেবাঙৰ লগত আজি বহুতদিন বাপুকণৰ দেখাদেখিয়েই নাই বুলি কব লাগে। কেইমাহমানৰ আগতে এদিন দেওবাৰৰ দুপৰীয়া বাপুকণে ভাত-পানী খাই উঠি তাৰ প্ৰিয় আলোচনীবোৰৰ জাপ এটা লৈ পঢ়িবলৈ বহিছে মাত্ৰ, এনেতে হেবাঙে আহি তাক মাত দিলে—'অ' বাপুকণ, তহঁতৰ স্কুল কম্পাউণ্ডৰ ক'লী জামুজোপা পকি মোক-খা মোক-খা কৰিব ধৰিছে ; বল খাবলৈ যাওঁ।'

বাপুকণে সেইমাত্ৰ যিটো গল্প পঢ়িবলৈ আৰম্ভ কৰিছিল তাত গল্পৰ নায়ক কটন কলেজৰ এজন ডেকা ছাত্ৰই সহপাঠিনী বান্ধৱীলৈ প্ৰেমপত্ৰ লিখিবলৈ বহি কীট্‌ছৰ কবিতাৰ কিতাপ মেলি লৈছে—যাতে কীট্‌ছৰ কবিতাৰ দুই-এটা লাইন প্ৰেম-পত্ৰখনত উদ্ধৃতি হিচাপে ব্যৱহাৰ কৰিব পাৰি। বাপুকণে মাত্ৰ কেইমাহমানৰ আগতে আলোচনীৰ গল্পবোৰৰ মাজত কটন কলেজখন আৱিষ্কাৰ কৰিছে। অসমত আটাইতকৈ প্ৰতি-ভাবান ডেকাবোৰ আৰু আটাইতকৈ সুন্দৰী গাভৰুবোৰ কটন কলেজত পঢ়িবলৈ যায়। দিনত তেওঁলোকে কলেজত চাহাব প্ৰফেচাৰৰ পৰা সাহিত্য আৰু দৰ্শন শিকে ; ৰাতি তেওঁলোকে হোষ্টেলত সুন্দৰী সহপাঠিনীসকলৰ ৰূপ ধ্যান কৰি কৰি ঘনে ঘনে দীৰ্ঘশ্বাস পেলায় অথবা ইংৰাজী কবিতাৰ উদ্ধৃতি দি প্ৰেম-পত্ৰ লিখে। পৃথিৱীত যদি ক'ৰবাত স্বৰ্গ আছে তেন্তে কটন কলেজেই সেই স্বৰ্গ নহয়নে ? সঁচা কথা কবলৈ গ'লে বাপুকণে যে পুৰণি আলোচনীৰ একেবোৰ গল্পকে ওৰাই-ঘূৰাই পঢ়ি থাকে তাৰ কাৰণ কিন্তু কাহিনীৰ আকৰ্ষণ নহয় ; আচলতে কটন কলেজ-খনক ভালকৈ জানিবৰ কাৰণেই সি একেবোৰ গল্পকে সহস্ৰবাৰ পঢ়ি

থাকে। এতিয়া তাৰ জীৱনৰ একমাত্ৰ ধ্যান-জ্ঞান একমাত্ৰ উচ্চাকাংক্ষা হ'ল ডাঙৰ হৈ কটন কলেজত পঢ়িবলৈ যোৱা—যি কটন কলেজে পৃথিৱীৰ জ্ঞান-ভাণ্ডাৰৰ দুৱাৰ তাৰ চকুৰ আগত মুকলি কৰি দিব আৰু জীৱনটোক পৰিণত কৰিব বিচিত্ৰ ছন্দময় এটি দীঘলীয়া কবিতাত। গল্পৰ নায়কে কীট্‌ছৰ কবিতাৰ কোনকেইটা লাইন তেওঁৰ প্ৰেম-পত্ৰত ব্যৱহাৰ কৰিবলৈ বাছনি কৰে সেইটো জানিবলৈ বাপুকণ ঠিক যি মুহূৰ্তত ভীষণ উদগ্ৰীৱ হৈ উঠিছে সেই মুহূৰ্ততে হেবাঙে তাৰ কাণৰ কাষত মাত লগালে—'অ' বাপুকণ, ক'লীজামু খাবলৈ যাওঁ ব'ল।'

কীট্‌ছৰ কবিতাৰ পৰা হেবাঙৰ ক'লীজামুৰ জগতখনলৈ ঘূৰি আহিবলৈ বাপুকণৰ ইমান সময় লাগিল যে বেছ কিছু সময়ৰ কাৰণে সি হেবাঙৰ কথাটো বুজিয়েই নাপালে। যেতিয়া বুজি পালে তেতিয়া বিৰক্তিত তাৰ মুখখন ক'লা পৰি গ'ল। ভেকাহি মৰাৰ নিচিনাকৈ সি হেবাঙক ক'লে —'মই কিতাপ পঢ়ি আছো তই দেখা নাই নেকি? তোৰ ক'লীজামু খাবলৈ মোৰ অকণো ইচ্ছা নাই। তই এতিয়া যা, মোক দিগদাৰি দি নাথাকিবি।'

হেবাঙৰ অস্তিত্ব সম্পূৰ্ণৰূপে উপেক্ষা কৰি বাপুকণে আকৌ কিতাপৰ পাতত মনোনিবেশ কৰিলে।

হেবাঙ প্ৰথমতে বৰ আচৰিত হ'ল। বাপুকণে আজি কয় কি? সি দেখোন সদায় কিতাপৰ পৰা পলাই সাৰিবলৈ ছল বিচাৰি ফুৰে; হেবাঙক দেখিলেই তাৰ মনটো নাচি উঠে। আজি তাৰ হ'ল কি? হঠাৎ হেবাঙৰ মনত ধাৰণা হ'ল যে বাপুকণে আজি তাৰ লগত নিশ্চয় ধেমালিহে কৰিছে। সি বাপুকণৰ হাত এখনত ধৰি টান মাৰি ক'লে —'আহ আহ, বৰ কিতাপ পঢ়াটো দেখুৱাব নালাগে। হাতে ঢুকি পোৱা তলৰ ডাল-বোৰৰ পকা জামুবোৰ আজিয়েই আমি খাই নেপেলালে আন কোনোবাই খাই পেলাব। উঠ বুলিছো নহয়......।'

হেবাঙৰ টনা-আজোৰাত বাপুকণৰ হাতৰ আলোচনীখন ওফৰি মাটিত পৰি গ'ল। বাপুকণৰ হঠাৎ ভীষণ খং উঠি গ'ল। কিতাপখন

আথে-বেথে মাটিৰ পৰা বুটলি মূৰ নদগুাকৈয়ে সি ক'লে—'ক-টোৰ কেইটা চুক তই তাকে নাজান, কিতাপৰ মোল তই কি বুজিবি। তোৰ লগত টলৌ টলৌকৈ ঘূৰি ফুৰি আম-কঁঠাল চেলেকি ফুৰিবলৈ মোৰ আৰু আগৰ নিচিনা সময় নাই বুজিছ ? আজিৰ পৰা তই আৰু মোক কিতাপ পঢ়াৰ সময়ত আমনি কৰিবলৈ নাহিবি।'

বাপুকণৰ কথা শুনি অতৰ্কিতে কাণ-তলীয়া চৰ খোৱা মানুহৰ দৰে হেবাঙে আচল্লাই ধৰা যেন অনুভৱ কৰিলে। মুহূৰ্তৰ ভিতৰতে তাৰ চকুদুটা পানীৰে চলচলিয়া হৈ পৰিল। বাপুকণে মূৰ তুলি তাৰ সেই অৱস্থা দেখি বুলি ভয়তে সি একেজঁাপে তাৰ পৰা পলাল। আলিবাট পায়েই সি ঘৰলৈ নগৈ নৈ-ঘাটৰ ফালে ঢাপলি মেলিলে। নৈৰ পাৰৰ নিৰ্জন ঠাই এডোখৰ বিচাৰি লৈ সি সেইদিনা গধূলি পৰলৈকে তাতে বহি থাকিল।

সেই তেতিয়াৰে পৰা হেবাঙৰ লগত বাপুকণৰ দেখাদেখিয়েই নাই। দূৰৰ পৰা বাপুকণক দেখা পালেই হেবাঙে লৰালৰিকৈ আন কোনোবা এফালে খোজ লয়। কিন্তু আচৰিত কথা এয়েহে যে বাপুকণে এদিনৰ কাৰণেও হেবাঙৰ অভাৱটো অনুভৱ কৰা নাই বা হেবাঙেয়ে বাপুকণৰ ওপৰত প্ৰচণ্ড অভিমান কৰিছে সেই কথা ভাবি চাবলৈকো তাৰ সময় হোৱা নাই। যোৱা কেইবামাহো ধৰি তাৰ জীৱনটো ভৰাই ৰাখিছে নতুন এজন বন্ধু—দুলালে।

বাপুকণহঁতৰ গাঁৱত চৰকাৰী চাকৰিয়াল মাত্ৰ তিনিজন: দাৰোগা, ডাক্তৰ আৰু ফৰেষ্টাৰ। মাজে মাজে তেওঁলোক বদলি হৈ থাকে। কিন্তু আওহতীয়া জকাইচুকীয়া ঠাইখনলৈ সহজে বাহিৰৰ মানুহ আহিব নোখোজে কাৰণে কেতিয়াবা একো একোজন চৰকাৰী চাকৰিয়াল ৪/৫ বছৰ পৰ্যন্ত থাকিবলগীয়া হয়। ফলত তেওঁলোক গাঁৱৰ মানুহৰ লগত লনা-পোটকা হৈ পৰে। আজি কেইমাহমানৰ আগতে এজন দাৰোগা নতুনকৈ বদলি হৈ আহিছে। তেওঁৰে ডাঙৰটো ল'ৰা দুলালে বাপুকণৰ

লগত একেশ্ৰেণীতে পঢ়ে। তুলাল পঢ়া-শুনাত চোকা ; খুব কম বয়সৰ পৰাই তাৰ কিতাপৰ প্ৰতিও প্ৰবল নিচা। তুলাল আৰু বাপুকণৰ পৰস্পৰক আৱিষ্কাৰ কৰিবলৈ বেছি সময় নালাগিল। তুদিন মানৰ ভিতৰতে তুয়ো বুজি পালে যে শ্ৰেণীৰ প্ৰথম স্থানটোৰ কাৰণে তুয়োৰে মাজত ভীষণ প্ৰতিদ্বন্দ্বিতা হ'ব ; লগতে তুয়ো এই কথাও বুজি পালে যে তুয়োৰে ৰুচি আৰু আদৰ্শৰ ইমান বেছি মিল—আৰু আন সকলো ল'ৰাৰ লগত তুয়োৰে ইমান বেছি অমিল—যে তুয়োৰে মাজত গভীৰ বন্ধুত্ব গঢ়ি নুঠাটোও অসম্ভৱ। বিশেষকৈ বাপুকণৰ কাৰণে তুলাল এটা বিৰাট অভিনৱ অভিজ্ঞতা হৈ দেখা দিলে। ইমানদিনে গাঁৱৰ বা স্কুলৰ ল'ৰাবোৰৰ মাজত বাপুকণৰ এনে এটাও বন্ধু নাছিল—যাৰ লগত সি সাঁতোৰা, বল খেলা, চিটিকাত চৰাই ধৰা বা আম-কঁঠাল খোৱাৰ বাহিৰে আন কিবা কথা পাতিব পাৰিছিল ; এটা গল্প বা কবিতা পঢ়ি তাৰ মনলৈ যিবোৰ আশ্চৰ্য ভাব-অনুভূতি আহে সেইবোৰৰ ভাগ দিবলৈ তাৰ কোনো এটা বন্ধু নাছিল। গাঁৱৰ লগৰীয়াবোৰেও কেতিয়াও কল্পনা কৰা নাছিল যে সিহঁতে চকুৰে দেখাটোৰ বাহিৰেও বাপুকণৰ আন এটা গোপন জীৱন আছে। সেই কাৰণে গাঁৱৰ বা স্কুলৰ লগৰীয়া ল'ৰাবোৰৰ দ্বাৰা সকলো সময়তে পৰিবেষ্টিত হৈ থাকিও বাপুকণ আছিল আচলতে অতি অকলশৰীয়া। কিন্তু তুলালক আৱিষ্কাৰ কৰাৰ দিনটোৰ পৰাই বাপুকণৰ জগতখন হঠাৎ সম্পূৰ্ণভাবে সলনি হৈ গ'ল।

তুলালে বাপুকণহঁতৰ স্কুলত নাম লগোৱাৰ কেইদিনমানৰ পিছতে তুলালৰ নেৰা-নেপেৰা অনুৰোধত এদিন বাপুকণ সিহঁতৰ ঘৰলৈ যাব লগা হ'ল। থানাৰ ভিতৰত বাপুকণে সেইদিনাই প্ৰথম ভৰি দি পালে। তাৰ কাৰণে সিও এটা ৰোমাঞ্চকৰ অভিজ্ঞতা। তেতিয়া দেশত ব্ৰিটিছৰ শাসন চলিছে। দেশ স্বাধীন হবলৈ তেতিয়াও আৰু পাঁচ-ছবছৰ বাকী আছে। সাধাৰণ গাঁৱলীয়া ৰাইজৰ চকুত থানাবোৰ আছিল ৰাষ্ট্ৰ-ক্ষমতাৰ প্ৰতীক,—সকলোৰে ভয় কৰিবলগীয়া এটা বস্তু। ৰঙা টুপি পিন্ধা চিপাহি এজনকো সকলোৱে সভয়ে আৰু সসম্মানে বাট এৰি দিছিল।

স্কুললৈ বা বজাৰলৈ অহা-যোৱা কৰাৰ বাটত বাপুকণে সদায় একোবাৰ থানাখনৰ ফালে চায় আৰু ৰঙা টিনৰ চালৰ সেই ৰহস্যময় ঘৰবোৰত কিনো কাণ্ড-কাৰখানা ঘটে সেই কথা কল্পনা কৰিবলৈ চেষ্টা কৰি সি প্ৰতিবাৰেই বিস্ময়ত শিহৰিত হয়। সেই থানাৰ ভিতৰত সি সেইদিনাই প্ৰথম ভৰি দিলে। কেৱল ভৰি দিয়াই নহয়, সেই থানাৰ যিজন বৰমূৰীয়া, যাক কুৰি-পঁচিশখন গাঁৱৰ মানুহে যমৰ দৰে ভয় কৰে, সেই দাৰোগাই তাক ওচৰত বহুৱাই লৈ হাতত ধৰি কথা পাতিলে আৰু গাখীৰ-জলপান খোৱালে। বাপুকণৰ ক্ষুদ্ৰ জীৱনটোত এনে বিৰাট ঘটনা ইয়াৰ আগতে আৰু কেতিয়াও হোৱা নাছিল।

চাহ-জলপান খোৱাৰ পিছত দুলালে বাপুকণক তাৰ লাইব্ৰেৰিটো দেখুৱালে। ওপৰত গোলাপ ফুলৰ ছবি আঁকা এটা ডাঙৰ টিনৰ ছুটকেচ-কিতাপেৰে ভৰ্তি—সেয়েই দুলালৰ লাইব্ৰেৰি। বাপুকণে এখন এখনকৈ কিতাপবোৰৰ নাম পঢ়ি ভীষণ উত্তেজিত হৈ উঠিল; স্কুলৰ লাইব্ৰেৰিৰ সকলোবোৰ কিতাপ সি পঢ়ি শেষ কৰিছে যদিও দুলালৰ টিনৰ ছুটকেছত থকা বেছিভাগ কিতাপৰ সি নামেই শুনা নাই। তাৰে ভালেকইখন কিতাপ বোলে সি বছৰৰ পিছত বছৰ শ্ৰেণীত প্ৰথম হৈ বঁটা পোৱা কিতাপ। বাপুকণেও প্ৰতি বছৰে বঁটা পাইছে, কিন্তু তাৰ দুৰ্ভাগ্য যে বছৰৰ পিছত বছৰ সি প্ৰায় একেকেইখন কিতাপকেই বঁটা পাই থাকে। আজিলৈকে তাৰ 'চৰিত্ৰ-গঠনেই' জমা হৈছে চাৰিখন, 'মহম্মদ চৰিত' চাৰিখন, 'ভাৰতৰত্ন' পাঁচখন। কিন্তু দুলালে প্ৰতিবছৰেই নতুন নতুন কিতাপ বঁটা পাইছে। কিতাপখিনি চাই শেষ কৰি সি আবেগ-বিহ্বল দৃষ্টিৰে দুলাললৈ চাই সুধিলে—'দুলাল, মোক তোমাৰ কিতাপবোৰ পঢ়িবলৈ দিবা? মই কিতাপ অকণো বেয়া নকৰো। ঘূৰাই নিদিম বুলিও তুমি ভয় নকৰিবা…।'

দুলালে কেইমুহূৰ্তমান সময় বাপুকণৰ মুখলৈ মুগ্ধ দৃষ্টিৰে চাই ৰ'ল। ইমান ধুনীয়া ল'ৰা, ইমান ভাল ল'ৰা, ইমান বেলেগ ধৰণৰ ল'ৰা সি ইয়াৰ আগতে কেতিয়াও লগ পোৱা নাছিল। সি বুকুৰ মাজত আগতে

কেতিয়াও অনুভৱ নকৰা ধৰণৰ এটা নতুন আবেগ অনুভৱ কৰিলে। সি বুজি পালে যে বাপুকণৰ লগত তাৰ এনে এক গভীৰ বন্ধুত্ব গঢ়ি উঠিব —যি ধৰণৰ বন্ধুত্বৰ লগত তাৰ আগতে কোনো পৰিচয় নাছিল। অৱশেষত দুলালে নীৰৱতা ভঙ্গ কৰি মাত লগালে—'কিয় নিদিম? নিশ্চয় 'দিম। কিন্তু তোমাৰ কিতাপবোৰো মোক পঢ়িবলৈ দিব লাগিব। অমি দুয়ো কিতাপ সলনা-সলনি কৰিম।'

ইয়াৰ পিছত সিহঁত দুয়ো ইটোৱে সিটোক নেদেখিলে থাকিব নোৱৰা হ'ল। দুয়ো একেলগে নৈত গা ধুবলৈ যায়, একেলগে স্কুললৈ যায়, পানীখোৱা ছুটীত দুয়ো একেলগে গৈ নৈ-ঘাটত বহি থাকে, আবেলি পৰত দুলালেও বাপুকণৰ লগত পথাৰত বা চাপৰিত গৰু বিচাৰি যায়। এমাহ মানৰ ভিতৰতে বাপুকণে তাৰ আটাইতকৈ মৰমৰ বন্ধু হেবাঙৰ অস্তিত্ব পৰ্যন্ত পাহৰি গ'ল। হেবাঙৰ লগত নৈত সাঁতুৰি-নাদুৰি সি এদিন আনন্দত পাগল হৈছিল; কিন্তু দুলালৰ লগত একেলগে নৈ-ঘাটত নীৰৱে বহি থাকি নৈৰ কুলু-কুলু ধ্বনি শুনি সি আজি এক অনিৰ্বচনীয় বিষাদত শিহৰিত হৈ উঠে। হেবাঙৰ লগত গছৰ ওখ ডালৰ পৰা পকা বনৰীয়া ফল পাৰি আনি খাই সি ভীষণ তৃপ্তি অনুভৱ কৰিছিল; কিন্তু এতিয়া সি সজল বতাহে কঢ়িয়াই অনা নাম-নজনা বনৰীয়া ফুলৰ গোন্ধত উন্মনা হৈ দুলালৰ লগত কোনোবা অচিন দেশলৈ গুচি যাব খোজে। পূৰ্ণিমাৰ ফৰিং-ফুটা জোনাকত সি এদিন হেবাঙৰ লগত পথাৰত গৰু বিচাৰি বৰ আনন্দ পাইছিল; কিন্তু সি আজি সেই একে জোনাকতে দুলালৰ লগত এনে কিবা এটা বস্তু বিচাৰি ফুৰে যাৰ নাম সিহঁতৰ কোনো এটাই নাজানে। হেবাঙৰ মুখত বন-ঘোষা শুনি সি এদিন কিবা এটা বুজাব নোৱাৰা মাদকতা অনুভৱ কৰিছিল; কিন্তু দুলালৰ মুখত কবিতাৰ আবৃত্তি শুনি সি আজি এক বিশ্ব-গ্ৰাসী আবেগ অনুভৱ কৰে। হেবাঙৰ কাৰণে সি এদিন ব্যাকুলভাবে প্ৰতীক্ষা কৰিছিল নৈ-ঘাটলৈ যাবলৈ; আজি সি দুলালৰ কাৰণে তাতোকৈ হেজাৰ গুণ বেছি ব্যাকুলতাৰে প্ৰতীক্ষা কৰি থাকে দূৰৰ কেঁকুৰিত

হেৰাই যোৱা নৈখনে যি ৰহস্যময় সুদূৰৰ ইংগিত দিয়ে তালৈ গুচি যাবলৈ।

'বিক্রম! অ' বিক্রম!' (বাপুকণৰ ভাল নাম বিক্রম)।

কিতাপত তন্ময় হৈ থকা বিক্রমে চঁক খাই মূৰ তুলি চাই দেখে—দুৱাৰ মুখত দুলাল।

॥ ২ ॥

'বিক্রম, ময়ো তোমাৰ নিচিনাকৈ দুপৰীয়া খাই-বৈ উঠি কিতাপ এখন পঢ়িবলৈ আৰম্ভ কৰিছিলোঁ। কিতাপ পঢ়ি থাকোতেই মনলৈ হঠাৎ নতুন ভাব এটা আহিল। কথাটো তোমাক ক'বলৈ ইমান মন গ'ল যে একে দৌৰে আহি এইখিনি পালোহি।'

দুলালে চকী এখনত বহি দীঘল দীঘলকৈ উশাহ লবলৈ ধৰিলে।

বিক্রমে হাতৰ কিতাপখন জপাই দুলালৰ কাষ চাপি ক'লে—'কি কথা সোনকালে কোৱাচোন। মোৰ জানিবলৈ খুব মন গৈছে।'

উশাহ ঘূৰাই পোৱাৰ পিছত দুলালে ক'বলৈ ধৰিলে—'আমি যেতিয়া লখিমপুৰত আছিলোঁ তেতিয়া চুবুৰিৰ কেইটামান ল'ৰাই লগ লাগি এটা লাইব্রেৰি কৰিছিলোঁ। মানুহৰ পৰা টকাও তুলিছিলোঁ, পুৰণি কিতাপো দান হিচাপে সংগ্রহ কৰিছিলোঁ। খুব ভাল লাইব্রেৰি হৈছিল; কেতিয়াও কিতাপ নপঢ়া ল'ৰায়ো নতুনকৈ কিতাপ পঢ়াৰ অভ্যাস কৰিছিল। আজি হঠাৎ মোৰ ভাব হ'ল—আমি ইয়াতো এটা লাইব্রেৰি নকৰো কিয়?'

দুলালৰ কথাটো শুনা মাত্রে বিক্রমে এনে এটা উত্তেজনা অনুভৱ কৰিলে যে অলপ সময় সি কথাই কব নোৱাৰিলে। তাৰ পিছত সি যেতিয়া কথা কোৱাৰ শক্তি ঘূৰাই পালে, বহাৰ পৰা প্রায় জাপ মাৰি উঠি সি ক'লে—'দুলাল, দুলাল, বাঃ কি মজা হ'ব! আমাৰ এটা লাইব্রেৰি হ'ব! কিন্তু লাইব্রেৰিয়ান কোন হ'ব দুলাল?'

দুলালে হাঁহি হাঁহি ক'লে—'গছত কঁঠাল ওঁঠত তেল নৌ খাওঁতেই চেলাবেল। লাইব্ৰেৰি নৌ হওঁতেই তোমাক লাইব্ৰেৰিয়ান হ'বলৈ লাগে? বহা। লাইব্ৰেৰি কৰিবলৈ হ'লে প্ৰথমে কি কৰিব লাগিব জানানে নাজানা?'

বাধ্য' ল'ৰাৰ দৰে বিক্ৰম বহি পৰিল। হয়তো, লাইব্ৰেৰি কৰো বুলিলেইতো লাইব্ৰেৰি নহ'ব। কামটো প্ৰথমে আৰম্ভ কৰিব লাগিব। কিন্তু কেনেকৈ আৰম্ভ কৰিব লাগিব সেই বিষয়ে তাৰ কোনো ধাৰণা নাই। সি কোনোদিন লাইব্ৰেৰি কৰি পোৱা নাই। কিন্তু দুলালৰ ইতিমধ্যেই এটা লাইব্ৰেৰি কৰাৰ অভিজ্ঞতা আছে। দুলালৰ কথা শুনিবৰ কাৰণে সি কাণ থিয় কৰি ৰ'ল।

দুলালে ক'বলৈ ধৰিলে—'প্ৰথমতে আমি গাঁৱৰ আটাইবোৰ ল'ৰা গোটাই এখন মিটিং পাতিব লাগিব। ল'ৰাবোৰে যদি লাইব্ৰেৰি পতাৰ প্ৰস্তাৱত সন্মতি দিয়ে, তেন্তে তাতে এখন কমিটি গঠন কৰি সভাপতি, সম্পাদক, ধনভঁৰালী আৰু লাইব্ৰেৰিয়ান ঠিক কৰিব লাগিব। লাইব্ৰেৰিৰ কি নাম হ'ব সেইটো ঠিক কৰিব লাগিব। কাৰ ঘৰত লাইব্ৰেৰিটো হ'ব সেইটো ঠিক কৰিব লাগিব। এই গোটেইবোৰ কাম হৈ যোৱাৰ পিছত আৰম্ভ কৰিব লাগিব ধন সংগ্ৰহ কৰাৰ কাম, লগে লগে কিতাপ সংগ্ৰহ কৰাৰ কাম। বুজিলা?'

দুলালৰ কথা শুনাৰ লগে লগে বিক্ৰমৰ উত্তেজনা ক্ৰমাৎ বাঢ়ি আহিছিল,—দুলালৰ কথা শেষ হোৱা মাত্ৰে সি মাত লগালে—'ল'ৰাবোৰক মিটিঙলৈ মাতিবলৈ আমি এতিয়াই যাওঁ বলা। আজি আবেলিতেই মিটিং পাতিম।'

স্কুলৰ ফুটবল ফিল্ডত আবেলি ল'ৰাবোৰৰ মিটিং বহিল। আগবেলাটো বৰষুণ দিছিল যদিও দুপৰীয়াৰ পৰা ব'দ দিবলৈ আৰম্ভ কৰিছিল; মেঘৰ ফাকে ফাকে ওলোৱা আবেলিৰ সোণালী ব'দে ফিল্ডখন টোৱাই পেলাইছিল। বতৰ নদঙা হ'লে ল'ৰাবোৰে গাঁৱৰ নামঘৰত মিটিং পাতিবলৈ ঠিক কৰি ৰাখিছিল। কিন্তু নামঘৰত মিটিং

পতা হ'লে গধূলি ডবা কোবোৱাৰ আগতেই নামঘৰ খালি কৰি দিব লাগিলহেতেন, কাৰণ তেতিয়া লথাই বায়নে নামঘৰত সন্ধিয়াৰ প্ৰসঙ্গ কৰিবলৈ বহিলেহেতেন। এতিয়া ফিল্ডত মিটিং পতাৰ কাৰণে সিহঁতে যিমান খুচি দেৰিলৈকে মিটিং পাতিব পৰা হ'ল।

গাঁওখনৰ স্কুল পঢ়া ল'ৰা দুই হাতৰ আঙুলিৰ মূৰত লেখিব পাৰি। মুঠতে নটা। তাৰে চাৰিটাই তলৰ শ্ৰেণীত পঢ়ে; লাইব্ৰেৰি কি বস্তু বুজিবলৈ এতিয়াই সিহঁতৰ সময় নাই হোৱা এথোন। বাকী পাঁচটাৰ ভিতৰতো দুটা আহিব নোৱাৰিলে; সিহঁত দুয়ো চাপৰিত গৰু বিচাৰিবলৈ যাব লগা হ'ল। তথাপিতো মিটিঙত মুঠতে বাৰটা ল'ৰা হ'ল, কাৰণ চৰকাৰী চাকৰিয়াল আৰু দোকানী-পোহাৰীৰ ল'ৰাবোৰ আহিল। মাৰোৱাৰী মহাজনৰ দুটা ল'ৰাও অসমীয়া স্কুলত পঢ়িছে। সিহঁত দুটাও আহিল। তদুপৰি বোৰ্ডিঙত থাকি স্কুল পঢ়া দুটামান ল'ৰায়ো লাইব্ৰেৰিৰ নাম শুনি মিটিঙত আহি যোগ দিলে। আহাৰ মহীয়া ডাৱৰীয়া আবেলিৰ কৰুণ সোণালী পোহৰে ঢৌৱাই যোৱা ডাঙৰ ফুটবল ফিল্ডখনৰ সোঁ-মাজতে বহি দহ-বাৰ বছৰীয়া বাৰটা ল'ৰাই গম্ভীৰ মুখেৰে সভাৰ কাম আৰম্ভ কৰিলে। বজাৰ-সমাৰ কৰি ঘৰলৈ ঘূৰা বাটৰুৱাবোৰে থমকি ৰৈ অবাক হৈ ল'ৰাজাকলৈ চাবলৈ ধৰিলে। এই সময়ত সাধাৰণতে সিহঁতে ইয়াত ফুটবল খেলে। কোনেও সিহঁতলৈ ভ্ৰূক্ষেপেই নকৰে। আজি আকৌ ইহঁতক পালে কিহে? ওঁঠ চেপিলে গাখীৰ ওলোৱা ল'ৰাকেইটাই ভব্য-গব্য মানুহৰ দৰে গম্ভীৰ মুখেৰে বহি তাত কৰিছে কি?

বাটৰ বাটৰুৱাই কি কৰিছে তালৈ চাবলৈ ল'ৰাজাকৰ সময় নাই। দুলালৰ প্ৰস্তাৱ মতে বিক্ৰম সভাপতিৰ আসনত বহিল। স্কুলৰ শনিবৰীয়া ছাত্ৰ সভাত 'ছাৰে' সভাপতি হৈ যিভাবে সভা পৰিচালনা কৰে সেইবোৰ কথা মনত পেলাই বিক্ৰমে সভাৰ কাম চলাবলৈ আৰম্ভ কৰিলে। সভাপতিৰ নিৰ্দেশ-ক্ৰমে দুলালে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সোঁ-মাজ পাইছে মাত্ৰ, এনেতে কিন্তু এটা অঘটন ঘটিল। মনবৰ বোলা

খটাস্থুৰ-ল'ৰা এটাই ইমান পৰে ধৈৰ্য্য ধৰি মনে মনে আছিল; কিন্তু হঠাৎ এবাৰ হাঁহি সামৰিব নোৱাৰি সি মাটিত বাগৰি বাগৰি হাঁহিবলৈ ধৰিলে। ল'ৰাবোৰে যে সঁচাকৈয়ে এটা গম্ভীৰ উদ্দেশ্য লৈ ডাঙৰ মানুহৰ নিচিনাকৈয়ে আলোচনাত বহিছে সেই কথা সি বিশ্বাসেই কৰিব পৰা নাছিল। সি আন্তৰিকভাবেই বিশ্বাস কৰিছিল যে সিহঁতে সদায় কৰি থকা আন আন ল'ৰা-ধেমালিৰ দৰে ইও এখন ল'ৰা-ধেমালি। দুলালে বয়সীয়া মানুহৰ নিচিনাকৈ গুৰু-গম্ভীৰ বক্তৃতা দিয়া শুনি তাৰ ইমান হাঁহি উঠিল যে ৰব নোৱাৰি সি গোটেই ল'ৰাজাকক এফালৰ পৰা মহটিয়াই মাটিত বাগৰিবলৈ ধৰিলে।

এনে এটা আকস্মিক বিপৰ্য্যয়ৰ কাৰণে দুলালহঁত একেবাৰে প্ৰস্তুত নাছিল। কিছু সময় সিহঁত ভেবা লাগি ৰ'ল। এনেতে বিক্ৰমৰ খেয়াল হ'ল যে এনে এটা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাটো সভাপতি হিছাপে তাৰেই কৰ্তব্য। সি গহীনাই মাত লগালে 'মনবৰ, তুমি সভাৰ মাজত এনেকৈ অসভ্যালি কৰিছা কিয়? ভদ্ৰভাবে বহি থাকা। নহলে তোমাক সভাৰ পৰা উলিয়াই দিবলৈ মই বাধ্য হম।'

বিক্ৰমৰ কথা শুনি মনবৰৰ হাঁহি আৰু একোব চৰিলহে। সি কোনোমতেই বিশ্বাস কৰিব পৰা নাই যে ল'ৰাজাক সঁচাকৈয়ে এটা গহীন বিধৰ আলোচনাত বহিছে, ই এটা নতুন ধেমালি নহয়। বিক্ৰমৰ কথা শুনি সি মাটিত বাগৰি থকাৰ পৰা বান্দৰৰ দৰে জাপ মাৰি বিক্ৰমৰ গাৰ ওপৰত পৰিল আৰু তাৰ বুকুৰ ওপৰত বহি লৈ হাঁহি হাঁহি ক'বলৈ ধৰিলে—'এয়া চা, মোক সভাৰ পৰা উলিয়াই দিয়াৰ আগতে ময়েই তোক উলিয়াই দিলো। তই বহুতপৰ সভাপতি হলি। এতিয়া মই সভাপতি হম।'

সভাত বাকী যি কেইটা ল'ৰা গোট খাইছিল সিহঁত লাইব্ৰেৰিৰ নামত পাগল হৈছিল। এনে এটা ৰাজহুৱা কামৰ কাৰণে সভা পাতি আলোচনা কৰিবলৈ বহি সিহঁত আটায়ে এটা অভিনৱ ৰোমাঞ্চ অনুভৱ কৰিছিল। সিহঁতৰ জীৱনৰ প্ৰথম সভাখন চকুৰ আগতেই এনেকৈ পণ্ড

হবলৈ ধৰা দেখি সিহঁত খুব উত্তেজিত হৈ উঠিল। সিহঁতৰ ভিতৰত যি কেইটা ল'ৰাৰ গাৰ বল বেছি তেনেকুৱা দুটামানে মনবৰক ভৰিত ধৰি চোঁচৰাই বিক্রমৰ গাৰ পৰা নমাই দি ক'লে—'তই এতিয়াই ইয়াৰ পৰা গুছি যা। নহ'লে তোৰ নাক-মুখ একাকাৰ কৰি দিম।'

ল'ৰাৰ মাজত কেতিয়াবা ধেমালিয়েই গৈ কাজিয়াত পৰিণত হয়। তেতিয়া সিহঁতৰ মাজত দৰৰা-দৰৰি লাগে। কিন্তু আচলতে সেইটোও ধেমালিৰেই এটা অংশ-মাত্র। শক্তি প্রদর্শনৰ এনে এটা অযাচিত সুযোগ পালে বহুতো ল'ৰাই ভালেই পায়। মনবৰ আছিল তেনেকুৱা এটা ল'ৰা। যুঁজ এখুন্দা কৰিবলৈ পাম বুলি ভাবি তাৰ মনটোৱে কিৰিলি পাৰি উঠিল। ল'ৰাকেইটাৰ কথা শুনি সি ফেপেৰি পাতি ক'লে —'আহচোন আহ, কোনে মোৰ নাক-মুখ একাকাৰ কৰিব পাৰ চাওঁ।'

অৱশেষত সভাৰ আটাইবোৰ ল'ৰাই মনবৰক চোঁচৰাই নি বহুত দূৰত পেলাই থৈ আহিলগৈ। জীৱনত প্ৰথম সভাপতি হ'বলৈ বহিয়েই এনে এটা অপমান-জনক অভিজ্ঞতাৰ সন্মুখীন হ'ব লগা হোৱাত বিক্রমৰ মনত ইমান বেজাৰ লাগিল যে তাৰ চকুপানী ওলাবৰ উপক্রম হ'ল। কিন্তু তাৰ ভাগ্য ভাল যে ঠিক সেই সময়তে বেলিটো মাৰ গৈছিল আৰু গধূলিৰ পাতল আন্ধাৰ নামি আহিছিল। তাৰ চলচলিয়া চকুহুটা কোনেও দেখিবলৈ নাপালে। সি আকৌ সভাপতিৰ তৃণাসনত বহি লৈ ক'লে—'যি হ'ল হ'ল, এতিয়া সেইবোৰ কথা সকলোৱে পাহৰি যোৱা। দুলাল, তোমাৰ সভাৰ উদ্দেশ্য-ব্যাখ্যা এতিয়াও শেষ হোৱা নাই। তুমি আকৌ ক'বলৈ আৰম্ভ কৰা।'

মনবৰ কিন্তু তেতিয়াও যোৱা নাছিল। নিৰাপদ দূৰত্বত বহি লৈ সি নানা অবাইচ মাত মাতি ল'ৰাবোৰক জোকাই আছিল। কিন্তু অলপ সময়ৰ ভিতৰতে ল'ৰাবোৰ লাইব্ৰেৰিৰ আলোচনাত ইমান মগ্ন হৈ পৰিল যে মনবৰৰ চিঞৰবোৰ সিহঁতৰ কাণতেই নপৰা হ'ল। কিছু সময়ৰ আলোচনাৰ পিছত লাইব্ৰেৰি কৰিবৰ কাৰণে এখন কমিটি গঠন কৰা হ'ল আৰু সভাত উপস্থিত থকা আটাইবোৰ ল'ৰাকে তাৰ সদস্য

কৰা হ'ল। বেছিভাগ ল'ৰাই এনে অকল্পনীয় সৌভাগ্যৰ কাৰণে প্ৰস্তুত নাছিল। ইতিমধ্যে আন্ধাৰ গাঢ় হৈ আহিছিল, কিন্তু এটা অপূৰ্ব অভিজ্ঞতাৰ মাদকতাত বিহ্বল হৈ থকা ল'ৰাবোৰৰ তালৈ ভ্ৰূক্ষেপ নাছিল। আকাশত অজস্ৰ তৰা ওলাইছিল আৰু তৰাৰ পোহৰেই সিহঁতৰ কাৰণে যথেষ্ট আছিল। কমিটিৰ সম্পাদক হ'ল দুলাল আৰু লাইব্ৰেৰিয়ান হ'ল বিক্ৰম। দুলাল আৰু বিক্ৰমক ইতিমধ্যে সকলোৱে নেতা বুলি বৰণ কৰি লৈছিল, গতিকে সকলোৱে পৰম উলাহেৰে হাত-চাপৰি বজাই সিহঁতৰ নিৰ্বাচন সমৰ্থন কৰিলে। কিন্তু লাইব্ৰেৰিটোৰ নাম কি হ'ব ? লাইব্ৰেৰিৰ কাৰণে টকা কেনেকৈ তোলা হ'ব ? এইবোৰ প্ৰশ্নৰ উত্তৰৰ কাৰণে দুলাল আৰু বিক্ৰম আগতেই প্ৰস্তুত হৈ আহিছিল। সভাপতিৰ আসনৰ পৰা বিক্ৰমে ক'লে—'লাইব্ৰেৰিটোৰ নাম আমি ল'ৰামানুহে দিয়াটো বৰ ঠিক কথা নহ'ব। আমি ভাবিছো যে লাইব্ৰেৰিটোৰ নাম এটা দিবলৈ আমি যোগেন দদাইদেউক অনুৰোধ কৰিম। টকা কেনেকৈ তোলা যায় সেই বিষয়েও আমি তেওঁৰ পৰা উপদেশ বিচাৰিম। লগত ডাঙৰ মানুহ এজন নাথাকিলে মানুহে আমাৰ লাইব্ৰেৰি পতাৰ কথাটো ল'ৰা-ধেমালি বুলি উৰাই দিব। মই আৰু দুলালে কাইলৈকে যোগেন দদাইদেউৰ ওচৰলৈ যাম। আজি ৰাতি বহুত হ'ল, গতিকে সভা ইমানতে ভঙ্গ কৰো। অহা দেওবাৰে আবেলি আমি ইয়াতে আকৌ গোট খামহঁক।'

॥ ৩ ॥

ৰাতিপুৱা যোগেন গগৈয়ে কোৰ এখনেৰে গোহালিৰ গোবৰ পেলাই আছিল। গাঁৱত এইবোৰ কাম সাধাৰণতে মাইকী মানুহেই কৰে যদিও যোগেন গগৈয়ে কিন্তু গোবৰ পেলোৱা কাম নিজে কৰে। কাৰণ দুটা। প্ৰথমতে, তেওঁৰ নিজৰ ঘৈণীয়েক নাই: বিয়াৰ এবছৰ পিছতেই প্ৰসবৰ সময়ত তেওঁৰ ঘৈণীয়েক ঢুকাল। তেওঁ আৰু দ্বিতীয়বাৰ সংসাৰ

কৰিবলৈ মন নকৰিলে। ভাত মুঠিৰ কাৰণে তেওঁ ভাই-বোৱাৰীৰ ওপৰতে নিৰ্ভৰ কৰিব লাগে কাৰণে তেওঁ যিমান পাৰে কাম-বন কৰি ভাই-বোৱাৰীয়েকক সকাহ দিবলৈ চেষ্টা কৰে। বিশেষকৈ গাখীৰ খীৰোৱা আৰু গোবৰ পেলোৱা কামখিনিৰ দায়িত্ব ঘৈণীয়েক মৰাৰ পিছতেই তেওঁ নিজৰ মূৰৰ ওপৰত তুলি লৈছে। দ্বিতীয় কাৰণটো হ'ল এই যে তেওঁৰ জীৱনৰ প্ৰধান চখ হ'ল শাকনি-বাৰী আৰু ফুলনি-বাৰী কৰা; ক'বলৈ গলে শাকনি-বাৰী আৰু ফুলনি-বাৰীৰ আপদাল কৰিয়েই তেওঁ বৰলা জীৱনৰ দুখ-কষ্টবোৰ পাহৰি থাকিবলৈ চেষ্টা কৰে। মাইকী মানুহে গোবৰবোৰ য'তে-ত'তে পেলাই নষ্ট কৰে। সেই কাৰণে যোগেন গগৈয়ে গোহালি সদায় নিজে চাফা কৰে—যাতে শাক আৰু ফুলৰ গুৰিত দিবৰ কাৰণে তেওঁ গোবৰবোৰ সযতনে জমা কৰি ৰাখিব পাৰে।

পদুলিৰ নঙলা খোলাৰ শব্দ শুনি যোগেন গগৈয়ে সেইফালে চকু ঘূৰাই বিক্ৰমক দেখা পালে। কোৰখনেৰে গোবৰ চোঁচি চোঁচিয়েই তেওঁ মাত লগালে –'কি হ'ল বাপুকণ? ইমান ৰাতিপুৱাই কি মন কৰি আহিলা?'

গোহালিটোৰ চাৰিওফালে এখন এৰা-বাৰী। এৰাগছবোৰ মানুহ একোটাৰ সমান ওখ হৈছে। যোগেন গগৈৰ মাত শুনি চাৰিওফালে চকু ঘূৰাই চায়ো বিক্ৰমে তেওঁক কতো দেখা নাপালে। যোগেন গগৈয়ে তেতিয়া হাঁহি হাঁহি ডাঙৰকৈ মাত লগালে—'বাপুকণ, মই ইয়াত, গোহালিত। তোমালোকে ঘৰত বহাগৈ। মোৰ আৰু দহমিনিট মান সময় লাগিব।'

বিক্ৰমে কিন্তু ঘৰলৈ নগৈ শাকনি-বাৰীৰ জপনাখন মেলি গোহালিৰ ফালেই আগবাঢ়ি গ'ল। দুলালক সি ক'লে—'দদাইদেৱে ঘৰত বহি বহি কথা পতাতকৈ কাম কৰি কৰি কথা পাতিবলৈ বৰ ভাল পায়। মই যেতিয়াই দদাইদেউৰ ওচৰলৈ আহোঁ, তেতিয়াই তেওঁক হয় শাকনি-বাৰীত নহয় ফুলনি-বাৰীত কাম কৰি থকা দেখা পাওঁ। তেওঁ বন

চোবোকি চোবোকি বা গছৰ গুৰি খুচবি খুচবি মোৰ লগত কথা পাতি থাকে। মোৰ বৰ ভাল লাগে।'

ইতিমধ্যে সিহঁত গৈ গোহালিৰ জপনা-মুখত ভৰি দিছে। দুলালৰ চকুৱে-মুখে বিৰাট কৌতূহল। লাইব্ৰেৰিৰ নাম বিচাৰি সিহঁত কিয় যোগেন দদাইদেউৰ ওচৰলৈ যাব লাগিব সেই কথা ক'বলৈ গৈ বিক্ৰমে তেওঁৰ বিষয়ে দুলালক ইমানবোৰ কথা কৈছে যে মানুহজনক চাবলৈ দুলাল অধৈৰ্য হৈ উঠিছে। গাঁৱৰ ভিতৰত একমাত্ৰ যোগেন দদাইদেৱেই 'আবাহন' আৰু 'বাঁহী' আদি আলোচনী ডাক-যোগে মগাই আনি পঢ়ে। তেওঁ নিজে কবিতা আৰু নাটক লেখে। প্ৰতি বছৰে পূজাৰ সময়ত গাঁৱৰ থিয়েটাৰ হলত যিবোৰ নাটকৰ অভিনয় হয়, সেইবোৰৰো বেছিভাগেই তেওঁৰে ৰচনা। একেআষাৰে ক'বলৈ গলে তেঁৱেই গোটেই অঞ্চলটোৰ একমাত্ৰ 'সাহিত্যিক।' ইমানদিনে কেৱল কিতাপৰ পাততহে সাহিত্যিকৰ লগত দুলালৰ পৰিচয় ঘটিছিল; তেজ-মাংসৰ জীৱন্ত ৰূপত এজন সাহিত্যিকক দেখিবলৈ পাব বুলি সি কেতিয়াও আশা কৰা নাছিল। সেই কাৰণে আগদিনা গধূলি বিক্ৰমৰ মুখত যোগেন দদাইদেউৰ কথা শুনিবৰে পৰা তাৰ কাৰণে ৰাতিটো নেযায় নুপুৱাই যেন লাগিছিল। কিন্তু গোহালিৰ জপনা-মুখত ভৰি দিয়েই সাহিত্যিকৰ মূৰ্তি দেখি সি ইমান আচৰিত হ'ল যে তাৰ মুখৰ পৰা এটা অস্ফূট চীৎকাৰ বাহিৰ হৈ আহিল।

'দদাইদেউ —'

বিক্ৰমৰ মাত শুনি যিজন মানুহে মূৰ তুলি চালে, তেওঁক এজন সাহিত্যিক বুলি কল্পনা কৰাটো দুলালৰ পক্ষে অসম্ভৱ হৈ পৰিল। ক'লা, ক্ষীণ চেহেৰাৰ আদহীয়া মানুহ এজন; আঁঠুলৈকে পৰা এখন আধা-ফটা মলিয়ন চুৰিয়াৰ বাহিৰে মানুহজনৰ গোটেই গা উদং। ভৰি দুখন গোবৰত লেটিপেটি। ৰাস্তাত দিন-হাজিৰা কাম কৰা এনেকুৱা বহুত মানুহ দুলালে দেখিছে। তাৰ জীৱনৰ প্ৰথম 'সাহিত্যিকজনক' এনে এটা ৰূপত সি কেতিয়াও কল্পনা কৰা নাছিল। দুলাল ভীষণভাৱে হতাশ হ'ল।

বিক্রমৰ মাত শুনি যোগেন দদাইদেৱে মূৰ তুলি চাই ক'লে—'আৰে, তোমালোক দেখোন গোহালিলৈকে আহিলা। বলা বলা, ঘৰলৈ বলা; এয়া চোৱা, মোৰ গোবৰ পেলাই শেষ হ'বৰে হ'ল।……এওঁক দেখোন আগতে ক'তো দেখা নাই হবলা? আমাৰ গাঁৱৰ ল'ৰা নহয় যেন পাইছো।'

'এওঁ মোৰ বন্ধু, দুলাল। থানাৰ দাৰোগাৰ পুতেক। আমাৰ ইয়ালৈ বদলি হৈ অহা বেছি দিন হোৱা নাই।'

'তাকে কোৱা'—শেষ চপৰা গোবৰ গোহালিৰ কাষৰ খালটোত পেলাই যোগেন দদাইদেৱে ক'লে—'গাঁৱৰ ল'ৰা হলেনো মই চিনি নাপালোহেঁতেননে? পিছে তুমি কেনেকুৱা ল'ৰাহে বাপুকণ? ডাৰোগাৰ ল'ৰা আমাৰ ঘৰলৈ প্ৰথম বাৰৰ কাৰণে আহিছে, আৰু তুমি তেওঁক লৈ আহিছা গোহালি ঘৰলৈ। বলা বলা, ঘৰত বহাগৈ। মই হাত-ভৰি ধুই এইমাত্ৰ আহিছো।'

যোগেন দদাইদেউ ঘূৰি আহে মানে দুলালৰ বিক্ৰমক সুধিবলৈ মন গৈছিল 'গোবৰত লেটি লৈ থকা আধা-নঙঠা এইজননো কেনেকুৱা কবিহে?' কিন্তু যোগেন দদাইদেউৰ চ'ৰাঘৰলৈ আগবাঢ়োতে খৰিকাজাই আৰু তগৰ ফুলৰ গোন্ধ আহি দুলালৰ নাকত লাগিল। যোগেন দদাই-দেউক নেদেখালৈকে আন কোনো ফালে চাবলৈ দুলালৰ আহৰি নাছিল। কিন্তু আচল কৌতূহলটো মাৰ যোৱাৰ পিছত সি এতিয়া চাৰিওফালে চকু ফুৰাই চাই বিস্ময় আৰু আনন্দত মুগ্ধ হৈ পৰিল। পদূলি মুখৰ পৰা ঘৰলৈ সোমাই যোৱা দীঘল বাটটোৰ সোঁ-কাষে শাকনি-বাৰী, বাওঁ-কাষে ফুলনি-বাৰী। দুয়োখন বাৰীৰ প্ৰতিজোপা গছেই সাক্ষী দিয়ে যে ঘৰৰ গিৰিহঁতৰ সীমাহীন মৰম-চেনেহৰ মাজত সিহঁত ডাঙৰ-দীঘল হৈছে। ফুলনি-বাৰীখনত গোলাপ, তগৰ, মালতী, খৰিকাজাই, স্থলপদ্ম, জবা আদি নানা তৰহৰ ফুলৰ গছ। ৰাতি ৰৰষুণ দিছিল; তগৰ আৰু খৰিকা-জাই ফুলবোৰ এতিয়াও ৰৰষুণৰ পানীত জুকলি-জুপুৰি হৈ আছে। বতাহে সিহঁতৰ আৰ্দ্ৰ সুগন্ধ দুলালৰ নাকলৈ কঢ়িয়াই অনাৰ লগে লগে সি সমস্ত

শৰীৰত এটা আশ্চৰ্য শিহৰণ অনুভৱ কৰিলে। সি এনেহে অনুভৱ কৰিলে যে সেই মধুৰ সুগন্ধই যেন তালৈ কোনোবা ৰহস্যময় সুদূৰৰ নিমন্ত্ৰণ কঢ়িয়াই আনিছে। প্ৰাণ ভৰি ফুলৰ সুগন্ধ লৈ আৰু চাৰিওফালৰ অপৰূপ শোভা চাই চাই স্বপ্নাবিষ্ট মানুহৰ দৰে খোজ কাঢ়োতে ঘৰৰ পিবালিৰ ওচৰ পাবলৈকে দুলালৰ ইমান সময় লাগিল যে সিমান পৰে যোগেন দদাইদেৱে হাতভৰি ধুই চাফ-চিকুণ হৈ ঘৰৰ দুৱাৰ-মুখত ঠিয় দিছেহি।

'তাত ঠিয় হৈ কি কৰিছা মইনা? আহাঁ, ভালকৈ চা-চিনাকি হওঁ।'

ঠিক সেই মুহূৰ্তত বৰষুণৰ পানীৰে জুকলি-জুপুৰি হৈ থকা এপাহ বগা তগৰ ফুলৰ ওপৰত এচেৰেঙা সোণালী ৰ'দ আহি পৰিছিল, আৰু দুলালে ফুল পাহলৈ চাই চাই এখন অপাৰ্থিব জগতত প্ৰবেশ কৰা যেন অনুভৱ কৰিছিল। যোগেন দদাইদেউৰ মাতত তাৰ ধ্যান ভাগি গ'ল। সি লৰালৰিকৈ ঘৰৰ ফালে খোজ ললে। ঘৰৰ ভিতৰ সোমাইয়ো তাৰ চকু জুৰ পৰি গ'ল। কাঠৰ খুটা, মাটি-লেপা বেৰ আৰু খেৰৰ চালৰ সাধাৰণ গাঁৱলীয়া ঘৰ,—কিন্তু ঘৰটো ইমান পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু সুৰুচি-সম্মত ভাবে সজোৱা যে তাত সোমোৱা মাত্ৰকতে মনৰ মাজলৈ এটি শুচি-স্নিগ্ধ অনুভূতিৰ সঞ্চাৰ হয়। যোগেন দদাইদেউৰ পিছে পিছে গৈ দুলাল আৰু বিক্ৰম দুয়ো দুখন কাঠৰ চকীত বহিল। বিক্ৰমৰ কাৰণে ঘৰটোত নতুনত্ব একো নাই কাৰণ সি ইয়ালৈ সদায় আহি গৈ থাকে। কিন্তু প্ৰথম বাৰৰ কাৰণে অহা দুলালে কোঠাটোৰ চাৰিওফালে চকু ফুৰাই চাই কোঠাটোৰ ব্যক্তিত্বখিনি অনুভৱ কৰিবলৈ চেষ্টা কৰিলে। একেবাৰে শেষত সস্নেহ দৃষ্টিৰে সিহঁতৰ মুখৰ ফালে চাই থকা যোগেন দদাইদেউৰ ফালে তাৰ চকু গ'ল। অলপ আগতে গোবৰত লেটি লৈ থকা অৱস্থাত এইজন মানুহকে দেখি সি এটা ভীষণ অৱজ্ঞাৰ ভাব অনুভৱ কৰিছিল। কিন্তু এতিয়া যোগেন দদাইদেউৰ ফালে চাই চাই দুলালৰ কল্পনা-প্ৰৱণ মনটোৱে অনুভৱ কৰিবলৈ ধৰিলে যে অলপ আগতে গোহালিত গোবৰ পেলাই থকা বা এতিয়া তাৰ সমুখত শান্তভাৱে বহি থকা মানুহজনেই

যোগেন দদাইদেউ নহয়: ঘৰৰ সমুখৰ সুন্দৰ ফুলনি-বাৰীখন, আটোম-টোকাৰি শাকনি-বাৰীখন আৰু এই শুচি-স্নিগ্ধ ঘৰটো—এই গোটেইবোৰ লৈহে যোগেন দদাইদেউ মানুহজন ; এই সকলোবোৰেই তেওঁৰ ব্যক্তিত্বৰ প্ৰকাশ মাত্ৰ। যোগেন দদাইদেউৰ কথা শুনিবলৈ সি অধীৰ হৈ অপেক্ষা কৰিবলৈ ধৰিলে।

'ওঁ, তুমিয়েই তেন্তে আমাৰ নতুন দাৰোগা বাবুৰ ল'ৰা। নাম কি তোমাৰ ?'

যোগেন দদাইদেৱে কোমল মৰম-সনা মাতেৰে সুধিলে।

'শ্ৰীদুলাল চন্দ্ৰ বৰা'—দুলালে ঠিয় হৈ উত্তৰ দিলে।

'বহা, বহা। তুমি পঢ়া-শুনাত নিশ্চয় খুব চোকা ল'ৰা হ'ব লাগিব। তোমাৰ মুখখন দেখিয়েই মই ধৰিব পাৰিছো। মোৰ কথা সঁচানে বাপুকণ ?'

বিক্ৰমে যোগেন দদাইদেউৰ কথা শেষ হওঁ-নৌ-হওঁতেই মাত লগালে—"এওঁ ভীষণ চোকা ল'ৰা দদাইদেউ। আমাৰ চাৰহঁতেও কৈছে যে আমাৰ স্কুলত ইমান চোকা ল'ৰা ইয়াৰ আগতে তেওঁলোকে কেতিয়াও লগ পোৱা নাছিল। আৰু দদাইদেউ এওঁযে কেৱল পঢ়াতহে চোকা তেনে নহয় ; বাহিৰা কিতাপ-পত্ৰও এওঁ ঢেৰ পঢ়িছে। এওঁৰ নিজৰেই এটা ডাঙৰ লাইব্ৰেৰি আছে। দদাইদেউ, দুলালে কবিতাও লিখে। খুব ভাল কবিতা, মই পঢ়ি চাইছো। এদিন মই আপোনাক দেখুৱাম।'

বন্ধুৰ গুণ গাবলৈ পাই বিক্ৰমৰ গা সাতখন-আঁঠখন যেন লগা হ'ল। ইফালে মুখৰ আগতে এনে প্ৰশংসা শুনি দুলালৰ লাজত ৰঙা-চঙা পৰি মুচকচ যাব লগা অৱস্থা। বিক্ৰমৰ কথা শেষ হোৱাৰ পিছত যোগেন দদাইদেৱে মাত লগালে - 'ওঁ এতিয়াহে বুজিলো তুয়ো ইমান কিয় বন্ধু। পিছে কোৱাচোন—দুই কবি-বন্ধু ৰাতিপুৱাই মোৰ ওচৰলৈ কি মন কৰি আহিলা ?'

এনেতে যোগেন দদাইদেউৰ ভাই-বোৱাৰীয়েক কোঠাটোলৈ সোমাই আহিল। তেওঁৰ হাতত এখন ডাঙৰ কাঁহৰ কাঁহীৰ ওপৰত দুবাটি গৰম

গাখীৰ আৰু কেইটামান চেনি-চম্পা কল : কাষতে তুখন খোলা-চপৰীয়া পিঠা। টেবুলত কাঁহীখন থৈ তেওঁ মাত লগালে—'বাপুকণ, তোমাৰ চহৰীয়া বন্ধুৱে আমাৰ গাঁৱলীয়া খোলা-চপৰীয়া পিঠা খাবনে নাখায় ক'ব নোৱাৰো। ভায়েৰহঁতলৈ কালি ৰাতিয়েই পুৰি থৈছিলো। এতিয়া আলহীক দিবলৈ আন একো নাই দেখি তাকে দিলো।'

তুলালে লাজতে মৰি যোৱা যেন পাই ঘামি-জামি বিক্ৰমৰ ফালে চাই ক'লে –'ইঃ মইনো চহৰীয়া ল'ৰা কেনেকৈ হ'লো। মাত্ৰ এবাৰ আমি চহৰত তুবছৰমান আছিলো।'

তুলালক আৰু ক'বলৈ নিদি বিক্ৰমে ক'লে—'খুৰীদেৱে কি কৈছে তুমি বুজি পোৱা নাইনেকি ? চাকৰি কৰা মানুহ মাত্ৰেই আমাৰ গাঁৱলীয়া মানুহৰ চকুত চহৰীয়া মানুহ। খেতিয়কবোৰ হ'ল গাঁৱলীয়া, চাকৰিয়াল-বোৰ হ'ল চহৰীয়া।······খুৰীদেউ, আপোনাৰ খোলা-চপৰীয়া পিঠা খাবলৈ পোৱাটো তুলালৰ কাৰণে ডাঙৰ ভাগ্যহে বুলিছো। এদিন কিন্তু আপুনি সেই পিঠাটো কৰি তুলালক খোৱাব লাগিব······ সেই যে কৌ-পাতেৰে মেৰাই আপুনি কিবা এবিধ পিঠা কৰে, খাবলৈ ললেই পোৱা কৌ-পাতৰ মকমকিয়া গোন্ধটো নাকত লাগি জিভাৰ পানীৰ নৈ ববলৈ ধৰে······'

'তোমাৰ যে আৰু কথা বাপুকণ'—মধুৰ শব্দ কৰি খুৰীদেৱে হাঁহি উঠিল—'চিন্তা নকৰিবা, তেনেকুৱা পিঠা কৰিলেই তুয়োকে খাবলৈ মাতিম। এতিয়া খোলা-চপৰীয়া পিঠাকে খোৱা। মই যাওঁ, ঘৰৰ গোটেই কাম পৰি আছে।'

পিঠা চোবাই চোবাই বিক্ৰমে ক'লে—'দদাইদেউ, আমি কেইজনমান ল'ৰাই লগ লাগি এটা লাইব্ৰেৰি কৰিব খুজিছো। লাইব্ৰেৰি কমিটিৰ······'

'বাপুকণ !'—

বিক্ৰমক বাক্যটো শেষ কৰিবলৈ নিদি যোগেন দদাইদেৱে আবেগ-ৰুদ্ধ কণ্ঠেৰে চিঞৰি উঠিল। বিক্ৰম আৰু তুলাল তুয়ো তেওঁৰ মুখলৈ

চাই দেখিলে—আনন্দৰ আবেগত তেওঁৰ কথা ক'ব নোৱৰা অৱস্থা হৈছে, কিন্তু তেওঁৰ চকুৱে-মুখে চেনেহৰ নিজৰা বব ধৰিছে। কিছু সময়ৰ মূৰত বাক-শক্তি বিচাৰি পাই যোগেন দদাইদেৱে ক'লে—'বাপুকণ, মানুহে ঠিকেই কয়—যি মুলা বাঢ়িব তাৰ দুপাততে চিন। তুমি এই ফুকলিয়া বয়সতে লাইব্ৰেৰি কৰাৰ কথা চিন্তা কৰিছা ; কোনো সন্দেহ নাই—তুমি এদিন ডাঙৰ মানুহ হৈ আমাৰ গাঁৱৰ মুখ উজ্জ্বল কৰিবা······'

এইবাৰ যোগেন দদাইদেউক বাক্যটো শেষ কৰিবলৈ নিদি বিক্ৰমে মাত লগাই উঠিল—'দদাইদেউ, আপুনি মিছাকৈয়ে মোক প্ৰশংসা কৰিছে। লাইব্ৰেৰি কৰাৰ কথা মই নিজে সপোনতো ভবা নাছিলো। এওঁ দুলালেহে কথাটো মোৰ মূৰত সোমোৱাই দিলে। প্ৰশংসা যদি কোনোবাই পাব লাগে তেন্তে এওঁহে পাব লাগে।'

বিক্ৰমৰ কথা শুনি দ্বিতীয়বাৰৰ কাৰণে দুলালৰ কাণ-মূৰ ৰঙা পৰি উঠিল।

যোগেন দদাইদেৱে কিছুসময় মৰম-সনা দৃষ্টিৰে দুলালৰ মুখলৈ চাই ৰ'ল। তাৰ পিছত স্বগতোক্তি কৰাৰ নিচিনাকৈ তেওঁ ক'বলৈ ধৰিলে—'আচল ভাল মানুহৰ এইটোৱেই চিন। গোটেই পৃথিৱীখনেই তেওঁৰ ঘৰ। সকলো মানুহেই তেওঁৰ আপোন। দুলাল দুদিনৰ কাৰণে এই ঠাইলৈ আহিছে ; দেউতাক বদলি হলেই তেওঁ চিৰকাললৈ এই ঠাই এৰি গুছি যাব। অথচ মাত্ৰ দুদিনৰ কাৰণে আহিও তেওঁ ইয়াত লাইব্ৰেৰি এটা কৰিবলৈ মন মেলিছেঁ। বাপুকণ, তোমাক এটা কথা কওঁ শুনা। নিজৰ ঠাইৰ বুৰঞ্জী বুলি মনত ৰাখিবা। আমাৰ গাঁৱলীয়া মানুহে পুলিচক বৰ ভাল চকুৰে নাচায়। পুলিচৰ লগত বৰকৈ হলি-গলি নকৰে। বেছিভাগ পুলিচৰ আচৰণো এনেকুৱা যে মানুহে তেওঁলোকক আপোন বুলি ভাবিবলৈ টান পায়। কিন্তু পুলিচৰ মাজতো ব্যতিক্ৰম আছে। আমাৰ গাঁৱৰ থিয়েটাৰ হলটো কোনে প্ৰথমে স্থাপন কৰিছিল তুমি জানানে বাপুকণ ? এজন বঙালী দাৰোগাই। ১৯০৫ চনত তেওঁ আমাৰ ইয়ালৈ দাৰোগা হৈ আহিছিল। তেতিয়া মোৰ জন্ম হোৱাই

নাই। সুৰেন্দ্ৰ কুমাৰ দে নামৰ সেই বঙালী দাৰোগাজনে আমাৰ গাঁওখনক এনেকৈ আপোন কৰি লৈছিল যে কিবা প্ৰসঙ্গত তেওঁৰ নাম ওলালে গাঁৱৰ বুঢ়াসকলে এতিয়াও তেওঁৰ স্মৃতিৰ উদ্দেশে নমস্কাৰ কৰে। গাঁৱৰ থিয়েটাৰ হলটো আজিও তেওঁৰ কীৰ্তিস্তম্ভ হৈ আছে—যদিও উঠি অহা চামে হয়তো তেওঁৰ নামেই শুনি পোৱা নাই। মানুহ মৰি পাহৰণিৰ গৰ্ভত হেৰাই' যায়, অথচ তেওঁ জীয়াই থাকে তেওঁৰ সৎ-কৰ্মৰ মাজত। ত্বলালক লগ পাই আৰু তেওঁৰ মহৎ উদ্দেশ্যৰ কথা জানিবলৈ পাই আজি মোৰ এইবোৰ কথা মনত পৰিছে। থানাৰ আৰু এজন মানুহৰ স্মৃতি মোৰ মনত যুগমীয়া হৈ আছে। দহ-বাৰ বছৰ মানৰ আগতে—তোমালোকৰ জন্মৰ আগতেই—আমাৰ এই থানালৈ এজন হাৱলদাৰ বদলি হৈ আহিছিল। অতি নিৰ্জু প্ৰকৃতিৰ মানুহ—পুলিচৰ স্বভাৱৰ ঠিক বিপৰীত। বোধহয় অহুকাণে-পহুকাণে গম পালে যে মই কিতাপ-পত্ৰ পঢ়ি ভাল পাওঁ। এদিন তেওঁ নিজেই মোৰ লগত চিনাকি হ'বলৈ আহিল। প্ৰথম দিনৰ সাক্ষাততে আমাৰ ইজনৰ সিজনক ইমান ভাল লাগি গ'ল যে আমাৰ মাজত গভীৰ বন্ধুত্ব স্থাপন হ'ল। বাপুকণে মই কবিতা আৰু নাটক লেখাৰ কথা কৈছা। কিন্তু পুলিচ হাৱলদাৰ জনক লগ নোপোৱা হ'লে কিজানি মই লিখাৰ কথা নিজে কেতিয়াও নাভাবি-লোৱেইহেঁতেন। তেৱেঁই মোক উদগনি দি দি প্ৰথম নাটকখন লিখাইছিল। ভাল মানুহৰ বন্ধুত্বই কেতিয়াবা জীৱনত বৰ ডাঙৰ কাম কৰে। তোমাৰ কথাই নোচোৱা কিয় বাপুকণ। তুমি নিজে লাইব্ৰেৰি কৰাৰ কথা ভবা নাছিলা। কিন্তু ত্বলালে যেই তোমাৰ মূৰত কথাটো সোমোৱাই দিলে, এতিয়া তুমি খাৱন-শোৱন পাহৰি লাইব্ৰেৰিৰ কামত লাগিছা। এতিয়া ত্বলালে এই ঠাই এৰি গুছি গলেও লাইব্ৰেৰিটো থাকি যাব। কিছুমান মানুহে এনেকৈয়ে যলৈকে যায় তাতে ভাল চিন্তা আৰু ভাল আদৰ্শৰ বীজ সিঁচি থুৰে।'

যোগেন দদাইদেউৰ মুখখন এবাৰ মেল খালে সহজে জাপ খাব নোখোজে। অৱশ্যে তেওঁ সকলোৰে আগত মুখ নেমেলে। একেবাৰে

বহুত পৰ কথা কৈ তেওঁ ক'লে—'বাপুকণ, অলপ ৰবা দেই। মই তামোলৰ বটাখন আনোগৈ।'

যোগেন দদাইদেউ ভিতৰলৈ যোৱাৰ পিছত তুলালে বিক্রমক ক'লে—'বিক্রম, গোহালিত আধা-নঙঠা যোগেন দদাইদেউক দেখি মই ভাবিছিলো—তুমি মোক কি মানুহজনৰ ওচৰলৈ লৈ আহিলা। এতিয়াহে বুজিছো তুমি কিয় তেওঁৰ নামত পগলা। সঁচাকৈয়ে ইমান ভাল কথা কোৱা মানুহ মই ইয়াৰ আগতে কেতিয়াও লগ পোৱা নাছিলো।'

তামোলৰ বটা লৈ যোগেন দদাইদেউ ওলাই আহিল। তামোল কাটি কাটি তেওঁ ক'লে—'বাপুকণ, মই তোমাৰ কথাৰ মাজতে থাপ মাৰি ধৰিলো। মই বহুত কথা ক'লো। এতিয়া তোমালোকৰ কথা শুনো। কি ক'ব খুজিছিলা তুমি?'

বাপুকণে আগৰ কথাৰ জেৰ টানি ক'বলৈ ধৰিলে—'আমি ল'ৰাবোৰে লগ লাগি লাইব্রেৰি এটা কৰিব খুজিছো। আপুনি নাম এটা ঠিক কৰি দিব লাগে।'

যোগেন দদাইদেৱে চকু মুদি তামোল পাগুলিবলৈ ধৰিলে। ইমান পৰে বাপুকণহঁত কথাত ইমান মগ্ন হৈ আছিল যে আকাশখন আকৌ কেতিয়া ডাৱৰে ওন্দোলাই আনিছিল তেওঁলোকে ক'বই পৰা নাছিল। ঠিক সেই সময়তে হুৰমুৰকৈ বৰষুণ দিবলৈ ধৰিলে। কোবাল বতাহে বৰষুণৰ ছিটিকনি আৰু ফুলৰ সুগন্ধ ঘৰৰ ভিতৰলৈকে কঢ়িয়াই আনিলে। তুলালহঁতে বৰষুণ দিয়াৰ কাৰণে ভালেই পালে। বৰষুণৰ অজুহাত দেখুৱাই সিহঁতে এতিয়া আৰু বহুতপৰ যোগেন দদাইদেউৰ লগত কথা চোবাই বহি থাকিব পাৰিব।

অৱশেষত যোগেন দদাইদেউৰ ধ্যান-ভঙ্গ হ'ল। উঠি গৈ খিৰিকিয়েদি পিকখিনি পেলাই আকৌ চকীত বহি তেওঁ ক'লে—'তোমালোকৰ লাইব্রেৰিটোৰ কাৰণে কেইবাটাও নাম মোৰ মনলৈ আহিছে। অৱশেষত মই ঠিক কৰিলো যে তোমালোকৰ লাইব্রেৰিটোৰ নাম হ'ব 'হৰগোবিন্দ লাইব্রেৰি।' কিয় এই নাম বাছিলো তাৰ কাৰণটো কওঁ শুনা।

বাপুকণে হৰগোবিন্দ বৰুৱাৰ নাম নিশ্চয় শুনিছা। অৱশ্যে তেওঁ মৰিবৰ সময়ত তুমি নিচেই সৰু আছিলা। আমাৰ এই সৰু ঠাইখনত যিমান-বোৰ জনহিতকৰ ভাল কাম হৈছে সেই আটাইবোৰৰে গুৰি ধৰিছিল হৰগোবিন্দ বৰুৱাই। এখন দেশক আগবঢ়াই নিবলৈ যেনেকৈ উপযুক্ত নেতা লাগে, এখন গাঁৱক আগবঢ়াই নিবলৈকো তেনেকৈ নেতা লাগে। আমাৰ তেনে এজন নেতা আছিল হৰগোবিন্দ বৰুৱা। দেশৰ ডাঙৰ ডাঙৰ নেতাৰ স্মৃতি-ৰক্ষা কৰিবলৈ বা তেওঁৰ গুণ-কীৰ্তন কৰিবলৈ মানুহৰ অভাৱ নাই, ধনৰ অভাৱ নাই। কিন্তু এখন সৰু গাঁৱৰ উন্নতিৰ হকে তিলে তিলে জীৱন আহুতি দিয়া সৰু মানুহৰ কথা কোনে মনত ৰাখিব —যদি সেই গাঁওখনৰ মানুহেই নাৰাখে ? তেওঁ মানুহজন সৰু হ'ব পাৰে, তেওঁৰ কৰ্মক্ষেত্ৰ সৰু হ'ব পাৰে, কিন্তু সেইবুলি তেওঁৰ ত্যাগ আৰু সেৱা কাৰো তুলনাত সৰু নহয়। তোমালোকৰ লাইব্ৰেৰিটোৰ নাম হ'ব— 'হৰগোবিন্দ লাইব্ৰেৰি।' কি, পছন্দ নহলনেকি ?'

যোগেন দদাইদেউৰ প্ৰশ্ন শুনি দুলাল আৰু বিক্ৰম্ দুয়ো চোৱা-চুই কৰিলে। সঁচা কথা ক'বলৈ গলে লাইব্ৰেৰিৰ নামটো যোগেন দদাইদেউৰ মুখৰ পৰা প্ৰথম শুনাৰৰ সময়ত সিহঁত দুয়ো মনে মনে অলপ হতাশ হৈছিল। আলোচনীৰ গল্প-উপন্যাস পঢ়ি পুষ্ট হোৱা সিহঁতৰ কিশোৰ মনে ইয়াতকৈ বেলেগ ধৰণৰ নাম এটা আশা কৰিছিল। কিন্তু সিহঁতৰ সেই হতাশা বেছিপৰ স্থায়ী নহ'ল। নামটো ব্যাখ্যা কৰি যোগেন দদাইদেৱে কোৱা কথাখিনি শুনি সিহঁত ইমান মুগ্ধ হ'ল যে তেওঁৰ প্ৰশ্ন শুনা মাত্ৰকতে দুয়ো প্ৰায় একেলগে চিঞৰি উঠিল 'নামটো আমাৰ খুব পছন্দ হৈছে দদাইদেউ। ইয়াতকৈ সুন্দৰ দ্বিতীয় এটা নাম হ'বই নোৱাৰে।'

দুলালে লগতে যোগ দিলে—'দদাইদেউ, যিদিনা আমাৰ লাইব্ৰেৰিৰ দুৱাৰ মুকলি কৰা হ'ব, সেইদিনা আমি এখন সভা পাতিম। আপুনি কিন্তু সেইদিনা হৰগোবিন্দ বৰুৱাৰ বিষয়ে এটা বক্তৃতা দিব লাগিব।'

যোগেন দদাইদেৱে দুলালৰ মুখৰ ফালে মুগ্ধ দৃষ্টিৰে চাই ক'লে— 'বাঃ দুলাল, তুমি ইমান কোমল বয়সতে ডাঙৰ মানুহৰ দৰে কথাবোৰ

চিন্তা কৰিব পৰা হৈছো। হৰগোবিন্দ বৰুৱাৰ বিষয়ে মোতকৈ বহুত ভালকৈ ক'ব পৰা দুজন মান মানুহ আমাৰ ইয়াত আছে। মই বাকৰ সময়ত তোমালোকক কম।......তেন্তে আজিলৈ আমি ইমানতে সভা ভঙ্গ কৰোনে ?'

বিক্ৰমে ক'লে—'দদাইদেউ আপোনাৰ কিবা জৰুৰী কাম আছেনেকি ?'

'কৈছাহেনে বাপুকণ'—যোগেন দদাইদেৱে হাঁহি এটা মাৰি ক'লে—'আমাৰ গাঁৱলীয়া খেতিয়ক মানুহৰ কামনো নাথাকে কেতিয়া ? ইমান পৰেতো মই পথাৰত হাল বাই থাকিব লাগিছিল। পিছে আজি একাদশী বুলিহে মোক তোমালোকে ঘৰতে পালাহি। কিন্তু একাদশী হলেও গোটেই বেলাটোৰ কাৰণে কিন্তু ছুটী নাই দেই। মই এতিয়া পথাৰত আলি দিবলৈ যাব লাগিব।'

বিক্ৰমে ক'লে—'দদাইদেউ, আৰু এটা মাত্ৰ কথা সুধিব খুজিছো। আমি লাইব্ৰেৰিটো প্ৰথমতে আমাৰ কোনোবা এজনৰ ঘৰতে কৰিম বুলি ভাবিছো। কিন্তু সদায় মানুহৰ ঘৰত লাইব্ৰেৰিটো ৰখা ঠিক নহ'ব। কিতাপ নিবলৈ ল'ৰা অহা-যোৱা কৰোতে গিৰিহঁতে হয়তো কেতিয়াবা আমনি পাব। সেইকাৰণে লাইব্ৰেৰিৰ কাৰণে অতি সোনকালে আমি এটা সৰু ঘৰ সাজিব খোজো। নিজা বৰীয়াকৈ ঘৰ হলে আমি প্ৰত্যেক দেওবাৰে তাত এখন আলোচনা-সভা পাতিম। কিন্তু ঘৰ সাজিবলৈতো আমাক টকা লাগিব। তদুপৰি নতুন কিতাপ কিনিবলৈকো আমাক টকা লাগিব। নতুন নতুন কিতাপ কিনি নাথাকিলে লাইব্ৰেৰি কেনেকৈ চলিব ? লাইব্ৰেৰিৰ নামটো আপুনি আমাক দিলে; এতিয়া টকা তোলাৰ বুদ্ধিটোও আপুনি আমাক দিব লাগিব। নহলে আমাৰ সৰু ল'ৰাজাকক কোনে টকা দিব ?'

যোগেন দদাইদেৱে বহাৰ পৰা ঠিয় হৈ ক'লে—'হ'ব হ'ব চব হ'ব। একো চিন্তা নকৰিবা। আমাৰ গাঁৱৰ মুষ্টিভিক্ষাৰ পুঁজিটো থাকোতে চিন্তা কিহৰ ? তোমালোকৰ কাম আৰম্ভ কৰিবলৈ মই সভাহতে তাৰে

পৰাই কেইটামান টকা দিয়াৰ ব্যৱস্থা কৰিম। আজি গধূলিয়েই মই নামঘৰত কথাটো উলিয়াম। এতিয়া বলাহক, দিহা-দিহি কামে-কাজে যাওঁ।'

॥ ৪ ॥

যোগেন দদাইদেৰে গাঁৱলীয়া গো-বাটেৰে পথাৰৰ ফালে আগবাঢ়িল; দুলাল আৰু বিক্ৰম দুয়ো নৈৰ পাৰলৈ গ'ল।

তেতিয়া আহাৰ মাহ। বৰষুণৰ বতৰ আৰম্ভ হোৱাৰ লগে লগে নৈৰ পানী বাঢ়িবলৈ ধৰিছে। আগৰ পাৰৰ চিন-চাব নাই। নৈৰ যিটো বহল পকাবালিত ল'ৰাবোৰে খেল-ধেমালি কৰে, এতিয়া সেইটো দহ-বাৰহাত মান পানীৰ তলত। নৈৰ সিপাৰেও খাগৰি আৰু ইকৰাবোৰৰ এতিয়া কেৱল এহাত মান দীঘল আগবোৰহে ওলাই আছে। খৰালিৰ দিনত নৈৰ পকাবালিত বা ঘাঁহনিত বহি নৈৰ শোভা চাই চাই কথা পাতি থাকিবলৈ ভাল লাগে। কিন্তু বাৰিষা পকাবালিৰ চিন নাথাকে; আনহাতে নৈখন বাঢ়ি বাঢ়ি ফুটবল ফিল্ডৰ ওচৰলৈকে আহিছে যদিও বৰষুণত জেকজেকিয়া হৈ থকা ঘাঁহনিত বহাটো অসম্ভৱ। তাতে জোকৰো ভয়। ঘাটত বান্ধি থোৱা নাও এখনৰ সন্ধানত দুলাল আৰু বিক্ৰম নৈৰ পাৰে পাৰে যাবলৈ ধৰিলে। গাঁৱৰ নৈ-ঘাটৰ পৰা অলপমান দূৰ পূবলৈ গৈয়েই সিহঁতে নাও এখন দেখিবলৈ পালে। নাওখন কোনোবাই লৈ যোৱাৰ ভয়ত গৰাকীয়ে নাওখন ঘাটত নাবান্ধি অলপ আঁওহতীয়া ঠাইত বান্ধিছে। দুলাল আৰু বিক্ৰমে ভালেই পালে। সিহঁতেও কথা পাতিবলৈ এনেকুৱা নিজান ঠাইকেই পছন্দ কৰে।

নৈখন বিক্ৰমৰ বৰ প্ৰিয়। হেবাং যেতিয়া তাৰ প্ৰতিদিনৰ লগৰীয়া আছিল। তেতিয়াও দিনটোৰ বহুত সময় সি নৈৰ পাৰত কটাইছিল। কিন্তু তেতিয়া সিহঁতৰ আলোচনাৰ বিষয় আছিল মাছ-ধৰা, চৰাই-ধৰা আদি নানা অভিযানৰ পৰিকল্পনা। কথা পাতি পাতি আমনি লাগিলে

সিহঁতে হয় নৈৰ পাৰৰ হাবিত নানা বনৰীয়া ফল-মূল বিচাৰি ঘূৰি ফুৰে, অথবা নৈত জাপ মাৰি সাঁতুৰিবলৈ আৰম্ভ কৰি দিয়ে। কিন্তু দুলাল আহিবৰ দিন ধৰি নৈখনে বিক্ৰমৰ জীৱনত এটা নতুন ৰূপ লৈ দেখা দিছে। কথা পাতিবলৈ মন গলেই দুয়ো আহি নৈৰ পাৰত বহেহি। কেতিয়াবা দুলালে একো কথা নেপাতি নীৰৱে নৈখনৰ ফালে চাই থাকে। বিক্ৰমে এই নীৰৱতাৰ ভাষা বুজি পায়। তাৰ মনত পৰে যে হেৰাওৰ লগত নৈৰ পাৰলৈ আহোঁতে তাৰো বহুদিন এনেকৈ নীৰৱ হৈ বহি থাকিবলৈ মন গৈছিল, কিন্তু হেৰাওৰ লেঠাৰি-নিছিগা কথাৰ পাকত পৰি পৰি তাৰ নীৰৱ হৈ থাকিবলৈ উপায় নাছিল। হেৰাও আৰু বিক্ৰম দুয়ো নৈৰ পাৰত বহি সদায় নিজৰ মাজত কথা পাতিছিল, কিন্তু কেতিয়াও নৈখনৰ লগত কথা পতা নাছিল। কিন্তু দুলালৰ লগত প্ৰথম দিনাই নৈৰ পাৰলৈ আহি বিক্ৰমে নৈখনৰ লগত কথা পাতিবলৈ সুযোগ পালে, কাৰণ দুলালে নৈৰ পাৰত ভৰি দিয়েই বিক্ৰমৰ অস্তিত্ব পাহৰি গৈ নৈখনৰ লগত হৃদয়ৰ নীৰৱ ভাষাৰে কথা পাতিবলৈ আৰম্ভ কৰি দিলে।

নৈখনৰ পাৰত প্ৰথম দিনা ভৰি দিয়েই দুলালে বিক্ৰমক কৈছিল—'দেউতাৰ বদলিৰ চাকৰি। এতিয়ালৈকে কেইবাখনো ঠাই ঘূৰিছো। কেইবাখনো নৈৰ লগতো চিনাকি হৈছো। কিন্তু তোমালোকৰ এই নৈখনৰ সমান ধুনীয়া নৈ মই আজিলৈকে ক'তো দেখা নাছিলো। দেখা মাত্ৰেই মই নৈখনৰ প্ৰেমত পৰিছো। মোৰ প্ৰথম প্ৰিয়া……'

'মোৰ প্ৰথম প্ৰিয়া'……শব্দকেইটা দুলালে এনেকৈ উচ্চাৰণ কৰিলে যে শুনা মাত্ৰকতে বিক্ৰমৰ গোটেই দেহ শিহৰিত হৈ উঠিল। জীৱনত আগতে কোনোদিনে অনুভৱ নকৰা এটা নতুন ধৰণৰ আবেগ সি প্ৰথম বাৰৰ কাৰণে অনুভৱ কৰিলে।

তাৰ পিছৰ পৰা সুযোগ পালেই দুয়ো বন্ধু নৈৰ পাৰলৈ আহে। পুৱা, দুপৰীয়া, আবেলি, গধূলি—যেতিয়াই সুযোগ পায় তেতিয়াই। আনকি স্কুলৰ পানী-খোৱা ছুটীৰ সময়তো আন ল'ৰাৰ দৰে স্কুলতে খেল মাৰি নাথাকি বা হাবিত বনৰীয়া ফল-মূল বিচাৰি নাথাকি দুয়ো ঢপলিয়াই

আছে নৈৰ পাৰলৈ। নৈৰ পাৰত বহি বহি দুয়ো কেতিয়াবা ভবিষ্যতৰ ৰঙীন সপোন ৰচনা কৰে, কেতিয়াবা কবিতা আবৃত্তি কৰে। কেতিয়াবা নীৰৱ হৈ বহি থাকে।

কিন্তু আজি আৰু সৰু নাওখনৰ দুটা টিঙ দুয়ো দখল কৰাৰ লগে লগেই দুলালে মাত লগালে—'তোমালোকৰ গাঁৱৰ এই মুষ্টিভিক্ষাটো কি বস্তু? এনেকুৱা এটা বস্তুৰ কথা মই এই প্ৰথম শুনিলো।'

বিক্ৰমে আচৰিত হৈ চকু দুটা বহলকৈ মেলি ক'লে—'কি কলা? মুষ্টিভিক্ষাৰ কথা তুমি আগতে কেতিয়াও শুনা নাই? তোমালোকে আগতে যিবোৰ ঠাইত আছিলা তাত মুষ্টিভিক্ষাৰ নিয়ম নাইনেকি'

দুলালে মুৰ জোকাৰিলে, অৰ্থাৎ নাই।

দুলালক নতুন কথা এটা কৈ শুনাবলৈ সুযোগ পাই বিক্ৰম বেচ উত্তেজিত হৈ উঠিল। সি নাৱৰ টিঙৰ পৰা উঠি আহি দুলালৰ ওচৰতে নাওখনৰ এটা দাঁতিত বহি পৰিল। সি বহাৰ লগে লগে নাওখন উলটি গ'ল আৰু জপং শব্দ কৰি দুয়ো পানীত পৰিল। দুয়ো অলপ সময় আঁঠুৱনীয়া পানীত কক্‌ৰকাই থাকিল। তাৰ পিছত পানীৰ পৰা উঠি দুয়ো ইটোৱে সিটোৰ মুখলৈ চাই সশব্দে হাঁহিবলৈ ধৰিলে। বিক্ৰমে ক'লে—'একো চিন্তা নাই দিয়া। গৰম দিন, অলপ পিছতে চোলা-কাপোৰ শুকাই যাব।'

এইবাৰ নাৱৰ দুটা দাঁতিত দুয়ো মুখামুখি হৈ বহিল।

বিক্ৰমে ক'বলৈ আৰম্ভ কৰিলে—'তুমি আমাৰ ঘৰলৈ যাওঁতে যদি ভালকৈ মন কৰা, তেন্তে পিৰালিৰ খুটা এটাত এটা টেকোল ওলমি থকা দেখিবলৈ পাবা। আমাৰ গাঁৱৰ প্ৰতি ঘৰতে তেনেকৈ পিৰালিৰ কোনোবা এঠাইত তেনেকুৱা এটা টেকেলি ওলোমাই থোৱা থাকে। ৰাতিপুৱা ঘৰৰ জীয়ৰী-বোৱাৰীয়ে ধান বনা শেষ কৰি সদায় এমুঠি চাউল সেই টেকেলিটোত থৈ দিয়ে। ৰাতি গাঁৱৰ ডেকাল'ৰাই পাল পাতি গাঁৱৰ আটাইবোৰ মানুহৰ ঘৰৰ পৰা সেই চাউল সংগ্ৰহ কৰি নামঘৰত জমা কৰে। কিছুদিনৰ মূৰে মূৰে চাউলবোৰ বেচি ধনখিনি এজনৰ হাতত

জমা কৰা হয়। ইয়াকেই কয় মুষ্টিভিক্ষা। এই মুষ্টিভিক্ষাৰ ধনেৰেই বিপদ-আপদৰ সময়ত গাঁৱৰ মানুহক সহায় কৰা হয়। প্ৰয়োজন হ'লে আন গাঁৱৰ মানুহকো সহায় কৰা হয়। দিনে মাত্ৰ এমুঠিকৈহে চাউল দিব লাগে কাৰণে কাৰো গাতেই নালাগে; অথচ এনেকৈ অলপ অলপকৈ টকা জমা হৈ বছৰটোত বহুত টকা হয়গৈ। দুখীয়া মানুহে কেতিয়াবা বিয়া-সবাহ বা শ্ৰাদ্ধৰ কাৰণেও গাঁৱৰ মুষ্টিভিক্ষাৰ পুঁজিৰ পৰা টকা ধাৰ কৰে। যোগেন দদাইদেৱে এতিয়া এই মুষ্টিভিক্ষাৰ পুঁজিৰ পৰাই আমাৰ লাইব্ৰেৰিলৈ কেইটকামান দিম বুলি কৈছে। মুষ্টিভিক্ষাৰ পুঁজিৰ পৰা কাক কিমান টকা দিয়া হ'ব সেই কথা গাঁৱৰ মুখীয়াল মানুহবোৰে গধূলি নাম-প্ৰসঙ্গৰ কাৰণে নামঘৰত বহোতে ঠিক কৰে। সেই কাৰণেই যোগেন দদাইদেৱে আজি গধূলি নামঘৰত কথাটো উলিয়াম বুলি কৈছে।'

বিক্ৰমৰ কথাবোৰ দুলালে মন্ত্ৰমুগ্ধ হৈ শুনি থাকিল। বিক্ৰমৰ কথা শেষ হোৱাৰ পাছতো সি বহুতসময় নীৰৱ হৈ ৰ'ল। অৱশেষত সি মাত লগালে—'বিক্ৰম, তোমাৰ কথাবোৰ শুনি মোৰ এনেহে লাগিছে যেন তোমালোকৰ গাঁৱত এতিয়াও সত্যযুগ বিৰাজ কৰিছে। এনে এটা সুন্দৰ নিয়ম যদি আমাৰ দেশৰ গাঁৱে গাঁৱে থাকিলহেতেন, তেনেহলে সাধাৰণ মানুহৰ দুখ-কষ্ট বহুত কম হ'লহেতেন। তোমালোকৰ এই ঠাই-খনলৈ আহি মোৰ খুব ভাল লাগিছে বিক্ৰম। ইয়াৰ প্ৰকৃতি যিমান সুন্দৰ, মানুহবোৰো সিমান সুন্দৰ। দেউতা যদি ইয়াতে তিনিবছৰমান থাকে তেন্তে মোৰ খুব ভাল লাগিব।'

ইমানপৰ কথাৰ বাগিত মছগুল হৈ থকাৰ কাৰণে সিহঁতে কবই পৰা নাছিল যে আহাৰ মাহৰ বেলিটো ডাৱৰৰ বুকু ফালি খাওঁ খাওঁ মূৰ্তি ধৰি ওলাই আহিছে আৰু সিহঁতৰ গাত ঘামবোৰ জোল বৰলৈ ধৰিছে। মুখেৰে একো নকৈ বিক্ৰম হঠাৎ পানীত জাপ মাৰি পৰিল আৰু ডুব মাৰি পানীত অদৃশ্য হৈ পৰিল। কিছুপৰৰ মূৰত তাক দেখা গ'ল নৈৰ সোঁমাজত। পিছ মুহূৰ্ততে দুলালেও পানীত জাপ দিলে। বহুত সময় ধৰি সিহঁতে নীৰৱে সাঁতুৰি-নাছুৰি নৈখনৰ লগত খেলা কৰিবলৈ ধৰিলে।

লাইব্ৰেৰিৰ কাৰণে কিতাপ-পত্ৰ সংগ্ৰহ কৰা কাম আৰম্ভ হৈছে। গাঁৱত বাহিৰা কিতাপ-পত্ৰ ৰখা মানুহৰ সংখ্যা এখন হাতৰ আঙুলিৰ আগত লেখিব পাৰি। ঘৰে-ঘৰে অৱশ্যে কীৰ্তন-পুথিখন থাকে। দুই-এঘৰত লক্ষী-চৰিত, শীতলা, ভীম-চৰিত আদি পুথিও দেখিবলৈ পোৱা যায়। কিন্তু মানুহে সেইবোৰ কিতাপ দান নকৰে। গাঁৱৰ মানুহৰ ঘৰৰ পৰা ফাটিছিটি যোৱা পুৰণি পাঠ্যপুথি কেইখনমানহে সংগ্ৰহ হ'ল। বিক্ৰমহঁতে সেইবোৰকো বুটলি আনিলে লাইব্ৰেৰিটো দেখনিয়াৰ কৰিবৰ কাৰণে। দেখা গ'ল যে বেছিভাগ কিতাপ দিব লাগিব বিক্ৰম আৰু তুলালেই। কেইখনমান কিতাপ অৱশ্যে যোগেন দদাইদেউৰ পৰাও পোৱা যাব।

লাইব্ৰেৰিলৈ কি কি কিতাপ দান দিব পাৰি সেই কথা ঠিক কৰিবলৈ বিক্ৰমে এদিন ঘৰৰ আলমাৰিটো ঘাটিবলৈ ধৰিলে। দেউতাকৰ দিনৰ ভাল ভাল কিতাপবোৰ সি দেউতাকক নোসোধাকৈ দিব নোৱাৰে। সুধিলেও যে দেউতাকে অনুমতি দিব তাৰ আশা নাই। কিন্তু প্ৰতিবছৰে শ্ৰেণীত প্ৰথম হৈ সি যিবোৰ কিতাপ বঁটা হিছাপে পাইছে সেইবোৰ সি নিশ্চয় দান দিব পাৰে। সি যে কেৱল শ্ৰেণীত প্ৰথম হৈহে বঁটা পাইছে এনে নহয়। কেবাবছৰো সি সজ আচৰণৰ কাৰণে স্কুলৰ আটাইতকৈ ভাল ল'ৰা হিছাপেও বঁটা পাইছে। তদুপৰি আবৃত্তি কৰিও সি কেবাটাও বঁটা পাইছে। সেই গোটেইবোৰ কিতাপ বিচাৰি উলিয়াই সি এঠাইত দম কৰিবলৈ ধৰিলে। বঁটা পোৱা কিতাপবোৰ এখন এখনকৈ উলিয়াই থাকোতে তাৰ মনত পৰিল যে গৰম বন্ধ খোলাৰ লগে লগে আকৌ সিহঁতৰ স্কুলত বঁটা-বিতৰণী সভা হ'ব, আৰু এইবাৰো সি কেইবাখনো কিতাপ বঁটা হিছাপে পাব। আপোনা-আপুনি তাৰ মুখত এটা হাঁহিৰ ৰেখা বিৰিঙি উঠিল। এইবাৰ বাৰু সি কি কি কিতাপ বঁটা

হিছাপে পাব? মাত্ৰ কেইমুহূৰ্তমান সময় সি সেইটো কথা ভাবি থাকিল। বঁটা-বিতৰণী সভাৰ কথা মনত পৰাৰ লগে লগেই এহাতে যেনেকৈ তাৰ মনটো আনন্দত নাচি উঠিল, আনহাতে তেনেকৈ স্কুল খুলিবলৈ বহুতদিন বাকী আছে বুলি ভাবি তাৰ মনটো সেমেকি পৰিল। গৰমৰ বন্ধটো যিহেতু বৰ দীঘল, সেই কাৰণে প্ৰতিবছৰেই তাৰ এটা আচৰিত অভিজ্ঞতা হয়। প্ৰায় জেঠৰ আৰম্ভণিৰে পৰাই গৰম-বন্ধৰ দিনকেইটালৈ সি ব্যাকুলভাৱে বাট চাই থাকে। আনবোৰ বন্ধ আৰম্ভ হোৱাৰ লগে লগে প্ৰায় শেষেই হৈ যায়; সেই কাৰণে সেইবোৰক বন্ধ যেনেই নালাগে। কিন্তু এমাহ দহদিন দীঘল গৰমৰ বন্ধ—আঃ কি মজা কি মজা—আম-কঁঠাল-জামু খাবলৈ, ন-পানীত নাও চলাই ফুৰিবলৈ, বৰল বা কেঁচুৰ টোপেৰে বৰশী বাই পাভ মাছ ধৰিবলৈ, স্কুলৰ বডিগুত চকিদাৰ কন্দ্ৰ্যইদেউহঁতৰ লগত কেৰম খেলিবলৈ কি অফুৰন্ত সময় পোৱা যাব! তদুপৰি গৰম-বন্ধৰ আৰম্ভণীৰ দিনটোও জানো কম মজাৰ! সেইদিনা স্কুল বাতিপুৱা বহে। আন ঠাইত তেনেকুৱা নিয়ম আছেনে নাই বিক্ৰমে নাজানে, কিন্তু বিক্ৰমহঁতৰ স্কুলত পুৰুষানুক্ৰমে এটা নিয়ম চলি আহিছে যে গৰম-বন্ধ আৰম্ভ হোৱাৰ দিনা ল'ৰাবোৰে শিক্ষকক ফুলৰ মালা পিন্ধাই এমাহৰ কাৰণে তেওঁলোকৰ পৰা বিদায় ল'ব লাগে। ৰাতিপুৱা স্কুল হোৱাৰ আগদিনাই স্কুলৰ তুশ ল'ৰাই ফুল বিচাৰি গোটেই গাঁওখন চলাথ কৰে। গাঁৱলীয়া খেতিয়ক মানুহৰ ফুলনি-বাৰী পতা চখ বৰকৈ নাই, তাৰ কাৰণে সময়ো নাই। সেই কাৰণে বনৰীয়া ফুলৰ ওপৰতে ল'ৰাহঁতৰ ঘাইকৈ ভৰসা। গাঁৱৰ এমূৰে থকা হৰি শৰ্মা বাপুটিৰ এখন সৰু ফুলনি আছে হয়, কিন্তু সেইখিনি ফুল তেওঁৰ নিজৰ পূজা-সেৱাতে লাগে। ৰাতিপুৱা-স্কুলৰ আগদিনা বাপুটিয়ে টাকোন এডাল লৈ ফুলনিখন পহৰা দি থাকে। কিন্তু ক'তো ফুল বিচাৰি নাপালেও ল'ৰাহঁতে বৰ বেছি পৰোৱাই নকৰে। হৰলাল আগৰৱালা মহাজনৰ বাৰীত এজোপা প্ৰকাণ্ড বকুল গছ আছে। প্ৰতিদিনে গছৰ তলখন ইমান সৰাফুলেৰে ভৰি থাকে যে কেৱল তাৰেই দহ-বাৰ ধাৰ মালা হয়।

ল'ৰাবোৰে হাতে হাতে বকুল ফুলৰ মালা লৈ বেলি উঠাৰ লগে লগেই স্কুললৈ যায়। সেইদিনা স্কুলৰ পৰিবেশ অতি কৰুণ আৰু মধুৰ। ল'ৰাহঁতৰ মনত এহাতে দীঘলীয়া বন্ধ পোৱাৰ কাৰণে বিপুল আনন্দ, আনহাতে লগৰীয়া ছাত্ৰবোৰ আৰু 'চাৰ'সকলৰ পৰা দীঘলীয়া বিদায় ল'ব লগা হোৱাৰ কাৰণে কৰুণ বিষাদ। ফুলৰ গোন্ধত গোটেইখন স্কুল আমোলমোল। সেইদিনা পঢ়া-শুনা একো নহয়। শিক্ষকে হাজিৰা কৰাৰ পিছতেই ল'ৰাবোৰে নিজ নিজ শ্ৰেণীৰ শিক্ষকক ফুলৰ মালা পিন্ধাই নমস্কাৰ কৰে; শিক্ষকেও অশ্ৰু-ৰূদ্ধ কণ্ঠেৰে গৰমৰ বন্ধটো কেনেকৈ কটাব লাগে সেইবিষয়ে ল'ৰাবোৰক উপদেশ দিয়ে। এই হাঁহি-কান্দোন মিহলি দিনটোৰ কাৰণে ল'ৰাবোৰে কেইবামাহৰ আগৰ পৰা ব্যাকুল হৈ অপেক্ষা কৰি থাকে। কিন্তু যিটো গৰম-বন্ধৰ কাৰণে ল'ৰাবোৰে ইমান হামৰাও কাঢ়ি থাকে, সেই বন্ধটোকেই পোন্ধৰ দিন মানৰ পিছতে সিহঁতৰ নেযায়-নুপুৰাই যেন লগা হয়। আকৌ কেতিয়া স্কুল খুলিব, আকৌ কেতিয়া মৰমৰ লগৰীয়াবোৰক লগ পাই প্ৰাণ খুলি মনৰ কথা পাতিব, পানীখোৱা ছুটীত ধেমালি কৰিবলৈ পাব, চাৰহঁতৰ চিৰপৰিচিত মুখবোৰ দেখিবলৈ পাব—এই চিন্তাই সিহঁতক অস্থিৰ কৰি তোলে।

বিক্ৰমে ঠিক সেই মুহূৰ্তত তেনে এটা অস্থিৰতা অনুভৱ কৰিবলৈ ধৰিলে।

মনে মনে এইবোৰ কথা ভাবি ভাবি কিতাপ চাই থাকোতেই এসময়ত তাৰ কিতাপ বিচৰা কাম শেষ হ'ল। লাইব্ৰেৰিলৈ দান দিব পৰা তাৰ নিজৰ ভাগৰ কিতাপ কেইখন উলিয়াই লৈ আলমাৰিটো বন্ধ কৰিব খোজোতেই হঠাৎ বেতৰ সৰু পেটাৰি এটালৈ তাৰ চকু গ'ল। পেটাৰিটো সি আগতেও বহুতদিন দেখিছে, কিন্তু সেইটো খুলি চাবলৈ সি কেতিয়াও সাহস কৰা নাই। দেউতাকে তাক স্পষ্টভাৱে নকলেও সি নিজেই ধৰি লৈছে যে দেউতাকে তাক আলমাৰিটোৰ কিতাপবোৰ পঢ়িবলৈহে অধিকাৰ দিছে; কিতাপৰ বাহিৰে আন বস্তুত হাত দিয়াটো তাৰ পক্ষে

নিশ্চয় উচিত নহ'ব। কিন্তু সেইদিনা কিয় জানো পেটাৰিটোৰ প্ৰতি সি হঠাৎ এক প্ৰবল কৌতূহল অনুভৱ কৰিলে। বহুতপৰ সি স্থিৰ দৃষ্টিৰে পেটাৰিটোলৈ চাই ৰ'ল। ইতিমধ্যে তাৰ মনৰ মাজত ভীষণ দ্বন্দ্ব চলিবলৈ ধৰিলে। দেউতাকক নুসুধাকৈ পেটাৰিটো খুলি চোৱাটো কি খুব ডাঙৰ অন্যায় কাম হ'ব? কিন্তু দেউতাকেতো তাক কেতিয়াও কোৱা নাই যে কিতাপৰ বাহিৰে আলমাৰিৰ আন কোনো বস্তুতে সি হাত দিব নোৱাৰিব? কিছুসময় নিজৰ লগতে তৰ্ক কৰি বিক্ৰমে অনুভৱ কৰিলে যে দেউতাৰ অনুমতি নোলোৱাকৈ পেটাৰিটো খুলি চোৱাটো খুব অনুচিত কথা হ'ব; কিন্তু তাৰ প্ৰবল কৌতূহলৰ ওচৰত এই দুৰ্বল নীতিবোধে অৱশেষত হাৰ মানিবলৈ বাধ্য হ'ল। সি পেটাৰিটো উলিয়াই আনি মাটিত থৈ খুলিবলৈ ধৰিলে।

পেটাৰিটোৰ ভিতৰত আছিল এনুৱা কাগজ। নুৰাটো খোলাৰ লগে লগেই পঞ্জিকাৰ ৰাশি-চক্ৰৰ নিচিনা এটা ৰাশি-চক্ৰত তাৰ চকু পৰিল। পঞ্জিকাৰ লগত বিক্ৰম খুব ভালকৈ পৰিচিত। পঢ়িবলৈ একো নাথাকিলে সি ঘৰৰ পঞ্জিকাখনকে ওৰাই-ঘূৰাই পঢ়ি থাকে। কোন তিথিত কি কি বস্তু খাব নালাগে তাৰ বিৱৰণ বা কবি-মূলা-বিলাহীৰ সঁচৰ সচিত্ৰ বিজ্ঞাপন পঢ়ি পঢ়িও সি বহুত সময় কটাই দিব পাৰে। তদুপৰি গাঁৱৰ মানুহেও কেতিয়াবা একাদশী-আঁউসী-পূৰ্ণিমাৰ হালখতি কেতিয়া পৰিছে জানিবলৈ সিহঁতৰ ঘৰলৈ আহে, আৰু বিক্ৰমৰ দেউতাক নাথাকিলে বিক্ৰমেই পঞ্জিকা চাই তেওঁলোকক সেইবোৰ বতৰা দিবলগা হয়। সেই কাৰণে ৰাশি-চক্ৰটোত চকু পৰা মাত্ৰকতে সেইটো যে ৰাশি-চক্ৰ সেইটো বুজিবলৈ বিক্ৰমৰ এক পলো সময় নালাগিল। আৰু লগে লগে সি এই কথাও বুজিলে যে পেটাৰিত ভৰাই থোৱা কাগজ নুৰা কাৰোবাৰ সৌৰৱণীৰ বাহিৰে আন একো নহয়।

কাগজনুৰা হাতত লৈ বিক্ৰমৰ বুকুখন খিপখিপাবলৈ ধৰিলে। সেই সৌৰৱণীকেইখনৰ মাজত তাৰ সৌৰৱণীখনো নিশ্চয় আছে। সেইখন পঢ়ি চালেই সি ভৱিষ্যতে কি হ'ব পাৰিব বা তাৰ ভাগ্যত কি কি আছে

সেই গোটেইবোৰ কথা সি জানিব পাৰিব। কিন্তু নানা কথা-প্ৰসঙ্গত দেউতাকে তাক এই কথা কোৱা তাৰ মনত আছে যে মানুহে কেতিয়াও নিজৰ সোঁৱৰণী পঢ়িব নাপায়। দ্বিতীয় বাৰৰ কাৰণে বিক্ৰম আকৌ এটা ভীষণ অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হ'ল। দেউতাকৰ কথা অমান্য কৰিবলৈকো তাৰ খুব ভয় লাগিছে, আনহাতে নিজৰ ভৱিষ্যত জনাৰ কৌতূহল দমন কৰাও অসম্ভৱ হৈ পৰিছে। অৱশেষত দ্বিতীয় বাৰৰ কাৰণেও তাৰ বিবেক পৰাজিত হ'ল। সি কাগজৰ মুৰাটো এফালৰ পৰা খুলি তাৰ নিজৰ সোঁৱৰণীখন বিচাৰিবলৈ ধৰিলে।

অলপ পাছতে বিক্ৰম ভীষণ হতাশ হ'ল, কিন্তু লগে লগে সি এক বিৰাট স্বস্তিও অনুভৱ কৰিলে। সেই সোঁৱৰণীকেইখনৰ মাজত তাৰ নিজৰ সোঁৱৰণীখন নাই ; আটাইকেইখনেই তাৰ দেউতাক আৰু খুৰাক-হঁতৰ সোঁৱৰণী। বহুত পুৰণি কাগজবোৰে পাতল হালধীয়া ৰং ধৰিবলৈ আৰম্ভ কৰিছে। মাজে মাজে পঁইতাচোৰাই কুটি জালৰ নিচিনা কৰি পেলাইছে। হতাশ হৈয়ো বিক্ৰমে স্বস্তি অনুভৱ কৰাৰ কাৰণ হ'ল এই যে অৱশেষত সি অন্ততঃ নিজৰ সোঁৱৰণীখন পঢ়িব লগা নহ'ল। কিন্তু এতিয়া তাৰ দেউতাকৰ সোঁৱৰণীখন পঢ়ি চাবলৈ মন গ'ল। সি কেৱল দেউতাকৰ সোঁৱৰণীখন উলিয়াই বাকীকেইখন ঠিক আগৰ নিচিনাকৈ পেটাৰিটোত জাপি থৈ এখন আলোচনীৰ মাজত দেউতাকৰ সোঁৱৰণীখন ভৰাই লৈ তাৰ পঢ়া কোঠালৈ গ'ল। দেউতাক ঘৰলৈ ঘূৰি আহিবলৈ বহুত সময় বাকী আছে। ইতিমধ্যে সি ধীৰে-সুস্থিৰে দেউতাকৰ সোঁৱৰণী-খন পঢ়ি শেষ কৰিব পাৰিব।

সোঁৱৰণীখনৰ দুটা ভাগ। প্ৰথম ভাগ গণনা। কেবাবাৰো পঢ়িও বিক্ৰমে সেইখিনি কথা বিশেষ একো বুজি নাপালে। দ্বিতীয় ভাগত খুব কম কথাত—মাত্ৰ কেইটামান বাক্যত—দেউতাকৰ বিষয়ে ভৱিষ্যদ্বাণী কৰা হৈছে। কৌতূহলত উশাহ বন্ধ কৰি বিক্ৰমে বাক্যকেইটা পঢ়ি শেষ কৰিলে। পঢ়ি শেষ কৰাৰ লগে লগে এটা শব্দহীন আৰ্তনাদ তাৰ বুকু ফালি ওলাই আহিল ; লগে লগে চকু দুটাও পানীৰে চলচলীয়া হৈ

পৰিল। তাৰ বুকুখনে এনেকৈ ধান বানিবলৈ আৰম্ভ কৰিলে যে এইবাৰ সঁচাসঁচিকৈয়ে তাৰ উশাহ বন্ধ হ'বৰ উপক্ৰম হ'ল। চোলাৰ আগেৰে চকু দুটা মচি সি আকৌ সৌৰৱণীখনৰ শেষৰ বাক্যটো পঢ়িবলৈ ধৰিলে— 'জাতকৰ পত্নী-ভাগ্য খুব ভাল। পত্নী অতি পৰিশ্ৰমী, মৃদুভাষী আৰু পতিব্ৰতা হ'ব। জাতকে পত্নীৰ পৰা পৰম সুখ পাব। কিন্তু জাতকৰ পঞ্চাশ বছৰ হোৱাৰ আগেয়েই তেওঁৰ পত্নীৰ অকাল-মৃত্যু হ'ব।'

বিক্ৰমে খুব ভালকৈয়ে জানে যে দেউতাকৰ পঞ্চাশ বছৰ হবলৈ আৰু বেছিদিন নাই, কাৰণ দেউতাকে কেতিয়াবা ধেমালিৰ ছলেৰে সিহঁতক কৈ থাকে যে প্ৰাচীন ভাৰতীয়সকলৰ নিচিনাকৈ তেওঁৰো পঞ্চাশবছৰ হোৱাৰ লগে লগে বানপ্ৰস্থী হ'ব। দেউতাকে ধেমালিতে ক'লেও বিক্ৰম-হঁতে কেতিয়াবা কথাটো বিশ্বাস কৰি পেলায়, আৰু তেতিয়া বেজাৰত সিহঁতৰ অকণ অকণ আমঠুবোৰ ক'লা পৰি যায়। বিক্ৰমে ইতিমধ্যে দেউতাকক সুধি তেওঁৰ জন্মৰ চনটো জানি লৈছে। সেই কাৰণে চনবোৰ বাগৰাৰ লগে লগে সি দেউতাকৰ বয়সবোৰো হিচাপ কৰি গৈ থাকে। দেউতাকৰ বয়সত এটা নতুন বছৰ যোগ হোৱাৰ লগে লগে বিক্ৰমৰ কলিজাতো কোনেও কব নোৱাৰাকৈ এডাল নতুন ক'লা ৰেখা পৰে, কাৰণ সি জানে যে পঞ্চাশ বছৰত দেউতাক বানপ্ৰস্থী হওক বা নহওক, বয়স এবছৰ বঢ়াৰ লগে লগে তেওঁ মৃত্যুৰ মুখলৈ আৰু এখোজ আগবাঢ়ি গ'ল। সি মাকৰ বয়স নাজানে। মাকে নিজেও তেওঁৰ জন্মৰ চন-তাৰিখ নাজানে। কিন্তু বিক্ৰমে এই কথা জানে যে মাক যিহেতু দেউতাকতকৈ কেবাবছৰে সৰু, এতেকে তাৰ অংকৰ নিয়মমতে মাকৰ মৃত্যুও হ'ব দেউতাকতকৈ কেবাবছৰৰ পিছত। অৰ্থাৎ মাকৰ মৃত্যুৰ বিষয়ে চিন্তা কৰি গোপন শোকৰ যন্ত্ৰণাত চেঙালুটি পাৰিবৰ সময় এতিয়াও অহা নাই। কিন্তু আজি আচম্বিতে আৱিষ্কাৰ কৰা দেউতাকৰ সৌৰৱণীখনে তাৰ সকলো হিচাপ উলট-পালট কৰি দিলে।

দৌৰ মাৰি মাকৰ ওচৰলৈ যাবলৈ বিক্ৰমৰ মন গ'ল। কিন্তু দৌৰ মৰা দূৰৰ কথা, বহাৰ পৰা উঠি ঠিয় হবলৈকে সি বল বিচাৰি নাপালে।

শুদ্ধ হৈ বহি সি দেউতাকৰ বয়সটো হিচাপ কৰিবলৈ ধৰিলে। দেউতাকৰ পঞ্চাশ বছৰ পূৰ হবলৈ আৰু পূৰা দুবছৰো নাই। তাৰ মানে আৰু মাত্ৰ দুবছৰৰ ভিতৰতে—আনকি মাত্ৰ এবছৰৰ ভিতৰতো—তাৰ মাক মৰি যাব পাৰে ?

কিমান সময় সি একেঠাইতে ঠেৰেঙা লাগি বহি আছিল বিক্ৰমৰ মনত নাই। দেউতাকৰ মাতটো আহি কাণত পৰাত টোপনিৰ পৰা খকমককৈ সাৰ পোৱা মানুহৰ দৰে সি মৃত্যুৰ জগতৰ পৰা ঘূৰি আহিল। সোঁৱৰণীখন আলোচনীখনৰ মাজত ভৰাই সি দৌৰ মাৰি কিতাপৰ আলমাৰিটোৰ ওচৰলৈ গৈ বেটৰ পেটাৰিটোত সোঁৱৰণীখন সোমোৱাই থলে। তাৰ পিছত সি ধীৰে ধীৰে পাকঘৰৰ ফালে খোজ ল'লে। কাৰণ সি জানে যে এই সময়ত মাক পাকঘৰৰ বাহিৰে আন ক'তো থাকিব নোৱাৰে।

মাকে মাছ ভাজি আছিল। বিক্ৰমক দেখি তেওঁ ক'লে—'মই তোক মাতিম বুলি ভাবোতেই তই আহি পালি, বহ। গৰমে গৰমে মাছ ভজা কেইটামান খা।'

সৰু হৈ থাকোতে বিক্ৰমে বিচনাত মাকৰ বুকুত মুখ গুজি তেওঁৰ লগত কথা-বাৰ্তা পাতিছিল: কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে স্বাভাবিকতেই সি সেই অভ্যাস এৰিব লগা হ'ল। লাহে লাহে সি দেখিলে যে দেউতাকৰ জিৰণি লোৱাৰ নিৰ্দিষ্ট সময় আৰু ঠাই আছে—যি সময়ত আৰু য'ত সি দেউতাকৰ লগত কথা পাতিব পাৰে। কিন্তু মাকৰ জিৰণি লোৱাৰ কোনো নিৰ্দিষ্ট ঠাইয়ো নাই, সময়ো নাই। পুৱা বিছনা এৰিবৰ পৰা ৰাতি বিছনাত নপৰালৈক দিনৰ দিনটো তেওঁ টাকুৰি ঘূৰাদি ঘূৰিয়েই ফুৰে। এদিন সি হঠাৎ আৱিষ্কাৰ কৰিলে যে একমাত্ৰ ভাত ৰান্ধিবৰ সময়তেই মাকে অন্ততঃ কিছু সময় একেঠাইতে বহি থাকে। সেইদিনাৰ পৰা সময় পালেই সি পাকঘৰত মাকৰ ওচৰত বহাৰ অভ্যাস কৰিলে। মাকে ভাত ৰান্ধি থাকে, সি শাক-পাচলি কাটি বা ইটো-সিটো বস্তু মাকৰ হাতলৈ আগবঢ়াই দি মাকক সহায় কৰি থাকে। লগে লগে

চলি থাকে দুয়োৰে নানা বাৰে-ভচহু মেল। এই অপৰূপ সময়খিনি মাক-পুতেক দুয়ো এনে গভীৰভাৱে উপভোগ কৰে যে দুয়ো মনে মনে এই সময়খিনিলৈ ব্যাকুল আগ্ৰহেৰে অপেক্ষা কৰি থাকে। মাকে দেউতাকৰ নিচিনাকৈ নানা জ্ঞান-বিজ্ঞানৰ কথা পাতিব নোৱাৰে। সকলো সময়তে সকলোৰে পৰা জ্ঞান-বিজ্ঞানৰ কথা শুনিবলৈ কাৰো নিশ্চয় ভালো নালাগে। মাকে তাক কৈ শুনায় তেওঁৰ জীয়ৰী কালৰ কথা; তেওঁৰ জীয়ৰী কালৰ জগতখনৰ কথা; তেওঁৰ মাকে বন্ধা অমৃত-যেন কেইবিধমান আঞ্জাৰ কথা; ঘৰত নাদ নথকাৰ কাৰণে বিক্ৰমৰ জন্মৰ আগতে কাষত কলহ লৈ নৈৰ পৰা পানী অনাৰ কথা; কোনোবা এটা বৰ-বাৰিষাত মানুহৰ চোতালতে জাকে জাকে পছু ওলোৱাৰ কথা; তেওঁৰ জীয়ৰী-কালৰ 'সখীক' আজি দহবছৰমান দেখিবলৈ নোপোৱাৰ দুখৰ কথা —ইত্যাদি।" জীৱনৰ এই সৰু সৰু সুখ-দুখৰ কৰুণ-মধুৰ কাহিনীয়ে বিক্ৰমক এনেকৈ অভিভূত কৰে যে পাকঘৰত মাকৰ ওচৰত বহি থকা সময়খিনি জীৱনৰ আটাইতকৈ মধুৰ সময় যেন তাৰ অনুভৱ হয়।

ভজা মাছৰ গোন্ধত পাকঘৰটো মকমকাই আছিল। আনদিনা হোৱা হলে মাৰল-ঘৰৰ পৰাই ভজা মাছৰ গোন্ধ পাই বিক্ৰমৰ জিভাৰ পানী নৈ বৈ গ'লহেঁতেন আৰু পাকঘৰত ভৰি দিয়েই সি কাঁহী এখন আগবঢ়াই দি মাকক ক'লেহেঁতেন—'আই, মাছ দে।' কিন্তু আজি ভজা মাছৰ গোন্ধটো তাৰ নাকতেই নালাগিল। মাকে বহিবলৈ কোৱা স্বত্বেও নবহি সি ঠিয় হৈ মাকৰ ফালে একেথিৰে চাই থাকিল। মাকৰ চকু আছিল চৰুৰ ওপৰত, গতিকে পুতেকৰ কাণ্ড-কাৰখানা তেওঁ দেখা পোৱা নাছিল। মাকৰ ফালে চাই থাকি বিক্ৰমে তাৰ কলিজাখন ফাটি ছেজে-তুম্‌ৰলি হোৱা যেন অনুভৱ কৰিলে আৰু সি আপোন মনে স্বগতোক্তি কৰিবলৈ ধৰিলে—'আই, তই নাজান নহয় যে আৰু মাত্ৰ দুবছৰৰ ভিতৰতে তই মৰি যাবি? তই নাজান নহয় যে আৰু কিছুদিনৰ পিছতে তই আৰু এনেকৈ পাকঘৰত বহি বহি আমাৰ কাৰণে মাছ ভাজি নাথাকিবি? শুনিলেই হিয়া পমি যোৱা তোৰ মাতষাৰ আৰু আমি

কেতিয়াও শুনিবলৈ নোপাম? আমাৰ ঘৰলৈ উভটা দেখি হোৱা দেখিলে তই গধূলিৰ আন্ধাৰত পদূলিত ঠিয় হৈ আমাৰ কাৰণে আৰু কেতিয়াও ব্যাকুল হৈ বাট চাই নাথাকিবি? আৰু কেইদিনমানৰ পিছতে তয়ো ভনীজনীৰ নিচিনাকৈ নৈৰ পাৰৰ মাটিৰ তলত অকলে শুই থাকিবি? তেনেকৈ অকলে শুই থাকিবলৈ তোৰ বাৰু অকণো ভয় নালাগিবনে? আমালৈ মনত পৰি তোৰ বুকুখন বেজাৰত ভাগি নাযাবনে?'

চকুত ভজা মাছ কেইটা লুটিয়াই লুটিয়াই বিক্রমৰ মাকে হঠাৎ এবাৰ অনুভৱ কৰিলে যে বহুতপৰ যেন বিক্রমৰ একো সাৰ-সিকটি নাই। তেওঁ মূৰ তুলি চাই দেখে—বিক্রম নাই। কেতিয়া যে সি বাহিৰলৈ ওলাই গ'ল তেওঁ ক'বই নোৱাৰিলে। সি নিশ্চয় প্রস্রাব কৰিবলৈ গৈছে—তেওঁ মনে মনে ভাবিলে—তাৰ পিছত তেওঁ ডাঙৰ চাই কেইটামান ভজা মাছ পুতেকৰ কাৰণে সৰু কাঁহী এখনত বাঢ়িবলৈ ধৰিলে।

॥ ৬ ॥

ৰাতি বিছনাত নপৰালৈকে গোটেই দিনটো বিক্রম পঢ়া-শুনা, খেল-ধেমালি আৰু নানা ঘৰুৱা কাম-কাজত ইমান ব্যস্ত হৈ থাকে যে মৃত্যুৰ বিষয়ে চিন্তা কৰিবলৈ সি তিলমাত্র আহৰি নাপায়। কিন্তু ৰাতি বিছনাত পৰাৰ লগে লগেই যিটো চিন্তাই তাক প্রথমে গ্রাস কৰি ধৰে, সেইটো হ'ল মাকৰ মৃত্যুৰ চিন্তা। সি এতিয়াও দেউতাকৰ লগতে শুৱে। সি যে ডাঙৰ হৈছে সেই কথা প্রমাণ কৰিবলৈ সি বহুতবাৰ বেলেগ এখন বিছনাত অকলে শুবলৈ ইচ্ছা প্রকাশ কৰিছে, কিন্তু দেউতাকে দিয়া নাই। দেউতাকৰ লগত ইটো-সিটো কথা পাতি টোপনিৰ কোলাত ঢলি পৰাটো তাৰ অভ্যাস। কিন্তু দেউতাকৰ সোঁৱৰণীখন আৱিষ্কাৰ কৰাৰ দিন ধৰি সি বিছনাত পৰিয়েই টোপনিৰ ভাও জুৰে। দেউতাকেও পুতেকক জুবাবমান মাতি মাত নাপাই শুই পৰে। ঘৰ-ঘৰোৱাহে

যেতিয়া টোপনিত নিঃপালি দিয়ে। তেতিয়া আৰম্ভ হয় বিক্রমৰ নিঃসঙ্গ নৰক-যাত্রা।

বিক্রমৰ বাৰ বছৰীয়া সৰল মনটোৱে সম্পূর্ণভাৱে বিশ্বাস কৰি লৈছে যে গণকৰ গণনা কেতিয়াও মিছা হ'ব নোৱাৰে ; যদি মিছা হ'লহেতেন তেন্তে মানুহে কেতিয়াও সোঁৱৰণী নকৰালেহেতেন। ডাঙৰ হ'বৰ পৰা সি এই কথাও দেখিছে যে তাৰ দেউতাকে প্ৰতিবছৰে গৰু-বিহুৰ দিনা ল'ৰা-ছোৱালী কেইটাৰ সোঁৱৰণী কেইখন লৈ কোনোবা এজন গণকৰ ওচৰলৈ যায় আৰু গোটেই বছৰটোৰ কাৰণে ল'ৰা-ছোৱালী কেইটাৰ ভাগ্য জানি আহে। দেউতাকে যি কথাত ইমান বিশ্বাস কৰে সেই কথা কেতিয়াও মিছা হবই নোৱাৰে।

তেন্তে অহা দুবছৰৰ ভিতৰত যি কোনো এদিন - আনকি কাইলৈকো —মাকৰ মৃত্যু নিশ্চিত ? এই পৃথিৱীত বিক্রমৰ মাক নাই—অথচ পৃথিৱীখন আছে—এনে কথা বিক্রমে সপোনতো ভাবিব পাৰেনে ? অথচ সোঁৱৰণীততো স্পষ্টকৈ লেখা আছে যে দেউতাকৰ পঞ্চাশ বছৰ পূৰ্ণ নৌ হওঁতেই বিক্রমৰ মাক মৰিবই। মাক নাথাকিলে সি কেনেকৈ জীয়াই থাকিব ?

বছৰত একোবাৰকৈ বিক্রমৰ মেলেৰিয়া জ্বৰ হয়। জ্বৰ হ'লে অসহ্য যন্ত্ৰণা হয়। বিশেষকৈ মূৰৰ বিষবোৰৰ কথা মনত পৰিলেই সুস্থ অৱস্থাতো ভয়ত তাৰ বুকু কঁপি উঠে। কিন্তু আচৰিত কথা—জ্বৰ হ'লে তাৰ ভালো লাগে। জ্বৰটো আৰম্ভ হোৱাৰ লগে লগেই আহিব ধৰা যন্ত্ৰণাৰ কথা ভাবি ভয় লগাৰ লগে লগে এটা মধুৰ অভিজ্ঞতাৰ আকৌ এবাৰ আস্বাদ লবলৈ পোৱাৰ আশাত সি এটা গোপন আনন্দও অনুভৱ কৰে। সি যেতিয়া জ্বৰত বিছনাৰ আশ্ৰয় লয়, মাকে বেছিভাগ সময়তে তাৰ ওচৰত বহি থাকি নানা প্ৰকাৰে তাৰ আলপৈচান ধৰি থাকে। সেই সময়ত মাকৰ মাতটো ইমান কৰুণ আৰু কোমল হয় যে শুনা মাত্ৰকতে বিক্রমে তাৰ জ্বৰ-তপ্ত দেহত শ্বেত চন্দনৰ স্নিগ্ধ প্ৰলেপ পৰা যেন অনুভৱ কৰে। আৰু মাকে যেতিয়া তাৰ কপালত হাত দিয়ে—

আহা, সেয়া কি কেৱল স্পৰ্শ, সেয়া কি কেৱল শুশ্ৰূষা—বিক্ৰমৰ অনুভৱ হয় যে এই পৃথিৱীত যিমান মৰম আছে সেই সকলোবোৰ যেন মাকৰ স্নিগ্ধ কোমল হাতখনৰ পৰা নিগৰি নিগৰি তাৰ শৰীৰলৈ সোমাই গৈছে। জ্বৰৰ অসহ্য যন্ত্ৰণাৰ মাজতো সি এটা আশ্চৰ্য প্ৰশান্তি আৰু আনন্দ অনুভৱ কৰে। সি ৰোগশয্যাত পৰি থকা দিনকেইটাত যে মাকে বিক্ৰমৰ দেউতাক, ভায়েক-ভনীয়েক আৰু সমস্ত জগত-সংসাৰলৈ পিঠি দি কেৱল তাকেই লৈ ব্যস্ত হৈ থাকে, সেই কথাটোৱেও বিক্ৰমক এটা বিশেষ আনন্দ দিয়ে।

বিক্ৰমৰ আকৌ নিশ্চয় কেতিয়াবা জ্বৰ বা আন বেমাৰ হ'ব—সি উজাগৰে থাকি ভাবিবলৈ ধৰিলে—কিন্তু তেতিয়াতো অশ্ৰু-সজল দৃষ্টিৰে তাৰ কাষত বহি থাকিবলৈ এই পৃথিৱীত তাৰ মাক নাথাকিব? সি এই পৃথিৱীত আৰু বহুদিন থাকিব, কিন্তু সি আৰু কেতিয়াও শুনিবলৈ নাপাব মাকৰ মৌ-সনা মাত, কেতিয়াও তাৰ নাকত নালাগিবহি মাকৰ গাৰ চিৰ-পৰিচিত গোন্ধটো, কেতিয়াও সি দেখিবলৈ নাপাব সন্ধ্যাৰ আকাশৰ তৰাৰ নিচিনা মাকৰ স্নেহ-কোমল দৃষ্টি?

ভয়ঙ্কৰ যন্ত্ৰণাত বিক্ৰমে ভালকৈ উশাহ-নিশাহ ল'ব নোৱৰা হৈ পৰিল। বিছনাৰ পৰা উঠি মাকৰ ওচৰলৈ দৌৰি যাবলৈ তাৰ মন গ'ল। সি এতিয়াই গৈ গাৰ জোৰেৰে মাকক সাৱটি ধৰিব। কাৰ সাধ্য আছে তাৰ বাহু-বন্ধনৰ পৰা মাকক আজুৰি নিব পাৰে? হঠাৎ তাৰ ভনীয়েকৰ মৃত্যু-দৃশ্য মনত পৰিল। ৰত্ন দদাইদেউহঁতে মাকৰ বুকুৰ মাজৰ পৰা ভনীয়েকক টানি আজুৰি নি নৈ-পাৰৰ মৰিশালিত পুতি পেলালেগৈ। সি যিমানেই জোৰেৰে সাৱতি নধৰক কিয়, মানুহে তাৰ মাককো নিশ্চয় তাৰ বুকুৰ মাজৰ পৰা ঠিক তেনেকৈ টানি আজুৰি লৈ যাব, আৰু তাৰ পিছত······তাৰ পিছত······এটা শব্দহীন ভয়ংকৰ কান্দোন বিক্ৰমৰ ডিঙিলৈকে উজাই আহিল······আৰু তাৰ পিছত তাৰ প্ৰেমময়ী মাকক মানুহবোৰে নৈ-পাৰৰ মৰিশালিত পুৰি ছাই কৰি পেলাব!

মৃত্যু! বিক্ৰম মৃত্যুৰ মুখামুখি হ'ল। দেউতাকৰ বুকুৰ মাজত সি

শুই আছিল। কিন্তু দেউতাকে তাৰ এই অসহায় যুঁজ-বাগৰৰ কথা একো গম নাপালে। সি অকলেই মৃত্যুৰ মুখামুখি হ'ব লগা হ'ল। মৃত্যুৰ পিছত যি অনন্ত অন্ধকাৰত মাক হেৰাই যাব, সেই অন্ধকাৰৰ ইমূৰৰ পৰা সিমূৰলৈ সি বহুত সময় অকলে ঘূৰি থাকিল। মাজে মাজে সি সেই দিক্‌চিহ্নহীন সীমাহীন অন্ধকাৰৰ উদ্দেশ্যে চিঞৰি উঠিল—'মোৰ আইক ঘূৰাই দিয়া, আকৌ এবাৰ মোৰ আইক ঘূৰাই দিয়া, অনন্তকালৰ কাৰণে মোৰ আইক মোৰ জীৱনৰ পৰা আঁতৰাই নিনিবা।' কিন্তু হঠাৎ তাৰ এবাৰ ভয় হ'ল যে সেই মহা-অন্ধকাৰত তাৰ আকুল আৰ্তনাদ শুনোতা কোনো নাই; অনন্তকাল ধৰি চিঞৰি থাকিলেও ক'তো তাৰ চিঞৰে গৈ প্ৰতিধ্বনি নোতোলেগৈ।

হঠাৎ সি নিজকে ইমান অকলশৰীয়া অনুভৱ কৰিলে যে তাৰ ফেকুৰি ফেকুৰি কান্দিবলৈ মন গ'ল। সি জোৰেৰে গাৰুত মুখখন গুজি ধৰিলে।

॥ ৭ ॥

বিক্ৰমহঁতৰ ঘৰৰ পশ্চিম ফাললৈ পিৰালিয়ে লাগি থকা ঘৰটো নবীনহঁতৰ। তেজৰ সম্বন্ধ একো নাই যদিও বিক্ৰমহঁতে নবীনক দদাইদেউ বুলি মাতে আৰু দুয়োঘৰ মানুহে একেটা পৰিয়ালৰ দৰেই বাস কৰে। এঘৰত মাছ-মাংসৰ ভাল আঞ্জা ৰন্ধা হ'লে লগে লগে তাৰ ভাগ আন ঘৰলৈ যায়; স্কুলীয়া ল'ৰা-ছোৱালীৰ কাৰণে এঘৰত সময় মতে খোৱাৰ যোগাৰ নহলে আনটো ঘৰতে দুয়ো ঘৰৰ ল'ৰা-ছোৱালীয়ে একেলগে খাই স্কুললৈ যায়। নবীনৰ ঘৈণীয়েকে বিক্ৰমক অতিপাত মৰম কৰে। সেই কাৰণে দিনটোত এবাৰ নহয় এবাৰ বিক্ৰম নবীনহঁতৰ ঘৰলৈ যাবই লাগে। এদিন নগলেই খুৰীয়েকে ঠেহ পাতে। নিজৰ ল'ৰা-ছোৱালীৰ মুখৰ পৰা চান কাঢ়ি হলেও তেওঁ বিক্ৰমৰ কাৰণে কিবা নহয় কিবা এটা খোৱা বস্তু সাঁচি থয়। আচলতে নবীনৰ ঘৈণীয়েকে

ভাবে যে পঢ়াই-শুনাই, স্বভাবে-চৰিত্রে বিক্রম এটা আদর্শ ল'ৰা ; তাৰ ঘনিষ্ঠ সংস্পৰ্শত থাকিলে তেওঁৰ নিজৰ ল'ৰা-ছোৱালী কেইটাও ভাল হ'ব। সেই কাৰণে তেওঁ বিক্রমক নিজৰ পেটৰ পোৱালিৰ দৰেই মৰম কৰে।

লাইব্রেৰিৰ নিচাত বিক্রম হঠাৎ ইমান মত্তলীয়া হৈ উঠিল যে একেলেঠাৰিয়ে কেইবাদিনো সি খুৰীয়েকৰ ওচৰলৈ যাবলৈ সময় নাপালে। কিন্তু এদিন ৰাতিপুৱাৰে পৰা ধাৰাসাৰে বৰষুণ দিছিল ; বিক্রমৰো সামান্য পানীলগা জ্বৰ হৈছিল। ঘৰতে শুই-বহি থাকি আমনি লাগি আগবেলা দহটামান বজাত সি খুৰীয়েকৰ ঘৰলৈ গ'ল। বৰষুণ দি থকাৰ কাৰণে সি তলমূৰ কৰি খুৰীয়েকৰ ঘৰলৈ দৌৰ দিছিল, কিন্তু পিৰালিত উঠিয়েই সি ঘপহ কৰে ৰৈ যাব লগা হ'ল। তাৰ বাট ভেটি দুৱাৰ-মুখত ঠিয় হৈ আছে প্ৰায় তাৰে বয়সৰ এজনী অচিনাকি ছোৱালী।

মুহূৰ্তৰ এটা ক্ষুদ্ৰ ভগ্নাংশৰ ভিতৰতে বহুত ঘটনা একেলগে ঘটি গ'ল। এজনী সম্পূৰ্ণ অচিনাকি ছোৱালীৰ প্ৰায় গাত গা লগাকৈ মুখামুখি হ'ব লগা হোৱাত বিক্রম ইমান অপ্রস্তুত হৈ পৰিল যে সি ভিতৰলৈ সোমাই যাব নে দুৱাৰমুখৰ পৰাই ঘূৰি যাব একো ঠিক কৰিব নোৱৰা হ'ল। লগতে কিন্তু জীৱনত আগতে কেতিয়াও নেদেখা এটা অপৰূপ সুন্দৰ বস্তু দেখা বুলি ভাবি সি আবেগত এনেভাবে শিহৰিত হৈ উঠিল যে দুয়োখন ভৰিতে সি এটা আচহুৱা দুৰ্বলতা অনুভৱ কৰিবলৈ ধৰিলে। অন্তহীন এটা মুহূৰ্ত সি কিংকৰ্তব্যবিমূঢ় হৈ একেঠাইতে ঠিয় হৈ ৰ'ল।

ছোৱালীজনীৰ অৱস্থাও তথৈবচ। মাত্ৰ আগদিনা গধূলি তাই নবীনহঁতৰ ঘৰলৈ আহিছে। জীৱনত আগতে কেতিয়াও এদিনৰ কাৰণেও তাই নিজৰ ঘৰ এৰি থকা নাই। গোটেই ৰাতি নিজৰ ঘৰলৈ মনত পৰি তাইৰ ভালকৈ টোপনি অহা নাই। ৰাতিপুৱা শুই উঠিবৰ পিছৰে পৰা তাই লুকাই লুকাই কেবাবাৰো কান্দিছেও। ফলত চকুদুটা সামান্য উখহি পৰিছে। ঠিক সেই সময়ত তাই বাহিৰৰ ঘৰটোত মানুহ

নথকাৰ সুৰুঙা পাই দুৱাৰমুখত আহি ঠিয় হৈছিল আৰু ঘৰলৈ মনত পেলাই শূন্য উদাস দৃষ্টিৰে দূৰণিৰ ফালে চাই আছিল। এনে সময়তে তাইক ভীষণভাৱে চক খুৱাই দি এটা অচিনাকি ল'ৰাই তাইৰ প্ৰায় গাতে খুন্দা লগালেহি।

ইতিমধ্যে বিক্ৰমৰ মনস্থিৰ কৰা হৈ গৈছে। সি ছোৱালীজনীৰ গাৰ কাষেদি সাউৎ কৰে ভিতৰলৈ সোমাই গৈ 'খুৰীদেউ, অ' খুৰীদেউ' বুলি মাতিবলৈ ধৰিলে। কিন্তু খুৰীয়েক ঘৰত নাছিল। তেওঁৰ ডাঙৰজনী জীয়েক আঁঠবছৰীয়া আইকণে এৰিপলুক এৰাপাত খাবলৈ দি আছিল। বিক্ৰমক দেখি তাই ক'লে—'অ' বাপুকণ ককাইদেউ। আয়ে তোমাক খুব বেয়া পাইছে। তোমাক আৰু কেতিয়াও নামাতো বুলি কৈছে।'

'খুৰীদেউ ক'লৈ গ'ল'—বিক্ৰমে গহীনাই সুধিলে। আনদিনা হোৱা হ'লে সি আইকণৰ লগত কথাৰ চুপতি মাৰি বহুতপৰ ধেমালি কৰিলেহেঁতেন। কিন্তু আজি তাৰ সেই মানসিক অৱস্থা নাই। এটা অবুজ উত্তেজনাত তাৰ বুকুখনে তেতিয়াও ধান বানিব ধৰিছে। তাৰ নাকত লাগি আছে এনে এটা আচৰিত ৰহস্যময় গোন্ধ—যিটো গোন্ধৰ লগত মাত্ৰ একমিনিটৰ আগলৈকে তাৰ কোনো পৰিচয় নাছিল। তাৰ মনৰ মাজত আৰম্ভ হৈছে এটা আচৰিত কোলাহল। যদিও সি খুৰীয়েকৰ খবৰ লৈছে, কিন্তু সেই মুহূৰ্তত খুৰীয়েকক লগ পাবলৈ সি বিন্দুমাত্ৰ আগ্ৰহ অনুভৱ কৰা নাই। কিছু সময়ৰ কাৰণে সি অকলশৰীয়া হ'ব বিচাৰে।

'আই গা ধুবলৈ গৈছে। তুমি বহা। আই এতিয়াই আহি পাব। আয়ে তোমালৈ মাটিমিঠা আম দুটা কেতিয়াবাৰে পৰা সাঁচি থৈছে।'

এৰিপলুৰ হেন্দালিখনত এৰাপাত দি দি আইকণে ক'বলৈ ধৰিলে।

বিক্ৰমে যাবলৈ বুলি খোজ আগবঢ়াই ক'লে—'মই এতিয়া বহিব নোৱাৰো। জৰুৰী কাম আছে। খুৰীদেউ আহিলে কবি—মই আবেলি আকৌ এবাৰ আহিম।'

মাৰল-ঘৰৰ দুৱাৰদলিত ভৰি দিয়েই বিক্ৰমে দেখিলে—অচিনাকি

ছোৱালীজনী তেতিয়াও একেথৰে তুৰাৰমুখত ঠিয় হৈ আছে। এইবাৰ যিহেতু সি ছোৱালীজনীক পিছফালৰ পৰাহে দেখিছে, সেই কাৰণে সি কিছুসময় তাইলৈ চাই ৰ'ল। ছোৱালীজনী ওখই প্ৰায় তাৰ সমানেই হ'ব। তাইৰ পিন্ধনত এখন মুগাৰ মেখেলা আৰু কপাহী বগা ব্লাউজ। এখন কপাহী চেলেং তাই মতা ল'ৰাৰ দৰে গাত ছাটি মাৰি লৈছে। ছোৱালীজনীৰ লগত চিনাকি হৈ তাইৰ লগত দুআষাৰ মান কথা পাতিবলৈ তাৰ ভীষণ ইচ্ছা হৈছিল, কিন্তু কথাষাৰ ভবাৰ লগে লগেই লাজত তাৰ কাণ-মূৰ ৰঙা পৰি উঠিল। হঠাৎ কিবা এটা ভাবি সি দুৱাৰমুখৰ পৰা ঘূৰি গৈ আপোন-মনে গুণগুণাই কাম কৰি থকা আইকণৰ কান্ধত হাত এখন থৈ মাততো সৰু কৰি ক'লে—'আইকণ।'

আইকণ চক খাই উঠিল। তাৰ পিছত বিক্ৰমক দেখি তাই ক'লে—'অ' তুমি। মোক ইমান ভয় খুৱাই দিলা পাই।'

বিক্ৰমে আইকণৰ কাণৰ ওচৰলৈ মুখ নি ক'লে—'বাহিৰত ঠিয় হৈ থকা ছোৱালীজনী কোন অ'? তইঁতৰ কিবা হয়নেকি?'

আইকণে উত্তৰ দিলে—'অ' বেণু বাইদেউৰ কথা কৈছা। তুমি ক'ব নোৱাৰানেকি—বেণু বাইদেউ এতিয়াৰ পৰা সদায় আমাৰ ঘৰত থাকিব। কালি আহিছে। মোমাইদেৱে আনি থৈ গৈছে। ভনটিক ৰাখিবলৈ আনিছে।'

ছোৱালীজনী সদায় আইকণহঁতৰ ঘৰত থাকিব? কথাষাৰ শুনি হঠাৎ বিক্ৰমৰ বুকুখন খুব পাতল লাগি গ'ল, কিন্তু কিয় লাগিল সি নিজেই তাৰ অৰ্থ বুজি নাপালে। দৌৰ মাৰি সি বাহিৰলৈ ওলাই গ'ল।

বিক্ৰমৰ ভৰিৰ শব্দ শুনি ছোৱালীজনীয়ে মুখ ঘূৰাই চালে। তাইৰ চকুত চকু পৰা মাত্ৰকতে বিক্ৰমৰ গোটেই শৰীৰৰ মাজেদি এনে এটা বিজুলীৰ সোঁত বৈ গ'ল যে তাৰ হঠাৎ কি কৰো কি নকৰো লাগি গ'ল। সি পিৰালিৰ পৰা চোতাললৈ মস্ত এটা জাপ মাৰি দিলে। খুব সম্ভৱ এটা বীৰত্বপূৰ্ণ বা চমকপ্ৰদ কাম কৰি ছোৱালীজনীক দেখুৱাবলৈ তাৰ

মন গৈছিল। কিন্তু লেঠাৰি-নিছিগা বৰষুণৰ ফলত শেলুৱা চোতালখন ইমান পিছল হৈ আছিল যে চোতালত ভৰি পৰাৰ লগে লগে ককালৰ জোৰা লৰি যোৱাকৈ সি ধেমেহ কৰে পিছলি পৰিল। বেচ কিছু সময় সি উঠিব নোৱাৰা হৈ মাটিতে তলমূৰ কৰি পৰি থাকিল। শৰীৰৰ কষ্টতকৈ লাজেহে তাক বেছি আধামৰা কৰি তুলিলে। যিটো মুহূৰ্তত জীৱনৰ আটাইতকৈ বীৰত্বপূৰ্ণ কামটো কৰিবলৈ তাৰ মন গৈছিল ঠিক সেই মুহূৰ্ততে তাৰ জীৱনৰ আটাইতকৈ লাজ-লগা ঘটনাটো ঘটিল। সি আকুলভাৱে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে—বসুমতী ফাট দিয়া পাতালে লুকাওঁ।

বিক্ৰম চোতালত পিছলি পৰাৰ লগে লগেই ছোৱালীজনীয়ে চিঞৰি উঠিব খুজিছিল, কিন্তু চিঞৰটো উজাই আহি ডিঙি পাওঁতেই তাই কোনোমতে তাক চেপি ৰাখিলে। কিংকৰ্তব্যবিমূঢ় হৈ তাই ব্যাকুল দৃষ্টিৰে ল'ৰাটোলৈ চাই থাকিব ধৰিলে। তাক হাতত ধৰি তুলি দিবলৈ তাইৰ খুব মন গৈছিল, কিন্তু লাজে তাইৰ বাট ভেটি ধৰিলে। কিন্তু কেবাটাও মুহূৰ্ত পাৰ হৈ যোৱাৰ পিছতো যেতিয়া বিক্ৰমে মাটিৰ পৰা উঠাৰ কোনো উমঘাম নকৰিলে, তেতিয়া আৰু ছোৱালীজনীয়ে বৈ থাকিব নোৱাৰিলে। চোতাললৈ নামি গৈ তাই তলমুৱা হৈ পৰি থকা বিক্ৰমৰ দুই বাউসীত ধৰি ঠিয় কৰাই দি সুধিলে—'খুব দুখ পালানেকি?'

লাজত মৃতপ্ৰায় হোৱা বিক্ৰমৰ ছোৱালীজনীৰ মুখৰ ফালে চাব পৰা অৱস্থা নাছিল। সি মূৰ জোকাৰি দুখ নাই পোৱা বুলি কৈ কোবাকুবিকৈ ঘৰৰ ফালে খোজ ললে।

আগদিনাৰ পৰাই বিক্ৰমৰ পানীলগা জ্বৰ হৈ আছিল; তাতে সেইদিনা ককালৰ জোৰা লৰি যোৱাকৈ পিছলি পৰাৰ ফলত আবেলিৰ ভাগলৈ তাৰ জ্বৰটো বেছি হৈ গ'ল। সি বিছনাৰ আশ্ৰয় ল'ব লগা হ'ল।

এজাপ কিতাপ লৈ সি বিছনাত পৰিল। বেছিভাগেই কবিতাৰ কিতাপ। তাৰ মাজতে ডঃ বাণীকান্ত কাকতিৰ 'সাহিত্য আৰু প্ৰেম' নামৰ কিতাপখন। এমাহ মানৰ আগতে তুলালৰ পৰা খুজি আনি কিতাপখন সি পঢ়িছিল। কিন্তু আজি সি আকৌ এবাৰ ডাণ্টে আৰু বিয়েত্ৰিছৰ কাহিনীটো পঢ়ি চোৱাৰ প্ৰয়োজন অনুভৱ কৰিলে।

জ্বৰ হৈ বিছনাৰ আশ্ৰয় ল'ব লগা হোৱাৰ কাৰণে বিক্ৰম মনে মনে ইমান সুখী হ'ল যে সি কেবাবাৰো ভগৱানক নীৰৱে ধন্যবাদ জনালে। ছোৱালীজনীয়ে বাউসিত ধৰি তাক মাটিৰ পৰা তুলি দিয়াৰ মুহূৰ্তৰ পৰাই বিক্ৰমৰ অন্তৰ্জগতত ইমানবোৰ বিচিত্ৰ ঘটনা ঘটি গৈছে যে সেইবোৰৰ অৰ্থ বুজিবলৈ তাৰ বহুত সময় নিৰলে থকাৰ প্ৰয়োজন হৈছে। পানীলগা জ্বৰটো বৰ সুবিধাজনক জ্বৰ। সি ইমান গহীন বিধৰ অসুখ নহয় যে সকলো সময়তে কোনোবাই তাক শুশ্ৰূষা বা খবৰ কৰি থাকিব লাগিব। অথচ পানীলগা জ্বৰত বিছনাত পৰি নাথাকিলেই নহয়। বেমাৰী হৈ বিছনাত পৰি থাকিব পাৰি, অথচ কোনেও বাৰে পতি খবৰ কৰি তাক আমনি কৰি নাথাকে। আজিৰ দিনটোত ইয়াতকৈ ডাঙৰ সৌভাগ্য আৰু কল্পনা কৰিব পাৰিনে?

ছোৱালীজনীয়ে তাক বাউসিত ধৰোতেই বিক্ৰমে যি অভিনব পুলক অনুভৱ কৰিছিল তাৰ স্মৃতি ৰোমন্থন কৰি কৰি সি বহুত সময় আপোন-পাহৰা হৈ ৰ'ল। অসংখ্যবাৰ সেই মুহূৰ্তটো পুনৰ যাপন কৰাৰ পিছত অন্ততঃ সাময়িকভাৱে যেতিয়া সি হেঁপাহ পলোৱা যেন অনুভৱ কৰিলে,

তেতিয়া সি 'সাহিত্য আৰু প্ৰেম'খন হাতত তুলিলৈ ডাণ্টে-বিয়েত্ৰিছৰ কাহিনী পঢ়িবলৈ আৰম্ভ কৰিলে। মাত্ৰ এমাহৰ আগতে সি সেই কাহিনীটো পঢ়িছিল ; কিন্তু তেতিয়া সেইটো আছিল হাজাৰটা জানিবলগীয়া কথাৰ মাজৰ এটা মাত্ৰ। কিন্তু আজি সি নিজেই ডাণ্টে। আৰু বিয়েত্ৰিছ ? কিতাপখন পঢ়া বন্ধ কৰি সি চকু মুদি কিছুসময় তাৰ বিয়েত্ৰিছৰ ৰূপ ধ্যান কৰিবলৈ ধৰিলে। সেই শান্ত করুণ মুখখন, চুলিত বৰষুণৰ কণিকা, দৃষ্টি কোন ৰহস্যময় সুদূৰত নিবদ্ধ, অনন্তকাল ধৰি যেন তেওঁ কাৰোবাৰ কাৰণে প্ৰতীক্ষা কৰি আছিল, আজি নিশ্চয় সেই প্ৰতীক্ষাৰ অন্ত পৰিল ? প্ৰবন্ধটো পঢ়ি শেষ কৰোঁতে আজি বিক্ৰমৰ বহুত সময় লাগিল, কাৰণ চকুৰে শব্দবোৰ পঢ়ি গলেও মগজটো প্ৰায়েই ব্যস্ত আছিল বিয়োত্ৰিছৰ শৰীৰী ৰূপৰ ধ্যানত। সেই কাৰণে পঢ়া কথাবোৰকে আকৌ সি বহুবাৰ পঢ়িব লগা হৈছিল। অৱশেষত প্ৰবন্ধটো পঢ়ি শেষ হ'ল। তাৰ পিছত সি কবিতাৰ কিতাপবোৰ এখন এখনকৈ পঢ়িবলৈ ধৰিলে···যতীন দুৱৰা, গণেশ গগৈ, দেবকান্ত বৰুৱা ······আগতে হাজাৰ বাৰ পঢ়া কবিতাবোৰে আজি তাৰ মনলৈ সঞ্চাৰিত কৰি দিলে নতুন অৰ্থ, নতুন বাণী, নতুন নিমন্ত্ৰণ। কবিতাবোৰ পঢ়ি থাকোতে একোবাৰ তাৰ অনুভৱ হ'ল—যেন প্ৰখৰ ৰ'দত বহুদূৰ বাট ভ্ৰমণ কৰি কৰি পিয়াহত সি ছাটিফুটি কৰি মৰিছিল, অৱশেষত সি ফটিকৰ ধাৰ যেন এখন নৈৰ শীতল পানী আঁজলি ভৰাই খাই প্ৰাণ ৰক্ষা কৰিব পাৰিলে ; আন এবাৰ অনুভৱ হ'ল—প্ৰচণ্ড জ্বৰত সি ভ্ৰম বকিবলৈ আৰম্ভ কৰিছিল, এনেতে কোনোবাই তাৰ মূৰত পানী ঢালি ঢালি তাৰ সংজ্ঞা ঘূৰাই আনিলে। কবিতাবোৰ পঢ়ি থাকোতে তাৰ আৰু বহুতো ন ন অভিজ্ঞতা হবলৈ ধৰিলে। লোৰ সজাত বন্দী চৰাই এটাই সীমাহীন সুনীল আকাশৰ ফালে চাই চাই মুকলি হ'বৰ কাৰণে সজাত মূৰ খুন্দিয়াই মৰিছিল, এনেতে কাৰোবাৰ এখন অদৃশ্য হাতে সজাটোৰ দুৱাৰখন খুলি দিলে আৰু চৰাইটো ভুকুং কৰে ওলাই গৈ মুক্তিৰ বিপুল আনন্দত ডেউকা মেলি আকাশত উৰিবলৈ ধৰিলে। দোকমোকালিৰ

কৰুণ পোহৰত এপাহ বগা পদুমৰ পাহিবোৰৰ এটা এটাকৈ মেল খাবলৈ আৰম্ভ কৰিছিল, কিছুসময় চাই থকাৰ পিছতেই পদুমপাহে সেই ছোৱালীজনীৰ মুখৰ ৰূপ ললে। সন্ধ্যাৰ শান্ত আকাশত এটা মাত্র তৰা ওলাইছিল, অলপ পৰৰ পিছত আৰু এটা ওলাল; বিক্রমে চাই থাকোতেই তৰা দুটাই লাহে লাহে ছোৱালীজনীৰ চকু দুটাৰ ৰূপ লৈ এনে কৰুণভাৱে তাক অসীম সুদূৰলৈ মাতিবলৈ ধৰিলে যে পৃথিৱীৰ সমস্ত মায়া ত্যাগ কৰি সেই মুহূর্ততে ক'ৰবাত উধাও হৈ যাবলৈ তাৰ মন গ'ল। এবাৰ সি তাৰ গালত ছোৱালীজনীৰ তপত নিশাহৰ স্পর্শ অনুভৱ কৰিলে আৰু লগে লগে তাৰ শৰীৰৰ প্রতিটো ৰক্ত-কণিকাই গান গাই উঠিল। বাউলী বতাহত ছোৱালীজনীৰ চুলিবোৰ উৰিবলৈ ধৰিলে, আৰু কোনোবা ৰহস্যময় সুদূৰৰ নিচান দেখাৰ নিচিনা অনুভৱ কৰি বিপুল বেদনাত তাৰ হৃদয়খন মোচৰ খাই উঠিল।

অৱশেষত দীর্ঘ ভ্রমণৰ ক্লান্তিত সি ধীৰে ধীৰে টোপনিৰ কোলাত ঢলি পৰিল।

॥ ৯ ॥

লাইব্রেৰিৰ কাৰণে কিতাপ গোটোৱা কাম আৰম্ভ হৈছে। যোগেন দদাইদেউৰ পৰামর্শ মতেই ঠিক হ'ল যে লাইব্রেৰিৰ কাৰণে ঘৰটো খৰালিৰ সময়ত সাজিলেহে ভাল হ'ব। ঘৰৰ কাৰণে টকা খৰচ কৰিবৰ কোনো দৰকাৰ নাই। খেৰ আৰু ইকৰা চাপৰিৰ পৰা ল'ৰাবোৰে নিজে কাটি আনিব লাগিব। খুটাৰ কাৰণে কাঠো নিজে কাটি আনিব লাগিব। বাকী বাঁহ-বেত আদি বস্তুবোৰ গাঁৱৰ প্রতিঘৰ মানুহৰ পৰা দান হিছাপে সংগ্রহ কৰা হ'ব। ঘৰটো হৈ নুঠালৈকে এতিয়া বিক্রমহঁতৰ ঘৰতে লাইব্রেৰিটো হ'ব।

খৰালি কেতিয়া হয় তাৰ কাৰণে ল'ৰাবোৰে ব্যাকুল আগ্রহেৰে বাট

চাবলৈ ধৰিলে। কাৰণ যোগেন দদাইদেউৰ নেতৃত্বত চাপৰিত/ খেৰ-কাঠ কাটি ফুৰাটো হ'ব এক বিৰাট উৎসৱ।

বিক্রমে এদিন দুলালক ক'লে, 'দুলাল, যাৰ যাৰ পৰা কিতাপ পাবলৈ আশা কৰিছিলো তেওঁলোক প্রায় সকলোৰে পৰা কিতাপ গোটোৱা হলেই। মই দিব খোজা কিতাপখিনিও বাছি থৈছো। এতিয়া বাকী আছা কেৱল তুমি। তোমাৰ কিতাপখিনি কেতিয়া দিবা?'

দুলালে ক'লে—'তুমি ঠিক সময়তে কথাটো উলিয়াইছা। কালি গধূলি মাত্র দেউতাই কৈছিল যে এদিন তোমাক আমাৰ ঘৰলৈ ভাত খাবলৈ মাতিব লাগে। দেউতাই সহজে কাকো মৰম নেদেখুৱায়। তোমাক যে ভাত খাবলৈ মতাৰ কথা কৈছে তাতেই বুজিবা যে দেউতাৰ মনত তোমালৈ খুব মৰম সোমাইছে। এটা কাম নকৰা কিয়? আজি ৰাতি তুমি আমাৰ ঘৰলৈ ভাত খাবলৈ আঁহা। গধূলিতে আহিবা। তেতিয়া ভাত খোৱাৰ সময়লৈকে আমি বহুত সময় পাম আৰু কিতাপখিনি দুয়ো লগ লাগি বাছিব পাৰিম।'

দুলালৰ কথা শুনি বিক্রমৰ শৰীৰৰ মাজেদি এটা আনন্দৰ সোঁত বৈ গ'ল। নিজৰ বংশ-পৰিয়ালৰ মানুহৰ বাহিৰে আন কাৰো ঘৰত সি আজিলৈকে নিমন্ত্রণ খাই পোৱা নাই। যাক বোলে নিমন্ত্রণ—সেইটো আজি'য়েই সি জীৱনত প্রথমবাৰৰ কাৰণে পালে। তাৰ মানে সি আৰু খুব সৰু ল'ৰা হৈ থকা নাই? নিমন্ত্রিত হ'বৰ জোখাৰে বয়স বাঢ়ি সিও এতিয়া ডাঙৰৰ শাৰীতেই পৰিবলৈ আৰম্ভ কৰিছে? মুহূর্ততে তাৰ বহুত কথা মনত পৰি গ'ল। সৰু হৈ থকাৰ কি যন্ত্রণা সেইটো ডাঙৰে কেনেকৈ বুজিব। এবাৰ সি তাৰ মোমায়েকৰ লগত এখন বিয়া খাবলৈ গৈছিল। ৰভাতলিত কিছুসময় বহাৰ পিছত সিহঁতৰ জলপান খাবলৈ ভিতৰলৈ যোৱাৰ সময় হ'ল। একেলগে বোধহয় ছয়-সাতজন মানুহ। সৰু ল'ৰা কেৱল বিক্রম। বিয়াঘৰীয়া কোনোবা এজনে তেওঁলোকক ভিতৰলৈ আদৰি লৈ গৈছে। বিক্রমে ভিতৰৰ ঘৰত ভৰি দিয়েই দেখিলে—বহুত মানুহে যদিও মজিয়াত ঢাৰিত বহি জলপান খাইছে,

কিন্তু বেৰৰ কাষলৈ কেইজনমান মানুহৰ কাৰণে চকী-টেবুলবো আয়োজন কৰা হৈছে। মোমায়েকৰ পিছে পিছে বিক্রমেও চকীত বহিবলৈ গ'ল। সি মোমায়েকৰ কাষতে চকী এখনত টিকাটো পেলাব খুজিছে মাত্র, এনেতে এজন মানুহ তিতা-ডাঁহ অহাৰ দৰে দৌৰি আহি তাক হাতত ধৰি প্রায় টান মৰাৰ দৰে কৰি ক'লে—'মইনা, মইনা, তুমি সৌ ঢাৰিখনত বহা দেই। এইবোৰ চকী-মেজত ডাঙৰ মানুহেহে বহিব লাগে।'

জলপান খাই ব্যস্ত হৈ থকা কোনো মানুহেই হয়তো এই সামান্য ঘটনাটো লক্ষ্য কৰা নাছিল, কিন্তু বিক্রমৰ ভাব হ'ল যে সকলো মানুহৰ চকুৰ আগতে তাক যেন ডাঙৰ অপমান কৰা হ'ল। তাৰ অকণমানি জীৱনত ইমান সাংঘাটিক অপমান ইয়াৰ আগতে সি কেতিয়াও পোৱা নাছিল। তাৰ চকু ফাটি পানী ওলাই আহিল। চকুত কুটা পৰাৰ নিচিনা ভাও দেখুৱাই সি চকুপানীখিনি মচি মচি মজিয়াত ঢাৰিত বহিলগৈ হয়, কিন্তু তাৰ পাছৰ সময়খিনি কেনেকৈ পাৰ হ'ল সি ক'ব নোৱাৰে। অপমানৰ জ্বালাত সি ভিতৰি ভিতৰি দহিবলৈ ধৰিলে।

সেই ঘটনাটোৱে তাৰ মনত ইমান দকৈ দাগ কাটি গৈছিল যে দুলালে ভাতৰ নিমন্ত্রণ কৰাৰ লগে লগেই পোনছাটে তাৰ সেই কথাটোহে মনত পৰিল।

গধুলি নামঘৰত ডবা কোবোৱাৰ লগে লগে বিক্রম দুলালহঁতৰ ঘৰ ওলালগৈ। দুলালৰ দেউতাকক পুলিচৰ সাজত দেখিলে বিক্রমৰ বৰ ভয় লাগে; কিন্তু ঘৰত চুৰিয়া আৰু বনিয়ন পিন্ধি থকা মানুহজন একেবাৰে বেলেগ মানুহ। কেৱল সাজ-পোছাকেই একোজন মানুহৰ ৰূপ কিভাবে সলাই দিব পাৰে সেই কথা দুলালৰ দেউতাকক দেখিয়েই বিক্রমে জীৱনত প্রথম বাৰৰ কাৰণে অনুভৱ কৰিছে। বিক্রমে ঘৰত ভৰি দিবৰ সময়ত তেওঁ কাঠৰ আৰামী বেঞ্চ এখনত দীঘল দি পৰি বনিয়নটো বুকুলৈকে টানি পেটটো উলিয়াই বিচনী এখনেৰে নিজকে বিচি আছিল। বিক্রমক দেখি তেওঁ বহি লৈ অতি মৰমেৰে তাক মাত লগালে—'অ' বিক্রম, তুমি ঠিক সময়তে আহিলা। মই তোমাৰ কথাই ভাবি

আছিলো।……অ' ফুলুমণি, ফুলুমণি, তোৰ বন্ধু আহি পালেহি, এতিয়া মাৰক কৈ আমাৰ আটাইৰে কাৰণে কিবাকিবি খোৱা বস্তু আন। তোমাৰ কথা কিয় ভাবি আছিলো জানা ? অলপ আগতে নৈঘাটত তোমাৰ দেউতাৰক লগ পালো। তোমাক সোনকালে পঠাই দিবলৈ ক'লো। দেউতাৰে ক'লে—'তাক খাবলৈ মাতিছে হয়, পিছে খোৱাই হলে একো সুখ নাপাব। তাৰ খোৱা-বোৱাত একেবাৰেই ৰুচি নাই। নেদেখিছে, নাখাই নাখাই তাৰ কেনেকুৱা কেং-মৰা চেহেৰা হৈছে। স্বাস্থ্যবোধে অলপ যত্ন ল'ব লাগে সেই কথা তাক বুজাবচোন। আমাৰ কথা সি একেবাৰেই শুনিব নোখোজে। হয়নে কথাটো ?'

ইতিমধ্যে ফুলালো বাহিৰলৈ আহি বিক্ৰমৰ কাষতে মূঢ়া এটাত বহিছে আৰু দেউতাকৰ কথা শুনি মিচিক মিচিক হাঁহিবলৈ লৈছে।

ফুলালৰ দেউতাকৰ কথা শুনি বিক্ৰমে লাজতে তলমূৰ কৰিলে।

ফুলালৰ দেউতাকে আকৌ ক'বলৈ ধৰিলে—'শুনা, এই সংসাৰত জীৱনৰ পৰিপূৰ্ণ আনন্দ উপভোগ কৰি মানুহৰ দৰে বাচি থাকিবলৈ হ'লে মানুহক শক্তি লাগে। পৰিশ্ৰম কৰিবলৈ শক্তি লাগে। উন্নতি কৰিবলৈ শক্তি লাগে। কিন্তু শক্তি ক'ৰ পৰা আহিব ? সি শূন্যৰ পৰা আহিব নেকি ? খাদ্যই হ'ল শক্তিৰ উৎস। দেহক যিমানখিনি খাদ্যৰ প্ৰয়োজন সেইখিনি পূৰাদমে খাবা ; তাক হজম কৰিবৰ কাৰণে শাৰীৰিক পৰিশ্ৰম বা ব্যায়াম কৰিবা ; খাদ্যৰ পৰা যি শক্তি পাবা তাৰে জীৱনটো উপভোগ কৰিবা। তোমালোকে যে খাব নোখোজা তাৰ কাৰণে অৱশ্যে মই তোমালোকক বৰকৈ দুষিব নোখোজো। আমাৰ দেশৰ শিক্ষাই তাৰ কাৰণে দায়ী। এই শিক্ষাই জন্মৰ মুহূৰ্তৰ পৰাই আমাৰ মানুহৰ মূৰত সন্ন্যাস-বৈৰাগ্য-ত্যাগ আদি বাজে কথাবোৰ সোমোৱাই দিয়ে আৰু ইহকালতকৈ পৰকালৰ ধান্দা বেছিকৈ সোমোৱাই দিয়ে। চব বাজে কথা, বুজিছা। তুমি মাহ-চাউল, কল-মিঠৈ খাই পৃথিৱীৰ শক্তিশালী জাতি-বোৰৰ লগত কেনেকৈ প্ৰতিযোগিতা কৰিবা ? যিবোৰে মাছ-মঙহ দকচি খাব সিহঁতেই এই পৃথিৱীৰ মালিক হ'ব ; ৰবতীয়া হৈ পৰকালৰ ধান্দাত

থকাবোৰ হ'ব সিহঁতৰ গোলাম। তুমি কি হ'ব খোজা? মালিক নে গোলাম?'

ডুলালৰ দেউতাকৰ কথা শুনি বিক্ৰম অলপ আচৰিত হ'ল। জ্ঞান হ'বৰ দিন ধৰি সি ঘৰে-পৰে শুনি আহিছে ত্যাগ আৰু সন্ন্যাসৰ কথা; পৰকালত মুক্তিৰ কাৰণে ইহকালত সুখ-সম্ভোগ বিসৰ্জন দিয়াৰ কথা; ভোগতকৈ ত্যাগৰ শ্ৰেষ্ঠত্বৰ কথা। তাৰ কুমলীয়া মনে সেই শিক্ষাবোৰ ইমান শুদ্ধ বুলি গ্ৰহণ কৰিছে যে এতিয়াৰ পৰাই সি এই জগতখনক মায়া বুলি ভাবিবলৈ শিকিছে আৰু আনন্দ-দায়ক সকলো বস্তুকেই সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিছে। কিন্তু এই মানুহজনে কয় কি? ঋষি-মুনিসকলে কৈ যোৱা সকলো কথাকেই তেওঁ একে আষাৰে বাজে কথা বুলি কৈ পেলালে! ত্যাগ কৰাতকৈ দকচি খোৱাটোকহে তেওঁ বেছি ভাল কথা বুলি ক'লে! এনে কথা বিক্ৰমে জীৱনত আগতে কেতিয়াও শুনা নাছিল। তাৰ কৌতূহলী মনটো চিন্তাৰ এটা নতুন খোৰাক পোৱাৰ আশাত মুহূৰ্ততে সজাগ হৈ উঠিল। 'কিন্তু···কিন্তু···'—সি সেপ ঢুকি ক'বলৈ ধৰিলে—'কিন্তু শাস্ত্ৰত দেখোন লেখা আছে যে ভোগতকৈ ত্যাগ শ্ৰেষ্ঠ আৰু মানুহে ইহকালৰ সুখতকৈ পৰকালৰ মুক্তিৰ কথাহে বেছিকৈ চিন্তা কৰিব লাগে। আমাৰ চাৰসকলে সদায় আমাক এই কথা কয়। আমাৰ দেউতায়ো কয়।'

বিক্ৰমক চক খোৱাই দি ডুলালৰ দেউতাকে বিৰাট শব্দ কৰি ঢেক-ঢেকাই হাঁহি উঠিল। হাঁহিৰ কোবত তেওঁ উদং পেটৰ চৰ্বিবোৰ ভূমিকম্পত পৃথিৱী কঁপাৰ দৰে কঁপিবলৈ ধৰিলে। কিছু সময়ৰ মূৰত কোনোমতে হাঁহিটো সামৰি তেওঁ ক'লে—'ত্যাগ? হাঃ হাঃ হাঃ। বিক্ৰম, মই তোমাৰ চাৰসকল বা তোমাৰ দেউতাৰৰ নিচিনা কিতাপ পঢ়া পণ্ডিত নহওঁ। শাস্ত্ৰত ত্যাগ-ফ্যাগ কি লেখা আছে মই নাজানো। কিন্তু সাধাৰণ বুদ্ধিৰে সৈতে এটা কথা মই জানো যে পৃথিৱীখনৰ ভাল বস্তুবোৰ ভোগ কৰা যদি পাপ, তেন্তে সৃষ্টিকৰ্ত্তাই এইবোৰ কেতিয়াও সৃষ্টি নকৰিলেহেঁতেন। তোমাৰ ঋষি-মুনি বা সাধু-মহাত্মাবোৰে এই পৃথিৱীখন

সৃষ্টি কৰিছেনেকি? ফুলৰ ৰূপ আৰু সুগন্ধ, ফলৰ সোৱাদ, হৰিণৰ মাংসৰ জুতি—এইবোৰ তোমাৰ ঋষি-মুনিবোৰে সৃষ্টি কৰিছেনেকি? যিবোৰ বস্তু তেওঁলোকে নিজে সৃষ্টি কৰা নাই, সেইবোৰৰ অৰ্থ বা উদ্দেশ্য তেওঁলোকে কেনেকৈ বুজি পাব? আৰু এটা কথা ভাবি চোৱাচোন। এই জগতখন আৰু ইয়াৰ আটাইবোৰ বিনন্দীয়া বস্তু সৃষ্টি কৰিছে ঈশ্বৰে। কিন্তু মানুহে যদি কয় যে এই জগতখন আচল জগত নহয় আৰু ইয়াৰ বস্তুবোৰ ভোগ কৰাটোও পাপ, তেন্তে খোদাৰ ওপৰত খোদকাৰি কৰা নহ'লনে? অৰ্থাৎ ঈশ্বৰৰ সৃষ্টিক বেয়া বুলি কৈ ঈশ্বৰকেই বেয়া বুলি কোৱা নহ'লনে? তোমাৰ নিজৰ কথাকেই ধৰাচোন। আজি তোমাক আমাৰ ঘৰলৈ আদৰ-সাদৰ কৰি নিমন্ত্ৰণ কৰি আনিছো—এসাজ খোৱাম বুলি। থুৰীয়েৰে জনাই-নজনাই মাছে-মঙহে দহ-বাৰখন আঞ্জা বান্ধিছে তোমাৰ কাৰণে। তুমি যদি খাবলৈ বহি আটাইবোৰ বস্তু বেয়া বুলি কৈ তাত পানী ঢালি দিয়া, তেন্তে আমাৰ মনটো কেনেকুৱা লাগিব? মোৰ সাধাৰণ বুদ্ধিয়ে কয় যে ঈশ্বৰে এই বিনন্দীয়া পৃথিৱীখন সৃষ্টি কৰিছে তেওঁৰ প্ৰিয় সন্তান মানুহৰ ভোগৰ কাৰণে। যি মানুহে এই পৃথিৱীখনক মায়া বুলি কয় বা ভোগ কৰাটোক পাপ বুলি কয়, তেওঁতকৈ পাপী আৰু কোনো নাই, কাৰণ সেই মানুহে ঈশ্বৰৰ মৰমৰ উপহাৰ দলিয়াই দি ঈশ্বৰৰ মনতেই দুখ দিয়ে।...এ ৰবা, তোমাক লেকচাৰ দি দি মোৰ ভোকেই লাগি গ'ল। হেৰা বোলো শুনিছানে—তোমাক দেখোন অথনিয়েই কৈছিলো যে বিক্ৰম অহাৰ লগে লগেই আমাক একো প্লেটকৈ হৰিণৰ লিভাৰ-ভজা দিবা। কি কৰিছা ইমান পৰে?'

হঠাৎ কোঠাটো ধোঁৱা বলি থকা গৰম মাংসৰ গোন্ধত মকমকাই উঠিল। কাৰণ ঠিক সেই মুহূৰ্ততে দুলালৰ মাকে এখন প্ৰকাণ্ড কাঁহৰ কাঁহীৰ ওপৰত তিনিখন মাংসৰ প্লেট সজাই লৈ দুৱাৰ-মুখত আহি ঠিয় দিলেহি। মাংসৰ গোন্ধটো পায়েই দুলালৰ দেউতাকৰ মুখখন জিভাৰ পানীৰে ভৰি পৰিল; কোনোমতে সেপ ঢুকি তেওঁ ক'লে—'তুমি আকৌ

এইখন কি হুষ্টালি আৰম্ভ কৰিলা। এটা গোট হৰিণা পছুৰ লিভাৰ মাত্র এইকণহে ওলালনে ?'

হুলালৰ মাকে কপট খং প্রকাশ কৰি ক'লে—'আও ভাল ৰাক্ষসটো ওলালেহি অ'। আগতে এইখিনিকে খাই শেষ কৰকচোন। পিছত আৰু যিমান লাগে দিম। আপোনাৰ চিঞৰ-বাখৰত মাংস ভালকৈ সিজিবলৈ নাপালেই। আধা-সিজা মাংসকে খাওক এতিয়া।'

হুলালৰ দেউতাকে মাংসৰ প্লেট এখন তুলি লৈ বিক্রমৰ ফালে চাই ক'লে—'তুমি খুৰীয়েৰৰ কথা বিশ্বাস নকৰিবা দেই বিক্রম। এওঁৰ মুখত এটা, পেটত এটা। মানে মুখত তিতা, পেটত মিঠা। মাংস ঠিকেই সিজিছে, তুমি ভয় নকৰিবা। তাৰোপৰি লিভাৰ ভাজি খোৱাতকৈ একেবাৰে কেঁচাই খোৱাহে বেছি ভাল—যদি কোনোবাই খাব পাৰে। মোৰ লগত চিকাৰত সদায় পানীৰাম নামৰ মানুহ এটা ফুৰে। তাৰ এটা আচৰিত অভ্যাস আছে। চিকাৰত পছু পৰিলেই সি পছুৰ বুকু ফালি আগমঙহ অকণমান কাটি উলিয়াই কেঁচাই কেঁচাই খাবই। হাজাৰ হাক দিলেও সি নুশুনে। তাৰ পিছত সি জুই একুৰা ধৰি পছুটোৰ কাণ দুখন কাটি থিতাতে জুইত পুৰি খাব। তাৰ পিছতহে সি পছুৰ ভাৰ লৈ ঘৰলৈ অহাৰ কথা চিন্তা কৰিব।'

পৰম তৃপ্তিৰে ভজা মাংস চোবাই চোবাই হুলালৰ দেউতাকে ক'লে—'বিক্রম, তুমি মোৰ কথাবোৰ শুনি শুনি মোক ছাগৈ মহা অধৰমী বুলি ধৰি লৈছা। ধৰ্মৰ অযুক্তিকৰ আজগুবি কথাবোৰ বিশ্বাস নকৰাটো যদি অধৰমীৰ কাম হয়, তেন্তে মই নিশ্চয় অধৰমী। কোনো কোনো ধৰ্মই মানুহক এই শিক্ষা দিয়ে যে এই জগতখন বোলে মায়া মাত্র; মানুহৰ কৰ্তব্য হ'ল এই জগতখনৰ ফালে সম্পূৰ্ণ পিঠি দি কেৱল এখন কাল্পনিক পৰকালৰ চিন্তা কৰা। মই ক'ব খোজো যে ইয়াতকৈ ডাঙৰ পাপ আন একোৱেই নাই। ঈশ্বৰৰ পৰম সুন্দৰ সৃষ্টি এই জগতখনক অস্বীকাৰ কৰা মানে ঈশ্বৰৰ মহত্বকেই অস্বীকাৰ কৰা। দ্বিতীয়তে, কোনো কোনো ধৰ্মই শিক্ষা দিয়ে যে জন্ম-মৃত্যুৰ চক্ৰৰ পৰা মুক্তি লাভ কৰি পৰম ব্ৰহ্মত

বিলীন হৈ যোৱাটোৱেই বোলে মানুহৰ একমাত্র সাধনা হোৱা উচিত। কথাষাৰ শুনিলেই মোৰ উকটি উকটি হাঁহি উঠিব খোজে। পৃথিৱীৰ জীৱ মাত্রেই মৃত্যুৰ পিছত পৰম ব্রহ্মত লীন হৈ যাবই, অর্থাৎ সকলো প্রাণীয়েই মৃত্যুৰ পিছত মাটিত বিলীন হৈ যাব। তাৰ কাৰণে আকৌ তপ-জপ, ধর্ম-কর্মৰ দৰকাৰ কি? অথচ এই অর্থহীন কথাবোৰকে গাই-বাই মানুহে যে কিমান হাজাৰ হাজাৰ বছৰ নষ্ট কৰিছে!'

আৰু একাঁহী গৰম মাংস লৈ দুলালৰ মাক সোমাই আহিল। কোঠাটোৰ সোঁ-মাজতে ঠমকি ৰৈ তেওঁ ক'লে—'ওঠ চেপিলে গাখীৰ ওলোৱা এই ফুকলীয়া ল'ৰাকেইটাৰ আগত সেইবোৰ বৰ বৰ কথাৰ লেকচাৰ মাৰি সিহঁতৰ কণা-মাকবি সৰুৱাইছে কিয় আপুনি? আপোনাৰ সেই অধৰমী কথাবোৰ শুনোতা কোনো নাই কাৰণে ইহঁতৰ আগতে পণ্ডিতালি দেখুৱাইছে হ'বলা। দুলুমণি, তই বিক্রমক লৈ তোৰ পঢ়া-কোঠালৈ যা। তই দেখোন গধূলিতেই মোক কৈছিলি—দুই বন্ধুৰে লগ লাগি কিবা কিতাপ চোৱাৰ কথা আছিল বোলে। যা, যা, তহঁতৰ ভাগৰ মাংস মই তাতেই দিমগৈ।'

যাবলৈ বুলি ঠিয় হৈ দুলালে ক'লে—'আমাক আৰু মাংস নালাগে মা। এতিয়াই মাংস খাই পেট ভৰালে পিছত ভাত খাবলৈ ভোকেই নাথাকিব দেখোন।'

বিক্রমে কিন্তু দুলালৰ দেউতাকৰ কথাবোৰ শুনি অকণো আমনিতো পোৱা নাছিলেই, বৰং এটা অপূর্ব অভিজ্ঞতা লাভ কৰাৰ উত্তেজনাহে অনুভৱ কৰিছিল। কিন্তু দুলালৰ মাকৰ নির্দেশ অমান্য কৰা সম্ভব নহয়। তদুপৰি দুলালৰ কিতাপবোৰ চোৱাৰ লোভটোতো আছেই। সিও যাবলৈ বুলি ঠিয় হ'ল।

বহুতদিনৰ মূৰত মনৰ হেপাহ পলুৱাই কথা ক'বলৈ পাই দুলালৰ দেউতাকৰ মনটো ভাল লাগি আছিছিল; কিন্তু হঠাতে শ্রোতা হেৰুৱাৰ লগীয়া হোৱাত তেওঁৰ মুখখন ক'লা পৰি গ'ল। তথাপিতো নিজকে চম্ভালি লৈ তেওঁ মুখত হাঁহি ফুটাই ক'লে—'বিক্রম বৰা। যোৱাৰ আগতে

আৰু এটা কথা কওঁ। আজি তোমালোক দুয়োৰে মাজত খোৱাৰ কম্পিটিশ্বন্ হ'ব। যিয়েই বেছিকৈ খাব পাৰিবা তাকে মই এটা পুৰস্কাৰ দিম। এতিয়া খোৱা।'

'কি পুৰস্কাৰ দিবা দেউতা ?'—আনন্দত উজ্জ্বল হৈ দুলালে প্ৰশ্ন কৰিলে।

দুলালৰ দেউতাকে ডাঙৰ মাংস এটুকুৰা মুখত ভৰাই ক'লে—'ওহোঁ, সেই কথা মই এতিয়াই কেতিয়াও প্ৰকাশ নকৰো। পুৰস্কাৰ কি পাবি আগতেই জানিলে পুৰস্কাৰ পোৱাৰ আনন্দই দেখোন আধা মাটি হৈ যাব।'

ভাত-পানী খাই শেষ হওঁতে থানাত নটা বজাৰ ঘণ্টা বাজি উঠিল। গাঁৱত ন বজা মানেই বহুত ৰাতি। বিক্ৰমে সকলোৰে পৰা বিদায় লৈ যাবলৈ ওলাল। দুলালৰ দেউতাকে তাক বাৰে বাৰে ক'বলৈ ধৰিলে যে এটা চিপাহিয়ে গৈ তাক ঘৰত থৈ আহিব। তেওঁ মাজতে এই বুলিও ধমক দিলে যে তেওঁ কেতিয়াও বিক্ৰমক অকলে ঘৰলৈ যাবলৈ নিদিয়ে ; লগত চিপাহি এটা যাবই। কিন্তু স্বভাবতে বাধ্য আৰু শান্ত প্ৰকৃতিৰ বিক্ৰমে সেইদিনা এটা আচৰিত জেদ ধৰিলে। সি অকলেই ঘৰলৈ যাব। সি কেতিয়াও চিপাহিক লগত লৈ ঘৰলৈ নাযায়। সি এতিয়া ইমান সৰু হৈ থকা নাই বা ইমান ভয়াতুৰ নহয় যে এই এক ফাৰ্লং বাট সি অকলে ঘৰলৈ যাব নোৱাৰিব। বিক্ৰমৰ জেদৰ ওচৰত অৱশেষত দুলালৰ দেউতাকেই হাৰ মানিব লগা হ'ল।

আচলতে সেই গোটেই সন্ধিয়াটো বিক্ৰমৰ অকণমানি জীৱনটোত আছিল এটা অভিনৱ ঘটনা। জীৱনত এই প্ৰথম সি এঘৰ মানুহলৈ প্ৰধান নিমন্ত্ৰিত অতিথি হৈ খাবলৈ আহিল ; তাৰ দেউতাকৰ বয়সীয়া এজন মানুহে তাক সমান বন্ধুৰ মৰ্যাদা দি তাৰ লগত নানা গুৰু-গম্ভীৰ কথা পাতিলে ; অভ্যস্ত ৰুটিনৰ বাহিৰত সি বন্ধুৰ ঘৰত মনৰ হেঁপাহ পলুৱাই কথা পাতি এটা সন্ধিয়া কটালে ; বিক্ৰমৰ এনেহে অনুভৱ হ'ল

যেন আজিয়েই সি শৈশবৰ দিনবোৰ অতিক্ৰম কৰি যৌৱনৰ তুৱাৰ-দলিত ভৰি দিলে। আজিৰ এই অভিনব সন্ধিয়াটোক সি সম্পূৰ্ণ নিঃশেষকৈ উপভোগ কৰিব খোজে। সাঁজ ভগাৰ পিছত সি আজিলৈকে কলৈকো অকলে গৈ পোৱা নাই। আজি এটা অপূৰ্ব সুযোগ আহি উপস্থিত হৈছে। ৰাতি ন বজাৰ পিছত সুপ্ত নীৰৱ গাঁৱৰ নিৰ্জন বাটেদি সি অকলে ঘৰলৈ গৈ প্ৰমাণ কৰিব যে সি আৰু সৰু ল'ৰা হৈ থকা নাই; সি ডাঙৰ হৈছে; আজিৰ পৰাই তাৰ জীৱনৰ এটা নতুন অধ্যায়ৰ সূচনা হৈছে।

তুলালৰ দেউতাক আৰু তুলালে বিক্ৰমক আলিবাটলৈকে আগবঢ়াই দিলে। চোতালত ভৰি দিয়েই তুলালৰ দেউতাকে ক'লে—'আৰে, কি আচৰিত কথা। ইমান সুন্দৰ জোনাক ৰাতি, অথচ ইতিমধ্যেই এজাক বৰষুণ আহিল আৰু গলো। খোৱাত মছগুল হৈ থাকোতেই কেতিয়া যে বৰষুণ আহিল, কেতিয়া যে গ'ল, একো ক'বই নোৱাৰিলো।'

তুলালহঁতৰ পৰা বিদায় লৈ বিক্ৰমে ঘৰৰ ফালে খোজ দিবলৈ ধৰিলে। অলপ দূৰ গৈ সি পিছলৈ এবাৰ ঘূৰি চালে। নাই, তুলাল আৰু দেউতাক ইতিমধ্যেই ঘৰলৈ ঘূৰিছে। বাটৰ সোঁ-মাজতে থমকি ৰৈ সি চাৰিওফালে এবাৰ চাই পঠিয়ালে। আকাশত এতিয়াও বহুত খণ্ড খণ্ড ডাৱৰ; কিন্তু ডাৱৰে জোনটোক ঢাকিব পৰা নাই। জোনাকে পৃথিৱীখন ওপছাই পেলাইছে, কিন্তু ডাৱৰৰ বুকুত প্ৰতিফলিত হৈ অহাৰ কাৰণে জোনাকবোৰ যেন খুব বিষণ্ণ আৰু করুণ। বাটৰ কাষৰ গছবোৰৰ পৰা বতাহৰ সামান্য জোঁকাৰণিতে বৰষুণৰ টোপালবোৰ জৰ্‌জৰ্‌কৈ সৰি পৰিছে আৰু তাৰ শব্দই ৰাতিৰ সেই করুণ আৰ্দ্ৰ জোনাকী নীৰৱতাক শিহৰিত কৰি তুলিছে। বৰষুণত তিতি থকা ঘৰৰ খেৰৰ চালবোৰত জোনৰ পোহৰে চিকমিকনি তুলিছে। গোহালিৰ গৰুবোৰৰ উশাহ-নিশাহৰ শব্দ আৰু সিহঁতৰ ঘাঁহ পাগুলাৰ মৃদুতম শব্দ বতাহত ভাহি আহিছে। আকাশত মাত্ৰ কেইটামান তৰা দেখা গৈছে, কিন্তু সিহঁতক ইমান করুণ যেন দেখাইছে যে বেছি পৰ চাই থাকিলে চকু

হুটা আপোনা-আপুনি সজল হৈ উঠিব খোজে। সুপ্ত গাঁৱৰ নির্জন বাটত ঠিয় হৈ বিক্রমে জীৱনত প্রথম বাৰৰ কাৰণে তাৰ পৃথিৱীখনক আৱিষ্কাৰ কৰিলে; প্রথম বাৰৰ কাৰণে সি সম্পূর্ণ অকলশৰে পৃথিৱীৰ মুখামুখি হৈ ঠিয় দিলে। পৃথিৱীখন ইমান সুন্দৰ—সি নিজকে ক'লে—অথচ ইমান করুণ! এটা অদ্ভুত আবেগত তাৰ সমগ্র দেহ-মন শিহৰিত হৈ উঠিল। সি খোজ দিবলৈ আৰম্ভ কৰিলে। একে সময়তে ইমানবোৰ বিচিত্র আবেগে তাক জুমুৰি দি ধৰিলে যে সি নিজেই সেইবোৰৰ একো অর্থ বিচাৰি নাপালে। কিন্তু এটা কথা সি স্পষ্টকৈ অনুভৱ কৰিলে যে সি এটা অপূর্ব পুলক অনুভৱ কৰিছে—যাৰ কাৰণ সি নাজানে; সি এটা আচৰিত ভয়ৰ শিহৰণ অনুভৱ কৰিছে—যাৰ কাৰণ সি নাজানে; সি এটা গভীৰ বিষাদ অনুভৱ কৰিছে—যাৰ কাৰণ সি নাজানে।

॥ ১০ ॥

ৰাতিপুৱা শুই উঠি পঢ়া-কোঠালৈ গৈ বিক্রমে দেখিলে—টেবুলৰ ওপৰত কিতাপ এখন পৰি আছে। 'ব্রহ্মচর্য'। তেতিয়াহে তাৰ মনত পৰিল যে আগদিনা লাইব্রেৰিৰ কাৰণে দুলালৰ কিতাপবোৰ বাছোতে 'ব্রহ্মচর্য' নামৰ কিতাপখন পাই সি পঢ়িবলৈ বুলি খুজি আনিছিল। সেই কিতাপখন দুলালে কোনোবা এবছৰ শ্রেণীত প্রথম হোৱাৰ কাৰণে বঁটা হিছাপে পাইছিল। বিক্রমে প্রায় একে কেইখন কিতাপকে বছৰৰ পিছত বছৰ বঁটা হিচাপে পাই থাকে; কিন্তু দুলালে প্রায় প্রতি বছৰেই নতুন নতুন কিতাপ পায়। 'ব্রহ্মচর্য' নামৰ কিতাপ এখনৰ কথা বিক্রমে ইয়াৰ আগতে কেতিয়াও শুনা নাছিল। মাত্র কেইমাহমানৰ আগতে বিক্রমে স্কুলৰ লাইব্রেৰিৰ পৰা মহাত্মা গান্ধীৰ 'মোৰ সত্য অন্বেষণৰ কাহিনী' নামৰ কিতাপখন আনি পঢ়িছিল। 'ব্রহ্মচর্য' শব্দটোৰ লগত তাতেই তাৰ প্রথমবাৰৰ কাৰণে ভালকৈ পৰিচয় হয়। সেই কাৰণে দুলালৰ লাইব্রেৰিত 'ব্রহ্মচর্য' নামৰ কিতাপ এখন দেখা মাত্রে সেইখন

পঢ়ি চাবলৈ বিক্ৰমৰ ভীষণ ইচ্ছা হ'ল। কিন্তু কিতাপখন হাতত লৈ দুলালৰ ঘৰৰ পৰা ওলাই আলিবাটত ভৰি দিয়াৰ লগে লগে সি এনে এখন স্বপ্নৰ জগতত প্ৰবেশ কৰিলে যে কিতাপখনৰ কথা সি সমূলি পাহৰিয়েই গ'ল। সেই কাৰণে ৰাতিপুৱা পঢ়াৰ টেবুলত কিতাপখন দেখি সি প্ৰায় আচৰিত হোৱাৰ দৰেই হ'ল। অৱশ্যে লগে লগে আগদিনাৰ সকলো কথা তাৰ মনত পৰি গ'ল।

যি কোনো নতুন কিতাপে বিক্ৰমক চুম্বকৰ দৰে টানে। সেইখন পঢ়ি শেষ নকৰালৈকে সি খোৱা-বোৱা, খেলা-ধুলা ইত্যাদি আন একো কথাতে মন দিব নোৱাৰে। ভোক-পিয়াহৰ দৰেই কিতাপৰ প্ৰতি প্ৰচণ্ড লোভেও যে শাৰীৰিক যন্ত্ৰণাৰ সৃষ্টি কৰিব পাৰে তেনে অভিজ্ঞতা তাৰ বহুত বাৰ হৈছে। তাৰ প্ৰথম তেনে অভিজ্ঞতা হৈছিল কেবাবছৰৰ আগতে—সি যেতিয়া দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ আছিল। সিহঁতৰ শ্ৰেণী-শিক্ষক মাণিক বৰুৱাই সদায় কিবা নহয় কিবা এখন কিতাপ হাতত লৈ শ্ৰেণীলৈ আহিছিল আৰু ল'ৰাবোৰক অংক কৰিবলৈ বা হাতৰ আখৰ লিখিবলৈ লগাই দি তেওঁ নিজে কিতাপ পঢ়ি থাকিছিল। এদিন তেনেকৈ তেওঁ হাজিৰা মাতি ল'ৰাবোৰক কামত লগাই দিয়েই কিতাপ এখন পঢ়িবলৈ আৰম্ভ কৰি দিছে। বিক্ৰমে সদায় প্ৰথম শাৰীৰ বেঞ্চখনত বহে। মাত্ৰ কেইদিনমান হ'ল সিও সাধুকথাৰ কিতাপ পঢ়িবলৈ আৰম্ভ কৰিছে আৰু সেই অত্যাশ্চৰ্য জগতত প্ৰবেশ কৰি এক নতুন ধৰণৰ মাদকতাৰ লগত সি পৰিচিত হৈছে। যি কোনো কিতাপেই তাৰ চকু টনা হৈছে। অংক কৰি থাকোতেই হঠাৎ এবাৰ শিক্ষকৰ হাতৰ কিতাপখনলৈ তাৰ চকু গ'ল। কিতাপখনৰ নামটো পঢ়িবলৈ সি চেষ্টা কৰিলে। কিন্তু শিক্ষকজনে পঢ়াৰ সুবিধাৰ কাৰণে এনে এটা ভঙ্গীত কিতাপখন হাতেৰে ধৰি আছে যে নামটো চকুত পৰাতো অসম্ভৱ। কিন্তু বিক্ৰমে হঠাৎ বুজি পালে যে কিতাপখনৰ নামটো তাৰ নাজানিলেই নহয়। খুব পিয়াহ লাগিলে পানী নোখোৱালৈকে যেনেকৈ শান্তি নাই, ঠিক তেনেকৈ শিক্ষকৰ হাতৰ কিতাপখনৰ নামটো জানিব নোৱাৰালৈকে তাৰ শান্তি নাই। সি ডেস্কত

মুখখন পেলাই আৰু মূৰটো নানাভঙ্গীৰে ঘূৰাই-পকাই কিতাপখনৰ নামটো পঢ়িবলৈ চেষ্টা কৰিলে। আন সকলো কথা সি সমূলি পাহৰি গ'ল। অৱশেষত ভাগ্য তাৰ প্ৰতি প্ৰসন্ন হ'ল। শিক্ষকজনে ককালটো পোন কৰিবলৈ বুলি চকীখনত পোন হৈ বহিল আৰু একে সময়তে তেওঁ কিতাপখনৰ পৃষ্ঠা এটাও লুটিয়াব লগা হ'ল। বিজুলী-চমকৰ দৰে কিতাপখনৰ নামটো বিক্ৰমৰ চকুত পৰিল—'ভোগ।'

ভোগ! কিতাপখনত ছাগৈ কিমান সুন্দৰ সাধুকথাবোৰ আছে! বৰুৱা ছাৰে যেনেকৈহে আপোন-পাহৰা হৈ কিতাপখন পঢ়িব ধৰিছে—তাৰ পৰাই বুজিব পাৰি যে কিতাপখনে নিশ্চয় মানুহৰ ভোক-পিয়াহ হৰি নিয়ে, মানুহক বেলেগ এখন জগতলৈ লৈ যায়। বিক্ৰমে গোটেই শৰীৰতে এটা অদ্ভুত যন্ত্ৰণা অনুভৱ কৰিবলৈ ধৰিলে। প্ৰচণ্ড ভোকত খাবলৈ নাপাই মৰিব ধৰা মানুহৰ চকুৰ আগত এহাতমান দূৰতে একাঁহী ভাত থাকিলে তাৰ যেনেকুৱা অৱস্থা হ'ব, বিক্ৰমৰ অৱস্থাও প্ৰায় তেনেকুৱাই হ'ল। হাত মেলিলেই পোৱা দূৰতে এনে এখন কিতাপ আছে যিখন কিতাপে চকুৰ পলকতে তাৰ চকুৰ আগত এখন মায়াময় জগতৰ দুৱাৰ মুকলি কৰি দিব পাৰে,—অথচ সেই কিতাপখন পঢ়িবলৈ তাৰ কোনো উপায় নাই!

এনে অভিজ্ঞতা বিক্ৰমৰ জীৱনত আৰু বহুবাৰ হৈছে।

সি সতৃষ্ণ নয়নেৰে টেবুলত পৰি থকা 'ব্ৰহ্মচৰ্য' নামৰ কিতাপখনলৈ কিছু সময় চাই ৰ'ল। লগে লগে সেইদিনা স্কুললৈ কৰি নিব লগা কি কি কাম আছে সেই কথা মনত পেলাবলৈ সি চেষ্টা কৰিলে। ভাৰতৰ মেপ এখন আঁকি নিব লাগিব। এটা পদ্য মুখস্থ কৰিব লাগিব। কেনেকৈ কোন সময়ত সি কাম দুটা কৰিব সেই চিন্তা মনৰ পৰা বাদ দি সি 'ব্ৰহ্মচৰ্য'খন পঢ়িবলৈ আৰম্ভ কৰি দিলে।

সেইদিনা স্কুলত তাৰ বৰ বেয়া দিন গ'ল। সাহিত্য আৰু ভূগোলৰ শিক্ষকৰ হাতত সি বাৰুকৈয়ে গালি খাব লগা হ'ল। আন ল'ৰা হোৱা হলে হয়তো চেকনিৰ কোবেই খালেহেঁতেন, কিন্তু শ্ৰেণীৰ প্ৰথম ল'ৰা

বুলি আৰু এনেকুৱা অপৰাধ সি কাচিৎহে কৰে কাৰণে দুয়োজন শিক্ষকে তাৰ গালি পাৰিয়েই ক্ষান্ত থাকিল। কিন্তু বিক্ৰমৰ মনৰ ভিতৰত যি গভীৰ সংকটে দেখা দিছিল আৰু তাৰ পৰা সি যি কষ্ট পাবলৈ আৰম্ভ কৰিছিল—তাৰ তুলনাত শিক্ষক দুজনৰ ককৰ্থনা আছিল নিচেই নগণ্য। আৰু তাৰ এই মানসিক সংকটৰ কাৰণ আছিল সি ৰাতিপুৱা পঢ়া 'ব্ৰহ্মাচৰ্য' নামৰ কিতাপখন।

স্কুল ছুটীৰ পিছত ঘৰলৈ একেলগে আহোঁতে দুলালে বিক্ৰমক সুধিলে—'বিক্ৰম, তুমি আজি গোটেই দিনটো এনেকৈ মনমৰা হৈ আছা কিয়? তোমাৰ কিবা হৈছেনেকি?'

বিক্ৰমে টপৰাই উত্তৰ দিলে—'ওহোঁ, একো হোৱা নাই। গাটো অলপ বেয়া লাগি আছে, সেই কাৰণেই বোধহয় মনমৰা যেন দেখিছা।'

দুলালে খোজকাঢ়ি গৈ থাকোতেই বিক্ৰমৰ মুখৰ ফালে এবাৰ চুৰকৈ চাই অনুভৱ কৰিলে যে বিক্ৰমে বোধহয় এই প্ৰথমবাৰৰ কাৰণে দুলালৰ পৰা কিবা এটা কথা গোপন কৰিবলৈ চেষ্টা কৰিলে। কিন্তু কি হ'ব পাৰে সেই কথা—যিটো কথা বিক্ৰমে দুলালকো ক'ব নোৱাৰে?

স্কুলৰ পৰা থানালৈ মাত্ৰ এখুজা বাট। দুলালে আৰু কিবা কথা সুধিবলৈ পোৱাৰ আগতেই সিহঁত আহি থানাৰ পদুলি-মুখ পালেহি। দুলালে বিক্ৰমৰ পৰা বিদায় ল'বৰ সময়ত আকৌ এবাৰ ক'লে—'বিক্ৰম, আমি বহুতদিন নৈৰ পাৰত ফুৰিবলৈ যোৱা নাই। আজি এবাৰ যাবানেকি?'

দুলালৰ প্ৰস্তাবটো শুনি বিক্ৰমৰো প্ৰথমতে খুব লোভ লাগি গৈছিল। আজি বহুতদিন ধৰি তাৰ মনৰ মাজত এনে কিছুমান অদ্ভুত কথা জমা হৈছে যে কাৰোবাক ক'বলৈ পালেহে যেন তাৰ বুকুখন পাতল লাগিব। দুলালৰ বাহিৰে সেইবোৰ কথা সি আৰু আন কাক ক'ব পাৰে? তাৰ মুখৰ পৰা ওলাই আহিব খুজিছিল—'হয়তো, আজি কতদিন আমি নৈৰ পাৰত ফুৰিবলৈ যোৱা নাই; নৈঘাটত নাৱৰ টিঙত বহি সূৰ্যাস্ত চোৱা নাই। আজি যাম দিয়া। মই ঘৰত ভাতকেইটা খায়েই দৌৰ মাৰি

গুছি আহিম। তুমি গুলাই থাকিবা।' কিন্তু মুহূর্ততে সি নিজকে সংযত কৰি ক'লে—'ছুলাল, আজি সঁচাকৈয়ে মোৰ গাটো বেয়া লাগিছে। তুমি বেয়া নাপাবা দেই। গাটো ভাল পালে কালিলৈ নিশ্চয় যাম।'

অভিমানত ছুলালৰ মুখখন মুহূর্ততে ক'লা পৰি গ'ল। আৰু এবাৰো কথা নকৈ সি প্ৰায় দৌৰ মাৰি যোৱাৰ নিচিনাকৈ ঘৰৰ ফালে সোমাই গ'ল। এক মুহূর্তৰ কাৰণে বিক্ৰম একে ঠাইতে শিলৰ মূৰ্তিৰ দৰে ঠিয় হৈ ৰ'ল। ছুলালে যে মনত কিমান আঘাত পাইছে সেই কথা বুজিবলৈ তাৰ অকণো বাকী নৰল। কিন্তু কি কৰা যায়। সি নিজেওতো নিৰুপায়। আজি তাৰ অকলে থকাৰ খুব প্ৰয়োজন হৈছে। আজি তাৰ নিজৰ লগতে কথা পতাৰ খুব প্ৰয়োজন হৈছে। আজি তাৰ মনত এনে কিছুমান কথা থূপ খাইছে—যিবোৰ কথা সি নিজৰ বাহিৰে আন কাকো ক'ব নোৱাৰে। আনকি ছুলালকো।

গধুৰ খোজেৰে সি ঘৰৰ ফালে আগবাঢ়িল।

১১

'ব্ৰহ্মচৰ্য' কিতাপখন পঢ়ি বিক্ৰমে বুজি পালে যে বাল্যকাল হ'ল ব্ৰহ্মচৰ্য-পালনৰ সময়, আৰু বাল্যকালত নাৰী-চিন্তা মহাপাপ। অথচ বেণুক দেখিবৰ দিন ধৰি তাৰ সমগ্ৰ জগতখন এনেভাৱে বেণু-ময় হৈ উঠিছে যে সেই দিন ধৰি বেণুৰ বাহিৰে আন একো কথাই সি চিন্তা কৰিব পৰা নাই!

বিক্ৰমে কেৱল সময় কটাবলৈ বা আনন্দ পাবলৈ কিতাপ নপঢ়ে। খুব অস্পষ্ট ভাবে হলেও অতি কম বয়সৰ পৰাই তাৰ মনত জীৱন সম্পৰ্কে নানা প্ৰশ্নৰ উদয় হৈছে; সি কিতাপত সেই প্ৰশ্নবোৰৰো উত্তৰ বিচাৰে। বিশেষকৈ মৃত্যুৰ পিছত জীৱনৰ কি হয় সেই বিষয়ে জানিবলৈ তাৰ কৌতূহলৰ অন্ত নাই। তাৰ প্ৰাণাধিকা ভনীয়েকৰ অকাল-মৃত্যুৱেই খুব সম্ভৱ মৃত্যুৰ বিষয়ে অতি কম বয়সতে তাক সচেতন কৰি তুলিলে; তাৰ

পিছত দেউতাকৰ সোঁৱৰণীখনত মাকৰ অকাল-মৃত্যুৰ বিষয়ে ভৱিষ্যৎবাণী পঢ়িবলৈ পাই সি মৃত্যুৰ চিন্তা একমুহূৰ্তৰ কাৰণেও মনৰ পৰা বাদ দিব নোৱৰা হ'ল। এনেকৈ মৃত্যুৰ কথা চিন্তা কৰোঁতে কৰোঁতে জীৱন সম্বন্ধেই নানা প্ৰশ্ন তাৰ মনলৈ আহিল। সেই কাৰণে কিতাপত সি কেৱল আনন্দৰ খোৰাক নিবিচাৰে ; লগতে বিচাৰে তাৰ অকণমানি মনটোত উদয় হোৱা জীৱন-সম্পৰ্কীয় নানা প্ৰশ্নৰ উত্তৰ।

এবাৰ সি শ্ৰেণীত প্ৰথম হৈ 'ধ্ৰুৱ' নামৰ কিতাপ এখন বঁটা হিছাপে পাইছিল। 'ধ্ৰুৱ' শব্দটোৰ লগত সি জ্ঞান হ'বৰ দিন ধৰি পৰিচিত। দেউতাকেই তাক আকাশৰ ধ্ৰুৱ-তৰাটোৰ লগত চিনাকি কৰি দিছিল। কিন্তু 'ধ্ৰুৱ' কিতাপখন পঢ়িহে ধ্ৰুৱৰ কাহিনীটো সি ভালকৈ জানিলে। কিতাপখন ওবাই-ঘূৰাই কেবাবাৰো পঢ়ি সি এনেভাৱে অভিভূত হ'ল যে ধ্ৰুৱৰ দৰে কঠোৰ তপস্যা কৰিবলৈ তাৰ মন গ'ল। এদিন দেওবাৰে ৰাতিপুৱাৰ পৰা সি ঘৰৰ পৰা নিৰুদ্দেশ। দুপৰীয়া ভাত খাবৰ সময়লৈকে তাৰ দেখাদেখি নাই। এনে ঘটনা সিহঁতৰ ঘৰত আগতে কেতিয়াও ঘটা নাছিল। ঘৰখনত হুৰা-দুৰা লাগিল। বেলি ভটিয়াবৰ সময়ত সি হঠাৎ ঘৰ ওলালহি। ভোকত মুখখন শুকাই টেটেৰা পৰি গৈছে, হাতে-ভৰিয়ে বোকা-মাটি। ঘৰৰ গোটেইবোৰ মানুহে বেঢ়ি-কুঢ়ি সি ইমানপৰ কলৈ গৈছিল, কি কৰিছিল সুধিবলৈ ধৰিলে। কিন্তু তাৰ মুখত মাত নাই। নিবোকা চামোনটোৰ দৰে সি কেৱল তলমূৰ কৰি ঠিয় হৈ ৰ'ল। তাৰ এনে অদ্ভুৎ আচৰণত ঘৰৰ গোটেইবোৰ মানুহেই এনে ভয় খালে যে বেছি জেৰা কৰিবলৈ এৰি দি মাকে তাক গা ধুবলৈ কৈ নিজে গোঁসাইঘৰত সোমাল। পুতেকৰ মঙ্গল কামনা কৰি তেওঁ বাসুদেৱ-থানলৈ সোণৰ ফুল এপাহ মানস কৰিলে। কিন্তু ঘৰৰ সকলোৰে মনত চিৰকালৰ কাৰণে এই প্ৰশ্ন ৰৈ গ'ল—'মাত্ৰ এটা বেলাৰ কাৰণে হঠাৎ সি ক'ত নিৰুদ্দেশ হৈছিল? এনে কি ঘটনা ঘটিছিল যিটো কথা সি ঘৰৰ আন কাকো ক'ব নোৱাৰে? মাক-দেউতাকৰ পৰা কোনো কথা গোপন কৰা স্বভাৱটো তাৰ কেতিয়াও নাছিল।'

কিন্তু বিক্ৰমে কেনেকৈ এই কথা মাক-দেউতাকৰ আগত স্বীকাৰ কৰে যে সি গোটেই বেলাটো বাৰীৰ পিছফালৰ বাঁহনিৰ এটা শিয়ালৰ গাঁতত বহি ধ্ৰুৱৰ দৰে ঈশ্বৰৰ তপস্যা কৰিছিল ?

'ব্ৰহ্মচৰ্য' কিতাপখন পঢ়াৰ ফলত বিক্ৰমৰ জীৱনৰ প্ৰথমটো ডাঙৰ সংকট উপস্থিত হ'ল। তাৰ মনত কোনো সন্দেহ নাই যে কিতাপত লিখিছে যেতিয়া বাল্যকালত নাৰীচিন্তা নিশ্চয় মহাপাপ। 'ধ্ৰুৱ' পঢ়ি যেনেকৈ ধ্ৰুৱৰ নিচিনাকৈ কঠোৰ তপস্যা কৰিবলৈ তাৰ মন গৈছিল। ঠিক তেনেকৈ 'ব্ৰহ্মচৰ্য' পঢ়িও কিতাপখনৰ নিৰ্দেশ আখৰে আখৰে মানি চলি ব্ৰহ্মচৰ্য পালন কৰিবলৈকো তাৰ খুব মন গৈছে। কিন্তু তাকে কৰিবলৈ গলেতো বেণুৰ চিন্তা মনৰ পৰা সমূলঞ্চে বাদ দিব লাগিব ? তাইৰ মুখলৈ সি কেতিয়াও চুৰকৈ চাব নোৱাৰিব ? আনকি তাইৰ বিষয়ে সি কবিতাও লিখিব নোৱাৰিব ?

কবিতা ! হঠাৎ তাৰ মনত এটা ভয় সোমাই গ'ল। বেণুৰ বিষয়ে লিখা কবিতাবোৰ যদি কোনোবাই দেখে তেন্তে কি হ'ব ? তাৰ মাক-দেউতাকে যদি জানে যে সি এই বয়সতে প্ৰেমৰ কবিতা লিখিছে। তেন্তে তেওঁলোকে তাৰ বিষয়ে কি ভাবিব ? সি অৱশ্যে তাৰ বাছিবা কিতাপৰ বাকচটোৰ একেবাৰে তলিত কবিতাৰ বহিবোৰ লুকুৱাই থবলৈ বিশেষ সাৱধানতা অৱলম্বন কৰিছে ; কিন্তু তথাপি বিপদ কেতিয়া আহে ঠিক নাই। সি উঠি গৈ কবিতাৰ বহিকেইখন উলিয়াই আনিলে। আৰু অধিক নিৰাপদ ঠাইত বহিকেইখন থোৱাৰ আগতে কবিতাবোৰ পঢ়ি চাবলৈ তাৰ মন গ'ল। আগফালৰ পিৰালিৰ পশ্চিম ফালৰ চুকটোত চকী এখন পাৰি লৈ বহি সি শৰৎ কালৰ সূৰ্যাস্তৰ সোণালী পোহৰত নিজে লেখা কবিতাবোৰ পঢ়িবলৈ ধৰিলে।

বিক্ৰমে কবিতা লিখিবলৈ আৰম্ভ কৰিছিল সেইদিনা—যিদিনা বেণু আৰু তাৰ চাৰি চকুৰ মিলন হৈছিল। অৱশ্যে চাৰি চকুৰ মিলন হোৱা কথাটো সি কিতাপত পঢ়ি পাইছে, গতিকেই সি তেনেকৈ ভাবিছে। আচলতে ঘটনাটো ঘটিছিল এনেকৈ। সি সিহঁতৰ ঘৰৰ পিৰালিত এনেয়ে

ঠিয় হৈ আছিল। আবেলি পৰত সি কেতিয়াবা তেনেকৈ ঠিয় হৈ থাকি সূৰ্যাস্তলৈ অপেক্ষা কৰে। হঠাৎ এবাৰ ইফালে-সিফালে চাওঁতে সি দেখিবলৈ পালে যে খুৰীয়েকহঁতৰ ঘৰৰ পচুলিমুখৰ পৰা বেণু ধীৰে ধীৰে ঘৰৰ ফালে সোমাই আহিছে। হয়তো তাই আলিবাটৰ সিপাৰে জাবৰ পেলাবলৈ গৈছিল, অথবা আলিবাটত কাৰোবাক চাবলৈ গৈছিল। ধীৰ শান্ত খোজেৰে আহি থকা বেণুক দেখা মাত্ৰে বিক্ৰমে গোটেই শৰীৰতে এটা আচৰিত শিহৰণ অনুভৱ কৰিলে। বেণু খুৰীয়েকহঁতৰ ঘৰলৈ অহা প্ৰায় এমাহেই হ'ল যদিও আজিলৈকে বিক্ৰমে তাইৰ লগত কথা-বাৰ্তা পাতিবলৈ সাহস গোটাব পৰা নাই। যি কোনো মানুহৰ লগতে বিক্ৰমে সহজে মিলা-মিছা কৰিব পাৰে। কিন্তু বেণুক প্ৰথম দেখিবৰ মুহূৰ্তৰ পৰাই কিয় জানো বিক্ৰমৰ অনুভৱ হৈছিল যে এই ছোৱালীজনীৰ লগত সি কোনোদিনেই সহজ হ'ব নোৱাৰিব। কেবাদিনো এনেকুৱা অৱস্থা হৈছে যে বিক্ৰমে বেণুক নামাতিলেই নহয়; তেনেকুৱা অৱস্থাতো সি তাইক নামাতি পলাই গুছি আহিছে। অৱশেষত সি বুজি পাইছে যে বেণুৰ লগত তাৰ কোনোদিনেই কথাবাৰ্তা পতা নহ'ব। আনকি যদি তাই খুৰীয়েকৰ ঘৰত গোটেই জীৱনটো থাকে—তেতিয়াও। ওচৰে-পাজৰে মানুহ থকা বুলি জানিলে সি আনকি বেণুৰ ফালে চাবলৈকো সাহস নকৰে। বেণুৰ প্ৰতি তাৰ মনৰ ভাব কোনোবাই কেনেবাকৈ গম পায় বুলি সি সকলো সময়তে ভয়ত সন্ত্ৰস্ত হৈ থাকে। কিন্তু আজি বেণুক দেখি গোটেই দেহত এটা আশ্চৰ্য শিহৰণ অনুভৱ কৰাৰ লগে লগে সি মনৰ মাজতো এটা নতুন সাহস অনুভৱ কৰিলে। তৎক্ষণাৎ ইফালে-সিফালে চাই কাকো নেদেখি সি নিৰ্ভয় আৰু স্থিৰ দৃষ্টিৰে বেণুৰ মুখৰ ফালে চাবলৈ ধৰিলে। বেণুৱে ইতিমধ্যে আহি চোতালত ভৰি দিছিল। হঠাৎ এবাৰ তাই বিক্ৰমৰ ফালে চাই পঠিয়ালে। দুয়োৰো চকুৱে চকুৱে পৰিল, কিন্তু বিক্ৰমক বিস্ময়ত স্তম্ভিত আৰু আনন্দত আপ্লুত কৰি দি বেণুৱে চকু ঘূৰাই নিনি তাৰ ফালে চায়েই থাকিল। অৰ্থাৎ বিক্ৰমৰ চকুৰ ফালে চাই চাইয়েই তাই নিজৰ বাটত আগবাঢ়িবলৈ ধৰিলে। চোতালৰ পৰা ঘৰৰ

ভিতৰলৈ চকুৰ পলকটো পেলোৱাৰ সমান বাটো নহয়, কিন্তু সেই মুহূৰ্ত-টোৰ ভিতৰতে বিক্ৰমৰ জীৱনত এনে এটা অভিনৱ আৰু আশ্চৰ্য ঘটনা ঘটি গ'ল যে সি ধুমুহাত কঁপা গছৰ দৰে কঁপিবলৈ ধৰিলে।

চকুৰ পচাৰতে ৰেণু বিক্ৰমৰ দৃষ্টিৰ সমুখৰ পৰা নোহোৱা হৈ গ'ল, কিন্তু তাই তাৰ দৃষ্টিৰ সন্মুখত ৰাখি গ'ল ৰামধনুৰ আটাইকেইটা ৰঙৰ বিচিত্ৰ খেলা। তাৰ দৃষ্টিৰ সন্মুখত পৃথিৱীখনে মুহূৰ্তে মুহূৰ্তে বৰণ সলাবলৈ ধৰিলে আৰু এটা মধুৰ সংগীতৰ ঐকতান দশোদিশে প্ৰতিধ্বনিত হ'বলৈ ধৰিলে। সেই অপৰূপ ৰঙৰ সমুদ্ৰৰ জোৱাৰে বিক্ৰমক কোলাত লৈ কেইটামান অন্তহীন মুহূৰ্ত নচুৱাবলৈ ধৰিলে। কিছুসময়ৰ পিছত পৃথিৱীলৈ স্বাভাৱিক অৱস্থা ঘূৰি আহিল। কিন্তু এইবাৰ বিক্ৰমে তাৰ বুকুৰ মাজত এটা অদ্ভুৎ যন্ত্ৰণা অনুভৱ কৰিবলৈ ধৰিলে। কোনো শাৰীৰিক যন্ত্ৰণাৰ লগত তাৰ তুলনা নহয়। এনে ধৰণৰ যন্ত্ৰণাৰ লগত ইয়াৰ আগতে তাৰ কোনোদিনেই পৰিচয় নাছিল। আনকি যন্ত্ৰণাটো তীব্ৰ আনন্দৰ নে গভীৰ বিষাদৰ—সেই বিষয়েও সি কোনো স্পষ্ট ধাৰণা কৰিব নোৱাৰিলে। কেৱল তাৰ অনুভৱ হ'বলৈ ধৰিলে যে সাঁজৰ আকাশৰ প্ৰথম তৰাটোৱে যেনেকৈ তাক অন্তহীন সুদূৰলৈ নিমন্ত্ৰণ কৰে, ঠিক তেনেকৈ আজিও যেন তাক কোনোবাই নিমন্ত্ৰণ কৰিছে; পুৱতিৰ আকাশত অকলশৰীয়া ভোটাতৰাটো দেখিলে যেনেকৈ নামহীন আবেগত চকুপানী ওলাব খোজে, ঠিক তেনেকৈ তাৰ যেন এতিয়া চকুপানী ওলাব খুজিছে; বহু দূৰৰ পৰা ভাহি অহা গৰখীয়াৰ পেঁপাৰ মাত শুনিলে যেনেকৈ বুকুৰ ভিতৰত এটা অৰ্থহীন তোলপাৰ লাগি যায়, ঠিক তেনেকৈ তাৰ বুকুৰ ভিতৰত প্ৰচণ্ড তোলপাৰ লাগিব ধৰিছে; সজল বতাহত ভাহি অহা বনফুলৰ সুবাস নাকত লাগিলে যেনেকৈ নামহীন ৰূপহীন কিবা এটাৰ সন্ধানত মনটো উধাও হ'ব খোজে, ঠিক তেনেকৈ এই মুহূৰ্তত তাৰ মনটো উধাও হৈ যাব খুজিছে। কি অপৰূপ এই বেদনা—যাৰ বিনিময়ত জগতৰ সমস্ত আনন্দ অকাতৰে বিসৰ্জন দিব পাৰি।

সেইদিনাই ৰাতি সি পঢ়াৰ টেবুলত বহি পাঠ্য-কিতাপ পঢ়াৰ পৰিৱৰ্তে

এটা কবিতা লিখিলে। তাৰ জীৱনৰ প্ৰথম কবিতা। সেই দিন ধৰি তাৰ বুকুৰ মাজৰ পৰা নিছিগা ধাৰেৰে কবিতা ওলাবই ধৰিছে আৰু কবিতা লিখি লিখি সি চাৰি-পাঁচখন বহি ভৰাই পেলাইছে। বাহিৰৰ পৰা দেখি কোনেও ক'ব নোৱাৰে যে এই বাৰ বছৰীয়া অকণমানি ল'ৰাটোৰ জীৱনত এটা বিৰাট ভূমিকম্প হৈ গৈছে। সি দেউতাকৰ লগত যথাৰীতি আড্ডা দিয়ে; বায়েক-ভনীয়েকহঁতৰ লগত চুপটি মাৰে; দুলালৰ লগত জীৱন সম্বন্ধে নানা গুৰু-গম্ভীৰ কথা আলোচনা কৰে; শ্ৰেণীত প্ৰথম স্থানটো ৰক্ষা কৰিবৰ কাৰণে ঠিকমতে পঢ়া-শুনা কৰে; কিন্তু মনৰ ভিতৰত সি সকলো সময়তে যাপন কৰে এটা সম্পূৰ্ণ স্বকীয়া জীৱন, গোপন জীৱন, দিবা-স্বপ্নৰ জীৱন। বাহিৰৰ জীৱনটোতকৈ ভিতৰৰ এই অবিৰাম আৰু অন্তহীন দিবাস্বপ্নৰ জীৱনটোকেই অধিক বাস্তৱ জীৱন বুলি সি অনুভৱ কৰে আৰু সেই জীৱনটোৰ মাজতেই সি জীয়াই থকাৰ সুতীব্ৰ চেতনা অনুভৱ কৰে। বিক্ৰমৰ এই দিবাস্বপ্নৰ নায়িকা হ'ল ৰেণু—যাৰ লগত আজিলৈকে তাৰ এষাৰো বাক্য বিনিময় হোৱা নাই আৰু কোনোদিনেই নহ'ব বুলিও সি নিশ্চিত।

কিন্তু বিক্ৰমে কেৱল কবি হ'ব নিবিচাৰে, কেৱল প্ৰেমিক হ'ব নিবিচাৰে,—সি হ'ব বিচাৰে এজন আদৰ্শ সৎ মানুহ, পৰিপূৰ্ণ মানুহ। সেই কাৰণে সি কিতাপত যেতিয়াই যিটো ভাল কথা পঢ়ি পায়, সেইটোকে নিজৰ জীৱনত প্ৰয়োগ কৰিবলৈকো বিচাৰে। সি ধ্ৰুৱৰ উপাখ্যান পঢ়ি কঠোৰ তপস্যাৰ দ্বাৰা ধ্ৰুৱত্ব লাভ কৰিবলৈ চেষ্টা কৰিব খোজে, দধিচীৰ উপাখ্যান পঢ়ি পৰৰ হিতাৰ্থে আত্মত্যাগ কৰিবলৈকো বিচাৰে। সি কেতিয়াবা চেঙ্গিজ খানৰ দৰে দিগ্বিজয়ী বীৰ হৈ সমগ্ৰ পৃথিৱীত ৰক্ত-প্লাৱন সৃষ্টি কৰিব খোজে, আকৌ কেতিয়াবা বুদ্ধৰ কৰুণাৰে সমগ্ৰ পৃথিৱীকে বুকুৰ মাজত আঁকোৱালি ল'ব খোজে।

'ব্ৰহ্মচৰ্য' পঢ়ি এতিয়া তাৰ কঠোৰ ব্ৰহ্মচৰ্য পালন কৰিবলৈ মন গ'ল, কিন্তু সি মনৰ মাজৰ পৰা ৰেণুক বাদ দিয়ে কেনেকৈ?

'ব্ৰহ্মচৰ্য' পঢ়ি তাৰ মনত নিশ্চিত ধাৰণা হ'ল যে সি নিশ্চয় পাপী;

দিনে-বাতিয়ে মাৰী-চিন্তা কৰি সি নিশ্চিত ধ্বংসৰ মুখলৈ আগবাঢ়িছে। কিন্তু বেণুৰ বিধন্ন মুখে তাক গভীৰতম আনন্দ আৰু পবিত্ৰতম বেদনাৰে স্বৰ্গ-মৰ্ত্যৰ মাজত দোলায়িত কৰে, সেই বেণুক বাদ দি জীৱনৰ অৰ্থই বা কি ?

অকণমানি ল'ৰাটোৰ মনটো এখন ৰক্তাক্ত ৰণক্ষেত্ৰত পৰিণত হ'ল।

॥ ১২ ॥

আঘোণৰ এসপ্তাহ-দহদিন যোৱাৰ লগে লগে শালিধান দোৱাৰ বতৰ আৰম্ভ হয়। যোগেন দদাইদেৱে আগতেই ঠিক কৰি ৰাখিছিল যে গাঁৱৰ মানুহে ধান চপাবলৈ পথাৰত নমাৰ আগে আগেই হৰগোবিন্দ লাইব্ৰেৰিৰ ঘৰ সজা কাম শেষ হ'ব লাগিব। তাঁচনি মতেই নিখুটভাৱে কাম হ'ল। যোগেন দদাইদেৱে এদিন ল'ৰাজাকক লৈ চাপৰিত খেৰ কাটিবলৈ গ'ল; এদিন খুটা কাটিবলৈ গ'ল; এদিন ইকৰা কাটিবলৈ গ'ল। ক-টোৰ কেইটা চুক তাক চিনি নোপোৱা হালোৱা-চহুৱা ডেকাবোৰেও পাল পাতি একোদিনকৈ গা খাটি দিলে। ক'বলৈ গলে গাঁৱত সেই কেইদিন এটা ডাঙৰ উৎসৱেই হ'ল। ইয়াৰ আগতে নামঘৰ বা স্কুলঘৰ সজাটো গোটেই গাঁৱৰে সমজুৱা কৰ্তব্য বুলি ৰাইজে জানিছিল; এই প্ৰথম তেওঁলোকে সমজুৱাকৈ এটা লাইব্ৰেৰি ঘৰ সাজি পালে। তাকো আকৌ ওঁঠ চেপিলে গাখীৰ ওলোৱা কেইটামান ফুকলিয়া ল'ৰাৰ নেতৃত্বত। গাঁওখনলৈ এটা নতুন যুগ অহা যেন অনুভৱ কৰি গাঁওখনৰ ডেকা-বুঢ়া সকলো মানুহে এটা নতুন ধৰণৰ ৰোমাঞ্চ অনুভৱ কৰিবলৈ ধৰিলে।

এদিন বিক্ৰম ঘৰলৈ ঘূৰি আহোতে বহুত পলম হ'ল। সাঁজ ভগাৰ বহুত সময়ৰ পিছতহে সি ঘৰ আহি পালেহি। জাৰৰ দিন যদিও দেউতাকে জুইশাললৈ নগৈ বাহিৰৰ পিৰালিতে বহি তাৰ কাৰণে অপেক্ষা কৰি আছিল। শুক্লপক্ষৰ জোনাকত তেওঁ দেখিবলৈ পালে—এজাক ল'ৰা আহি তেওঁলোকৰ ঘৰৰ পদুলি-মুখত থমকি ৰ'ল। বহুত সময় ধৰি

তাতে সিহঁতৰ কিবা কথন-মথন চলিল। এটা সময়ত ল'ৰাজাক নিজৰ বাটত আগবাঢ়িল আৰু বিক্ৰম নিজৰ ঘৰৰ ফালে সোমাই আহিল। তাৰ মুখত আনন্দৰ জেউতি, খোজ-কাটলত বিপুল উলাহ। দেউতাকৰ বুজিবলৈ বাকী নাথাকিল যে ল'ৰাজাকে আকৌ নতুন কিবা এটা কথা পাঙিছে; আকৌ এটা নতুন ভাল কাম কৰিবলৈ পাম বুলি ভাবি সিহঁত আনন্দত মতলীয়া হৈছে। মুহূৰ্তৰ এটা ভগ্নাংশৰ কাৰণে তেওঁৰ মনটো নিজৰ শৈশৱৰ দিনবোৰলৈ উলটি গ'ল। তেওঁলোকৰ জীৱনত ইমান বেছি বৈচিত্ৰ্য নাছিল। ইমান ন ন সপোন দেখাৰ অৱকাশ নাছিল। চাই থাকোতেই পৃথিৱীখন বহুত সলনি হ'ব ধৰিছে। তেওঁলোকৰ নিজৰ দিনবোৰতকৈ তেওঁলোকৰ পো-পোৱালীৰ দিনবোৰ সামান্য বেছি ভাল হ'ব যেন লাগিছে। তেওঁৰ হৃদয়ৰ গভীৰৰ পৰা এটা নীৰৱ প্ৰাৰ্থনা ওলাই আহিল।

ইতিমধ্যে বিক্ৰম আহি পিৰালিত ভৰি দিছে। দেউতাক অলপ আন্ধাৰত থকা কাৰণে সি প্ৰথমে দেখা নাছিল; সেই কাৰণে দেউতাকৰ মাতত সি প্ৰথমে সামান্য উচপ খাই উঠিল।

'ইমান পৰ ক'ত কি কৰি আছিলি?'—দেউতাকে কোমল মাতেৰে তাক সুধিলে।

'অ' দেউতা, তুমি'—সি ওচৰৰ চকী এখনত বহি পৰম উৎসাহেৰে ক'বলৈ ধৰিলে—'দেউতা, আজি আমাৰ নতুন লাইব্ৰেৰি ঘৰত আমাৰ 'মুকুল সংঘৰ' প্ৰথমখন অধিবেশন বহিছিল। জানা দেউতা, মই সংঘৰ সম্পাদক হৈছো।'

'সম্পাদক হ'বলৈ আৰু বেলেগ ল'ৰা নাই নেকি? সকলোতে দেখোন তয়েই সম্পাদক'—দেউতাকে তাক জোকোৱাৰ ছলেৰে ক'লে।

দেউতাকৰ কথালৈ কাণ নিদি বিক্ৰমে আকৌ ক'বলৈ ধৰিলে—'দেউতা, সংঘৰ পৰা আমি এখন হাতে-লেখা আলোচনীও উলিয়াব খুজিছো। নাম—'প্ৰভাত।' আলোচনীৰ সম্পাদক কিন্তু মই নহয় দেই। দুলালক সম্পাদক পাতিছো।'

দেউতাক হঠাৎ গম্ভীৰ হৈ গ'ল। বিক্ৰম অলপ আচৰিত হ'ল। দুলাল আলোচনীৰ সম্পাদক হোৱাৰ কাৰণে দেউতাকে বেয়া পাইছে নেকি ? কিন্তু বিক্ৰমক বেছি সময় কৌতূহলত নাৰাখি দেউতাকে ক'লে —'তোক এটা কথা কওঁ বুলি ভাবি ক'বলৈ সুযোগেই পোৱা নাই। পিছে আজি বোধহয় নকলেই নহয়।'

ভয়ত বিক্ৰমৰ বুকুখন টিপটিপাবলৈ ধৰিলে।

দেউতাকে ক'বলৈ ধৰিলে—'আৰু দুমাহৰ পিছতে তইঁতৰ ছাত্ৰবৃত্তি ফাইনেল পৰীক্ষা। তাৰ পিছত তই হাইস্কুলত নাম লগাব লাগিব। তোৰ কিন্তু গাঁৱৰ হাইস্কুলত পঢ়া নহ'ব। স্কুলখন এতিয়াও ঠন ধৰি উঠা নাই। এজন মাত্ৰ বি. এ. পাছ মাষ্টৰৰে এখন হাইস্কুল চলি আছে। মই তোক টাউনৰ হাইস্কুললৈ পঠোৱাৰ কথা ভাবিছো। হোষ্টেলত থাকি পঢ়িব লাগিব।'

এই অপ্ৰত্যাশিত সৌভাগ্যৰ সংবাদ শুনি আনন্দত বিক্ৰমৰ জপিয়াই উঠিবলৈ মন গ'ল। তাৰ গোটেই গা থৰথৰকৈ কঁপিবলৈ ধৰিলে। এই অভাবনীয় আনন্দৰ খবৰটো কাৰোবাক নিদিয়ালৈকে তাৰ শান্তি নাই। বায়েকহঁতকেই কথাটো চিঞৰি চিঞৰি ক'বলৈ তাৰ মন গ'ল। কিন্তু সি উঠিব খোজোতেই দেউতাকে আকৌ মাত লগালে—'বহ, আৰু কথা আছে। দুলালো টাউনৰ হাইস্কুলত পঢ়িবলৈ যাব। তাৰ দেউতাকৰ লগত মোৰ কথা হৈছে।···এতিয়া যা। হাত-ভৰি ধুই পঢ়িবলৈ বহগৈ। বৃত্তি পাব লাগিব। কিন্তু যিটো ক'ব খুজিছিলো—আৰু মাত্ৰ দুমাহৰ পিছতেই দুলাল আৰু তই দুয়ো যেতিয়া গাঁও এৰি টাউনৰ হাইস্কুললৈ যাবিয়েই—এনে অৱস্থাত তহঁতে সংঘ বা আলোচনীৰ সম্পাদক হোৱাটো উচিত হ'ব জানো ? মই কওঁ শুন। তহঁত দুয়ো উপদেষ্টা হৈ থাকি আন কাৰোবাক এতিয়াৰ পৰাই ট্ৰেনিং দে। নহ'লে তহঁত দুটাই কৰি থৈ যোৱা ইমানবোৰ ভাল কাম অযোগ্যৰ হাতত পৰি সমূলি ধ্বংস হ'ব।'

সেইদিনা গোটেই ৰাতি বিক্ৰমৰ টোপনি নাহিল। প্ৰথম এঘণ্টা

সময় টোপনি নাহিল আনন্দৰ উত্তেজনাত। জ্ঞান হ'বৰ দিন ধৰি যিটো খবৰই তাক সকলো সময়তে ব্যাকুল কৰি ৰাখিছে সেইটো হ'ল চহৰৰ হাইস্কুলত পঢ়িবলৈ যোৱাৰ স্বপ্ন। সিহঁতৰ গাঁৱত হাইস্কুল হোৱা আজি মাত্র কেইবছৰমানহে হৈছে। তাৰ আগতে গাঁৱৰ যি দুই-চাৰিঘৰ মানুহৰ অৱস্থা ভাল সিহঁতৰ ল'ৰাই চহৰৰ হাইস্কুলত পঢ়িবলৈ যায়। বিক্রমৰো দুজন বৰদেউতাকৰ দুটা ল'ৰাই চহৰৰ হাইস্কুলত পঢ়ে। বন্ধত যেতিয়া সিহঁত ঘৰলৈ আহে, গোটেই গাঁওখনৰ মানুহে সিহঁতক ৰাজকোঁৱৰৰ নিচিনাকৈ আদৰ আৰু সম্মান কৰে। ধুনীয়া সাজ-পাৰ পিন্ধি সিহঁত বাটেদি ফুৰিবলৈ গ'লে গাঁৱৰ ছোৱালীবোৰে বাটলৈ ওলাই আহি সিহঁতক চায়। গাঁৱৰ ষ্টেজত থিয়েটাৰ হ'লে সিহঁতেই আটাইতকৈ ভাল পাৰ্ট কেইটা পায়। সিহঁতক দেখি দেখি বিক্রমৰ মনত ধাৰণা হৈ গৈছিল যে চহৰৰ হাইস্কুলত পঢ়িবলৈ পোৱাতকৈ ডাঙৰ সৌভাগ্য আন একোৱেই হ'ব নোৱাৰে। তদুপৰি চহৰৰ হাইস্কুলত পঢ়িবলৈ যোৱাৰ আন লোভো বহুতো আছিল। সাধাৰণতে গাঁৱৰ মেধাবী ল'ৰাকেইটাইহে চহৰৰ হাইস্কুলত পঢ়িবলৈ গৈছিল। সিহঁতে বন্ধত ঘৰলৈ আহোঁতে বিক্রমক কৈ শুনাইছিল সিহঁতৰ শিক্ষকসকলৰ কথা, নানা সভা-সমিতিৰ কথা, চহৰৰ দুই-চাৰিজন কবি-সাহিত্যিকৰ কথা। এইবোৰ কথায়ো বিক্রমৰ মনত চহৰৰ হাইস্কুলৰ প্ৰতি লোভ দুগুণে বঢ়াই তুলিছিল। কিন্তু সি কেতিয়াও কল্পনা কৰা নাছিল যে গাঁৱতেই হাইস্কুল এখন থাকোতে দেউতাকে তাক ইমান কম বয়সতে চহৰৰ হাইস্কুললৈ পঠাব। সেই কাৰণে খবৰটো শুনিয়েই সি আনন্দত বলিয়াৰ নিচিনা হ'ল।

উত্তেজনাৰ প্ৰথম জোৱাৰটো শাম কটাৰ পিছত লাহে লাহে তাৰ মনলৈ আন চিন্তাও আহিল। সি বুজি পালে যে বিয়া দি উলিয়াই দিয়া ছোৱালীয়ে যেনেকৈ চিৰকালৰ কাৰণে পিতৃ-গৃহ ত্যাগ কৰে, মাজে মাজে ঘৰলৈ আহিলেও যেনেকৈ সেইখন তাইৰ নিজৰ ঘৰ হৈ নাথাকে, ঠিক তেনেকৈ চহৰৰ হাইস্কুলত পঢ়িবলৈ যোৱাৰ দিনাৰ পৰাই এই ঘৰখন আৰু এই গাঁওখনৰ লগত তাৰ সম্পৰ্ক ছিন্ন হ'ব। হাইস্কুল পাছ কৰি সি নিশ্চয়

কলেজত পঢ়িবলৈ যাব ; কলেজ পাছ কৰি কোনোবা চহৰত চাকৰি কৰিব ; তাৰ পিছত সি মাজে মাজে ঘৰলৈ আহিব আলহীৰ নিচিনাকৈ —যেনেকৈ আহে গাঁৱৰ প্ৰফুল্ল দদাইদেউ বা অক্ষয় মোমাইদেউ। হঠাৎ সি তাৰ কলিজাটো মোচৰ খাই উঠা যেন অনুভৱ কৰিলে। এতিয়াৰ পৰা সি আৰু শুই উঠিয়েই মাকৰ চেনেহী মুখখন দেখিবলৈ নাপাব ; পধূলি পিৰালিত বা চোতালত বহি দেউতাকৰ লগত কথা পাতিবলৈ নাপাব ; বায়েক-ভনীয়েকহঁতৰ লগত মৰমৰ খোজোল মনা হাই-কাজিয়া-বোৰ কৰিবলৈ নাপাব। সি আচৰিতে চকু দুটা মেলি বিস্ময়ত অবাক হৈ কথাটো ভাবিবলৈ ধৰিলে। ক'বলৈ গ'লে আজি তাৰ জীৱনৰ আটাইতকৈ আনন্দৰ দিন। জ্ঞান হ'বৰ দিন ধৰি চহৰৰ হাইস্কুলত পঢ়িবলৈ যোৱাৰ যি স্বপ্ন সি ইমানদিনে দেখি আহিছিল, সেই স্বপ্ন দিঠক হোৱাৰ খবৰটো সি আজিয়েই পাইছে। স্বপ্নৰ উজ্জ্বল সুন্দৰ ভবিষ্যতে আজি বাস্তৱ ৰূপ লৈ তাক নিমন্ত্ৰণ কৰিছে। সমগ্ৰ পৃথিৱীয়ে আজি তাক হাত-বাউল দি মাতিছে ; সিও সেই আহ্বানত সঁহাৰি দি দূৰ দিগন্তৰ ফালে দৌৰি যাবলৈ এক বিপুল অস্থিৰতা অনুভৱ কৰিছে। কিন্তু এই পৰম আনন্দৰ মুহূৰ্তত কিহৰ শোকে তাক বুকুত খুন্দা মাৰি ধৰিছে ? কিয় তাৰ চকু ফাটি পানী ওলাব খুজিছে ? মানুহৰ গভীৰ আনন্দৰ লগত বিপুল বিষাদো সদায় এনেকৈ মিহলি হৈ থাকেনেকি ?

যিহেতু গোটেই ৰাতি টোপনি নাহিলেই, সেই কাৰণে আকাশত তৰা থাকোতেই সি বিছনাৰ পৰা উঠিল। সি আকাশৰ ফালে মূৰ তুলি চালে। পাতল কুঁৱলীৰ মাজেদি দেখা আকাশখন যেন কিবা এটা ব্যাকুল প্ৰতীক্ষাত কৰুণ হৈ আছে। যি কেইটা তৰা আকাশত তেতিয়াও বাকী আছিল সিহঁতো যেন আসন্ন বিদায়ৰ বেদনাত পাণ্ডুৰ। পৃথিৱীৰ সকলো ঠাইৰ পৰাই একেখন আকাশেইতো দেখা যায় ; কিন্তু বিক্ৰমৰ অবোধ মনটোত এনেহে অনুভৱ হ'ল যে সি যেন তাৰ চিনাকি মৰমৰ আকাশখন আৰু সি কেতিয়াও দেখিবলৈ নাপাব,—তাৰ বাকী জীৱন অতিবাহিত হ'ব এখন অচিনাকি অনাত্মীয় আকাশৰ তলত। আকাশখনত

পৰা বিদায় লৈ সি পথুলিৰ ফালে আগবাঢ়ি গ'ল। অলপ দূৰ গৈ সি থমকি ৰ'ল। পথুলিলৈ ওলোৱা বাটৰ দুয়োকাষৰ তামোল গছবোৰৰ পৰা টপ টপ শব্দ কৰি নিয়ৰৰ টোপালবোৰ পৰিছে। পুৱতি-নিশা বিছনাত শুই থাকোতে ঘৰৰ চালত সি যেতিয়া এই নিয়ৰ পৰাৰ শব্দ শুনিবলৈ পায়, তেতিয়া আনন্দ-বিষাদৰ অতীতৰ কিবা এটা অচিনাকি আবেগে তাৰ বুকুৰ মাজত তোলপাৰ লগায়। কিছুপৰ সেই শব্দটো শুনি শুনি সি নিজকে ক'লে—'তামোল গছৰ পৰা নিয়ৰ পৰাৰ শব্দ মই আৰু বোধহয় জীৱনত কেতিয়াও শুনিবলৈ নাপাম।' আৰু অলপ আগবাঢ়ি গৈ সি গোহালি-মুখত থমকি ৰ'ল। বতাহত গৰুবোৰৰ গাৰ চিনাকি গোন্ধ আৰু উশাহ-নিশাহৰ শব্দ ভাহি আহি তাৰ নাকত লাগিল। এই গৰুবোৰ আছিল তাৰ শৈশৱৰ আটাইতকৈ মৰমৰ লগৰীয়া। সিহঁতৰ পিছে পিছে চাপৰিত ঘূৰি ফুৰোতে সি প্ৰকৃতিৰ কিমান বিচিত্ৰ সৌন্দৰ্য আৰু ৰহস্য আৱিষ্কাৰ কৰিছে। আবেলি পৰত গৰু বিচাৰিবলৈ পথাৰলৈ গৈয়েইতো সি আৱিষ্কাৰ কৰিছে চৰাইৰ সৰা পাখিয়ে বুকুৰ মাজত কেনে কোমল কাৰুণ্য জগায়; মাৰ যাব ধৰা বেলিয়ে ৰক্ত-ৰঞ্জিত কৰা আকাশ-খনে হৃদয়ৰ মাজত কি অপৰূপ মত্ততা সৃষ্টি কৰে; গৰখীয়াৰ পেঁপাৰ মাত আৰু বনগীতে এটি বাৰবছৰীয়া সৰু ল'ৰাৰ কাণতো কেনেকৈ যৌৱনৰ আগলি বতৰা ঢালি থৈ যায়; নিয়ৰে সেমেকাই পেলোৱা পথাৰখনত জোনাক উপচি পৰিলে কেনেকৈ জীৱন-মৰণৰ সীমা পাৰ হৈ ক'ৰবালৈ গুচি যাবলৈ মন যায়; পথাৰ এৰাৰ আগতে গাই গৰুবোৰৰ হেম্বেলনি শুনিলে কেনেকৈ অপৰূপ বাৎসল্যৰ অনুভূতিত বুকুখন গলি যাব খোজে। বিক্ৰমে গোহালিলৈ সোমাই গৈ প্ৰত্যেকটো গৰুৰে ডিঙিত সাৱতি মৰম কৰি অশ্ৰু-ৰুদ্ধ কণ্ঠেৰে সিহঁতৰ পৰা বিদায় ল'লে। তাৰ পিছত সি নৈ-ঘাটৰ ফালে আগবাঢ়িল। বাটৰ দুয়োকাষৰ প্ৰত্যেকজোপা পচতীয়া, হোৰা, বোৱাল, বহঁত, এজাৰ, নিম, বাঁহ, শিমলু, কচু, ঢেঁকিয়া আৰু নাম-নজনা অনেক গাঁহ-বনৰ ফালে চাই চাই সি ক'লে—'জ্ঞান হ'বৰ দিন ধৰি তোমালোক আছিলা মোৰ প্ৰাণৰ সঙ্গী। পৃথিৱীখনতো সদায় সজনি হৈ

থাকে। কোনে জানে তোমালোকে একে ঠাইতে থাকিবা নে নাথাকা; মই কেতিয়াবা আহি তোমালোকক দেখিম নে নেদেখিম। বিদায়।' এসময়ত গৈ সি নৈ-ঘাট পালেগৈ। পূবৰ দিগন্ত তেতিয়া সামান্য ৰঙা হ'বলৈ আৰম্ভ কৰিছে। আকাশত চৰাইবোৰে পশ্চিমৰ পৰা পূবলৈ উৰি আহিবলৈ আৰম্ভ কৰিছে। শয্যা ত্যাগ ক[illegible]হূৰ্তত সুন্দৰীৰ ওঁঠত সুখ-স্বপ্নৰ স্মৃতি হাঁহিৰ ৰূপ ধৰি লা[illegible]দৰে এক অপৰূপ সৌন্দৰ্যৰ মোহন উদ্ভাসত উষাৰ মুখ উজলিব ধৰিছে। মধুৰ বিস্ময় আৰু আনন্দত স্তব্ধ হৈ বিক্ৰমে বহুত সময় সেইফালে চাই ৰ'ল। তাৰ পিছত সি ধীৰে ধীৰে ভাটিৰ ফালে মুখ কৰি ঠিয় হ'ল। অলপ দূৰৰ কেকুৰিটোৰ সিপাৰে যিখিনিতে নৈখন দিগন্তৰ সিপাৰে হেৰাই গৈছে, সেইফালে চাই চাই বিক্ৰমে শুনিবলৈ পালে জীৱনৰ বিচিত্ৰ আহ্বান। ইমান বিপুল আনন্দ, ইমান দুঃসহ বিষাদ সি ইয়াৰ আগতে জীৱনত কেতিয়াও অনুভৱ কৰি পোৱা নাছিল।

অসমীয়া সাহিত্যত আমাৰ মূল্যবান সংযোজন

চৈয়দ আব্দুল মালিক :

। মৌ তিয়বৰ কৌহ । ৭·০০

। কেবল প্ৰেমেৰেই যদি । ৭·০০

। বাতিৰ কবিতা । ৩৫·০০

। সুমেৰু কুমেৰু আৰু এটা বাঁহী । ৯·০০

। মৰম মৰম লাগে । ২০·০০

। ধন্য নৰ তনু ভাল ।

। হাঁহি আৰু চকুলোৰ । ৫০·০০

ড° মহেন্দ্ৰ বৰা :

। সাহিত্য উপক্ৰমণিকা । ২২·০০

। গীতা । ৩৫·০০

নন্দকান্ত বৰুৱা :

। অ-পদাৰ্থ । ৭·০০

। ৰত্নাকৰ (কবিতা) । ৮·০০

ডাঃ প্ৰফুল্লজ্যোতি বৰা :

। লোহা । ১৫·০০

চিদানন্দ শইকীয়া :

। জুয়ে পোৰা সোণ । ১৬·০০

। নৱজাতক । ৬·০০

পোলেন বৰকটকী :

। শিকলি । ১৪·০০

প্ৰফুল্লচন্দ্ৰ বৰা :

। ভোগদৈ বালিৰ জোনাক । ৭·০০

। নৱজীৱনৰ পদধ্বনি । ৮·০০

অমূল্যকুমাৰ হাজৰিকা :

। আক্ৰমণ । ৮·৫০

নিৰুপমা বৰগোহাঞি :

। দিন প্ৰতিদিন । ৭·০০

। চিনাকি অচিনাকি । ৮·০০

ড° নগেন ঠাকুৰ :

। ভাৰতীয় ভাষাৰ পৰিচয় । ১০·০০

ড° শিৱনাথ বৰ্মণ :

। অন্বেষা । ১২·০০

যোগেন দত্ত :

। ৰাজনীতিজ্ঞ কীৰ্তিচন্দ্ৰ বৰবৰুৱা । ৮·০০

দুলাল বৰদলৈ :

। ক্লান্ত পথীৰ কাকলি । ৫·৫০

। কল্লোল । ৭·০০

যদুনাথ শইকীয়া :

। মা ।

হোমেন বৰগোহাঞি :

। সাউদৰ পুতেকে নাও মেলি যায় । ১৮·০০

জেদি দত্ত :

। দলিল । (কবিতা) ৬·০০